# সমাজবোধ

## উচ্চতৰ মাধ্যমিক প্ৰথম বাৰ্ষিকৰ পাঠ্যপুথি

(দ্বিতীয় ভাগ)

অসম উচ্চতৰ মাধ্যমিক শিক্ষা সংসদ

ৰাষ্ট্ৰীয় শৈক্ষিক গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদৰ
পাঠ্যপুথিৰ আধাৰত

**SAMAJBODH :** A textbook of the subject Sociology for H.S. 1st year classes in Assamese medium, prepared by National Council of Educational Research and Training (NCERT), New Delhi and translated/approved by Assam Higher Secondary Education Council (AHSEC) and published by DD Publication on behalf of AHSEC.

**প্ৰথম প্ৰকাশ** ঃ ২০১০

**সংশোধিত সংস্কৰণ** ঃ ২০২২

**মূল সংস্কৰণ-**

© ৰাষ্ট্ৰীয় শৈক্ষিক গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ

**অধিগৃহীত-**

© অসম উচ্চতৰ মাধ্যমিক শিক্ষা সংসদ,২০১০

**মূল্য** ঃ ৭৫.০০ টকা

**মুদ্ৰণ ঃ 70 জি এছ এম**

**বেটুপাত ঃ 170 জি এছ এম**

**প্ৰচ্ছদ শিল্পী** ঃ পংকজ তালুকদাৰ

**ডিটিপি-চেটিং** ঃ বি এইচ গ্ৰুপ

**অসম উচ্চতৰ মাধ্যমিক শিক্ষা সংসদৰ সচিবৰ দ্বাৰা প্ৰকাশিত।**

**বামুণীমৈদাম, গুৱাহাটী-৭৮১০২১**

**ছপা ঃ ডি ডি প্ৰিণ্টাৰ্চ**

**চেনিকুঠী, গুৱাহাটী-০৩**

**সৰ্বস্বত্ত্ব সংৰক্ষিত**

❖ প্ৰকাশকৰ অনুমতি অবিহনে এই প্ৰকাশনৰ যিকোনো অংশৰ ছপা কৰা কাৰ্য অথবা ইলেকট্ৰ'নিক মাধ্যম, যান্ত্ৰিক মাধ্যম, ফটো প্ৰতিলিপি, ৰেকৰ্ডিং নাইবা আন কোনো উপায়েৰে পুনঃপদ্ধতিৰ সহায়ত ইয়াৰ সংগ্ৰহকৰণ অথবা সংবৰ্ধন কৰাটো নিষিদ্ধ।

❖ এই কিতাপখনৰ বিক্ৰী এই চুক্তি সাপেক্ষে কৰা হৈছে যে প্ৰকাশকৰ আগতীয়া অনুমতি অবিহনে এই কিতাপখন ইয়াৰ নিজা বেটুপাত, 'বাইণ্ডিঙ'ৰ বাহিৰে অন্য কোনো প্ৰকাৰে ব্যৱসায় কৰিব, ভাৰা দিব, পুনৰ বিক্ৰী কৰিব নাইবা ধাৰলৈ দিব নোৱাৰিব।

❖ এই পুথিখনৰ উচিত মূল্য এই পৃষ্ঠাতে ছপা কৰিব লাগিব। ৰবৰৰ 'ষ্টাম্প', ষ্টিকাৰ মৰা বা অন্য কোনো প্ৰকাৰে অংকিত যিকোনো সংশোধিত মূল্যই অশুদ্ধ হ'ব আৰু বিবেচিত নহ'ব।

**প্ৰকাশক**

**অসম উচ্চতৰ মাধ্যমিক শিক্ষা সংসদৰ হৈ**

**ডি ডি পাব্লিকেচন**

**যশৱন্ত ৰোড ,মাৰ্কেট কমফৰ্ট, পাণবজাৰ, গুৱাহাটী- ৭৮১০০১**

# ভূমিকা

সময়ৰ লগত খোজ মিলাই আগবাঢ়ি যাব পৰাকৈ ছাত্ৰ-ছাত্ৰী সকলৰ বাবে তথ্য সম্বলিত পাঠ্যক্ৰমৰ ব্যৱস্থা কৰাটো অসম উচ্চতৰ মাধ্যমিক শিক্ষা সংসদৰ এক প্ৰধান কৰ্তব্য। বৰ্তমান সময়ত জ্ঞান-বিজ্ঞানৰ সকলো দিশতে যি অভূতপূৰ্ব উন্নতি হৈছে তাৰ পৰিপ্ৰেক্ষিতত শিক্ষাৰ যিকোনো স্তৰতে পাঠ্যক্ৰমৰ  সঘন সংশোধন এক অৱশ্যম্ভাবী প্ৰক্ৰিয়া হৈ পৰিছে। আমাৰ ছাত্ৰ-ছাত্ৰীসকল যাতে সৰ্বভাৰতীয় বা সমগ্ৰ বিশ্ব পৰ্যায়ৰ প্ৰতিযোগিতাত অৱতীৰ্ণ হ'ব পাৰে আৰু একে ধৰণৰ জ্ঞান লাভ কৰিব পাৰে এই উদ্দেশ্য আগত ৰাখি শিক্ষা সংসদে ২০১০-২০১১ চনৰ পৰা কাৰ্যকৰী হোৱাকৈ পাঠ্যক্ৰমৰ সংশোধন ঘটাইছে। এই সংশোধন ৰাষ্ট্ৰীয় শৈক্ষিক গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদে প্ৰস্তুত কৰি দিয়া ৰাষ্ট্ৰীয় পাঠ্যক্ৰম আঁচনি - ২০০৫ (National Curriculum Framework - 2005) ৰ আধাৰত কৰা হৈছে। ইয়াৰ লগতে পাঠ্যক্ৰমৰ উদ্দেশ্য পূৰণ হব পৰাকৈ পাঠ্যপুথিসমূহ প্ৰস্তুত কৰা হৈছে।

যিকোনো এটা বিষয়ৰ পাঠ্যক্ৰম তথা পাঠ্যপুথি প্ৰস্তুতকৰণ বহুসংখ্যক ব্যক্তিৰ এক সংঘবদ্ধ প্ৰচেষ্টা। অসম উচ্চতৰ মাধ্যমিক শিক্ষা সংসদে ২০২২-২৩ শিক্ষা বৰ্ষত সমাজতত্ত্ব বিষয়ৰ পাঠ্যক্ৰমৰ সংশোধন ঘটাই প্ৰথম বৰ্ষৰ দুয়োখন পাঠ্যপুথি প্ৰস্তুত কৰি উলিয়াইছে। সংসদৰ তৰফৰ পৰা সমাজতত্ত্ব বিষয়ৰ পাঠ্যক্ৰম সংশোধন কৰি পাঠ্যপুথি প্ৰস্তুত কৰালৈকে বিভিন্ন ক্ষেত্ৰত বিষয় বিশেষজ্ঞ সকলৰ দ্বাৰা গঠিত প্ৰস্তুতি সমিতিয়ে কৰা পৰিশ্ৰমৰ শলাগ লৈছো। অক্ষৰবিন্যাসক, আৰ্হিপাঠক আৰু ছপাশালৰ কৰ্মকৰ্তাসকলক সমাজতত্ত্ব বিষয়ৰ **সমাজবোধ** পাঠ্যপুথিখনি সজাই উলিয়াই দিয়াৰ বাবে ধন্যবাদ যাঁচিছো। সমাজতত্ত্ব বিষয়ৰ উচ্চতৰ মাধ্যমিক প্ৰথম বাৰ্ষিকৰ এই পাঠ্যপুথিখনে ছাত্ৰ-ছাত্ৰীৰ উপকাৰ সাধিলে আমাৰ পৰিশ্ৰম সাৰ্থক হ'ব। বিজ্ঞজনৰ পৰা গঠনমূলক দিহা-পৰামৰ্শ আগ্ৰহেৰে আশা কৰিলোঁ যাতে পৰৱৰ্তী তাঙৰণসমূহ অধিক উন্নত ৰূপত আগবঢ়াব পৰা যায়।

১২ অক্টোবৰ, ২০২২ — সচিব

বামুণীমৈদাম, গুৱাহাটী — অসম উচ্চতৰ মাধ্যমিক শিক্ষা সংসদ

# TEXTBOOK DEVELOPMENT COMMITTEE

**CHAIRPERSON, ADVISORY COMMITTEE FOR SOCIAL SCIENCE TEXTBOOKS AT THE HIGHER SECONDARY LEVEL**

Hari Vasudevan, Professor, Department of History, University of Kolkata, Kolkata

**CHIEF ADVISOR**

Yogendra Singh, Emeritus Professor, Centre for the Study of Social System, Jawaharlal Nehru University, New Delhi

**MEMBERS**

Abha Awasthi, Professor (Retd.), Department of Sociology, Lucknow University, Lucknow
Amita Baviskar, Professor, Institute of Economic Growth, University of Delhi
Anjan Ghosh, Fellow, Centre for Studies in Social Sciences, Kolkata
Balka Dey, Programme Associate, United Nations Development Programme, New Delhi
Disha Nawani, Professor, Gargi College, New Delhi
D.K. Sharma, Professor (Retd.), Department of Education in Social Sciences, NCERT, New Delhi
Jitendra Prasad, Professor (Retd.), Department of Sociology, M.D. University, Rohtak
Madhu Nagla, Professor, Department of Sociology, M.D. University, Rohtak
Madhu Sharan, Project Director, Hand-in-Hand, Chennai
Maitrayee Choudhari, Professor, Centre for the Study of Social Systems, Jawaharlal Nehru University, New Delhi
Rajiv Gupta, Professor (Retd.), Department of Sociology, University of Rajasthan, Jaipur
Sarika Chandrawanshi Saju, Assistant Professor, RIE, Bhopal, NCERT, New Delhi.
Satish Deshpande, Professor, Department of Sociology, Delhi School of Economics, University of Delhi, Delhi
Vishwa Raksha, Professor, Department of Sociology, University of Jammu, Jammu

**MEMBER-COORDINATOR**

Manju Bhatt, Professor, Department of Education in Social Sciences, NCERT, New Delhi

# *পাঠ্যপুথি অনুবাদ সমিতি*


**উপদেষ্টা ঃ**

ড° **প্ৰাঞ্জল শৰ্মা**, অধ্যাপক, সমাজতত্ত্ব বিভাগ; ডিব্ৰুগড় বিশ্ববিদ্যালয়।

ড° **উপাসনা শৰ্মা**, বিভাগীয় মুৰব্বী, সমাজতত্ত্ব বিভাগ; ডিব্ৰুগড় বিশ্ববিদ্যালয়।

ড° **পাৰ্থপ্ৰতিম বড়া**, সহকাৰী অধ্যাপক, সমাজতত্ত্ব বিভাগ; ডিব্ৰুগড় বিশ্ববিদ্যালয়।

**সমন্বয়ক ঃ**

ড° **ৰাজেন বৰা**, বিভাগীয় মুৰব্বী তথা সহযোগী অধ্যাপক, সমাজতত্ত্ব বিভাগ; যোৰহাট কেন্দ্ৰীয় মহাবিদ্যালয়।

ড° **হিমান্ত বৰগোহাঁই**, বিভাগীয় মুৰব্বী তথা সহকাৰী অধ্যাপক, সমাজতত্ত্ব বিভাগ; আমগুৰি মহাবিদ্যালয়।

**অনুবাদকসকল ঃ**

ড° **ৰাজেন বৰা**, বিভাগীয় মুৰব্বী তথা সহযোগী অধ্যাপক, সমাজতত্ত্ব বিভাগ; যোৰহাট কেন্দ্ৰীয় মহাবিদ্যালয়।
(চতুৰ্থ অধ্যায় ঃ পাশ্চাত্য সমাজতত্ত্ববিদসকলৰ পৰিচয়)

ড° **দিগন্ত ফুকন**, বিভাগীয় মুৰব্বী তথা সহকাৰী অধ্যাপক , সমাজতত্ত্ব বিভাগ; যোৰহাট মহাবিদ্যালয়।
(তৃতীয় অধ্যায় ঃপৰিৱেশ আৰু সমাজ)

ড° **অখিল বৰা**, বিভাগীয় মুৰব্বী তথা সহকাৰী অধ্যাপক, সমাজতত্ত্ব বিভাগ; মৰাণ্ডী মহাবিদ্যালয়।
(পঞ্চম অধ্যায় ঃ ভাৰতীয় সমাজতত্ত্ববিদসকল )

ড° **অৰুণ ৰয়**, সহকাৰী অধ্যাপক, সমাজতত্ত্ব বিভাগ; দুলীয়াজান মহাবিদ্যালয়।
(প্ৰথম অধ্যায় ঃ সামাজিক সংৰচনা, স্তৰীকৰণ আৰু সামাজিক প্ৰক্ৰিয়াসমূহ)

ড° **তপন শইকীয়া**, বিভাগীয় মুৰব্বী তথা সহকাৰী অধ্যাপক, সমাজতত্ত্ব বিভাগ; হেমপ্ৰভা বৰবৰা ছোৱালী মহাবিদ্যালয়
(দ্বিতীয় অধ্যায় ঃ গ্ৰাম্য আৰু নগৰীয়া সমাজত সামাজিক পৰিৱৰ্তন আৰু সামাজিক শৃংখলা )

# সমন্বয়কৰ একাষাৰ

যোৱা কিছু বছৰ ধৰি অসম উচ্চতৰ মাধ্যমিক শিক্ষা সংসদে বিভিন্ন বিষয়সমূহক সৰ্বভাৰতীয় পাঠ্যক্ৰমৰ ভিত্তিত অসমৰ শিক্ষানুষ্ঠানসমূহত প্ৰৱৰ্তন কৰি আহিছে। গুণগত তথা যুগ সাপেক্ষ এক শৈক্ষিক পাঠ্যক্ৰম ছাত্ৰ-ছাত্ৰীসকলৰ বাবে আগবঢ়াই দিবলৈ বহুবাৰ দক্ষ শিক্ষাবিদসকলৰ লগত আলোচনা-বিলোচনাও কৰিছে আৰু তেখেতসকলৰ পৰা দিহা-পৰামৰ্শও লৈছে। এনে আলোচনা-বিলোচনাৰ যোগেদিয়েই ৰাষ্ট্ৰীয় শৈক্ষিক গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদৰ পাঠ্যক্ৰমৰ ভিত্তিত অসম উচ্চতৰ মাধ্যমিক শিক্ষা সংসদে আন আন বিষয়সমূহৰ লগতে সমাজতত্ত্ব বিষয়ৰ পুথিসমূহ প্ৰকাশ কৰি আহিছে। উচ্চতৰ মাধ্যমিক স্তৰত সমাজতত্ত্ব বিষয়ত সৰ্বভাৰতীয় পৰ্যায়ৰ এনে পাঠ্যক্ৰমৰ সন্নিৱিষ্টকৰণে ছাত্ৰ-ছাত্ৰীসকলক পূৰ্বতকৈ সমাজতত্ত্বীয় জ্ঞানৰ বাক্‌ধাৰাত নিশ্চয়কৈ নতুনত্ব প্ৰদান কৰিছে আৰু সমাজতত্ত্বীয় অধ্যয়নৰ বহল আৰু বহুমুখী ধাৰাটোক পৰিচিত কৰাৰ দিশে লৈ গৈছে।

অসম উচ্চতৰ মাধ্যমিক শিক্ষা সংসদে যোৱা কেইটামান বছৰ ধৰি ৰাষ্ট্ৰীয় শিক্ষা গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদৰ পাঠ্যক্ৰমৰ আৰ্হিত সমাজতত্ত্ব বিষয়ৰ যিকেইখন পাঠ্যপুথি প্ৰস্তুত কৰি উলিয়াইছে সেই কেইখন গ্ৰন্থৰ গুণগত মানদণ্ড বহু ওপৰত। সেই একেধৰণৰ মানদণ্ড অটুত ৰাখিয়েই আমাৰ এই পুথিখনিও প্ৰকাশ কৰিবলৈ যত্ন কৰা হৈছে। আমাৰ এই গ্ৰন্থখনি প্ৰকাশ কৰাৰ আগতে অসম উচ্চতৰ মাধ্যমিক শিক্ষা সংসদে যিখনি গ্ৰন্থ প্ৰকাশ কৰিছিল, সেই গ্ৰন্থৰ লেখক তথা অনুবাদক ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ সমাজতত্ত্ব বিভাগৰ অধ্যাপক তথা আমাৰ চিৰনমস্য শিক্ষাগুৰু শ্ৰীপ্ৰশান্ত বৰদলৈ চাৰ, ড° চন্দ্ৰকান্ত গগৈ চাৰ আৰু এচ. কে হাজৰিকা কনিষ্ঠ মহাবিদ্যালয়, গুৱাহাটী, সমাজতত্ত্ব বিভাগৰ প্ৰবক্তা শ্ৰীমতী ৰিজু দাসে বিভিন্ন অধ্যায়সমূহত যি সুন্দৰ আৰু সাৱলীল ব্যাখ্যা আগবঢ়াইছে; সেয়া অতিকৈ প্ৰশংসনীয়। সেইবাবে আমাৰ এই পুথিখনিৰ প্ৰস্তুতৰ লগত জড়িত হৈ থকা লেখক তথা অনুবাদকসকলে কেইটামান অধ্যায়ৰ কিছু অংশত অলপ নতুনত্ব প্ৰদান কৰিছে যদিও আমাৰ এই পুথিৰ আগৰ পুথিত শ্ৰদ্ধাৰ শ্ৰীপ্ৰশান্ত বৰদলৈ চাৰ আৰু ড° চন্দ্ৰকান্ত গগৈ চাৰে লেখা কেইটামান অধ্যায় একে ধৰণেই ৰখা হৈছে। কিয়নো শিক্ষাগুৰুসকলৰ অধ্যায়সমূহৰ সুন্দৰ ব্যাখ্যা আৰু বিশ্লেষণৰ ওপৰত পুনৰ কলম তুলি লোৱাৰ আমাৰ ধৃষ্টতা নাই।

আমাৰ এই পুথিখনি প্ৰস্তুত কৰাৰ সময়ছোৱাত বিশেষভাৱে দিহা-পৰামৰ্শ আগবঢ়াইছিল— ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ সমাজতত্ত্ব বিভাগৰ অধ্যাপক ড° প্ৰাঞ্জল শৰ্মা চাৰ, ড° উপাসনা শৰ্মা বাইদেউ আৰু ড° পাৰ্থপ্ৰতীম বড়াই। গতিকে তিনিওগৰাকীৰ ওচৰত আমি চিৰকৃতজ্ঞ। ইয়াৰ উপৰিও যিসকল লেখক তথা অনুবাদকে ৰাষ্ট্ৰীয় শিক্ষা গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদৰ পাঠ্যক্ৰমৰ আৰ্হিত পুথিখনিৰ বিভিন্ন অধ্যায়সমূহ প্ৰস্তুত কৰি দিলে সেইসকল লেখক তথা অনুবাদকক কৃতজ্ঞতাৰে শলাগ লৈছোঁ।

পুথিখনি প্ৰস্তুত কৰাৰ বেলিকা বিভিন্ন দিশত অনেক ভুল-ত্ৰুটি ৰৈ যোৱাটো স্বাভাৱিক। সেয়েহে ৰৈ যোৱা ভুল-ত্ৰুটিৰ বাবে গঠনমূলক দিহা-পৰামৰ্শ সাদৰে গ্ৰহণ কৰা হ'ব।

সমন্বয়কদ্বয়
ড° ৰাজেন বৰা
ড° হিমান্ত বৰগোহাঁই

# সূচীপত্ৰ


| | | | পৃষ্ঠা |
|---|---|---|---|
| প্ৰথম অধ্যায় | ঃ | সামাজিক সংৰচনা, স্তৰীকৰণ আৰু সামাজিক প্ৰক্ৰিয়াসমূহ<br>**(Social Structure, Stratification and Social Processes in Society)** | ৯ |
| দ্বিতীয় অধ্যায় | ঃ | গ্ৰাম্য আৰু নগৰীয়া সমাজত সামাজিক পৰিৱৰ্তন আৰু সামাজিক শৃংখলা<br>**(Social Change and Social Order in Rural and Urban Society)** | ৩২ |
| তৃতীয় অধ্যায় | ঃ | পৰিৱেশ আৰু সমাজ<br>**(Environment and Society)** | ৬০ |
| চতুৰ্থ অধ্যায় | ঃ | পাশ্চাত্য সমাজতত্ত্ববিদসকলৰ পৰিচয়<br>**(Introducing Western Sociologists)** | ৮১ |
| পঞ্চম অধ্যায় | ঃ | ভাৰতীয় সমাজতত্ত্ববিদসকল<br>**(Indian Sociologists)** | ১০২ |

# ভাৰতীয় সংবিধান

## প্ৰস্তাৱনা

"আমি ভাৰতৰ জনগণে ভাৰতক এখন সাৰ্বভৌম, সমাজবাদী, ধৰ্মনিৰপেক্ষ, লোকতান্ত্ৰিক গণৰাজ্য ৰূপে গঠন কৰিবলৈ, তথা ইয়াৰ সকলো নাগৰিকৰ বাবে, সামাজিক, অৰ্থনৈতিক আৰু ৰাজনৈতিক ন্যায়, চিন্তা, অভিব্যক্তি, বিশ্বাস, ধৰ্ম আৰু উপাসনাৰ স্বাধীনতা, প্ৰতিষ্ঠা আৰু সুযোগৰ সমতা লাভ কৰিবলৈ আৰু তেওঁলোকে সকলোৰে মাজত ব্যক্তিৰ মৰ্যাদা তথা জাতীয় ঐক্য আৰু সংহতি সুনিশ্চিতকাৰী ভ্ৰাতৃভাব বৃদ্ধি কৰিবলৈ নিষ্ঠা সহকাৰে সংকল্প কৰি— আমাৰ এই সংবিধানসভাত আজি ১৯৪৯ চনৰ নবেম্বৰ মাহৰ ষষ্ঠবিংশ দিৱসত, ইয়াৰ দ্বাৰা এই সংবিধান গ্ৰহণ কৰিছোঁ, অধিনিয়মিত কৰিছোঁ আৰু নিজকে অৰ্পণ কৰিছোঁ।"

প্ৰথম অধ্যায়

# সামাজিক সংৰচনা, স্তৰীকৰণ আৰু সমাজত সামাজিক প্ৰক্ৰিয়াসমূহ

# (Social Structure, Stratification and Social Processes in Society)

**পৰিচয় (Introduction) ঃ**

তোমালোকৰ মনত আছে নিশ্চয় সমাজতত্ত্ব পৰিচয়ৰ প্ৰথম খণ্ডৰ আৰম্ভণিতে, ব্যক্তিগত সমস্যা আৰু সামাজিক সমস্যাৰ সম্বন্ধ সম্পৰ্কে আলোচনা কৰা হৈছিল। তোমালোক এই বিষয়ে জ্ঞাত যে ব্যক্তিসকল কিদৰে সামূহিকভাৱে সংযুক্ত হৈ থাকে; যেনে সমূহ, শ্ৰেণী, লিঙ্গ, জাতি আৰু জনজাতিৰ জৰিয়তে। অৰ্থাৎ প্ৰতিজন ব্যক্তিয়ে কোনোবা এটা সমূহৰ লগত অথবা একাধিক সমূহৰ লগত যুক্ত হৈ থাকে। উদাহৰণস্বৰূপে তুমি তোমাৰ বন্ধুবৰ্গ, পৰিয়াল আৰু স্বজন, শ্ৰেণী আৰু লিঙ্গ, দেশ আৰু ধৰ্মৰ একো একোজন সদস্য। সেয়েহে প্ৰত্যেক ব্যক্তিৰে সামাজিক সংৰচনা আৰু সামাজিক স্তৰীকৰণত এটা নিৰ্দিষ্ট স্থান আছে (সমাজতত্ত্ব পৰিচয়, প্ৰথম খণ্ডত বিতংভাৱে দিয়া আছে)। ইয়াৰ অৰ্থ এয়ে যে প্ৰতিজন ব্যক্তিৰ সামাজিক সম্পদ প্ৰাপ্তিৰ বিভিন্ন প্ৰকাৰ আৰু স্তৰ থাকে। অন্য কথাত এজন ছাত্ৰই কেনে বিদ্যালয়ত পঢ়িব সেইটো নিৰ্ভৰ কৰিব তেওঁৰ সামাজিক স্তৰৰ ওপৰত। সেইদৰে ছাত্ৰজনে কেনে ধৰণৰ বস্ত্ৰ পৰিধান কৰে, কেনেকুৱা খাদ্য গ্ৰহণ কৰে, আজৰি সময় কিদৰে অতিবাহিত কৰে, কেনেধৰণৰ স্বাস্থ্য সম্বন্ধীয় সা-সুবিধা লাভ কৰে, তেওঁৰ জীৱনশৈলীও বহু ক্ষেত্ৰত তেওঁৰ সামাজিক স্তৰৰ ওপৰত নিৰ্ভৰ কৰে। সেইহে আমি কব পাৰোঁ যে সামাজিক সংৰচনাৰ ক্ষেত্ৰত সামাজিক স্তৰীকৰণে কেতিয়াবা ব্যক্তিৰ ক্ৰিয়াৰ প্ৰতিবন্ধক ৰূপেও থিয় দিব পাৰে।

ব্যক্তি আৰু সমাজৰ মাজত দ্বন্দ্বাত্মক সম্বন্ধ (Dialectical relationship) সমাজতাত্বিক অধ্যয়নৰ এক গুৰুত্বপূৰ্ণ অৱধাৰণা আৰু সমাজতত্ত্বই ইয়াক বুজি পোৱাত সহায় কৰে। চি. ৰাইট মিলচৰ (C.Wright Mills) সমাজতাত্বিক কল্পনা অৱধাৰণাৰ কথা মনত আছে নিশ্চয়। তেওঁ সমাজৰ ইতিহাস আৰু ব্যক্তিৰ জীৱন বৃত্তান্তৰ ওতঃপ্ৰোত সম্পৰ্কৰ কথা কৈছে। দ্বন্দ্বাত্মক সম্বন্ধক বুজি পাবৰ বাবে এই পাঠটিত আমি তিনিটা মুখ্য অবধাৰণাৰ বিষয়ে আলোচনা কৰাৰ প্ৰয়োজনীয়তা আছে। সেইকেইটা হৈছে সামাজিক সংৰচনা, সামাজিক স্তৰীকৰণ আৰু সামাজিক প্ৰক্ৰিয়া। ইয়াৰ পাছৰ অধ্যায়ত আমি গ্ৰাম্য আৰু নগৰীয়া সমাজৰ

সংৰচনাৰ ভিন্নতা আৰু পাৰিপাৰ্শ্বিকতা আৰু সামাজিক সম্পৰ্কৰ বিষয়ে বহলাই আলোচনা কৰিম। ইয়াৰ শেষৰ দুটা অধ্যায়ত পাশ্চাত্যৰ সমাজ দাৰ্শনিক আৰু ভাৰতীয় সমাজতত্ত্ববিদসকলৰ লিখনিৰ দ্বাৰা সামাজিক সংৰচনা, সামাজিক স্তৰীকৰণ আৰু সামাজিক প্ৰক্ৰিয়াৰ বিষয়ে জানিব পাৰিম। ই আমাক আৰু অধিকভাৱে অৱধাৰণাসমূহক বুজি পোৱাত সহায় কৰিব।

এই পাঠটিৰ মুখ্য প্ৰশ্ন হ'ল যে এজন ব্যক্তিৰ সামাজিক সংৰচনা অনুযায়ী কিমান সামাজিক সীমাবদ্ধতা আৰু স্বতন্ত্ৰতা থাকে? সামাজিক স্তৰীকৰণ ব্যৱস্থা অনুযায়ী সমাজত ব্যক্তিৰ স্থান ব্যক্তিগত ৰুচিবোধৰ দ্বাৰা নিৰ্ধাৰিত হয়। ব্যক্তিৰ কাৰ্যাৱলীক সামাজিক সংৰচনা আৰু সামাজিক স্তৰীকৰণে প্ৰভাৱিত কৰিব পাৰেনে? ব্যক্তিসকলৰ মাজত সহযোগিতা, প্ৰতিযোগিতা আৰু সংঘৰ্ষৰ ক্ষেত্ৰত সামাজিক সংৰচনা আৰু সামাজিক স্তৰীকৰণে কি প্ৰভাৱ পেলায়?

এই অধ্যায়ত আমি চমুকৈ সামাজিক সংৰচনা আৰু সামাজিক স্তৰীকৰণ সম্পৰ্কে আলোচনা কৰিলো। ইতিমধ্যে প্ৰথম খণ্ড (সমাজতত্ত্ব পৰিচয়) ৰ দ্বিতীয় অধ্যায়ত সামাজিক স্তৰীকৰণ সম্পৰ্কে আলোচনা কৰা হৈছে। ইয়াৰ পাছত তিনিটা মুখ্য সামাজিক প্ৰক্ৰিয়া ক্ৰমে সহযোগিতা, প্ৰতিযোগিতা আৰু সংঘৰ্ষৰ বিষয়ে আলোচনা কৰিম। আমাৰ এই আলোচনাত সামাজিক সংৰচনা আৰু সামাজিক স্তৰীকৰণে কেনেকৈ সামাজিক প্ৰক্ৰিয়াক প্ৰভাৱিত কৰে তাকে দেখুৱাম। সহজভাৱে ক'বলৈ হ'লে ব্যক্তি আৰু সমূহৰ সহযোগিতা, প্ৰতিযোগিতা আৰু সংঘৰ্ষ নিৰ্ভৰ কৰে সামাজিক সংৰচনা আৰু স্তৰীকৰণ পদ্ধতি অনুসৰি এজন ব্যক্তিয়ে লাভ কৰা স্থানৰ ওপৰত।

**সামাজিক সংৰচনা আৰু স্তৰীকৰণ (Social Structure and Stratification) ঃ**

'সামাজিক সংৰচনা'ৰ অৰ্থ হ'ল সমাজ ব্যৱস্থা সংৰচনাত্মক। অৰ্থাৎ সমাজ সংগঠিত অথবা প্ৰণালীবদ্ধ—এটা নিৰ্দিষ্ট দিশত। আমি বসবাস কৰা সামাজিক বাতাবৰণ এটা যাদৃচ্ছিক ঘটনা আৰু ক্ৰিয়াৰ মিশ্ৰণ মাথোন নহয়। ব্যক্তিৰ আচৰণৰ প্ৰকাৰ আৰু ব্যক্তিৰ অন্য লোকৰ লগত সম্পৰ্ক এটা ক্ৰম বা আৰ্হি অনুসৰি দেখা যায়। সামাজিক সংৰচনাই নিয়মিতকৰণকেই বুজায়। যুক্তিৰ সহায়ত সামাজিক সংৰচনাৰ বৈশিষ্ট্য সমূহক এটা ঘৰৰ সংৰচনাৰ সৈতে মিলাব পাৰি। এটা ঘৰৰ বেৰ, মজিয়া আৰু মুধচ — এই সকলোবোৰ একত্ৰিতভাৱে এক বিশেষ আকাৰ বা গঠনৰ ৰূপ লয় (গিডেনচ 2004 : 667)।

যদি ইয়াক কঠোৰভাৱে প্ৰয়োগ কৰা হয়, তেন্তে এই ৰূপকৰ (Metaphor) উদাহৰণটোৱে মানুহক ভুল পথে পৰিচালিত কৰিব পাৰে। সামাজিক সংৰচনা মানৱীয় ক্ৰিয়া আৰু সম্বন্ধৰ দ্বাৰা গঢ় লয়। স্থান আৰু সময়ৰ ব্যৱধানৰ বাবে নিৰন্তৰ সংঘটিত হোৱা বাবেই এটা আৰ্হি গঠিত হয়। সেইকাৰণে সামাজিক অনুকৰণ আৰু সামাজিক সংৰচনাৰ মাজত থকা ওতঃপ্ৰোত সম্পৰ্কৰ বিষয়ে সমাজতাত্ত্বিক ব্যাখ্যাত আলোচনা কৰা হয়। উদাহৰণস্বৰূপে, এখন বিদ্যালয় আৰু পৰিয়ালৰ সংৰচনাক বিবেচনা কৰিব পাৰি। এখন বিদ্যালয়ে কিছুমান নিৰ্দিষ্ট কাৰ্যাৱলী বছৰ বছৰ ধৰি কৰি থকাৰ বাবে ই সংস্থালৈ পৰ্যবসিত হয়। উদাহৰণস্বৰূপে, নামভৰ্তিৰ প্ৰক্ৰিয়া, আচৰণ বিধি, বছৰেকীয়া সভা, প্ৰতিদিনে সমবেত হোৱা আৰু কোনো ক্ষেত্ৰত বিদ্যালয়ৰ গীত গোৱা আদি। সেইদৰে পৰিয়ালৰ ক্ষেত্ৰতো বিশেষ ধৰণৰ ব্যৱহাৰ, বৈবাহিক নীতিৰ আচৰণ, সম্পৰ্কৰ ধাৰণা, দায়িত্ব আৰু প্ৰত্যাশিত কাৰ্যাৱলী আদিও চলি থাকে। পৰিয়ালৰ পুৰণি সদস্য আৰু বিদ্যালয়ৰ পুৰণি সদস্য

আঁতৰি গ'লেও নতুন সদস্যৰ অন্তৰ্ভুক্তি হয় আৰু সংস্থা বৰ্তি থাকে। আমি জ্ঞাত যে পৰিয়াল আৰু বিদ্যালয়ৰো আভ্যন্তৰীণ পৰিৱৰ্তন হয়।

ওপৰোক্ত আলোচনা আৰু কাৰ্যকলাপৰ পৰা আমি বুজি পাওঁ যে সমাজখন এখন ঘৰ নিৰ্মাণৰ দৰে প্ৰতি মুহূৰ্ততে পুনৰ নিৰ্মাণ হয় যদিও ঘৰৰ মূল ইটা, ভেটি পূৰ্বতেই সজা হৈছিল। সহজভাৱে ক'বলৈ হ'লে সমাজ পুনৰ নিৰ্মাণ হৈ থাকে যদিও মূল সংৰচনা বহুত বেছি সলনি হৈ নাযায়। আমি দেখিবলৈ পাইছো যে বিদ্যালয় অথবা পৰিয়ালৰ সংৰচনাৰ পৰিৱৰ্তন কৰিবলগীয়া হ'লে মূল সংৰচনাৰ ভেঁটিৰ সহায়ত পুনৰ নিৰ্মাণ কৰা হয়। প্ৰতিদিনেই প্ৰতিজন ব্যক্তিয়ে বিভিন্ন স্তৰত পুনৰ সংৰচনাৰ বাবে সহযোগ কৰে। এইটো কথাও মিছা নহয় যে, তেওঁলোকে প্ৰতিযোগিতাৰ সময়ত এজনে আনজনৰ লগত নিৰ্দয় আৰু অন্যায়ভাৱে অৱতীৰ্ণ হয়। লগতে এইটোও সত্য যে সহযোগিতাৰ লগত গভীৰ সংঘৰ্ষও  দেখা যায়। এই বিষয়ে এই অধ্যায়ৰ শেষৰ ফালে আমি সহযোগিতাৰ মাধ্যমেৰে গভীৰ সংঘৰ্ষ ৰোধৰ প্ৰক্ৰিয়া সম্পৰ্কে আলোচনা কৰিম।



**চিত্ৰ ঃ গাঁও আৰু নগৰ অঞ্চলত থকা বিভিন্ন প্ৰকাৰৰ ঘৰ (Different types of buildings in rural and urban areas)**

**ক্ৰিয়া-কলাপ-১ (Activity-1)**

তোমালোক ককা-আইতা আৰু অন্য প্ৰজন্মৰ লগত কথা পাতি জানিব বিচাৰা যে তেওঁলোকৰ সময়ত পৰিয়াল আৰু বিদ্যালয়ত কেনে ধৰণৰ পৰিৱৰ্তন ঘটিছে আৰু কোনবোৰ কথা একেই আছে।

পুৰণি চলচিত্ৰ, টি. ভি. ধাৰাবাহিক, উপন্যাস আদিত দেখুওৱা পৰিয়াল ব্যৱস্থাৰ লগত সাম্প্ৰতিক কালৰ পৰিয়ালৰ তুলনা কৰা।

তুমি আৰু তোমাৰ পৰিয়ালৰ সামাজিক আচৰণৰ আৰ্হি নিয়মানুৱৰ্তিতা প্ৰত্যক্ষ কৰিছানে? তোমাৰ বিদ্যালয়ৰ শিক্ষকে বিদ্যালয়ক কেনেকৈ এক সংৰচনা বুলি ভাবে আলোচনা কৰা। ছাত্ৰ-ছাত্ৰী, শিক্ষক, কৰ্মচাৰীয়ে এই সংৰচনাক বজাই ৰাখিবলৈ কিছুমান নিৰ্দিষ্ট দিশত কাম কৰিব লাগেনে? তুমি বিদ্যালয় অথবা পৰিয়ালৰ পৰিৱৰ্তনৰ বাবে কোনোবা দিশত ভাবিব পাৰানে? পৰিৱৰ্তন সমূহৰ ক্ষেত্ৰত কি কি বাধা আছে? কোনে আৰু কিয় ইয়াৰ বাধা দিয়ে?

ইমাইল দুৰখেইমে (আৰু অন্যান্য সমাজতত্ত্ববিদসকলে) সামাজিক কাৰ্যকলাপত সামাজিক প্ৰতিবন্ধকতা আৰোপ কৰাটো এক প্ৰধান অৱধাৰণা হিচাবে আলোচনা কৰে। তেওঁৰ মতে সমাজে সদস্যৰ ওপৰত সামাজিক ক্ৰিয়াৰ ক্ষেত্ৰত প্ৰতিবন্ধকতাৰ জৰিয়তে প্ৰভুত্ব বিস্তাৰ কৰে। তেওঁ যুক্তি আগবঢ়াইছে যে ব্যক্তিৰ ওপৰত সমাজৰ প্ৰভুত্ব থাকে। সমাজ ব্যক্তিৰ সৰ্বমুঠ ক্ৰিয়াতকৈ অধিক দৃঢ় আৰু কঠোৰ, যাক ভৌতিক পৰিবেশৰ সমপৰ্যায়ৰ বুলিব পাৰি।

অনুমান কৰা যে বহুকেইখন দুৱাৰ থকা কোঠা এটাত এজন ব্যক্তি থিয় হৈ আছে। কোঠাটোৰ সংৰচনাই তেওঁৰ ইচ্ছানুসৰি কৰিব বিচৰা কামত বাধা দিব। কোঠাটোৰ বেৰ আৰু দুৱাৰবোৰে তেওঁ কোঠাটোৰ পৰা ওলোৱা সোমোৱাৰ ক্ষেত্ৰত নিয়ন্ত্ৰণ কৰিব। তেওঁৰ মতে সামাজিক সংৰচনাই আমাৰ ক্ৰিয়া-কলাপৰ ক্ষেত্ৰত সমান্তৰাল ৰূপে বাধা দিয়ে। ব্যক্তিৰ ক্ৰিয়াকলাপৰ ওপৰত সীমাবদ্ধতা আৰোপ কৰে যেনেদৰে কোঠাৰ বেৰে ব্যক্তিৰ ওলোৱা সোমোৱাৰ ক্ষেত্ৰত নিয়ন্ত্ৰণ কৰে।

অন্য সমাজ দাৰ্শনিক যেনে— কাৰ্ল মাৰ্ক্সে সামাজিক সংৰচনা অনুযায়ী থকা বাধাৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে কিন্তু একে সময়তে মানৱীয় সৃষ্টিশীলতা বা কাৰক আৰু সামাজিক সংৰচনাৰ পৰিৱৰ্তন আৰু পুনৰ সংৰচনাৰ পোষকতা কৰিছে। তেওঁৰ মতে মানৱ জাতিয়ে বুৰঞ্জী ৰচনা কৰে কিন্তু সেইয়া তেওঁলোকৰ ইচ্ছামতে নহয়। তেওঁলোকেও বাধা আৰু সম্ভাৱনাৰ ঐতিহাসিক আৰু সংৰচনাত্মক পৰিস্থিতিৰ ভিতৰত থাকে।

সামাজিক স্তৰীকৰণ অৱধাৰণাটো আমি মনত পেলাব লাগিব (অধ্যায় দ্বিতীয় সমাজতত্ত্ব পৰিচয় (NCERT, 2006)। সামাজিক স্তৰীকৰণে সমাজ ব্যৱস্থাত প্ৰচলিত সমূহবোৰৰ মাজত সংৰচনাত্মক অসমতাৰ কথা বুজায় আৰু ই বস্তু বা প্ৰতীকীভাৱে পুৰস্কৃত কৰে। সকলো ধৰণৰ সমাজত ভিন্ন প্ৰকাৰৰ স্তৰীকৰণ পৰ্যবেক্ষণ কৰা হয়। আধুনিক সমাজ সম্পত্তি আৰু ক্ষমতাৰ ভিত্তিত স্তৰীকৃত। এহাতেদি য'ত আধুনিক

সমাজৰ সততে দেখিবলৈ পোৱা স্তৰীকৰণ হৈছে শ্ৰেণীবিভাজন অন্যহাতে প্ৰজাতি আৰু জাতি, অঞ্চল আৰু সম্প্ৰদায়, জনজাতি আৰু লিঙ্গ আদি স্তৰীকৰণৰ কাৰক হিচাবে দেখা যায়।

এই দৃষ্টিভংগী আমি দুৰখেইমে কৈ থৈ যোৱা তলৰ কথাখিনিৰ সহায়ত বুজিব পাৰোঁ। সমাজত যেতিয়া মই এজন ভাতৃ, পতি বা পিতৃ হিচাপে নিজৰ কামসমূহ কৰি যাওঁ, আচলতে মই নিজৰ ভূমিকাহে পালন কৰোঁ আৰু ইয়াৰ সৈতে কিছুমান দায়িত্ব বা কৰ্তব্য সাঙুৰ খাই থাকে, যিবিলাক মই দায়িত্ব হিচাপে গ্ৰহণ কৰি আগবাঢ়ি যাওঁ। এইক্ষেত্ৰত মোৰ ভাললগা বা বেয়া লগা বুলি চিন্তা কৰিবলগীয়া বৰ বিশেষ একো নাথাকে। মই কাৰোবাৰ যদি স্বামী হওঁ তেন্তে সমাজে প্ৰায় ধৰিয়েই থৈছে মোৰ কৰিবলগীয়া কামসমূহ কি কি হব। সেইদৰে দুৰখেইমে ধৰ্মৰ বিষয়ে আলোচনা কৰোঁতে কৈছে যে আমি কি ধৰ্ম গ্ৰহণ কৰিম বা কোনো এক ধৰ্মৰ প্ৰচলিত ৰীতি-নীতিসমূহৰ বিষয়ে মোৰ মতামত কি বা মোৰ ভাল লগা বা বেয়া লগাটোনো কি এই বিষয়ে মোৰ বৰ বিশেষ কৰিবলগীয়া নাথাকে মই যি পৰিয়ালত জন্ম গ্ৰহণ কৰিলোঁ বা যি সমাজত মই বাস কৰিছোঁ, সেই সমাজ ব্যৱস্থাই প্ৰায় আগতীয়াকৈ ঠিক কৰি থৈছে সমাজৰ ধৰ্মীয় পদ্ধতি বা আচৰণসমূহ কেনেকুৱা হব। গতিকে মোৰ ধৰ্মীয় আচৰণসমূহ বাহ্যিক ভাৱেই মোৰ ওপৰত প্ৰয়োগ কৰা হৈছে বুলি মই কব পাৰোঁ। ঠিক সেইদৰেই দুৰখেইমে কৈছে যে টকা পইছাৰ লেনদেনৰ বিচাৰ-বিবেচনা কৰোঁতে বা ব্যৱসায়িক সম্পৰ্কসমূহ কৰ্মক্ষেত্ৰত চলাই যাওঁতেও আমাৰ বাবে কিছুমান নিয়ম নীতি বান্ধি থৈ গৈছে। উপৰোক্ত আলোচনাখিনি যদিহে আমি চালি-জাৰি চাওঁ তেন্তে আমি বুজি পাম যে আমি কৰি থকা তথা কৰিবলগীয়া প্ৰায়সমূহ কামেই বাহ্যিকভাৱে আমাৰ ওপৰত আৰোপ কৰা হয় আৰু আমি বিচাৰিলেও বা নিবিচাৰিলেও এটা নিৰ্দিষ্ট ধৰণেহে আমি কামসমূহ কৰিবলৈ বাধ্য হওঁ। এই কথাফাঁকি সমাজৰ আন আন ব্যৱস্থাসমূহৰ ক্ষেত্ৰত বা আন আন ব্যক্তিসকলৰ ক্ষেত্ৰতো সমানেই প্ৰযোজ্য হব আৰু ইয়াৰ জৰিয়তেই আচলতে দুৰখেইমে বাহ্যিকভাবে সমাজে আমাৰ ওপৰত আৰোপ কৰা কিছুমান বাধ্যবাধকতাৰ কথা বুজাব বিচাৰিছে।

এই উদাহৰণৰ জৰিয়তেই দুৰখেইমে বুজাব খোজে যে সমাজত শ্ৰমবিভাজন প্ৰক্ৰিয়াটো (Division of labour) প্ৰায় এনেধৰণেই ঠিক কৰি দিয়া হয়।

**উৎস ঃ** Durkheim, Emile, 1933, The Division of Labour in Society, pp.50-1, A Free Press Paperback, The MacMillan Company, New York.

**ক্ৰিয়া-কলাপ-২ (Activity-2)**

কিছুমান উদাহৰণ চিন্তা কৰা য'ত সামাজিক সংৰচনাই মানুহক কোনো এক কাৰ্য কৰিবলৈ বাধ্য কৰে আৰু ব্যক্তিয়েও সামাজিক সংৰচনাক অবজ্ঞা কৰি পৰিবৰ্তন অনাৰ কথা ভাবে । পূৰ্বতে আলোচনা কৰা সমাজতত্ত্ব পৰিচয়ত সামাজিকীকৰণ অৰধাৰণাটো মনত পেলোৱা।

তোমালোকৰ নিশ্চয় মনত আছে যে সামাজিক সংৰচনাত সামাজিক আচৰণৰ এটা আৰ্হি পৰিলক্ষিত হয়। সামাজিক সংৰচনা এটা বিস্তৃত অৰধাৰণা, ইয়াৰ এটা অংশ স্বৰূপে সামাজিক স্তৰীকৰণত অসমতাৰ আৰ্হিবোৰ বিশেষভাৱে মন কৰিব লাগে। সামাজিক অসমতাৰ স্বৰূপ যাদৃচ্ছিকভাৱে ব্যক্তিৰ মাজত বিতৰণ কৰা নহয়। ই পদ্ধতিগতভাৱে বিভিন্ন সমূহৰ সদস্যৰ সৈতে সংপৃক্ত হৈ থাকে। কোনো এটা বিশেষ সমূহৰ মাজত কিছুমান উমৈহতীয়া গুণাগুণ থকা দেখা যায়। যদিহে কোনো নিৰ্দিষ্ট সমূহ উচ্চ স্থানীয় হয়; তেন্তে তেওঁলোকৰ সেই সামাজিক স্থান তেওঁলোকৰ সন্তানলৈকে স্থানান্তৰিত হয় আৰু ইয়াৰ জৰিয়তে তেওঁলোকে কিছুমান অগ্ৰাধিকাৰ লাভ কৰে। সামাজিক স্তৰীকৰণৰ অৰধাৰণাই সেইবাবে ইয়াকে সূচায় যে সমাজখন একোটা বিশেষ আৰ্হিৰ অসমান সমূহৰদ্বাৰা গঠিত আৰু ই এটা প্ৰজন্মৰ পৰা আনটোলৈ বৰ্তি থাকে (জয়াৰাম 1987:22)

তোমালোকে বুজিবলৈ চেষ্টা যে বিভিন্ন সামাজিক অগ্ৰাধিকাৰবোৰ অসমানভাৱে বিতৰণ কৰা হয় আৰু ইয়াৰ পাৰ্থক্য বুজি পোৱাটো প্ৰয়োজনীয়। ইয়াত তিনি প্ৰকাৰৰ সামাজিক অগ্ৰাধিকাৰ থাকে যাক উচ্চ শ্ৰেণী (Privileged group) সমূহে উপভোগ কৰে।

**(1) জীৱনৰ সম্ভাৱনা (Life Chances) ঃ** জীৱনত লাভ কৰা বিভিন্ন ভৌতিক অগ্ৰাধিকাৰ — যি জীৱনৰ মানদণ্ড উন্নত কৰে। ই কেৱল সম্পদ আৰু আয়ৰ অৰ্থনৈতিক অগ্ৰাধিকাৰ নুবুজায়। ই অন্যান্য সুবিধা যেনে স্বাস্থ্য, বৃত্তিগত নিৰাপত্তা আৰু অৱসৰ বিনোদন আদিকো সামৰি লয়।

**(2) সামাজিক প্ৰস্থিতি (Social Status) ঃ** সমাজৰ অন্য সদস্যৰ দৃষ্টিত উচ্চ স্থান আৰু সন্মান প্ৰাপ্তি।

**(3) ৰাজনৈতিক প্ৰভাৱ (Political Influence) ঃ** এটা সমূহে আন সমূহৰ ওপৰত প্ৰভুত্ব বিস্তাৰ কৰাৰ কৰ্তৃত্ব অথবা সিদ্ধান্ত লোৱাৰ অধিকাৰ অথবা সিদ্ধান্ত সমূহৰ পৰা নিজৰ লাভালাভ গ্ৰহণ কৰা।

ওপৰোক্ত আলোচনাত আমি দেখিলো যে, তিনিটা সামাজিক প্ৰক্ৰিয়াই সামাজিক স্তৰীকৰণৰ আধাৰ যেনে লিঙ্গ বা শ্ৰেণীয়ে বাধাৰ সৃষ্টি কৰে। সুবিধা আৰু সম্পদৰ উপস্থিতিয়ে ব্যক্তি আৰু সমূহৰ মাজত প্ৰতিযোগিতা, সহযোগিতা বা সংঘৰ্ষ আদি সামাজিক সংৰচনা আৰু সামাজিক স্তৰীকৰণে আৰ্হি

প্ৰদান কৰে। একে সময়তে ব্যক্তিয়ে প্ৰচলিত সামাজিক স্তৰীকৰণৰ সংৰচনা আৰু পদ্ধতি সলনি কৰিবলৈ চেষ্টা কৰে।

**সমাজতত্ত্বত সামাজিক প্ৰক্ৰিয়াক বুজি পাবৰ বাবে দুটা পন্থা (Two Ways of Understanding Social Processes in Sociology) ঃ**

আমাৰ আগৰ পুথিখনত (সমাজতত্ত্ব পৰিচয়) তোমালোকে সাধাৰণ জ্ঞানৰ সীমাবদ্ধতা সম্পৰ্কে জ্ঞাত হৈছিলা। সমস্যা এইটো নহয় যে সাধাৰণ জ্ঞান সকলো সময়তে ভুল হয়। সমস্যা হ'ল ই অপৰীক্ষণীয় আৰু নিৰ্ভুল বুলি ধৰি লোৱা হোৱা নাই। সমাজতত্ত্বই প্ৰতিটো দিশৰ প্ৰশ্ন কৰে। প্ৰচলিত সকলো কথা মানি নলয়। সেয়েহে এটা ব্যাখ্যাৰে কেৱল ব্যক্তি সন্তুষ্ট হয় বুলি ক'ব নোৱাৰি। প্ৰতিযোগিতা, সহযোগিতা বা সংঘৰ্ষ মানুহৰ স্বভাৱগত আচৰণ। এনে ধৰণৰ অনুমানৰ ভিত্তি হৈছে মানুহৰ আচৰণত কিছুমান বিশ্বজনীন মানৱীয় আচৰণে ক্ৰিয়া কৰে। আমি ইয়াৰ আগৰ অধ্যায়ত (সমাজতত্ত্ব পৰিচয়) আলোচনা কৰিছোঁ যে সমাজতত্ত্বই মনোবৈজ্ঞানিক বা প্ৰকৃতিবাদী ব্যাখ্যাত সন্তুষ্ট নহয়। সহযোগিতা, প্ৰতিযোগিতা আৰু সংঘৰ্ষৰ জৰিয়তে সমাজতত্ত্বই সমাজৰ নিৰ্ভেজাল ছবিখন দাঙি ধৰিব বিচাৰে।

**ক্ৰিয়া-কলাপ-৩ (Activity-3)**

দৈনন্দিন জীৱনৰ সহযোগিতা, প্ৰতিযোগিতা আৰু সংঘৰ্ষৰ উদাহৰণ মনত পেলোৱা, যিবোৰ তোমাৰ জীৱনতো সঘনাই ঘটি থাকে।

সমাজতত্ত্ব পৰিচয়ত আলোচনা কৰা হৈছে যে কেনেদৰে সমাজ বৈসাদৃশ্য আৰু বহুধা বিভক্ত বা বহুজাতিক। সমাজতত্ত্বৰ কাৰ্যাত্মক আৰু সংঘৰ্ষবাদী দৃষ্টিভংগীৰে বিভিন্ন সংস্থা-পৰিয়াল অৰ্থনৈতিক বা সামাজিক স্তৰীকৰণ আৰু সামাজিক নিয়ন্ত্ৰণ বুজি পোৱাত পাৰ্থক্য আছে। এই দুই কাৰ্যাত্মক আৰু সংঘৰ্ষবাদী দৃষ্টিভংগীক ভিন্নভাৱে আলোচনা কৰাটো আচৰিত নহয়, যিহেতু দুয়োটাৰ মাজত বৈপৰীত্য আছে। কিন্তু কাৰ্লমাৰ্ক্স (সংঘৰ্ষবাদী দৃষ্টিভংগীৰ লগত জড়িত) আৰু ইমাইল দুৰখেইম (কাৰ্যাত্মকবাদী দৃষ্টিভংগীৰ লগত জড়িত)এ ধাৰণা কৰিছিল যে মানুহে দৈনন্দিন জীৱনৰ বুনিয়াদী প্ৰয়োজনবোৰ সম্পূৰ্ণ কৰিবৰ বাবে, উৎপাদন আৰু পুনঃউৎপাদনৰ বাবে এজনে আনজনৰ সহযোগিতাৰে নিজস্ব পৃথিৱী গঢ়ে।

বিভিন্ন প্ৰকাৰৰ সহযোগিতাই এখন ঐতিহাসিক সমাজক আন এখন সমাজলৈ কেনেকৈ পৰিৱৰ্তন কৰে, এই বিষয়ে সংঘৰ্ষবাদী দৃষ্টিভংগীয়ে গুৰুত্ব আৰোপ কৰে। উদাহৰণস্বৰূপে সৰল সমাজবোৰত সাধাৰণতে দেখা যায় যে অতিৰিক্ত উৎপাদন নহয়; তেনে সমাজ ব্যৱস্থাত ব্যক্তি আৰু সমাজৰ মাজত শ্ৰেণী বা জাতি বা প্ৰজাতি আদিৰ ভিত্তিত একো বিভক্ত নাথাকে; বৰঞ্চ ইয়াত সহযোগিতাহে থাকে ।




চিত্ৰ ঃ বিভিন্ন প্ৰকাৰৰ প্ৰক্ৰিয়া **(Different types of processes)**

কিন্তু সামন্তবাদী অথবা পুঁজিবাদী সমাজত অধিক উৎপাদন হয়। গতিকে এনে সমাজত প্ৰভাৱশালী শ্ৰেণীবোৰ অতিৰিক্ত উৎপাদনৰ অধিকাৰী হয় আৰু তেনে সমাজত সহযোগিতাই সম্ভাৱনীয় সংঘৰ্ষ আৰু প্ৰতিযোগিতালৈ ৰূপান্তৰিত হয়। সেয়ে সংঘৰ্ষবাদী ভাৱধাৰাৰ মতে উৎপাদন ব্যৱস্থাৰ এনে পাৰ্থক্যই ব্যক্তি আৰু সমূহক ভিন্ন আৰু অসমান স্থান প্ৰদান কৰে। সেয়ে উদ্যোগৰ মালিক আৰু শ্ৰমিকে দৈনন্দিন কামত সহযোগ কৰে। কিন্তু কেতিয়াবা বিশেষ পৰিস্থিতিত স্বাৰ্থজড়িত থাকিলে সংঘৰ্ষই তেওঁলোকৰ সম্পৰ্কত প্ৰভাৱ পেলায়।

সমাজ যেতিয়া জাতি বা শ্ৰেণী বা পুৰুষতান্ত্ৰিক ভিত্তিত বিভক্ত হয়, তেতিয়া তেনে সমাজত কিছুমান লোক সুবিধাৰ পৰা বঞ্চিত আৰু বৈষম্যৰ বলি হয়। সংঘৰ্ষবাদী সকলে এই মত পোষণ কৰে। তদুপৰি প্ৰভাৱশালী সমূহবোৰে সাংস্কৃতিক প্ৰতিমান আৰু হিংসাৰ প্ৰয়োগৰ ফলত নিজৰ প্ৰভুত্ব বৰ্তাই ৰাখিবলৈ অসমতাৰ সৃষ্টি কৰে। পৰৱৰ্তী অংশত তোমালোকে দেখিবলৈ পাবা যে কাৰ্যাত্মক দৃষ্টিভংগীৰ সমৰ্থক সকলে এনে ধৰণৰ প্ৰতিমান আৰু মান্যতাক সমৰ্থন নকৰে। সেয়েহে কোনটো প্ৰভাৱশালী সমূহে সমাজ নিয়ন্ত্ৰণ কৰিছে  সেই কথাটো গুৰুত্বপূৰ্ণ নহয়; সমাজৰ সামগ্ৰিক ৰূপটো আৰু কাৰ্যাৱলীহে গুৰুত্বপূৰ্ণ।

কাৰ্যাত্মক দৃষ্টিভংগীৰ সমৰ্থকসকলে প্ৰধানকৈ পদ্ধতিৰ প্ৰয়োজনীয়তা (System Requirement)ৰ দিশত গুৰুত্ব দিছে। সেইবোৰ হ'ল কাৰ্যাত্মক বাধ্যতামূলক (Functional Imperatives), কাৰ্যাত্মক প্ৰয়োজনীয়তা (Functional Prerequisities) আদি। সামাজিক পদ্ধতি বৰ্তি থাকিবলৈ এই কাৰ্য সমূহ পালন কৰা জৰুৰী। (এইবোৰক জীৱন্ত ৰূপত ৰখা হয় আৰু নষ্ট হোৱাত বাধা দিয়ে।) যেনে—(i) নতুন সদস্যৰ সামাজিকীকৰণ, (ii) যোগাযোগৰ বাবে এক পদ্ধতিগত ব্যৱস্থা আৰু (iii) ব্যক্তিৰ ভূমিকা নিৰ্ধাৰণ কৰা পদ্ধতি।

তোমালোকে জানা যে, কাৰ্যাত্মাক দৃষ্টিভংগীৰ সমৰ্থক সকলৰ অনুমান অনুসৰি সমাজৰ বিভিন্ন অংগ সমূহৰ নিৰ্দিষ্ট ভূমিকা থাকে আৰু ই সমগ্ৰ সমাজ পৰিচালিত কৰে। এই দৃষ্টিভংগীৰ পৰা ক'ব পাৰি যে সহযোগিতা, প্ৰতিযোগিতা আৰু সংঘৰ্ষ সকলো সমাজ ব্যৱস্থাৰ এক বিশ্বজনীন বৈশিষ্ট্য। এই প্ৰক্ৰিয়াৰ দ্বাৰা মানুহৰ জীৱনৰ এৰাব নোৱাৰা আন্তঃসম্পৰ্কক নিৰ্ধাৰণ কৰা হয়। যেতিয়াৰ পৰা জীৱন নিৰ্বাহৰ ওপৰত অধিক গুৰুত্ব আৰু নিজৰ ভৰণ-পোষণৰ বাবে প্ৰতিযোগিতা আৰু সংঘৰ্ষক মাধ্যম হিচাবে লোৱা হ'ল, তেতিয়াৰ পৰাই বহু সময়ত প্ৰতিযোগিতা আৰু সংঘৰ্ষই সহায়ক হিচাপে ক্ৰিয়া কৰাও পৰিলক্ষিত হ'ল।

**ক্ৰিয়া-কলাপ-৪ (Activity-4)**

মহিলাসকলে সংঘৰ্ষ বা প্ৰতিযোগিতাৰ ক্ষেত্ৰত প্ৰতিমানগত বাধ্যবাধকতাৰ বাবে অৱতীৰ্ণ হ'বলৈ সহযোগ কৰে  নে নকৰে আলোচনা কৰা। পুৰুষৰ উত্তৰাধিকাৰ নীতিৰ প্ৰচলিত ব্যৱস্থা মানি নচলিলে পৰিয়ালৰ লোকসকলে বেয়া পাব বুলিহে মানি চলে; নে ইয়াৰ অন্য কিবা কাৰণ আছে? পিতৃপ্ৰধান সমাজত পৰিয়ালৰ পৰা বিদায় লোৱাৰ সময়ত এগৰাকী কন্যাই কেনে ধৰণৰ ভয়ৰ সন্মুখীন হ'বলগীয়া হয়;আলোচনা কৰা।

সমাজতাত্ত্বিক অধ্যয়নে এইটো দেখুৱায় যে কেনেকৈ প্ৰতিমান আৰু সামাজিকীকৰণৰ আৰ্হিয়ে এক বিশেষ সামাজিক শৃংখলা বজাই ৰাখে, যদিও কোনোবা এটা অংশই অহিত সাধন কৰে। অন্য কথাত ক'বলৈ হ'লে সহযোগিতা, প্ৰতিযোগিতা আৰু সংঘৰ্ষৰ মাজত থকা সম্পৰ্ক প্ৰায়েই জটিল আৰু সহজে পৃথক কৰিব নোৱাৰি।

সহযোগিতা কেনেদৰে সংঘৰ্ষৰ লগত জড়িত বুজি পাবৰ বাবে আমি বল প্ৰয়োগ (Enforced) কৰি কৰা সহযোগিতা আৰু স্বইচ্ছা (Voluntary) কৰা সহযোগিতাৰ পাৰ্থক্য বুজি পাব লাগিব। এইটো বুজি পাবৰ বাবে আমি সম্পত্তিৰ অধিকাৰৰ ক্ষেত্ৰত নাৰীৰ জন্মগত পৰিয়ালৰ লগত হোৱা সমস্যাৰ কথা ক'ব পাৰোঁ। জন্মসূত্ৰে পৈতৃক সম্পত্তি লাভ কৰাৰ মনোবৃত্তিৰ সন্দৰ্ভত সমাজৰ বিভিন্ন গোটক লৈ এটি অধ্যয়ন কৰা হৈছিল। পৰিমাণগতভাৱে এটা ডাঙৰ মহিলাৰ গোটে (41.7%) সম্পত্তিৰ অধিকাৰ সন্দৰ্ভত নিজৰ জীয়েকৰ মৰম আৰু জীয়েকৰ কাৰণে থকা মৰমৰ কথা কয়। তেওঁলোকে পৈতৃক সম্পত্তি সম্পূৰ্ণ বা আংশিকভাৱেও নিবিচাৰে। কাৰণ তেওঁলোকে ভয় কৰে যে এনে কৰিলে ককাই-ভাইৰ পৰা আৰু ভাই-বোৱাৰীৰ পৰা ঘৃণাৰ পাত্ৰী হ'ব। যাৰ ফলশ্ৰুতিত নাৰী গৰাকীক হয়তো পৈতৃক ঘৰৰ মানুহে আদৰেৰে আকোৱালি নল'ব। সেয়েহে হয়তো মহিলাসকলে সম্পত্তিৰ অধিকাৰ নিবিচাৰে। যি মহিলাই পৈতৃক সম্পত্তি বিচাৰে তেওঁক লুভীয়া (Greedy shrew) বুলি নামকৰণ কৰে। সেইবাবে পৈতৃক গৃহৰ লগত সম্পৰ্ক ৰাখি তেওঁলোকৰ সমৃদ্ধি আৰু সংকটৰ সমভাগী হ'বলৈ মহিলাসকলে সম্পত্তিৰ অধিকাৰ নিবিচাৰে।



**চিত্ৰ ঃ দোলাত কইনা দৰাৰ ঘৰলৈ যোৱাৰ দৃশ্য (Bride leaving for groom's house in a 'Doli')**

দ্বিতীয় — ক্ৰিয়াকলাপে আমাক বুজাত সহায় কৰে যে গভীৰ সংঘৰ্ষ থকা সমাজতো সহযোগিতামূলক ব্যৱহাৰ থাকে। কিন্তু এনে সংঘৰ্ষবোৰৰ বহিঃপ্ৰকাশ বা প্ৰত্যাহ্বান যেতিয়া নাথাকে, তেতিয়া এনেধৰণে ধাৰণা কৰা হয় যে ইয়াত কোনো সংঘৰ্ষ নাই। কাৰ্যাত্মক দৃষ্টিভংগীয়ে 'উপযোগীকৰণ' অৱধাৰণাটোৰ জৰিয়তে যি কথাক বুজাইছে তাক আমি ওপৰোক্ত আলোচনাত সামৰি লৈছো। নাৰীয়ে পৈতৃক সম্পত্তিৰ অধিকাৰ গ্ৰহণ নকৰে — ইয়াত সংঘৰ্ষৰ পৰিৱৰ্তে সহাৱস্থান আৰু বুজা-পৰা কৰা দেখিবলৈ পোৱা যায়।

**ক্ৰিয়া কলাপ-৫ (Activity-5)**

কিছুমান সামাজিক আচৰণৰ বিষয়ে মনত পেলোৱা যিবোৰ দেখাত সহযোগিতাৰ দৰে, অথচ য'ত গভীৰ সংঘৰ্ষ লুকাই থাকে।

**সহযোগিতা আৰু শ্ৰমবিভাজন (Cooperation and Division of Labour) ঃ**

সহযোগিতাৰ ধাৰণাটো মানুহৰ আচৰণৰ কিছুমান পূৰ্বানুমান। যুক্তি আগবঢ়োৱা হয় যে, সহযোগিতা অবিহনে মানুহ জীয়াই থকা কঠিন। তদুপৰি জীৱ-জগততো আমি সহযোগিতা দেখো, লাগিলে ই পৰুৱা বা মৌ-মাখি বা স্তন্যপায়ীয়েই নহওঁক কিয়। জীৱ-জগতৰ লগত তুলনা কৰিবলৈ হ'লে আমি সাৱধান হোৱা উচিত। আমি সমাজতত্ত্বৰ দুটা ভিন্ন সিদ্ধান্তৰ পৰম্পৰাৰ জৰিয়তে বিষয়টোৰ ব্যাখ্যা কৰোঁ আৰু এই দুটা সিদ্ধান্ত প্ৰতিনিধিত্ব কৰে ইমাইল দুৰখেইম আৰু কাৰ্ল মাৰ্ক্সে। সমাজতত্ত্বৰ গৰিষ্ঠ অংশই মানুহৰ প্ৰকৃতি জঘন্য আৰু পাশৱিক বুলি কৰা ধাৰণাক নাকচ কৰে। "আদিম মানৱ জাতি কেৱল ভোক আৰু পিয়াহক সকলো সময়তে সাংঘাটিক ধৰণে সন্তুষ্ট কৰিবলৈ উৎসাহী আছিল" — এই মতবাদৰ বিৰোধিতা কৰিছিল দুৰখেইমে। তেখেতৰ মতে তেওঁলোকে নৈতিক জীৱনৰ প্ৰয়োজনীয় উপাদানবোৰ মন কৰা নাছিল। সমাজে নিয়ন্ত্ৰিত প্ৰভাৱৰ দ্বাৰা সদস্যসকলৰ ওপৰত আধিপত্য বিস্তাৰ কৰে যিটোৱে জীয়াই থকাৰ সংগ্ৰামৰ বাবে পাশৱিক আচৰণক প্ৰশমিত কৰে। য'ত সমাজ আছে তাতেই পৰিহতবাদ থাকে, যিহেতু তাত সংহতিও আছে। সেইকাৰণে মানৱ জাতিৰ আৰম্ভণিৰ পৰা পৰহিতবাদ আছে আনকি অসংযমী ৰূপতো। (দুৰখেইম 1933)

দুৰখেইমৰ মতে সামাজিক সংহতি আৰু সমাজৰ নৈতিক বল হৈছে ভেটি যাৰ জৰিয়তে সহযোগিতাক বুজি পায় আৰু ইয়াৰ দ্বাৰা সমাজৰ কাৰ্যাত্মক ব্যৱস্থা চলে। শ্ৰম বিভাজনৰ নীতিয়ে সহযোগিতাক বুজায়, চমুকৈ সমাজৰ কিছুমান প্ৰয়োজন পূৰণ কৰে। একে সময়তে শ্ৰম বিভাজনৰ নীতি হৈছে এটা প্ৰকৃতিৰ নিয়ম আৰু মানুহৰ আচৰণৰ নৈতিক নিয়ম।

দুৰখেইমে যান্ত্ৰিক আৰু জৈৱিক সংহতিৰ মাজত পাৰ্থক্য আগবঢ়াইছে, যান্ত্ৰিক সমাজ, প্ৰাক্-ঔদ্যোগিক সমাজ আৰু জৈৱিক সমাজ তথা জটিল ঔদ্যোগিক সমাজৰ মাজত ভিন্ন ভিন্ন বৈশিষ্ট্য থাকে যদিও এনে সমাজত সহযোগিতাৰ বিভিন্ন প্ৰকাৰ দেখা পাওঁ। যান্ত্ৰিক সংহতি হৈছে সংলগ্নতাৰ এটি প্ৰকাৰ যিটো মূলতঃ সমজাতীয়তাৰ ওপৰত আধাৰিত। তেনে প্ৰকাৰৰ সমাজৰ অধিকাংশ সদস্যই একে ধৰণৰ জীৱন নিৰ্বাহ

কৰে, শ্রম বিভাজন বয়স আৰু লিংগৰ ওপৰত ভিত্তি কৰি কৰা বিশেষীকৰণ কমকৈ থাকে। ব্যক্তিয়ে সমূহীয়া আনুগত্য প্রকাশ কৰে, বিশ্বাস আৰু আন্তৰিকতাৰে বিবেক আৰু বিবেচনাৰ জৰিয়তে একত্রিত হৈ থাকে। যান্ত্রিক সংহতি হৈছে এক প্রকাৰৰ সামাজিক সংলগ্নতা যিটো শ্রম বিভাজনৰ আৰু আন্তঃনির্ভৰশীলতাৰ ওপৰত নির্ভৰশীল। মানুহ যেতিয়া অধিক বিশেষীকৰণ হয়, তেওঁলোকে পৰস্পৰৰ ওপৰত অধিক নির্ভৰশীল হয়। ভৰণ-পোষণ নীতিৰে খেতি কৰা পৰিয়াল এটাই কম অথবা একেবাৰে অন্য পৰিয়ালৰ পৰা সহায় নোলোৱাকৈ জীয়াই থাকিব পাৰে। কিন্তু কাপোৰ বা গাড়ী নির্মাণ কৰা কাৰখানাৰ বিশেষীকৰণ থকা শ্রমিকজনে অন্য বিশেষীকৰণ থকা শ্রমিকৰ প্রয়োজনীয় সামগ্রীৰ যোগান নাপালে জীয়াই থাকিব নোৱাৰে।

কার্ল মার্ক্সেও মানুহ আৰু জন্তুৰ জীৱনৰ মাজত পার্থক্য আনিছে। অন্যহাতেদি দুৰখেইমে পৰহিতবাদ আৰু সংহতিক মানৱীয় পৃথিৱীৰ স্পষ্ট ৰূপ বুলি কৈছে। মার্ক্সে সজাগতাৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে। তেওঁ লিখিছে—

মানুহক বিবেচনা, ধর্মৰ দ্বাৰা আৰু তুমি ভাল পোৱা যিকোনো বিষয়ৰ দ্বাৰা জন্তুৰ পৰা পৃথক কৰিব পাৰি। যি মুহূর্তৰ পৰা তেওঁলোকে ন্যূনতম উৎপাদন কৰিববৈলে আৰম্ভ কৰে সেই সময়ৰ পৰা জন্তুৰ লগত পার্থক্য আৰম্ভ হয়, ই এটা খোজ যিটো ভৌতিক সংগঠনৰ দ্বাৰা বিশেষভাৱে প্রভাৱিত। ভৰণ-পোষণৰ বাবে উৎপাদন কৰা মানে পৰোক্ষভাৱে তেওঁলোকে বস্তুবাদী জীৱনৰ সৃষ্টি কৰাটোকে ই বুজায় (মার্ক্স 1972:37)

মার্ক্সৰ উল্লিখিত ব্যাখ্যা কঠিন যদিও এই ব্যাখ্যাই আমাক বুজি পোৱাত সহায় কৰে যে কেনেকৈ মানুহৰ জীৱনৰ সহযোগিতা আৰু জীৱ-জন্তুৰ জগতৰ সহযোগিতাৰ মাজত পার্থক্য আছে। মানুহৰ সহযোগিতাৰ বাবে নিজকে সমযোজন আৰু উপযোগীকৰণ কৰাই সামাজিক প্রক্রিয়াক সলনি কৰে। উদাহৰণস্বৰূপে বহু বছৰ ধৰি পুৰুষ আৰু মহিলাই প্রাকৃতিক বাধাৰ সৈতে নিজকে খাপ খোৱাই চলি আহিছে। বিভিন্ন যান্ত্রিক আৱিস্কাৰে মাথোন মানুহৰ জীৱন প্রণালীকে পৰিৱর্তন কৰা নাই লগতে প্রকৃতিকো সলনি কৰিছে। সহযোগিতাৰ মাধ্যমেৰে উপযোগীকৰণ কৰাই নহয়, বৰঞ্চ প্রাকৃতিক আৰু সামাজিক পৃথিৱীলৈ পৰিৱর্তন আনি সমযোজন বর্তাই ৰাখে। আমি আগৰ সমাজতত্ত্ব পৰিচয় পুথিৰ সংস্কৃতি আৰু সামাজিকীকৰণ অধ্যায়ত কেনেকৈ ভাৰতীয়সকলে ঔপনিবেশিক সময়ত ইংৰাজী ভাষাৰ সৈতে সমযোজন আৰু উপযোজন কৰিবলগীয়া হৈছিল এই কথা পঢ়িবলৈ পাইছিলো। কিন্তু ইয়াৰ লগতে হিংগলিচ (হিন্দী আৰু ইংলিচ Hinglish) ৰ আৱির্ভাৱ হয় এক জীৱিত সামাজিক সত্তা হিচাবে।

দুৰখেইমে কার্যাত্মক দৃষ্টিভংগী আৰু সংঘর্ষৰ দৃষ্টিভংগীৰে সহযোগিতাক গুৰুত্ব আৰোপ কৰিছে যদিও দুয়োৰে পার্থক্য আছে। মার্ক্সৰ মতে, "সামাজিক সহযোগিতা ইচ্ছাকৃত নহয় য'ত সামাজিক শ্রেণী থাকে। তেওঁ যুক্তি আগবঢ়াইছে যে এইটো এটা সামাজিক ক্ষমতা যি বহু সংখ্যক উৎপাদন শক্তিৰ সৈতে জড়িত; যিবোৰ উদ্ভৱ হয় শ্রম বিভাজন নীতিৰ দ্বাৰা হোৱা সহযোগিতাৰ বাবে। এনে পৰিস্তিত ব্যক্তিৰ অনুভৱ হয় যে তেওঁলোকৰ সহযোগিতা স্ব-ইচ্ছাৰ পৰিবৰ্তে স্বাভাৱিক ৰূপেৰে সংঘটিত হৈছে। এইটো সন্মিলিত শক্তিৰ পৰিণামৰ পৰিৱর্তে যেন এক অজান শক্তিৰ পৰিণামহে, যাৰ স্থিতি বাহ্যিক শক্তিৰ আধাৰত।"

(মাৰ্ক্স 1972:53) মাৰ্ক্সে ব্যৱহাৰ কৰা বিচ্ছিন্নতা (alienation) ৰ অৰ্থ হৈছে যে শ্ৰমিকৰ শ্ৰমৰ ওপৰত আৰু উৎপাদিত বস্তুৰ ওপৰত নিয়ন্ত্ৰণ নাথাকে। অন্য কথাত শ্ৰমিকে নিজৰ কাম সমুহ সংগঠিত ৰূপেৰে কৰাৰ ওপৰতো নিয়ন্ত্ৰণ হেৰুৱায় আৰু শ্ৰমৰ পৰিমাণগত দিশৰ ওপৰতো নিয়ন্ত্ৰণ নাথাকে। বিপৰীতমুখী উদাহৰণেৰে বুজিবলৈ হ'লে এগৰাকী শিপিনী বা কুমাৰ বা কমাৰে কামৰ সন্তুষ্টি লাভ কৰে আৰু তেওঁলোকৰ সৃষ্টিশীলতাৰ মৰ্যাদা অনুভৱ কৰে। সেইদৰে যিকোনো এটা কাৰখানাত শ্ৰমিক এজনৰ মুখ্য কাম এটা মেচিনৰ দিনটো বুটাম টিপি অফ-অন কৰাও হ'ব পাৰে। এনে পৰিস্থিতিত সহযোগিতাক বলপূৰ্বক বুলি কোৱা হয়।

**প্ৰতিযোগিতাৰ ধাৰণা আৰু অভ্যাস (Competition as an Idea and Practice) ঃ**

সহযোগিতাৰ দৰে প্ৰতিযোগিতাৰ অৱধাৰণাৰ আলোচনাত ক'ব পাৰি যে প্ৰতিযোগিতাও এটা বিশ্বজনীন আৰু প্ৰাকৃতিক ঘটনা। কিন্তু আমি জানো যে সমাজতাত্ত্বিক ব্যাখ্যা আৰু প্ৰকৃতিবাদী ব্যাখ্যাৰ মাজত পাৰ্থক্য আছে। সেয়েহে প্ৰতিযোগিতাক এটা সামাজিক তত্ত্বৰ ৰূপত বুজি পোৱাটো আৱশ্যকীয় যিটোৰ উদ্ভৱে এক ঐতিহাসিক সময়ৰ সমাজক এটা নিশ্চিত ৰূপত প্ৰভাৱিত কৰিবলৈ সক্ষম হৈছিল। সাম্প্ৰতিক কালত এইটো এটা প্ৰভাৱশালী ধাৰণা।তোমালোকে নিজৰ মাজত আলোচনা কৰা যে বৰ্তমানেও এনে কোনো সমাজ আছে নে য'ত প্ৰতিযোগিতা এক দিশ নিৰ্ণয় কৰা শক্তি নহয়?

এক বিদ্যালয়ৰ শিক্ষকৰ অভিজ্ঞতা য'ত তেওঁৰ অভিজ্ঞতাক আফ্ৰিকাৰ এক দুৰ্গম অঞ্চলৰ বিষয়ে শিশুসকলক বৰ্ণনা কৰোতে যিবোৰ তথ্যই আকৰ্ষিত কৰিছিল তাৰেই ভিত্তিত প্ৰতিযোগিতা এটি কেৱল স্বাভাৱিক ঘটনা নহৈ এটি সমাজতাত্ত্বিক দৃষ্টিভংগীৰে আলোচিত হৈ পৰিছে। এই কাহিনীয়ে মহিলা শিক্ষক গৰাকীৰ ধাৰণা ব্যাখ্যা কৰে যে, শিশুবোৰ স্বাভাৱিকতে দৌৰৰ প্ৰতিযোগিতাত উৎফুল্লিত হয় য'ত বিজয়ীজনে এটা চকলেট লাভ কৰে। কিন্তু আচৰিত ধৰণে, তেওঁৰ এই ধাৰণা শিশুসকলক কোনো প্ৰকাৰে উৎসাহিত কৰা নাই ইয়াৰ পৰিবৰ্তে দুঃচিন্তা আৰু যাতনাতহে তেওঁলোকে ভুগিব লগা হ'ল। সুক্ষ্ম বিচাৰেৰে তেওঁলোকে প্ৰকাশ কৰিলে যে তেওঁলোকৰ এনে খেলৰ প্ৰতি কোনো আকৰ্ষণ নাই, য'ত কোনোবা পৰাজিত থাকিব পাৰে। এইটো তেওঁলোকৰ আনন্দৰ ধাৰণাৰ পৰিপন্থী, তেওঁলোকে সহযোগিতামূলক আৰু সমূহীয়া অভিজ্ঞতাৰ পৰিবৰ্তে প্ৰতিযোগিতাৰ মাধ্যমেৰে কিছুমানক পুৰস্কৃত কৰে আৰু অন্য কিছুমানক বঞ্চিত কৰে।

সমসাময়িক পৃথিৱীত প্ৰতিযোগিতা এক প্ৰভাৱশালী প্ৰতিমান আৰু অভ্যাস। ধ্ৰুপদীয় সমাজতাত্ত্বিক ইমাইল দুৰখেইম আৰু কাৰ্ল মাৰ্ক্সে আধুনিক সমাজত ব্যক্তিবাদ আৰু প্ৰতিযোগিতাৰ একেলগে বিকাশ ঘটাইছে। অধিক দক্ষতা আৰু লাভৰ বাবে দুয়োটাই অধিক গুৰুত্ব দিয়ে। তলত উল্লিখিত পুঁজিবাদ সম্পৰ্কীয় কিছু অনুমান ঃ

(i) ব্যৱসায়ৰ প্ৰসাৰ
(ii) শ্ৰম বিভাজন
(iii) বিশেষীকৰণ
(iv) সেয়েহে ক্ৰমবৰ্দ্ধমান উৎপাদন

আত্মনির্ভৰ প্ৰক্ৰিয়াৰ বৃদ্ধিৰ মূলতে পুঁজিবাদী চিন্তাই ক্ৰিয়া কৰে। বজাৰত প্ৰতিযোগিতাৰ বাবে যুক্তিবাদী ব্যক্তিসকলে সদায়ে নিজৰ লাভ বৃদ্ধিৰ চেষ্টা কৰে।

প্ৰতিযোগিতাৰ ভাবাদৰ্শই হৈছে পুঁজিবাদৰ প্ৰভাৱশালী ভাবাদৰ্শ। এই যুক্তিয়ে কয় যে বজাৰ এনে ভাবে পৰিচালিত হয় য'ত অধিক দক্ষতাৰ ওপৰত গুৰুত্ব দিয়ে। উদাহৰণস্বৰূপে প্ৰতিযোগিতাই এইটো নিশ্চিত কৰে যে কেৱল উপযুক্ত আৰু কাৰ্যক্ষম উৎপাদক গোটবোৰহে বাচি থাকে। প্ৰতিযোগিতাই সুনিশ্চিত কৰে যে যি ছাত্ৰই অধিক নম্বৰ পায় আৰু ভালকৈ পঢ়া-শুনা কৰে তেওঁলোকেহে ভাল কলেজত নামভৰ্তিৰ সুবিধা পায় আৰু ভাল চাকৰি পায়। সকলো ক্ষেত্ৰতে উৎকৃষ্ট হয় যি অধিক বস্তুবাদী পুৰস্কাৰও তেওঁৰেই পায়।

**ক্ৰিয়া-কলাপ-৬ (Activity-6)**

ভাৰতবৰ্ষত বৰ্তমান সময়ত অন্যান্য পিছপৰা শ্ৰেণীৰ (Other Backward Class) ২৯ শতাংশ আৰক্ষণ সন্দৰ্ভত ভাৰত চৰকাৰে লোৱা সিদ্ধান্তৰ ওপৰত তীব্ৰ বিতৰ্ক পৰিলক্ষিত হৈছে। বিভিন্ন মাধ্যম যেনে বাতৰিকাকত, আলোচনী আৰু টি. ভি. ত ইয়াৰ সপক্ষে আৰু বিৰুদ্ধে আলোচনা কৰা তথ্যবোৰ সংগ্ৰহ কৰা।

পঢ়াশালি এৰি যোৱা ছাত্ৰ-ছাত্ৰীৰ সংখ্যাৰ হাৰ আৰু প্ৰাথমিক বিদ্যালয়ৰ বিশেষকৈ তথ্য সংগ্ৰহ কৰা (প্ৰথম খণ্ডৰ সহায় লোৱা)।

কোৱা হয় যে নিম্ন জাতিৰ তুলনামূলকভাৱে অধিক ছাত্ৰ-ছাত্ৰীয়ে পঢ়াশালি এৰি যায় আৰু উচ্চ শিক্ষানুষ্ঠানবোৰত উচ্চ জাতিৰ আধিপত্য থাকে, এই সম্পৰ্কত সহযোগিতা, প্ৰতিযোগিতা আৰু সংঘৰ্ষৰ আলোচনা কৰা।

মানুহে প্ৰতিযোগিতা ভাল পায় এনে ধাৰণাক আন প্ৰকৃতিবাদী দৃষ্টিভংগীৰে বুজি পোৱা উচিত (আগৰ পুথিৰ সহায় লোৱা)। পুঁজিবাদৰ জন্মৰ লগে লগে প্ৰতিযোগিতা ইচ্ছাকৃতভাৱে বৃদ্ধি হয়। নিম্ন লিখিত কথাখিনি পঢ়ি আলোচনা কৰা।

জে এচ মিল (J. S. Mill) ৰ দৰে উদাৰবাদীয়ে অনুভৱ কৰে যে প্ৰতিযোগিতাৰ ফলাফল সাধাৰণভাৱেই হানিকাৰক হয়। অন্যহাতেদি তেওঁ অনুভৱ কৰিছিল যে আধুনিক প্ৰতিযোগিতা প্ৰতিজনে প্ৰতিজনৰ বিৰুদ্ধে কৰে। প্ৰতিজনে প্ৰতিজনৰ বিৰুদ্ধে যুদ্ধ কৰে আৰু এই যুদ্ধ সকলোৰে বিৰুদ্ধে। এই সম্পৰ্কত অৰ্থনৈতিক প্ৰতিযোগিতা হৈছে ন্যূনতম খৰচৰ বিনিময়ত অধিক উৎপাদন কৰিব বিচৰা প্ৰতিযোগিতা। ইয়াৰ উপৰিও ব্যক্তিবাদৰ বাবে প্ৰতিযোগিতামূলক সংঘৰ্ষ হয় যদিও বিভিন্ন প্ৰকাৰৰ উমৈহতীয়া প্ৰয়োজনৰ কাৰণে একে লগে মিলিত হয়।

প্ৰতিযোগিতা আৰু ১৯ শতিকাৰ মুক্ত অৰ্থনীতিৰ নীতিয়ে অৰ্থনৈতিক বিকাশৰ ক্ষেত্ৰত মুখ্য ভূমিকা পালন কৰিছে। সাংঘাটিক ধৰণে আমেৰিকাৰ অৰ্থনৈতিক ব্যৱস্থাৰ দ্ৰুত বিকাশৰ কাৰক আছিল প্ৰতিযোগিতামূলক বাতাবৰণ। তথাপিও আমি এক নিৰ্দিষ্ট অৰ্থনৈতিক বিকাশৰ সৈতে প্ৰতিযোগিতাৰ পৰিধি, প্ৰতিযোগিতাৰ মনোভাৱৰ তাৰতম্য আদিক পাৰস্পৰিক সমৃদ্ধিৰ সঠিক যোগসূত্ৰ উলিওৱাব নোৱাৰোঁ। আৰু অন্য হাতেদি, প্ৰতিযোগিতাৰ কিছুমান আদৰি ল'ব নোৱাৰা প্ৰভাৱো থাকে। (বট'মৰ 1975:174-75)

**ক্ৰিয়া-কলাপ-৭ (Activity-7)**

'প্ৰতিযোগিতা সমাজৰ বাবে প্ৰয়োজনীয় আৰু ই উন্নয়নৰ বাবে অপৰিহাৰ্য।' বিষয়টোৰ সপক্ষে আৰু বিপক্ষে তৰ্ক প্ৰতিযোগিতাৰ আয়োজন কৰা। তোমাৰ বিদ্যালয়ৰ অভিজ্ঞতাৰ আধাৰত প্ৰতিযোগিতাই ছাত্ৰ-ছাত্ৰীৰ ওপৰত পেলোৱা প্ৰভাৱৰ সম্পৰ্কে এখনি ৰচনা লিখা।

এই বিচাৰ ধাৰাৰ ব্যক্তিয়ে সমপৰ্যায়ৰ ব্যক্তিৰ সৈতেহে প্ৰতিযোগিতা কৰে, সকলো সম-পৰ্যায়ৰ ব্যক্তিয়ে শিক্ষা, চাকৰি বা সম্বন্ধৰ বাবে প্ৰতিযোগিতা কৰে। কিন্তু ইয়াৰ আগৰ স্তৰীকৰণ আৰু অসমতাৰ আলোচনাত আমি দেখিছিলো যে ব্যক্তিসকলক সমাজত ভিন্ন ভিন্ন স্তৰত ভাগ কৰা হৈছে। যদি ভাৰতবৰ্ষৰ এক বুজন সংখ্যক ছাত্ৰ-ছাত্ৰীয়ে বিদ্যালয়লৈ নাযায় অথবা এৰি দিয়ে তেতিয়াহ'লে অতি সোনকালে বা দেৰিকৈ হ'লেও সম্পূৰ্ণভাৱে প্ৰতিযোগিতাৰ পৰা বাহিৰ হৈ যাব।

**ক্ৰিয়া-কলাপ-৮ (Activity-8)**

এজন ব্যক্তিয়ে সমাজত কি কি পৰিস্থিতিত প্ৰতিযোগিতাৰ সন্মুখীন হয় বাচনি কৰা। বিদ্যালয়ৰ নামভৰ্তিৰ পৰা জীৱনৰ ভিন্ন পৰ্যায়ত তুমি কি কি প্ৰতিযোগিতাৰ সন্মুখীন হৈছা সেই সমূহ চিনাক্ত কৰা।

**সংঘৰ্ষ আৰু সহযোগিতা (Conflict and Cooperation) ঃ**

সংঘৰ্ষই স্বাৰ্থ সিদ্ধিৰ বাবে ব্যক্তিৰ মাজত হোৱা সংঘাতক বুজায়। আমি আগতেই পাই আহিছো যে সংঘৰ্ষবাদী সকলে বিশ্বাস কৰে যে সম্পদৰ নাটনিয়ে সংঘৰ্ষৰ সৃষ্টি কৰে, ব্যক্তিৰ সমূহে সংগ্ৰাম আৰম্ভ কৰে, সম্পদৰ ওপৰত নিয়ন্ত্ৰণ কৰিবলৈ। সংঘৰ্ষৰ ভিত্তি ভিন্ন ভিন্ন। ই শ্ৰেণী বা জাতি, জনজাতি বা লিংগ, নৃগোষ্ঠী বা ধৰ্মীয় সম্প্ৰদায় হ'ব পাৰে। এজন যুৱ ছাত্ৰ হৈ তুমি নিশ্চয় বুজি পাইছা যে আমাৰ সমাজত সংঘৰ্ষৰ পৰিধি কিমানলৈ সিচঁৰতি। আমাৰ সমাজত উদ্ভৱ হোৱা সংঘৰ্ষবোৰৰ পৰিণাম আৰু প্ৰকৃতি সদায়ে ভিন্ন ভিন্ন হয়।

**ক্ৰিয়া কলাপ-৯ (Activity-9)**

সাম্প্ৰতিক বিশ্বত কিমান প্ৰকাৰৰ ভিন্ন ভিন্ন সংঘৰ্ষ আছে মনত পেলোৱা। বিস্তৃত পৰিসৰত সংঘৰ্ষ ৰাষ্ট্ৰ আৰু ৰাষ্ট্ৰৰ গোটসমূহৰ মাজত পৰিলক্ষিত হয়। একেখন ৰাষ্ট্ৰৰ ভিতৰত ভিন্ন প্ৰকাৰৰ সংঘৰ্ষ দেখিবলৈ পোৱা যায়। এনে সংঘৰ্ষৰ এখন তালিকা প্ৰস্তুত কৰা আৰু সাদৃশ্য আৰু বৈসাদৃশ্যৰ ভিত্তিত আলোচনা কৰা।

এক বহল সাধাৰণ জ্ঞানৰ দৃষ্টিৰে মানৱ সমাজত সংঘৰ্ষবোৰৰ স্থিতি সদায় নতুন নতুন হয়। সমাজতত্ত্ববিদ সকলে মতপোষণ কৰিছে যে সমাজৰ উন্নয়নৰ বিভিন্ন স্তৰত সংঘৰ্ষৰ প্ৰকৃতি আৰু স্বৰূপ পৰিৱৰ্তন হৈ থাকে। কিন্তু সংঘৰ্ষ সদায়েই সমাজৰ অংশ হৈ থাকে। সামাজিক পৰিৱৰ্তন আৰু গণতান্ত্ৰিক অধিকাৰৰ পৰা বঞ্চিত আৰু বিদ্বেষৰ সন্মুখীন হোৱা সমূহবোৰে এই সংঘৰ্ষক অধিক দৃশ্যমান কৰে। কিন্তু এইটো নহয় যে সংঘৰ্ষৰ কাৰণ অতীতত নাছিল। তলত ভিতৰত দিয়া উদাহৰণে সংশ্লিষ্টবোৰ বুজাই দিয়ে।

উন্নয়নশীল ৰাষ্ট্ৰবোৰৰ বৰ্তমান সময়ত পুৰণি আৰু নতুনৰ মাজত সংঘৰ্ষৰ থল থাকে। পুৰণি ব্যৱস্থা নতুন ব্যৱস্থাৰ শক্তিৰ পৰিপ্ৰেক্ষিতত উপেক্ষিত। মানুহৰ নতুন প্ৰয়োজনীয়তা আৰু প্ৰত্যাশাক উপেক্ষিত কৰিছে। এই শক্তি মৃতপ্ৰায়ো নহয়, ই এতিয়াও জীৱিত অৱস্থাত আছে। সংঘৰ্ষই অযথা যুক্তি যুদ্ধ, বিভ্ৰান্ত আৰু কোনো সময়ত ৰক্তপাতৰ সূচনা কৰে। এনে পৰিস্থিতিত সমাজতত্ত্ববিদ সকলে পুৰণি ভাল দিনবোৰ সুঁৱৰি আনন্দিত হয়। জনগণৰ এক অংশৰ ওপৰত অমানুষিক অত্যাচাৰ চলোৱা হৈছিল, যিটোৱে বুজায় যে প্ৰাচীন সমাজ সংঘৰ্ষ মুক্ত নাছিল। এই সিদ্ধান্তই সংঘৰ্ষক অস্বাভাৱিক বুলি কৈছে, বিজ্ঞানৰ নামত এটি বিশেষ ৰূপত সমাৱস্থান কৰা বুলি কৈ ই উন্নয়নশীল সমাজৰ অধ্যয়নৰ ক্ষেত্ৰত প্ৰাচীৰৰ সৃষ্টি কৰে।

**উৎস ঃ** *Srinivas, MN., 1972, Social Change in Modern India, pp, 159-160, Oreint Longman, New Delhi.*

এইটো বুজি পোৱাৰ প্ৰয়োজন যে সংঘৰ্ষ বিসংগতিপূৰ্ণ হয় যেতিয়া মুকলিকৈ ইয়াৰ বহিঃপ্ৰকাশ ঘটে। উদাহৰণস্বৰূপে কৃষক আন্দোলন, যি এক দীৰ্ঘদিনীয়া ভূমি বিবাদৰ লগত জড়িত। কিন্তু আন্দোলন নাই মানে সংঘৰ্ষ নাই এইটো নুবুজায়। সেই কাৰণে এই অধ্যায়ে গুৰুত্ব আগবঢ়াব সংঘৰ্ষ, অনিচ্ছাকৃত সহযোগিতা আৰু প্ৰতিৰোধৰ মাজত থকা সম্পৰ্কৰ ওপৰত।

আহা আমি সমাজত থকা কিছুমান সংঘৰ্ষৰ পৰীক্ষা কৰোঁ যিবোৰৰ একে সময়তে প্ৰতিযোগিতা, সহযোগিতা আৰু সংঘৰ্ষৰ মাজত ওচৰ সম্পৰ্ক থাকে। আমি দুটা উদাহৰণ উল্লেখ কৰিছো। প্ৰথমটো পৰিয়াল আৰু গৃহ, আৰু দ্বিতীয়টো ভূমি সংক্ৰান্তীয় সংঘৰ্ষ।

পৰম্পৰাগতভাৱে পৰিয়াল আৰু ঘৰৰ মাজত সহযোগিতাক প্ৰভাৱশালী হিচাবে মিলা-প্ৰীতিৰ এটা গোট হিচাবে স্বীকৃতি দিয়া হৈছে। পৰহিতবাদ মানৱ আচৰণৰ মূল চালিকা শক্তি। বিগত তিনিটা দশক নাৰীবাদীসকলে এই সম্পৰ্কে সাংঘাটিক ধৰণে প্ৰশ্নৰ অৱতাৰণা কৰিছিল। অমৰ্ত্য সেনৰ দৰে পণ্ডিতেও বল প্ৰয়োগ বা বলপূৰ্বক সহযোগিতাৰ সম্পৰ্কে মতামত আগবঢ়াইছে।

'সহযোগিতাৰ পৰা বিভিন্ন দলবোৰে বহুত কিবা লাভ কৰে, তেওঁলোকৰ ব্যক্তিগত কাৰ্য-কলাপবোৰ প্ৰকাশিত সহযোগিতাৰ ৰূপত দেখা যায় যদিও সংঘৰ্ষ মনোভাৱৰো উপাদান থাকে। অৱশ্যে গভীৰ স্বাৰ্থৰ সংঘৰ্ষ সামাজিক প্ৰযুক্তিবিদ্যাৰ বাচনিৰ পৰা উদ্ভৱ হ'ব পাৰে। পৰিয়ালত সৃষ্টি হোৱা সংঘৰ্ষ সাধাৰণ সহযোগিতালৈ ই ৰূপান্তৰিত কৰে। সংঘৰ্ষক বিপথে বা পথভ্ৰষ্ট হোৱা বুলিও বিবেচনা কৰা হয় (সেন-1990 : 147)।

সংঘৰ্ষৰ সচৰাচৰ বহিঃপ্ৰকাশ নঘটে, ইয়াৰ পৰিৱৰ্তে দেখা পোৱা যায় যে নিম্ন বা অধীনস্থ লোকসকলে , এওঁলোক লাগিলে ঘৰ এখনত মহিলাই হওক বা কৃষিভিত্তিক সমাজৰ কৃষকেই হওক বিভিন্ন সংঘৰ্ষৰ সন্মুখীন হৈয়ো সহযোগিতা নিশ্চিত কৰে। অপ্ৰত্যক্ষ সংঘৰ্ষ আৰু প্ৰত্যক্ষ সহযোগিতা সচৰাচৰ বিদ্যমান বুলি বিভিন্ন সমাজতাত্ত্বিক অধ্যয়নে পৰামৰ্শ আগবঢ়াইছে। তলত উল্লিখিত উদাহৰণটি পৰিয়ালত মহিলাৰ আচৰণ আৰু আন্তঃক্ৰিয়া বিভিন্ন অধ্যয়নৰ পৰা দাঙি ধৰা হৈছে।

বস্তুবাদী হেঁচা আৰু উদ্‌গনিয়ে সহযোগিতাৰ বিকাশ ঘটায় আৰু ইয়াত খুব কম প্ৰত্যক্ষ সংঘৰ্ষ পৰিলক্ষিত হয়। ইয়াৰ পৰিৱৰ্তে সিদ্ধান্ত গ্ৰহণ, প্ৰয়োজনীয়তা পূৰণ আৰু অগ্ৰাধিকাৰ প্ৰাপ্তিৰ বাবে (বয়স, লিংগ আৰু জীৱনচক্ৰ জড়িত) বিভিন্ন সামাজিক সংস্তৰণে ক্ৰিয়া কৰে য'ত পুৰুষ আৰু মহিলা উভয়ে মান্যতা প্ৰদান কৰে। সেয়ে মহিলাই নিজৰ দীৰ্ঘকালীন সুৰক্ষাৰ বাবে ঘৰুৱা বিতৰণৰ বৈষম্যমূলক আচৰণ চিৰকালৰ বাবে স্বীকাৰ কৰি লয়। ঘৰৰ বাহিৰৰ সম্বন্ধ আৰু সম্পদৰ পৰা নিজক আঁতৰাই ৰাখে। তেওঁলোকে বস্তুবাদী স্বাৰ্থত পুত্ৰৰ প্ৰতি অধিক সদয় হোৱা দেখা যায়, যিয়ে সেই সংস্কৃতিটোৰ বিশিষ্টতা প্ৰকাশ কৰে। তদুপৰি নিজৰ অনিশ্চিত ভৱিষ্যতৰ বাবে স্বাৰ্থহীনভাৱে পুত্ৰৰ প্ৰতি আসক্তি প্ৰকাশ কৰে। উত্তৰ ভাৰতীয় সমাজৰ মাতৃয়াত্মক পৰহিতবাদ যিটোত মহিলা সকলেও পুত্ৰ সন্তানৰ প্ৰতি মোহগ্ৰস্থ। মহিলাসকল সম্পূৰ্ণৰূপে ক্ষমতাহীন নহয়, যদিও সিদ্ধান্ত লোৱাৰ ক্ষমতা পুৰুষৰ সৈতে মিলিত হয় আৰু বহু ক্ষেত্ৰত পুৰুষৰ আশ্ৰিত হৈ সিদ্ধান্ত লয় । মহিলাসকলে বিশ্বাসযোগ্য বন্ধুৰ সৈতে (কুটুম্ব অৰ্থাৎ ওচৰ-চুবুৰীয়া) নিজাববীয়া সৰু ব্যৱসায়, মনে মনে কৰা টকা-পইচাৰ লেন-দেন, আৰু লিঙ্গভিত্তিক ভাবাদৰ্শৰ মীমাংসা সম্বন্ধীয় পৰ্দা আৰু মাতৃত্ব আদি কিছুমান কৌশলেৰে পুৰুষ শক্তিক বাধাও দিয়ে (Abdullah and Zeidenstein, 1982; White, 1992) । এই গোপনীয় প্ৰতিৰোধৰ পৰা দেখা যায় যে ঘৰৰ বাহিৰত তেওঁলোকৰ সহযোগিতাৰ কোনো সম্ভাৱনা নাই আৰু ই মুক্ত সংঘৰ্ষৰ আশংকা বহন কৰে (Kabbeer 1996 : 129)।

সমাজতাত্ত্বিক পৰম্পৰা ৰক্ষা কৰি প্ৰচলিত সাধাৰণ জ্ঞানৰ ওপৰত ভিত্তি কৰি এই অধ্যায়ত সহযোগিতা, প্ৰতিযোগিতা আৰু সংঘৰ্ষৰ প্ৰক্ৰিয়াকে পুংখানুপুংখভাৱে পৰীক্ষা কৰা হৈছে। সমাজতাত্ত্বিক

দৃষ্টিভংগীৰে ইয়াক স্বাভাৱিক বুলি নকয়। আন সামাজিক বিকাশৰ লগত ইয়াক জড়িত কৰিছে। তলত উল্লিখিত অংশত আমি ভাৰতৰ ভূদান-গ্ৰামদান আন্দোলন আৰু ভূমি সম্পৰ্ক সম্বন্ধীয় ওপৰত কৰা সমাজতাত্ত্বিক অধ্যয়ন এটা পঢ়িবলৈ পাম। তলত দিয়া অংশ পঢ়া আৰু চোৱা কেনেকৈ সহযোগিতা সমাজতাত্ত্বিকভাৱে প্ৰযুক্তিবিদ্যা আৰু উৎপাদনৰ অৰ্থনৈতিক ব্যৱস্থাপনাৰ লগত জড়িত।

**ভূমি বিবাদ (Land Conflicts) :**

হৰবক্স নামৰ এজন ৰাজপুত বংশৰ ব্যক্তিয়ে 1956 চনত নাথু আহিৰ (পেটেল) নামৰ ব্যক্তিৰ পৰা দুই একৰ মাটিৰ (অনানুষ্ঠানিক) বন্ধকি সূত্ৰে এশ টকা ধাৰ লৈছিল। সেই বছৰতে হৰবক্সৰ মৃত্যু হ'ল তেওঁৰ উত্তৰাধিকাৰী গণপতে দুশ টকা পৰিশোধ কৰাৰ বিনিময়ত 1958 চনত মাটিখিনি ঘূৰাই বিচাৰিলে। নাথুৱে গণপতক মাটিখিনি ঘূৰাই দিবলৈ অস্বীকাৰ কৰিলে। গণপতে আইনগত ব্যৱস্থা লব নোৱাৰে যিহেতু তথ্যখিনি ৰাজহ বিভাগৰ তথ্যত নাছিল। এনে পৰিস্থিতিত গণপতে 1959 চনত হিংসা প্ৰয়োগ কৰি জোৰ কৰি খেতি কৰিবলৈ ধৰে (গ্ৰামদান আন্দোলনৰ এবছৰৰ পাছত)। গণপত এজন পুলিচ কনিষ্টবল হোৱাৰ সূত্ৰে পুলিচৰ বিষয়াক প্ৰভাম্বিত কৰিব পাৰে। যেতিয়া পেটেল ফুলেৰা লৈ গৈছিল (আৰক্ষী থানাৰ স্থান) তেওঁক পুলিচ থানালৈ লৈ যোৱা হৈছিল আৰু জোৰ কৰা হৈছিল যে তেওঁ গণপতক মাটিখিনি ঘূৰাই দিয়ে। পৰিবৰ্তী পৰ্যায়ত গাওঁবাসীৰ এখন সভা আহ্বান কৰা হ'ল আৰু গণপতে মাটিখিনি ঘূৰাই পালে।

**তথ্য ঃ** Oommen T. K. 1972 : Charizma, Stability and Change; An Analysis of Bhoodan Gramdan Movement in India P. 84. Thompson Press New Delhi.

প্ৰযুক্তিবিদ্যাৰ আৰ্বিভাৱে সহযোগিতাৰ প্ৰয়োজনকো কমাই আনিছে। উদাহৰণস্বৰূপে মাটিৰ তলৰ পৰা জলসিঞ্চনৰ বাবে পানী উলিওৱাবলৈ আগতে দুযোৰ ষাড় গৰু আৰু চাৰিজন মানুহৰ প্ৰয়োজন হৈছিল। এজন সাধাৰণ কৃষকে দুযোৰ ষাড়গৰুৰ খৰচ বহন কৰিব নোৱাৰে বা এটা সৰ্বসাধাৰণ পৰিয়ালৰ চাৰিজন মানুহ নাথাকিবও পাৰে। এনে পৰিস্থিতিত তেওঁলোকে অন্য ঘৰৰ পৰা ষাড়গৰু আৰু মানুহৰ সহায় ল'বলৈ বাধ্য হয় (বংশ, চুবুৰীয়া, বন্ধু ইত্যাদি) আৰু ইয়াৰ প্ৰতিদান স্বৰূপে সম পৰিমাণৰ সহায় ভবিষ্যতে তেওঁলোকেও কৰিব লাগিব। কিন্তু জলসিঞ্চন ব্যৱস্থাত অধিক ধনৰ বিনিয়োগ কৰি উন্নত মেচিন ক্ৰয় কৰিলে এজন ব্যক্তিয়ে এযোৰ ষাড়গৰুৰ জৰিয়তে গোটেই ব্যৱস্থাটো পৰিচালিত কৰিব পাৰিব। সহযোগিতাৰ প্ৰয়োজনীয়তা এই ক্ষেত্ৰত ধনৰ বিনিয়োগ আৰু উন্নত প্ৰযুক্তিবিদ্যাই কমাই আনিছে। সেইকাৰণে প্ৰযুক্তিবিদ্যাৰ প্ৰয়োগ,পৰ্যাপ্ত ব্যৱহাৰ আৰু ইয়াৰ প্ৰকাৰে মানুহ আৰু সমূহৰ মাজত সহযোগিতাৰ প্ৰয়োজনীয়তা নিৰ্ধাৰণ কৰে।

**উৎস ঃ** Oommen T. K. 1972 : Charimh, Stability and Change; An Analysis of Broodon Gramdon Movement in India P. 88. Thompson Press, New Delhi.

**ক্ৰিয়া-কলাপ-১০ (Activity-10)**

তলত উল্লিখিত ভূমি বিবাদবোৰ পঢ়া। ইয়াৰ ভিতৰত থকা বিভিন্ন সামাজিক সমূহ চিনাক্ত কৰা আৰু ক্ষমতাৰ ভূমিকা আৰু সম্পত্তি অধিগত কৰাৰ ক্ষমতা সম্পৰ্কে আলোচনা কৰা ।

**সামৰণি (Conclusion) ঃ**

এই অধ্যায়ৰ উদ্দেশ্য হৈছে সামাজিক সম্বন্ধ আৰু স্তৰীকৰণৰ মাজত থকা সম্পৰ্ক বুজি পোৱা, অন্যহাতেদি সহযোগিতা, প্ৰতিযোগিতা আৰু সংঘৰ্ষ আদি সামাজিক প্ৰক্ৰিয়া সমূহৰ মাজৰ সম্পৰ্কৰ বিষয়ে আলোচনা কৰা। তোমালোকে মন কৰিছা যে তিনিওটা সামাজিক প্ৰক্ৰিয়া ভিন্ন ভিন্ন, তথাপিও এই তিনিওটাই সহাৱস্থান কৰে, অধিক্ৰমণ কৰে আৰু কেতিয়াবা গোপনীয় ধৰণে বৰ্তি থাকে। উদাহৰণস্বৰূপে ওপৰোক্ত আলোচনাত আমি বল প্ৰয়োগ বা বলপূৰ্বক সহযোগিতাৰ কথা কৈছিলো। আমি দুটা ক্ৰিয়া কলাপৰ জৰিয়তে শেষ কৰিম য'ত সঁচা জীৱনৰ কাহিনীয়ে তোমাক সমাজতাত্ত্বিক দৃষ্টিভংগীৰে তিনিটা সামাজিক প্ৰক্ৰিয়া বুজিবলৈ সহায় কৰিব সামাজিক সমূহৰ বাবে ক্ৰিয়া কৰে আৰু যিবোৰ ভিন্নভাবে সামাজিক সংৰচনা আৰু স্তৰীকৰণ ব্যৱস্থাত বৰ্তি থাকে।

**ক্ৰিয়া-কলাপ-১১ (Activity-11)**

উল্লিখিত বিৱৰণী সাৱধানেৰে পঢ়া আৰু সামাজিক সংৰচনা, স্তৰীকৰণ আৰু সামাজিক প্ৰক্ৰিয়া মাজত থকা সম্পৰ্কৰ বিষয়ে আলোচনা কৰা। সন্তোষ আৰু পুষ্পাই কেনেকৈ সামাজিক সংৰচনা আৰু স্তৰীকৰণ ব্যৱস্থাৰ বাবে বাধাগ্ৰস্ত হৈছিল। তেওঁলোকৰ জীৱনত ঘটা তিনিটা সামাজিক প্ৰক্ৰিয়া সহযোগিতা, প্ৰতিযোগিতা আৰু সংঘৰ্ষ বাচনি কৰাটো সম্ভৱ নে? এই বিবাহক সহযোগিতাৰ প্ৰক্ৰিয়া হিচাবে চাব পাৰিনে? এই বিবাহক এটা সচেতনভাৱে গ্ৰহণ কৰা কাৰ্য বুলিব পাৰিনে য'ত প্ৰতিযোগিতাপূৰ্ণ চাকৰিৰ বজাৰত তিষ্ঠি থাকিব, আৰু এনে কৰিবলৈ দম্পতিক অগ্ৰাধিকাৰ প্ৰদান কৰা হয়। ইয়াত কোনো ধৰণৰ সংঘৰ্ষৰ বিন্দু দেখা যায় নে?

Outlook 8 May, 2006

'Meet the Parents : Teen marriages, migrant labour and cave factories in crisis.'

A vicious cycle.

এইটো একেধৰণৰ পুৰণি কাহিনী সামান্য সাল-সলনিৰে। সন্তোষ সিন্দে এক চৈধ্য বছৰীয়া ভূমিহীন শ্ৰমিকৰ পুত্ৰ যি আঠ হাজাৰ টকাৰ এটা ঋণ লৈছিল নিজৰ পঢ়া-শুনাৰ বাবে। এটা সময়ত ঋণদাতাজনে ধনখিনি পৰিশোধ কৰাটো বিচাৰে, সেইকাৰণে চহৰৰ কুহিয়াৰ ফেক্টৰিৰ ঠিকাদাৰৰ পৰা অগ্ৰীম দৰমহাৰ বাবদ সিন্দেই টকা লয়। সমস্যাটো হ'ল তেওঁলোকে পতি-পত্নী আৰু এটি লাজকুৰীয়া ল'ৰাৰ পৰিয়াল। সেয়েহে সিন্দে পৰিয়ালে সন্তোষৰ বাবে তাৎক্ষণিকভাৱে এগৰাকী কন্যা বিবাহৰ বাবে ঠিক কৰে যাৰ নাম পুষ্পা আৰু বয়স চৈধ্য। পুষ্পা মহাৰাষ্ট্ৰৰ অচমানাবাদ জিলাৰ। তেওঁলোকে বাটতে মন্দিৰ এটাত আশ্ৰয় লয়।

ফেক্টৰিৰ বাহিৰত কিছুমান কেম্প বনোৱা আছিল য'ত প্ৰবাসী শ্ৰমিকসকল আছিল। কুহিয়াৰ কটাৰ সময়ত ঠিকাদাৰে বিবাহিত দম্পত্তিক অগ্ৰাধিকাৰ দিছিল। অকলশৰীয়া ল'ৰাতকৈ যিহেতু ধাৰণা কৰা হয় যে বিবাহিত দম্পত্তি বেছি দিনলৈ কাম কৰিব।
এসময়ত দেশৰ বাবে এক-তৃতীয়াংশ চেনী উৎপাদন কৰা বৰ্তমানৰ পশ্চিম মহাৰাষ্ট্ৰৰ কুঁহিয়াৰ ফেক্টৰীৰ অৱস্থা শোচনীয় হৈছে আৰু প্ৰবাসী শ্ৰমিকৰ বাবে চাকৰি নাইকিয়া হৈছে। এটা সমীক্ষাই কয় যে এই ফেক্টৰীবোৰে সৰ্বমুঠ 1900 কোটিৰো অধিক লোকচানৰ সন্মুখীন হয় আৰু 177 ৰ ভিতৰত 120 টাই চৰকাৰৰ বিত্তীয় সাহায্য 1650 কোটিৰ সহায় ল'বলগীয়া হয়। কিন্তু প্ৰবাসী শ্ৰমিকৰ অৱস্থা দিনক দিনে অধিক শোচনীয় হ'বলৈ ধৰে। তেওঁলোকৰ চাকৰি পোৱাটো অনিশ্চিত হ'ল আৰু আন কামত মজুৰি সাংঘাটিক ধৰণে কমিল।
বিচ্ছুৰিত মোচ কোচাৰে যোল্ল বছৰীয়া সন্তোষে দশম শ্ৰেণীৰ পৰীক্ষা শেষ কৰিলে আৰু পত্নী পুষ্পাই দ্বাদশ শ্ৰেণী। পুষ্পা এগৰাকী মেধাবী ছাত্ৰী। তাই ডেৰ বছৰীয়া পুত্ৰৰ লালন-পালনৰ সমান্তৰালকৈ নিজৰ পঢ়া-শুনা কৰিছিল। তাই কৈছিল, “কেতিয়াবা মই আচৰিত হওঁ যে মোৰ বিবাহ ইমান সোনকালে কিয় আৰুকেতিয়া হ'ল।” তাইৰ শহুৰৰ ঘৰৰ মানুহে ক'ব খোজে যে যদিহে তাই বৃত্তি পায় তাই পঢ়িব পাৰিব অন্যথা এই যুৱ-দম্পতী মুম্বাইলৈ কাম কৰিবলৈ গুচি যাব।

**ক্ৰিয়া-কলাপ-১২ (Activity-12)**

নিম্নলিখিত কথাখিনি সাৱধানেৰে পঢ়ি চোৱা আৰু বিক্ৰম আৰু নিতিনে ক্ৰিয়াকলাপ 11 উল্লিখিত ধৰণে সন্তোষ আৰু পুষ্পাৰ মাজত প্ৰতিযোগিতাৰ পাৰ্থক্য বাচি উলিওৱা।

The Week (7 May 2006) এক বিশেষ নামেৰে প্ৰকাশ কৰে — “The New Workaholics : Their Goals, Money, Risks Healths.”
ভাৰতবৰ্ষৰ অৰ্থনীতি 8% হাৰত বৃদ্ধি হৈছিল, কামৰ প্ৰতি এই পৰিৱৰ্তিত পৰিস্থিতিত মানুহৰ মনোবৃত্তি আৰু কাৰ্য প্ৰণালী পৰিৱৰ্তন হৈ নতুন নতুন খণ্ডত হাজাৰ হাজাৰ চাকৰিৰ সৃষ্টি হৈছিল। নতুন চাকৰিজীৱিসকলে তাৎক্ষণিক লাভালাভ বিচাৰে। পদোন্নতি অতি সোনকালে লাগে। ভাল দৰমহা, অধিক সা-সুবিধা আৰু ডাঙৰ দৰমহাৰ বৃদ্ধি আদি মুখ্য ইচ্ছা শক্তি আৰু নিজৰ পৃথিৱীখন গঢ়িব বিচাৰে। সাতাইশ বছৰীয়া বিক্ৰম চামন্তে নতুনকৈ চাকৰি এটাত যোগদান কৰিছে। অতিৰিক্ত দৰমহাৰ বাবে শেহতীয়া চাকৰিটো ত্যাগ কৰাৰ ক্ষেত্ৰত কোনো চৰ্ত নাই। তেওঁ কয়, “পইচা গুৰুত্বপূৰ্ণ আৰু মোৰ নিয়োগকাৰীয়ে বুজি পায় যে মোক দিয়া প্ৰতিটো পইচাৰ বাবে মই উপযুক্ত।”

যুৱ কামৰ নিচা থকা এই ব্যক্তিসকলে কৰ্পৰেট জগতৰ সফলতাৰ শিখৰত বগাবলৈ কম সময়ত সফলতা বিচাৰে। "হয় মই পৰৱৰ্তী পদবী সোনকালে বিচাৰো, যেতিয়া মই তপা হ'বলৈ আৰম্ভ কৰিম তেতিয়া নহয়," নিতিনে কয়। তেওঁ এটা বেংকৰ পৰা আন এটা বেংকলৈ ডাঙৰ পদোন্নতিসহ বদলি হবলৈ বিচাৰে।

**পৰিভাষা (Glossary)** ঃ

- **পৰহিতবাদ (Altruism)** ঃ পৰহিতবাদ হৈছে নিজৰ স্বাৰ্থৰ পৰিৱৰ্তে আনৰ মংগলৰ বাবে কৰা কামৰ নীতি।
- **বিচ্ছিন্নতা (Alienation)** ঃ কাৰ্ল মাৰ্ক্সে প্ৰয়োগ কৰা বিচ্ছিন্নতা অৱধাৰণাটোৱে পুঁজিবাদী ব্যৱস্থাত উৎপাদিত সামগ্ৰীৰ ওপৰত উৎপাদনকাৰীসকলৰ মনোভাৱৰ বিচ্ছিন্নতাৰ কথা কৈছে। বিচ্ছিন্নতাৰ সৈতে বহুতে অপসাৰিতা শব্দৰো ব্যৱহাৰ কৰা দেখা যায়।
- **প্ৰতিমানহীন (Anomie)** ঃ দুৰখেইমৰ মতে, সমাজৰ অ-অনুমোদিত, ভাঙোনমুখী, পথভ্ৰষ্টমূলক অৱস্থাটো প্ৰতিমানহীন বুলি কয়।
- **পুঁজিবাদ (Captalism)** ঃ পুঁজিবাদ এক অৰ্থনৈতিক ব্যৱস্থা য'ত উৎপাদনৰ উপাদান সমূহৰ ওপৰত ব্যক্তিগত মালিকীস্বত্ব থাকে আৰু লাভাৰ্জনৰ বাবে এক ব্যৱস্থা থাকে যিটোত শ্ৰমিকে তেওঁৰ শ্ৰমৰ মূল্য পায়।
- **শ্ৰম বিভাজন (Division of Labour)** ঃ কামৰ বিশেষীকৰণৰ এক ব্যৱস্থা য'ত বিভিন্ন ধৰণৰ কাম সমূহ বিভিন্ন উপায়েৰে বিভাজন কৰা হয়। সকলো ধৰণৰ সমাজতে কম বেছি ধৰণৰ শ্ৰম বিভাজনৰ নীতি আছিল। বৰ্তমানৰ আধুনিক ঔদ্যোগিক সমাজ ব্যৱস্থাত শ্ৰম বিভাজনৰ নীতি সঠিকভাৱে প্ৰযোজ্য কৰা হয় আৰু বিজ্ঞানসন্মতো হয়।
- **প্ৰভাৱশালী ভাবাদৰ্শ (Dominant Ideology)** ঃ অৱধাৰণাটো ক্ষমতাৰ লগত জড়িত। সমাজ ব্যৱস্থাত প্ৰভাৱশালী ভাবাদৰ্শই শৃংখলা আৰু নিয়ন্ত্ৰণৰ কাম কৰে। সমাজে ইয়াক মান্যতা প্ৰদান কৰে।
- **ব্যক্তিবাদ (Individualism)** ঃ সমূহীয়া চিন্তাধাৰাৰ পৰিৱৰ্তে ব্যক্তিগত স্বতন্ত্ৰতাৰ ওপৰত গুৰুত্ব দিয়া এক চিন্তাধাৰা।
- **মুক্ত অৰ্থনৈতিকবাদ (Laisses–Faire Liberalism)** ঃ এক ৰাজনৈতিক আৰু অৰ্থনৈতিক চিন্তাধাৰা য'ত চৰকাৰে অৰ্থনৈতিক ব্যৱস্থা আৰু বজাৰ আৰু মালিকীস্বত্বৰ ওপৰত হস্তক্ষেপ নকৰে।
- **যান্ত্ৰিক সংহতি (Mechanical Solidarity)** ঃ ইমাইল দুৰখেইমে সমাজক যান্ত্ৰিক আৰু জৈৱিক সমাজ বুলি ভাগ কৰাৰ দৰেই সামাজিক ঐক্য বা সংহতিটো যান্ত্ৰিক সংহতি আৰু জৈৱিক সংহতি হিচাবে বিভক্ত কৰিছে। অৰ্থাৎ সৰল আদিম সমাজৰ সংহতিক যান্ত্ৰিক সংহতি বোলে।
- **আধুনিকতা (Modernity)** ঃ আধুনিকতা শব্দই বৰ্তমান সময়ৰ প্ৰতি দায়বদ্ধতা প্ৰকাশ কৰাকে

সূচায়। ১৮ শ আৰু ১৯ শ শতিকাৰ সামাজিক প্ৰক্ৰিয়াত গঢ় লোৱা জটিলতা আৰু গতিশীলতা বুজোৱা তথাকথিত পৰম্পৰাগত ব্যৱস্থাতকৈ সুকীয়া এখন সমাজে হৈছে আধুনিকতা সমাজ।

- **জৈৱিক সংহতি (Orgaric Solidarity) ঃ** শ্ৰম বিভাজনৰ নীতি আলোচনা কৰিবলৈ গৈ ইমাইল দুৰখেইমে সামাজিক সংহতিক যান্ত্ৰিক সংহতি আৰু জৈৱিক সংহতিত ভাগ কৰিছে। শ্ৰম বিভাজন বৃদ্ধি পোৱাৰ লগে লগে মানুহৰ সহযোগিতা আৰু পাৰস্পৰিক নিৰ্ভৰশীলতাও বৃদ্ধি পাইছে। এই প্ৰক্ৰিয়াৰ ফলত পৰস্পৰে পৰস্পৰৰ ওচৰত নিৰ্ভৰশীল হৈ জৈৱিক সংহতিৰ সৃষ্টি কৰিছে।
- **সামাজিক বাধ্যতা (Social Constraint) ঃ** এই শব্দাংশৰ দ্বাৰা সমূহ আৰু সমাজৰ অংশস্বৰূপে আমাৰ ব্যৱহাৰক প্ৰভাৱিত কৰে। দুৰখেইমৰ মতে সামাজিক বাধ্যতা হৈছে সামাজিক কাৰ্যৰ একোটা নিৰ্দিষ্ট গুণাগুণ।
- **সংৰচনা (Structure) ঃ** এক ব্যৱস্থা য'ত সমূহীয়াভাৱে সকলোবোৰ সংগবদ্ধ হৈ থাকে।

## অনুশীলনী (Exercise)

১। সামাজিক সংৰচনাৰ বিষয়ে আলোচনা কৰা।
Discuss about the concept of Social structure.

২। সামাজিক প্ৰক্ৰিয়াৰ সংজ্ঞা দিয়া।
Define social process.

৩। সহযোগিতাৰ অৰ্থ কি? সহযোগিতাৰ প্ৰকাৰবোৰ আলোচনা কৰা।
What is the meaning of cooperation? Discuss the types of cooperation.

৪। প্ৰতিযোগিতা বুলিলে কি বুজা? প্ৰতিযোগিতাক সামাজিক প্ৰক্ৰিয়া হিচাবে আলোচনা কৰা।
What do you understand competition? Discuss competition as a social process.

৫। সংঘৰ্ষ বুলিলে কি বুজা? সামাজিক প্ৰক্ৰিয়া হিচাবে সংঘৰ্ষক আলোচনা কৰা।
What do you understand conflict? Discuss conflict as a social process.

৬। সামাজিক স্তৰীকৰণ কি? উদাহৰণসহ আলোচনা কৰা।
Define social stratification? Discuss with examples.

**References :**

- Abdullah, T. and S. Zeidenstein. 1982. Village Men of Bangladesh : Prospects for Change. Peryaman Press, Oxford.
- Basu, Smimati. 2001, She Comes toTake Her Rights : Indian Women, Property and Propriety. Kali for Women, New Delhi.
- Bottomore, T.B. 1975.Sociology as Social Criticism. George Allen and Unwin Ltd, London.
- Durkheim Emile. 1933. The Division of Labour in Society. A Free Press (Paperback). The MacMillan Company, New York.
- Jayaram, N. 1987, Introductory Sociology. MacMillan India Ltd. Delhi.

- Hale Sylvia, M. 1990, Controversies in Sociology : A Canadian Introduction, London Group, London.
- Marx, Karl and Frederick. English 1974, The German Ideology. Selected works, Vol.I Peoples Publishing House, Moscow.
- Sen Amartya, 1990, ''Gender and Cooperation Conflicts'' in Persistant Inequalities (ed) II, Tinker, pp 123-49 Oxford University Press, Oxford.
- Singh, Yogendra. 1973. Modernization of Indian Tradition, Thomson Press, Delhi.
- Srinivas, M.N., 1972, Social Change in Modern India, Orient Longman, New Delhi.
- Oommen, T.K. 1972, Charisma, Stability and Change : An Analysis of Bhoodon Gramdon Movement in India, Thomson Press, New Delhi.
- White, S.C, 1992, Arguing with the Crocodile, Ginder and class in Bangladesh, Zed Books, London.

দ্বিতীয় অধ্যায়

# গ্ৰাম্য আৰু নগৰীয়া সমাজত সামাজিক পৰিৱৰ্তন আৰু সামাজিক শৃংখলা
# (Social Change and Social Order in Rural and Urban Society)

**পৰিচয় (Introduction) ঃ**

সামাজিক পৰিৱৰ্তন এক বিশ্বজনীন প্ৰক্ৰিয়া। পৃথিৱীৰ যিকোনো সমাজতেই ই বিৰাজমান। সেয়ে এইটো কোৱা হয় যে পৰিৱৰ্তন হ'ল সমাজৰ একমাত্ৰ অ-পৰিৱৰ্তনীয় দিশ। আধুনিক সমাজত বসবাস কৰা কোনো ব্যক্তিকে এইটো সোঁৱৰাই দিয়াৰ প্ৰয়োজন নাই যে ধাৰাবাহিক পৰিৱৰ্তন হৈছে মানৱ সমাজৰ এটা প্ৰধান বৈশিষ্ট্য। প্ৰকৃততে, সোতৰ শতিকাৰ পৰা ঊনৈশ শতিকাৰ মাজৰ কালছোৱাত পশ্চিমৰ ইউৰোপীয় সমাজলৈ অহা দ্ৰুত পৰিৱৰ্তনবোৰৰ বিষয়ে চলোৱা চৰ্চাক আলম কৰিয়েই সমাজ বিজ্ঞানৰ উৎপত্তি হৈছে বুলি কোৱা হয়।

আধুনিক জীৱন ধাৰণৰ ক্ষেত্ৰত সামাজিক পৰিৱৰ্তন এক সাধাৰণ আৰু বোধগম্য বিষয় হ'লেও, তুলনামূলকভাৱে ই এক নতুন আৰু সাম্প্ৰতিক চৰ্চাৰ বিষয়হে। অনুমান কৰা হয় যে পৃথিৱীত মানৱ জাতিৰ অস্তিত্ব লাভ কৰা প্ৰায় পাঁচ লাখ বছৰ হৈছে। কিন্তু এই মানৱ জাতিয়ে সভ্যতাৰ পোহৰ দেখা মাত্ৰ প্ৰায় ছয় হেজাৰ বছৰহে হৈছে। সভ্যতাৰ এই দীঘলীয়া সময়ছোৱাৰ মাত্ৰ যোৱা চাৰিশ বছৰতহে অবিৰত আৰু দ্ৰুত পৰিৱৰ্তন হোৱা দেখা যায়। পৰিৱৰ্তনৰ এই বছৰবোৰৰ ভিতৰতো শেষৰ এশ বছৰত পৰিৱৰ্তনৰ গতি অধিক দ্ৰুততৰ হৈছে। এইদৰে পৰিৱৰ্তনৰ গতি পিছৰ পঞ্চাশ বছৰত, তাৰ পিছত ক্ৰমাৎ বিশ বছৰত অধিকতৰ হৈছে।

**মানৱ ইতিহাসৰ ঘড়ী**

পৃথিৱীত মানুহৰ অস্তিত্ব প্ৰায় পাঁচ লাখ বছৰ হ'ল। মানুহে স্থায়ীভাৱে বসবাস কৰিবলৈ লোৱাৰ আৱশ্যকীয় ভিত্তি হৈছে কৃষি। বছৰ হিচাপত সভ্যতাই ছয় হেজাৰ বছৰ অতিক্ৰম কৰিছে। এতিয়া আমি যদি সমগ্ৰ মানৱ জাতিৰ স্থিতিৰ কাল এটা দিন (মাজনিশাৰ পৰা

মাজনিশালৈ) বুলি ধৰি লওঁ তেন্তে কৃষিৰ অস্তিত্ব হ'ব নিশা ১১ বাজি ৫৬ মিনিটত আৰু সভ্যতাই স্থিতি ল'ব নিশা ১১ বাজি ৫৭ মিনিটত। আধুনিক সমাজৰ বিকাশ ১১ বাজি ৫৯ মিনিট ৩০ ছেকেণ্ডত হ'ব। এতিয়া কথা হ'ল মানৱ দিনৰ অন্তিম ৩০ ছেকেণ্ডত যিখিনি পৰিৱৰ্তন হৈছে তাৰ পৰিমাণ সম্পূৰ্ণ মানৱ দিনটোৰ সমান হয়গৈ।

**উৎস ঃ** Anthony Giddens, 2004, Sociology, 4th Edition, P. 40

**ক্ৰিয়া-কলাপ-১ (Activity-1)**

তোমালোকে তোমালোকৰ জ্যেষ্ঠসকলৰ সৈতে কথা পাতা আৰু তোমাৰ জীৱনৰ সৈতে জড়িত বস্তুবোৰৰ এখন তালিকা প্ৰস্তুত কৰা। তালিকাখনত বিশেষকৈ দুটা দিশত গুৰুত্ব দিবা (ক) তোমালোকৰ মা-দেউতা যেতিয়া তোমাৰ বয়সৰ আছিল তেতিয়া অস্তিত্ব নথকা বস্তুবোৰ আৰু (খ) তোমালোকৰ ককা-আইতা যেতিয়া তোমালোকৰ বয়সৰ আছিল তেতিয়া অস্তিত্ব নথকা বস্তুবোৰ।

তোমালোকে এনে কিছুমান বস্তুৰো তালিকা এখন প্ৰস্তুত কৰিবলৈ যত্ন কৰিবা যিবোৰ বস্তু তোমালোকৰ মা-দেউতা আৰু ককা-আইতাসকল সৰু হৈ থকা অৱস্থাত আছিল, কিন্তু বৰ্তমান তোমালোকৰ দিনত সেইবোৰৰ অস্তিত্ব নাই।

**সামাজিক পৰিৱৰ্তন (Social Change) ঃ**

সামাজিক পৰিৱৰ্তন হ'ল এনে এক পৰিৱৰ্তন যাৰ দ্বাৰা অৰ্থনৈতিক, ৰাজনৈতিক আদি অৱধাৰণাৰ দ্বাৰা পৰিভাষিত নোহোৱা পৰিৱৰ্তনৰ ৰূপক বুজোৱা হয়। সেইকাৰণে, সমাজ বিজ্ঞানীসকলে 'সামাজিক পৰিৱৰ্তন'ৰ ক্ষেত্ৰত থকা বহল অৰ্থ পৰিহাৰ কৰি সংকীৰ্ণ গতিলৈ অনাৰ প্ৰয়াস কৰিছে আৰু সেয়েহে তেওঁলোকে ইয়াক সামাজিক তত্ত্ব হিচাপে ব্যাখ্যা কৰিবলৈ বিচাৰে। প্ৰাথমিক বা বুনিয়াদী স্তৰত সামাজিক পৰিৱৰ্তনে তাৎপৰ্যপূৰ্ণ পৰিৱৰ্তনবোৰক বুজায় যি পৰিৱৰ্তনে কোনো বস্তু বা পৰিস্থিতিৰ আন্তঃগাঁথনিক এক নিৰ্দিষ্ট সময়ৰ ভিতৰত ৰূপান্তৰ কৰে (Giddens 2005 : 42)। গতিকে সামাজিক পৰিৱৰ্তন বুলি ক'লে সকলো পৰিৱৰ্তনক নুবুজায়। বৰং এই পৰিৱৰ্তনে 'বৃহৎ পৰিৱৰ্তন'ক বুজায়, যিয়ে মৌলিক ৰূপান্তৰ সাধন কৰে। ইয়াত 'বৃহৎ' শব্দটোৱে কিমান পৰিৱৰ্তন হৈছে কেৱল সেইটোকে বুজোৱা নাই, ই পৰিৱৰ্তনৰ পৰিমাণকো বুজাইছে। অৰ্থাৎ, এই পৰিৱৰ্তনে সমাজৰ কিমান অংশ শ্ৰেণীক প্ৰভাৱিত কৰে তাৰ মাপ-কাঠিৰেহে পৰিৱৰ্তনৰ জোখ-মাখ কৰা হয়। অন্য অৰ্থত, যি পৰিৱৰ্তনে ব্যাপক আৰু বিস্তৃতভাৱে সমাজৰ এক বৃহৎ অংশক গভীৰভাৱে প্ৰভাৱিত কৰে তাকে সামাজিক পৰিৱৰ্তন বোলে। অৰ্থাৎ, সামাজিক পৰিৱৰ্তনৰ প্ৰাথমিক চৰ্ত হ'ল যে—সামাজিক পৰিৱৰ্তনৰ প্ৰভাৱ সমাজৰ বৃহৎ অংশৰ লোকলৈ প্ৰসাৰিত হ'ব লাগিব।

এনে ধৰণে সুনিৰ্দিষ্টভাৱে সংজ্ঞাবদ্ধ কৰাৰ পাছতো সামাজিক পৰিৱৰ্তন এক বিস্তৃত অৱধাৰণা হৈয়ে

ৰয়। সামাজিক পৰিৱৰ্তনক বহল ভিত্তিত বুজাবলৈ কৰা প্ৰয়াসত আমি সামজিক পৰিৱৰ্তনৰ কেইবাটাও দিশ যেনে—সামাজিক পৰিৱৰ্তনৰ উৎপত্তি আৰু কাৰণসমূহ; ইয়াৰ প্ৰকৃতি নতুবা সমাজৰ ওপৰত পৰা ইয়াৰ বিভিন্ন প্ৰভাৱ আৰু ইয়াৰ গতি সম্পৰ্কেও অনুসন্ধান কৰিব লাগিব।

উদাহৰণস্বৰূপে, মহান প্ৰকৃতিবিদ চাৰ্লচ ডাৰউইনে (Charles Darwin) আগবঢ়োৱা বিৱৰ্তন (Evolution) ধাৰণাটোৰ বিষয়ে এই ক্ষেত্ৰত উল্লেখ কৰিব পাৰি। এই অৱধাৰণাৰ মতে এক দীৰ্ঘ সময় ধৰি লাহে লাহে হোৱা পৰিৱৰ্তনক বিৱৰ্তন হিচাপে নামকৰণ কৰা হৈছে। আন কথাত, জীৱিত প্ৰাণী কিদৰে বিকশিত হয় এই বিষয়ে তেখেতে বিৱৰ্তন তত্ত্বটোত আলোচনা কৰিছে। জীৱিত প্ৰাণীসমূহৰ কিদৰে প্ৰাকৃতিক পৰিবেশৰ লগত সংগতি ৰাখি লাহে লাহে ক্ৰমবিৱৰ্তন হয় সেই বিষয়ে এই তত্ত্বত তেখেতে আলোচনা কৰিছিল। ডাৰউইনৰ তত্ত্বই 'যোগ্য ভোগ্য বসুন্ধৰা'— এই ধাৰণাত গুৰুত্ব প্ৰদান কৰিছিল। ইয়াৰ অৰ্থ হ'ল প্ৰাকৃতিক পৰিবেশৰ সৈতে যিবোৰ প্ৰাণীয়ে খাপ খাই থাকিব পাৰে সেইবোৰেই জীয়াই থাকিব পাৰে। বিপৰীতে যিবোৰ জীৱই পৰিবেশৰ সৈতে খাপ খাব নোৱাৰে বা মন্থৰ গতিত সলনি হয় সেইবোৰ প্ৰকৃতি জগতৰ পৰা নিঃচিহ্ন হৈ যায়। ডাৰউইনে মত প্ৰকাশ কৰিছে যে এবিধ সাগৰীয় প্ৰাণী (বিভিন্ন প্ৰকাৰৰ মাছ) ৰ পৰা স্থলচৰ স্তন্যপায়ী প্ৰাণীলৈ বিৱৰ্তন হয় আৰু ই বিভিন্ন স্তৰ অতিক্ৰম কৰি বান্দৰ আৰু নৰ-বানৰ আৰু অৱশেষত মানুহ বা হম' চেপিয়েনচ্‌লৈ (Homo Sapiens) বিৱৰ্তন হয়। উল্লেখযোগ্য যে, যদিও ডাৰউইনে তেখেতৰ বিৱৰ্তন তত্ত্বৰ জৰিয়তে প্ৰাকৃতিক প্ৰক্ৰিয়াৰ বিষয়ে জানিবলৈ দিছিল, পিছলৈ ই সামাজিক জগতখনৰ সৈতেও খাপ খাই পৰে। যিটোক 'সামাজিক ডাৰউইনবাদ' (Social Darwinism) নামেৰে জনা যায়। বিৱৰ্তনাত্মক পৰিৱৰ্তনৰ বিপৰীতে কিছুমান পৰিৱৰ্তন অধিক ক্ষিপ্ৰতাৰে হোৱা দেখিবলৈ পোৱা যায়। এনে পৰিৱৰ্তনক বৈপ্লৱিক পৰিৱৰ্তন (Revolutionary Change) বোলা হয়। এই বৈপ্লৱিক পৰিৱৰ্তনৰ বিষয়টো ৰাজনীতিৰ আলোচনাত বিশেষকৈ চৰ্চিত হয়। ৰাজনৈতিক প্ৰসংগত বৈপ্লৱিক পৰিৱৰ্তন বুলি ক'লে পূৰ্বৰ শাসক শ্ৰেণী বা সমূহক প্ৰত্যাহ্বান জনাই গাদীচ্যুত কৰি সমাজৰ ক্ষমতাৰ সংৰচনা দ্ৰুতগতিত পৰিৱৰ্তন হোৱাটোক বুজায়। আন কথাত, যেতিয়াই কোনো ৰাষ্ট্ৰ বা সমাজৰ পূৰ্বৰ শাসন ক্ষমতা উৎখাত কৰি বিপ্লৱী জনতাই নতুন ব্যৱস্থাৰ প্ৰৱৰ্তন কৰে তাকে বৈপ্লৱিক পৰিৱৰ্তন বোলে। উদাহৰণস্বৰূপে—ফৰাচী বিপ্লৱ (1789-93) আৰু 1917 চনৰ ছোভিয়েট ৰাছিয়াৰ বিপ্লৱ পৃথিৱীৰ উল্লেখনীয় বৈপ্লৱিক পৰিৱৰ্তন। সাধাৰণতে দ্ৰুত, আকস্মিক আৰু সম্পূৰ্ণ ৰূপান্তৰ যেনে 'শিল্প বিপ্লৱ' (Industrial Revolution) বা 'দূৰ সংযোগ বিপ্লৱ' (Telecommunication Revolution) আদি বুজাবলৈ বৈপ্লৱিক পৰিৱৰ্তন ধাৰণাটো প্ৰয়োগ কৰা হয়।

কিছুমান পৰিৱৰ্তনক সিহঁতৰ প্ৰকৃতি নতুবা প্ৰভাৱৰ ভিত্তিত চিহ্নিত কৰা হয়। এনেকৈ চিহ্নিত হোৱা পৰিৱৰ্তনৰ প্ৰকাৰবোৰৰ ভিতৰত সংৰচনাত্মক পৰিৱৰ্তন আৰু ধাৰণা, মূল্যবোধ আৰু পৰিৱৰ্তনে সমাজৰ সংস্থা বা সংস্থাক পৰিচালিত কৰা নীতি-নিয়মৰ পৰিৱৰ্তন সাধি সমাজৰ গাঁথনিক পৰিৱৰ্তন ঘটায়। উদাহৰণস্বৰূপে, সমাজত কাগজৰ মুদ্ৰা প্ৰচলন হোৱাৰ ফলত বিত্তীয় বজাৰ আৰু লেনা-দেনা ব্যৱস্থালৈ এক বৃহৎ পৰিৱৰ্তন আহিছিল। তোমালোকে নিশ্চয় জানা যে কাগজৰ মুদ্ৰা প্ৰচলনৰ পূৰ্বে সমাজত বিনিময় প্ৰথা আছিল য'ত সোণ, ৰূপৰ দৰে মূল্যৱান বস্তু বিনিময়ৰ মাধ্যম হিচাপে ব্যৱহাৰ হৈছিল। তেতিয়া মুদ্ৰাৰ মূল্য সোণ বা ৰূপৰ মূল্যৰে নিৰূপণ কৰা হৈছিল। কিন্তু ইয়াৰ বিপৰীতে বৰ্তমান সময়ত প্ৰচলন থকা কাগজী

মুদ্ৰাত কাগজখনৰ মূল্য বা সেই মুদ্ৰা ছপা কৰা বাবদ হোৱা খৰছৰ কোনো সম্পৰ্ক নাই। প্ৰকৃতাৰ্থত, কোনো বস্তু বা সেৱাৰ বিনিময় সহজ সাধ্য কৰিবলৈ কাগজী মুদ্ৰাক এক বিত্তীয় মাধ্যম হিচাপে গ্ৰহণ কৰা হ'ল। এই কাগজী মুদ্ৰাই যেতিয়াই সমাজত বস্তুৰ মূল্য নিৰূপণ কৰিলে আৰু বিশ্বাসযোগ্য ৰূপে প্ৰচলিত হ'ল, তেতিয়াই ই ধন-টকা হিচাপে পৰিগণিত হ'ল। এই ধাৰণাটোৱেই বজাৰত ভেঁটিস্বৰূপ হ'ল আৰু বেংক আৰু বিত্তীয় গাঁথনিলৈ পৰিৱৰ্তন অনাত সহায় কৰিলে। এনে পৰিৱৰ্তনে অৰ্থনৈতিক জীৱন-ধাৰাক অধিক প্ৰভাৱিত কৰিলে।

**ক্ৰিয়া-কলাপ-২ (Activity-2)**

তোমালোকে ইতিমধ্যে পঢ়ি অহা পাঠ্যপুথিবোৰৰ পৰা ফৰাচী বিপ্লৱ আৰু শিল্প বিপ্লৱৰ বিষয়ে যিখিনি জ্ঞান আয়ত্ব কৰিছা সেই সম্পৰ্কে আলোচনা কৰা। লগতে এনে বিপ্লৱসমূহে সমাজলৈ কেনে ধৰণৰ পৰিৱৰ্তন আনিলে; সেইবোৰো চিহ্নিত কৰা আৰু সেই পৰিৱৰ্তনবোৰক সামাজিক পৰিৱৰ্তন বুলি অভিহিত কৰিব পৰা যাবনে বা পৰিৱৰ্তনবোৰক 'বৈপ্লৱিক পৰিৱৰ্তন' বুলি ক'ব পৰাকৈ বেগী আৰু সুদূৰপ্ৰসাৰী হয় নে? চিন্তা কৰা। প্ৰযুক্তি কৌশলে তোমাৰ লগতে আন আন লোকসকলৰ জীৱনলৈ কি কি পৰিৱৰ্তন আনিবলৈ সক্ষম হৈছে তাকো পৰ্যবেক্ষণ কৰিবলৈ নাপাহৰিবা।

সমাজত প্ৰচলিত মূল্যবোধ আৰু বিশ্বাসলৈ অহা পৰিৱৰ্তনৰ বাবেও সামাজিক পৰিৱৰ্তন হ'ব পাৰে। উদাহৰণস্বৰূপে, শিশু আৰু ল'ৰালি কালৰ বিষয়ে থকা আমাৰ পূৰ্বৰ ধাৰণাত হোৱা পৰিৱৰ্তনে অতি গুৰুত্বপূৰ্ণ সামাজিক পৰিৱৰ্তন আনিছে। পূৰ্বতে শিশুসকলৰ প্ৰতি বিশেষ ধাৰণা নথকাৰ বাবে তেওঁলোকক বিশেষ গুৰুত্ব দিয়া নহৈছিল। সেই সময়ত শিশুসকলক সাধাৰণভাৱে সৰু প্ৰাপ্তবয়স্ক (Small adult) হিচাপে গণ্য কৰা হৈছিল। গতিকে শিশুসকলে কি কৰা উচিত বা অনুচিত সেই বিষয়ে বিশেষ ধাৰণা নাছিল। ঊনৈশ শতিকাৰ শেষৰ সময়ছোৱাত শিশুসকলক যিমান সোনকালে পৰা যায় কৰ্মত নিয়োগ কৰাটো ভাল বা উচিত বুলি বিবেচনা কৰা হৈছিল। সেইদৰে, পাঁচ বা ছয় বছৰ বয়সৰ পৰাই শিশুসকলে নিজৰ পৰিয়ালৰ কামত সহায় কৰিবলৈ আৰম্ভ কৰিছিল। আনকি সেই সময়ৰ কাৰখানা ব্যৱস্থাটো শিশু শ্ৰমিকৰ ওপৰতে নিৰ্ভৰশীল আছিল। কিন্তু বিংশ শতিকাৰ আগভাগত ল'ৰালি কালটোক জীৱনৰ এক বিশেষ পৰ্যায়ৰূপে ধাৰণা কৰিবলৈ ল'লে। বহু দেশে আনকি শিশু শ্ৰমিক বন্ধ কৰি আইন প্ৰণয়ন কৰিলে। বৰ্তমান সময়ত শিশুৰ প্ৰতি কেনে আচৰণ কৰিব লাগে বা কেনে কৰা অনুচিত—এই সম্পৰ্কে নতুন ধাৰণা গঢ় লৈছে। একে সময়তে কল-কাৰখানাৰ পৰিৱৰ্তে শ্ৰেণীকক্ষলৈ নিবলৈ শিশুসকলৰ বাবে বাধ্যতামূলক শিক্ষা প্ৰদানৰ আইন প্ৰণয়ন কৰা হ'ল। অৱশ্যে আমাৰ দেশ ভাৰতবৰ্ষত বহু উদ্যোগ, কল-কাৰখানাত এতিয়াও শিশু শ্ৰমিক নিয়োজিত হৈ থকা দেখা যায়। কাৰ্পেট বয়, হোটেলৰ বাচন-বৰ্তন চাফা কৰা, জুইশলাৰ কাঠি তৈয়াৰ কৰাৰ দৰে কামত শিশু শ্ৰমিক জড়িত হৈ থকা দেখা যায়। অৱশ্যে, আন আন দেশসমূহৰ দৰে ভাৰতবৰ্ষতো শিশু শ্ৰমিক বন্ধ কৰাৰ বাবে আইন প্ৰণয়ন কৰি ইয়াক অবৈধ হিচাপে ঘোষণা কৰা হৈছে আৰু শিশু শ্ৰমিক নিয়োগ

কৰা মালিকসকলক এনে অপৰাধৰ বাবে শাস্তি প্ৰদানৰ ব্যৱস্থা কৰিছে। গতিকে দেখা গ'ল যে শিশু সম্পৰ্কত পূৰ্বৰ ধাৰণা বৰ্তমান সম্পূৰ্ণৰূপে পৰিৱৰ্তন হ'ল যাৰ ফলত সামাজিক পৰিৱৰ্তনত যথেষ্ট সহায়ক হ'ল।

মন কৰিবলগীয়া যে, সামাজিক পৰিৱৰ্তনৰ বিভিন্ন ধৰণ আৰু কাৰণ বিভিন্ন সময়ত লক্ষ্য কৰা যায়। সামাজিক পৰিৱৰ্তনৰ ধৰণ বুলি কওঁতে ইয়াৰ বিভিন্ন প্ৰকাৰ বা শ্ৰেণীৰ কথা বুজোৱা হৈছে। উল্লেখযোগ্য যে, সামাজিক পৰিৱৰ্তনৰ শ্ৰেণীকৰণ প্ৰধানকৈ দুটা আধাৰত কৰা হয়। যেনে—সামাজিক পৰিৱৰ্তনৰ কাৰণ আৰু পৰিৱৰ্তনৰ উৎস। কেতিয়াবা এনে কাৰণবোৰ আভ্যন্তৰীণ (Endogenous) আৰু বাহ্যিক (Exogenous) ৰূপে শ্ৰেণীকৰণ কৰি লোৱা হয়। সামাজিক পৰিৱৰ্তনৰ কাৰক বা উৎসবোৰক প্ৰধানকৈ পাঁচটা ভাগত ভাগ কৰি আলোচনা কৰিব পাৰি। সেইকেইটা হ'ল পৰিবেশজনিত (Environmental), প্ৰযুক্তিগত (Technological), আৰ্থিক (Economic), ৰাজনৈতিক (Political) আৰু সাংস্কৃতিক (Cultural)।



**চিত্ৰ ঃশ্ৰেণীকোঠাত ছাত্ৰ-ছাত্ৰী (Students in classroom)**



**চিত্ৰ ঃ কৌশলী কৰ্মত ব্যস্ত এটি শিশু (A child doing skilled work)**

**পৰিৱেশ (Environment) ঃ**

প্ৰকৃতি, পাৰিপাৰ্শ্বিকতা আৰু প্ৰাকৃতিক পৰিবেশে সমাজ গঠনত গুৰুত্বপূৰ্ণ প্ৰভাৱ পেলায়। সেই হিচাপে পৰিবেশৰ পৰিৱৰ্তনে সামাজিক পৰিৱৰ্তনত প্ৰভাৱ পেলোৱাতো স্বাভাৱিক। এইটো স্বীকাৰ কৰিব লাগিব যে, অতীতত মানুহে প্ৰকৃতিজনিত ক্ৰিয়া-কলাপবোৰ নিয়ন্ত্ৰণ কৰিব পৰা নাছিল। উদাহৰণস্বৰূপে— মৰুভূমিৰ পৰিবেশত বাস কৰা মানুহে নদী উপত্যকাত বাস কৰা মানুহৰ দৰে শস্যৰ উৎপাদনৰ অৰ্থে কৃষি কৰ্ম কৰিব নোৱাৰিছিল। গতিকে মৰুভূমি অঞ্চলৰ মানুহৰ খাদ্য অভ্যাস, পোছাক-পৰিচ্ছদ, জীৱিকা নিৰ্বাহৰ উপায়, সামাজিক আন্তক্ৰিয়াৰ ধৰণ আদি নিৰ্ভৰ কৰিছিল তেওঁলোকৰ পৰিবেশ আৰু জলবায়ুৰ ওপৰত। সেইদৰে, অতি ঠাণ্ডা অঞ্চলত বাস কৰা লোকসকল বা সমুদ্ৰৰ পাৰ্শ্বৱৰ্তী অঞ্চলৰ নগৰ চহৰত বাস কৰা লোকসকল অথবা গিৰিপথ বা সাৰুৱা নদী-উপত্যকাত বাস কৰা লোকসকলৰ জীৱন ধাৰণৰ ক্ষেত্ৰতো এনে বৈশিষ্ট্য পৰিলক্ষিত হয়। কিন্তু পূৰ্বতে পৰিৱেশে সমাজৰ ওপৰত যিমান প্ৰভাৱ পেলাইছিল, সময় আগবঢ়াৰ লগে লগে বিজ্ঞান প্ৰযুক্তিৰ উন্নতিৰ ফলত তাৰ প্ৰভাৱ ক্ৰমান্বয়ে হ্ৰাস পাবলৈ ধৰিছে। প্ৰযুক্তিবিদ্যাই প্ৰকৃতিৰ পৰা অহা দুৰ্যোগ বা সমস্যা প্ৰতিৰোধ কৰি সেইবোৰৰ সৈতে খাপ খাই বসবাসৰ উপযোগী কৰি তুলিছে। ফলত বিভিন্ন সামাজিক পৰিবেশত বাস কৰা লোকসকলৰ মাজত থকা পাৰ্থক্য হ্ৰাস পাইছে। আনহাতে, প্ৰযুক্তিবিদ্যাই প্ৰকৃতি আৰু ইয়াৰ সৈতে থকা মানুহৰ সম্বন্ধৰো পৰিৱৰ্তন সাধন কৰিছে। ইয়াৰ লগে লগে সমাজৰ ওপৰত প্ৰকৃতিৰ প্ৰভাৱো সলনি হৈ আহিছে।



**চিত্ৰ ঃ প্ৰলয়ংকাৰী বানে সৃষ্টি কৰা গাঁত (The earth caves in after heavy floods)**

এইখিনিতে তোমালোকৰ মনত নিশ্চয় কেইটামান প্ৰশ্নৰ অৱতাৰণা হৈছে। যেনে—পৰিৱেশে সামাজিক পৰিৱৰ্তনত কেনেকৈ প্ৰভাৱ পেলায়? পৰিৱেশে হয়তো সমাজ এখন গঢ় দিব পাৰে, কিন্তু সমাজ পৰিৱৰ্তনত ই কি ভূমিকা পালন কৰে? এনে প্ৰশ্নবোৰৰ অতি সহজ আৰু নিৰ্ভৰযোগ্য উত্তৰ আমি প্ৰাকৃতিক দুৰ্যোগ বিলাক বিচাৰ কৰিলে লাভ কৰিম। আকস্মিক আৰু প্ৰলয়ংকাৰী প্ৰাকৃতিক ঘটনাবোৰ যেনে—ভূমিকম্প, আগ্নেয়গিৰিৰ উদ্গীৰণ, বানপানী বা জোৱাৰ ভাটাৰ তৰংগই (2004 চনৰ ডিচেম্বৰ মাহত ছুনামীৰ তৰঙ্গই ইন্দোনেচীয়া, শ্ৰীলংকা, আন্দামান দ্বীপপুঞ্জ, তামিলনাডুৰ কিছু অংশৰ ক্ষতি সাধন কৰাৰ দৰে) সমাজক সাংঘাতিক ধৰণে সলনি কৰিব পাৰে। এনেধৰণৰ পৰিৱৰ্তনবোৰ প্ৰায়ে অপ্ৰতিৰোধ্য আৰু সেয়ে এনে প্ৰাকৃতিক দুৰ্যোগৰ ফলত হোৱা স্থায়ী পৰিৱৰ্তনৰ বাবে পূৰ্বৰ অৱস্থালৈ প্ৰত্যাৱৰ্তন কৰাটো সহজ নহয়। উদাহৰণস্বৰূপে—ছুনামীয়ে বিধ্বস্ত কৰা মানুহৰ জীৱন ধাৰা আৰু জীৱিকা পূৰ্বৰ অৱস্থালৈ উলটাই অনাটো অসম্ভৱ। সেইদৰে উপকূলীয় অঞ্চলত অৱস্থিত গাঁৱৰ সামাজিক গাঁথনিৰো সম্পূৰ্ণ ৰূপত সলনি হ'ল। এনে ধৰণে প্ৰাকৃতিক দুৰ্যোগে সমাজক সম্পূৰ্ণৰূপে সলনি কৰি দিয়া বা ধ্বংস স্তূপত পৰিণত কৰাৰ অসংখ্য উদাহৰণ ইতিহাসৰ পাতত পোৱা যায়। অৱশ্যে, প্ৰাকৃতিক পৰিৱেশ বা পাৰিপাৰ্শ্বিক কাৰকসমূহে যে কেৱল ধ্বংসাত্মক পৰিৱৰ্তনহে আনে এনে নহয়। কেতিয়াবা কেতিয়াবা প্ৰাকৃতিক পৰিৱেশৰ ফলত হোৱা পৰিৱৰ্তন গঠনমূলকো হোৱা দেখা যায়। গঠনমূলক পৰিৱৰ্তনৰ এটা ভাল উদাহৰণ হ'ল—পশ্চিম এছিয়াৰ লগতে মধ্য-পূবৰ মৰুভূমি অঞ্চলত খাৰুৱা তেলৰ আৱিষ্কাৰ হোৱাটো। ঊনৈশ শতিকাৰ কালিৰ্ফনিয়াত আৱিষ্কৃত সোণৰ দৰে, মধ্য পূৱৰ তৈল ভাণ্ডাৰ সমূহে সমাজবোৰক সম্পূৰ্ণভাৱে ৰূপান্তৰিত কৰিলে। চৌদি আৰব, কুৱেইট নতুবা সংযুক্ত আৰব ৰাজ্য প্ৰকৃতিৰ এই অফুৰন্ত সম্ভাৰৰ দ্বাৰা আজি যেনে সমৃদ্ধিশালী অৱস্থালৈ আহিছে, এনে সম্পদ নথকাহেঁতেন উক্ত দেশবোৰ আজিও দুখীয়া হৈ থাকিলেহেঁতেন।

**প্ৰযুক্তিবিদ্যা আৰু অৰ্থনীতি (Technology and Economy) ঃ**

নিঃসন্দেহে এইটো ক'ব পাৰি যে আধুনিক যুগত মানৱ সমাজলৈ অহা ব্যাপক পৰিৱৰ্তনৰ প্ৰধান কাৰণ হৈছে প্ৰযুক্তিবিদ্যা আৰু আৰ্থিক ব্যৱস্থাৱলী। প্ৰযুক্তিবিদ্যাই সমাজৰ বিভিন্ন ক্ষেত্ৰত ব্যাপক ধৰণেৰে পৰিৱৰ্তন সাধন কৰিছে। ইতিমধ্যে পৰিৱেশ সম্পৰ্কে কৰা আলোচনাত উল্লেখ কৰি অহা হৈছে যে—পৰিৱৰ্তিত সময়ত প্ৰাকৃতিক ঘটনা সমূহকো মানুহে নিয়ন্ত্ৰণ কৰিব পৰা হৈছে। এনেদৰে, প্ৰাকৃতিক ঘটনা সমূহক নিয়ন্ত্ৰণ কৰা বা মানুহৰ উপযোগীকৈ ব্যৱহাৰ কৰাৰ ক্ষেত্ৰত প্ৰযুক্তিবিদ্যাই মুখ্য ভূমিকা পালন কৰিছে। বজাৰৰ দৰে ক্ষমতাশালী সংস্থাৰ সৈতে প্ৰযুক্তিয়ে সমাজলৈ যি সুদূৰ প্ৰসাৰী প্ৰভাৱ কঢ়িয়াই আনিছে, তাক ছুনামী বা তৈলভাণ্ডাৰ আৱিষ্কাৰৰ দৰে প্ৰাকৃতিক কাৰকৰ সৈতেহে তুলনা কৰিব পাৰি। তোমালোকে ইতিমধ্যে পাই আহিছা যে—কাৰিকৰী বা প্ৰযুক্তিগত পৰিৱৰ্তনৰ ফলস্বৰূপে হোৱা প্ৰভাৱশালী আৰু তাৎক্ষণিকভাৱে দৃশ্যমান ঘটনাৰ উদাহৰণ হ'ল শিল্পবিপ্লৱ।

ভাপ ইঞ্জনে মানৱ সমাজৰ ওপৰত কেনেধৰণে প্ৰভাৱ পেলাইছিল সেই বিষয়ে তোমালোকে নিশ্চয় শুনিছা। বাষ্প শক্তিৰ আৱিষ্কাৰে বৃহৎ উদ্যোগৰ সূচনা কৰিছিল, য'ত বাষ্পশক্তিক ইন্ধনৰ এক উৎস হিচাপে ব্যৱহাৰ কৰা হৈছিল। এই বাষ্পশক্তি জন্তু বা মানুহৰ তুলনাত কেৱল বহুগুণে শক্তিশালীয়েই নহয়, ই জিৰণি নোলোৱাকৈ অবিৰতভাৱে কাম কৰিবও পাৰে। বাষ্প শক্তিক ভাপ চালিত জাহাজ, ৰে'লগাড়ী আদিত ব্যৱহাৰ কৰাৰ লগে লগে সমগ্ৰ পৃথিৱীৰ অৰ্থনীতি আৰু সামাজিক ভূগোল সলনি কৰি দিলে। ৰেলপথৰ

বিস্তাৰৰ যোগেদি পশ্চিমৰ উদ্যোগ আৰু বাণিজ্যই আমেৰিকা আৰু এছিয়া মহাদেশত খোপনি পুতিলে। আমাৰ ভাৰতবৰ্ষতো ৰেলপথে অৰ্থনীতিক নিৰ্দিষ্ট আকাৰ দিয়াত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে। বিশেষকৈ 1853 চনত ভাৰতত ৰেলপথ স্থাপিত হোৱাৰ পাছত ইয়াৰ অৰ্থনীতি উন্নত হোৱাত বিশেষ ভূমিকা পালন কৰিছিল। ভাপ চালিত জাহাজে সমুদ্ৰ যাত্ৰা অতি বেগী আৰু নিৰ্ভৰযোগ্য কৰি তুলিলে; ফলত আন্তৰ্জাতিক বেপাৰ-বাণিজ্য আৰু প্ৰব্ৰজনৰ গতি দ্ৰুতগতিত বৃদ্ধি পাবলৈ ধৰিলে। এই আন্তৰ্জাতিক বাণিজ্য আৰু জনপ্ৰব্ৰজনে কেৱল অৰ্থনীতিৰ ক্ষেত্ৰত পৰিৱৰ্তনৰ জোৱাৰ অনা নাই, ইয়াৰ ফলত মানৱ সমাজৰ সামাজিক, সাংস্কৃতিক আৰু জনগাঁথনিৰো পৰিৱৰ্তন হৈছে।

সমাজত বাষ্প শক্তিৰ গুৰুত্ব আৰু প্ৰভাৱ আপেক্ষিকভাৱে ক্ষিপ্ৰ আছিল। কিন্তু, প্ৰযুক্তিবিদ্যাৰ পৰিৱৰ্তনবোৰৰ প্ৰভাৱ পিছৰ পৰ্যায়ৰ পৰ্যালোচনাৰ যোগেদিহে অৱলোকন কৰিব পাৰি। অৰ্থাৎ, কোনো এক প্ৰযুক্তি কৌশলৰ আৱিষ্কাৰ বা উদ্ভাৱন প্ৰথমে অতি সীমিত পৰ্যায়ৰ উৎপাদনতহে প্ৰয়োগ কৰা হৈছিল। পৰবৰ্তী পৰ্যায়ত এই প্ৰযুক্তি কৌশলে অৰ্থনীতিলৈ তাৎপৰ্যপূৰ্ণ আৰু ক্ষিপ্ৰ পৰিৱৰ্তন অনাত এইবোৰ ঐতিহাসিক ঘটনা ৰূপে চিহ্নিত হ'ল। উদাহৰণস্বৰূপে—পশ্চিম ইউৰোপত আধুনিকীকৰণৰ প্ৰয়োগ নোহোৱালৈকে চীনত উদ্ভাৱন হোৱা খাৰ-বাৰুদ আৰু কাগজৰ প্ৰভাৱ শ শ বছৰলৈকে সীমিত ৰূপত আছিল। সেইদৰে ইংলেণ্ডত আৱিষ্কাৰ হোৱা বস্ত্ৰ উদ্যোগৰ কথা উল্লেখ কৰিব পাৰি। উন্নত প্ৰযুক্তি কৌশলেৰে সূতা কটা যন্ত্ৰ (Spinning) আৰু তাঁতবোৱা যন্ত্ৰৰ সহায়ত ইংৰাজসকলে বস্ত্ৰ উদ্যোগৰ প্ৰসাৰণ ঘটালে আৰু সমগ্ৰ বিশ্বতে বাণিজ্যিক তথা ঔপনিবেশিক শক্তিৰ গৰাকী হ'ল। আনহাতে, তাঁত বোৱা যন্ত্ৰ, সূতাকটা যন্ত্ৰৰ আৱিৰ্ভাৱে ভাৰতবৰ্ষৰ পৰম্পৰাগত তাঁতশিল্পক ধ্বংস কৰি পেলালে।

**ক্ৰিয়া-কলাপ-৩ (Activity-3)**

তোমালোকে এনে কোনো কাৰিকৰী পৰিৱৰ্তন মন কৰিছানে যিটোৰ সামাজিক গুৰুত্ব তোমালোকৰ জীৱনত আছে। এই ক্ষেত্ৰত তোমালোকে ফটোকপি মেচিন আৰু ইয়াৰ প্ৰভাৱৰ কথা চিন্তা কৰিব পাৰা। তোমালোকে কেতিয়াবা ভাবি চাইছানে যে ফটোকপি মেচিন উদ্ভাৱন হোৱাৰ আগতে বস্তুবোৰ কেনেকুৱা আছিল? একেদৰে, মোবাইল ফোন আৱিষ্কাৰ হোৱাৰ আগতে মানুহে এজনে আন এজনৰ লগত কেনেদৰে যোগাযোগ কৰিছিল? বা মটৰ গাড়ী আৱিষ্কাৰ হোৱাৰ আগতে মানুহে কেনেদৰে এঠাইৰ পৰা আন এঠাইলৈ অহা-যোৱা কৰিছিল? ইত্যাদি। এনে ধৰণৰ আন কিছুমান প্ৰযুক্তিগত উদ্ভাৱনৰ তালিকা এখন প্ৰস্তুত কৰিব পাৰা।

কেতিয়াবা কেতিয়াবা সমাজৰ অৰ্থনৈতিক দিশৰ পৰিৱৰ্তনত প্ৰযুক্তিবিদ্যাৰ প্ৰত্যক্ষ ভূমিকা নাথাকিবও পাৰে। ইতিহাসৰ পাতত দেখা যায় যে চাহ-কপাহ-কুঁহিয়াৰৰ দৰে বৃহৎ কৃষিকৰ্মত বহুসংখ্যক শ্ৰমিকৰ প্ৰয়োজন হৈছিল। ফলত সোতৰ আৰু ঊনৈশ শতিকাৰ মাজ ভাগত আফ্ৰিকাৰ পৰা নিগ্ৰোসকলক ইউৰোপৰ বিভিন্ন দেশ আৰু আমেৰিকালৈ সৰবৰাহ কৰা হৈছিল। ফলস্বৰূপে, ইউৰোপ আৰু আমেৰিকাত দাস ব্যৱস্থাৰ প্ৰৱৰ্তন হ'ল। আমাৰ ৰাজ্য অসমৰ চাহ বাগিচাসমূহত কাম কৰিবলৈ প্ৰয়োজন হোৱা অধিকাংশ শ্ৰমিক পূব ভাৰতৰ ঝাৰখণ্ড আৰু ছত্তীশগড় আদি ৰাজ্যৰপৰা আমদানি কৰিব লগা হৈছিল। আজি বিশ্বৰ বহু অংশত শুল্ক ব্যৱস্থাৰ

পৰিৱৰ্তনে আন্তঃৰাষ্ট্ৰীয় চুক্তিৰ লগতে বিশ্ব-বাণিজ্য সংস্থাৰ দৰে অনুষ্ঠান গঢ়ি তুলিলে। প্ৰযুক্তিবিদ্যাৰ উন্নতিৰ ফলস্বৰূপে গঢ়লৈ উঠা ঔদ্যোগীকৰণে আৰু ইয়াৰ লগত জড়িত অন্যান্য বৃত্তিসমূহৰ কাৰণে অৰ্থনৈতিক সমৃদ্ধি ক্ৰমাৎ বিস্তাৰিত হ'ল।

**ৰাজনীতি (Politics) ঃ**

ৰাজনৈতিক কাৰকক সামাজিক পৰিৱৰ্তনৰ আটাইতকৈ গুৰুত্বপূৰ্ণ কাৰকসমূহৰ ভিতৰৰ এটা বুলি অভিহিত কৰা হয়। ইতিহাসৰ পাতত উল্লেখ পোৱা যায় যে— ৰজা বা ৰাণীৰ শাসন প্ৰণালীয়ে সামাজিক পৰিৱৰ্তনত আটাইতকৈ গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। কিন্তু বৰ্তমান আমি জানো যে ৰজা বা ৰাণী তেওঁলোকৰ শাসন কালৰ ৰাজনৈতিক, সামাজিক আৰু অৰ্থনৈতিক চিন্তাধাৰাৰ প্ৰতিনিধিহে আছিল। অৱশ্যে, সামাজিক পৰিৱৰ্তনৰ ক্ষেত্ৰত ব্যক্তিৰ ভূমিকাও একেবাৰে শূন্য বুলি ক'ব নোৱাৰি। কিন্তু, ব্যক্তিগত ভূমিকা থাকিলেও প্ৰত্যেক ব্যক্তিকে সমগ্ৰ জনগণৰ একো একোটা অংশ বুলিবহে পাৰি। সেয়েহে সামাজিক পৰিৱৰ্তনৰ কাৰণে ৰাজনৈতিক শক্তিক এটা গুৰুত্বপূৰ্ণ কাৰক হিচাপে গণ্য কৰা হয়। ইয়াৰ স্পষ্ট প্ৰমাণ যুদ্ধৰ ইতিহাসতে পোৱা যায়। যেতিয়াই কোনো দেশ বহিঃশত্ৰুৰ সৈতে যুদ্ধত লিপ্ত হয়, নতুবা যুদ্ধত পৰাজিত হয় তেতিয়া অৱধাৰিতভাৱে সেই দেশৰ সমাজলৈ পৰিৱৰ্তন আহে। কিয়নো পৰাস্ত হোৱা দেশৰ ভূমি অধিকাৰ কৰি বিজয়ীসকলে নতুনত্বৰ বীজ ৰোপণ কৰে। কালক্ৰমত বিজয়ীসকলৰ দ্বাৰা অধিকৃত দেশৰ নতুন আঁচনি অধিক ফলপ্ৰসূ হৈ পৰে আৰু দেশখনৰ সমাজো সলনি হয়। এনেধৰণৰ উদাহৰণ আমেৰিকা যুক্তৰাষ্ট্ৰ আৰু জাপানৰ ক্ষেত্ৰত অধিক পৰিলক্ষিত হয়।

উল্লেখযোগ্য যে, দ্বিতীয় বিশ্বযুদ্ধত আমেৰিকা যুক্তৰাষ্ট্ৰই আণৱিক বোমা নিক্ষেপ কৰি জাপানৰ হিৰোচিমা আৰু নাগাচাকি নামৰ চহৰ দুখনত ভয়ংকৰ ধ্বংসলীলা চলাইছিল। এনে ভয়ংকৰ ধ্বংসলীলা মানৱ ইতিহাসত আগেয়ে পোৱা নাযায়। পৰৱৰ্তী পৰ্যায়ত জাপানে আমেৰিকাৰ ওচৰত আত্মসমৰ্পণ কৰাৰ পিছত আমেৰিকা যুক্তৰাষ্ট্ৰই বহু বছৰ দেশখন অধিকাৰ কৰি জাপানৰ ভূমি সংস্কাৰ, উদ্যোগৰ বিকাশ আদিকে ধৰি সকলো ক্ষেত্ৰত ব্যাপক পৰিৱৰ্তন সাধন কৰিছিল। কিন্তু 1970 চনৰ পৰা জাপানে পুনৰ নিজৰ দক্ষতাৰে মটৰ-গাড়ী নিৰ্মাণৰ দৰে ঔদ্যোগিক প্ৰযুক্তিৰ ক্ষেত্ৰত আমেৰিকা যুক্তৰাষ্ট্ৰক পিছ পেলাই আগবাঢ়িছিল। উল্লেখযোগ্য যে, 1970 চনৰ পৰা 1990 চনৰ সময়ছোৱাত জাপানী উদ্যোগে সমগ্ৰ বিশ্বতে নিজৰ আধিপত্য বিস্তাৰ কৰিলে আৰু সমগ্ৰ ইউৰোপ তথা আমেৰিকা যুক্তৰাষ্ট্ৰৰ ঔদ্যোগিক সংস্থাসমূহলৈ পৰিৱৰ্তন আনিলে। জাপানী প্ৰযুক্তি আৰু উদ্যোগ সামগ্ৰীৰ সৰবৰাহ তথা প্ৰভাৱত আমেৰিকা যুক্তৰাষ্ট্ৰৰ উদ্যোগিক জগতখনৰ ৰূপ সলনি হ'বলৈ বাধ্য হ'ল। এইক্ষেত্ৰত বিশেষকৈ পৰম্পৰাগত উদ্যোগ ক্ষেত্ৰ যেনে—তীখা, মটৰগাড়ী, আৰু অভিযান্ত্ৰিক কৌশলসমূহ জাপানী প্ৰযুক্তিৰ প্ৰভাৱত সাংঘাতিক ধৰণে ক্ষতিগ্ৰস্ত হ'বলৈ ধৰিলে আৰু তেনে উদ্যোগসমূহ জাপানী প্ৰযুক্তি কৌশলৰ আধাৰত পুনঃনিৰ্মাণ কৰিব লগা হ'ল। একেদৰে ইলেক্ট্ৰনিক জগতখনতো জাপানীসকলৰ আধিপত্য দেখা গ'ল। মুঠতে, আমেৰিকাই জাপান আক্ৰমণ কৰা চাৰিটা দশকৰ ভিতৰতে অৰ্থনৈতিক আৰু প্ৰযুক্তিবিদ্যাৰ জৰিয়তে জাপানে আমেৰিকাক পৰাস্ত কৰিবলৈ সক্ষম হ'ল।

ৰাজনৈতিক পৰিৱৰ্তনৰ প্ৰভাৱ কেৱল যে আন্তঃৰাষ্ট্ৰীয় ক্ষেত্ৰতহে পৰে এনে নহয়, আমাৰ সমাজ বা ঘৰখনতো তাৰ প্ৰভাৱ পৰে। ভাৰতীয় স্বাধীনতা আন্দোলনে ব্ৰিটিছ শাসনৰ অৱসান ঘটাই ৰাজনৈতিক

ক্ষেত্ৰত এক আমূল পৰিৱৰ্তন আনিছিল। এই স্বাধীনতাই ভাৰতীয় সমাজতো ব্যাপক পৰিৱৰ্তন সাধন কৰে। এই প্ৰসংগত আমি 2006 চনত নেপালী জনসাধাৰণে ৰাজতন্ত্ৰক প্ৰত্যাখ্যান কৰাৰ উদাহৰণো গ্ৰহণ কৰিব পাৰোঁ। মন কৰিবলগা দিশ হ'ল যে—ৰাজনৈতিক পৰিৱৰ্তনে বিভিন্ন শ্ৰেণীৰ মানুহৰ মাজত ক্ষমতাৰ বিতৰণ আৰু হস্তান্তৰ সম্ভৱ কৰে।

তোমালোকে সাৰ্বজনীন প্ৰাপ্তবয়স্ক ভোটাধিকাৰৰ বিষয়ে নিশ্চয় শুনিছা। এই প্ৰাপ্তবয়স্ক ভোটাধিকাৰ অৰ্থাৎ সকলো প্ৰাপ্তবয়স্ক লোকক ভোটাধিকাৰ প্ৰদান কৰা নীতি হ'ল ইতিহাসৰ এক সৰ্ববৃহৎ যুগান্তকাৰী ৰাজনৈতিক পৰিৱৰ্তন। নাগৰিকৰ ভোটাধিকাৰৰ যোগেদি আধুনিক গণতান্ত্ৰিক ব্যৱস্থাৰ প্ৰৱৰ্তন নোহোৱালৈকে সামাজিক ব্যৱস্থা একপক্ষীয় আছিল। সেই সময়ত ৰজা বা ৰাণীয়ে তথাকথিত ভগৱান প্ৰদত্ত অধিকাৰৰ আলমত ৰাষ্ট্ৰ শাসন কৰিছিল আৰু সৰ্বসাধাৰণ প্ৰজাৰ ইচ্ছা-অনিচ্ছাক কোনো গুৰুত্ব প্ৰদান কৰা নাছিল। উল্লেখযোগ্য যে যেতিয়া ভোটাধিকাৰৰ যোগেদি প্ৰথমাৱস্থাত গণতান্ত্ৰিক ব্যৱস্থাৰ প্ৰৱৰ্তন হৈছিল, তেতিয়া সকলো শ্ৰেণীৰ নাগৰিকক ভোটাধিকাৰ প্ৰদান কৰা হোৱা নাছিল। যিসকল লোকে উচ্চ বংশত জন্ম গ্ৰহণ কৰিছিল, যিসকল সম্পদশালী বা অভিজাত আছিল সেইসকলৰ মাজতে ভোটাধিকাৰ সীমিত আছিল। মহিলা, সমাজৰ নিম্ন শ্ৰেণীৰ লোক নতুবা দৰিদ্ৰ শ্ৰমিকসকলক এই ভোটাধিকাৰ প্ৰথমে প্ৰদান কৰা হোৱা নাছিল।

এক দীৰ্ঘদিনীয়া সংগ্ৰামৰ ফলত সাৰ্বজনীন ভোটাধিকাৰ বিশ্বৰ প্ৰায়বোৰ দেশতে প্ৰৱৰ্তন হ'ল। অৱশ্যে, এনে ব্যৱস্থাৰ প্ৰৱৰ্তন হ'লেও পূৰ্বৰ বৈষম্য আৰু অসমতা সম্পূৰ্ণৰূপে নিৰ্মূল নহ'ল। আনকি বৰ্তমান যুগতো বহু দেশেই গণতান্ত্ৰিক শাসন ব্যৱস্থা সঠিকভাৱে পালন কৰা নাই। নিৰ্বাচন অনুষ্ঠিত হ'লেও গণতান্ত্ৰিক ব্যৱস্থাক নিজৰ স্বাৰ্থসিদ্ধিৰ বাবে অপব্যৱহাৰ কৰাৰ দৃষ্টান্তও আছে। সাম্প্ৰতিক কালত নিৰ্বাচন সমূহত ব্যৱহাৰ কৰা ইলেকট্ৰনিক ভোটিং মেচিনকো বহুতে সন্দেহ প্ৰকাশ কৰে। ফলত জনসাধাৰণে চৰকাৰৰ সিদ্ধান্ত সমূহৰ ওপৰত কোনা প্ৰত্যক্ষ প্ৰভাৱ বিস্তাৰ কৰিব নোৱাৰে। এনেবোৰ আসোঁৱাহ থকা স্বত্বেও দেশৰ শাসন ব্যৱস্থা আৰু প্ৰত্যেক সমাজত সাৰ্বজনীন প্ৰাপ্তবয়স্ক ভোটাধিকাৰৰ গুৰুত্ব অপৰিসীম। গণতন্ত্ৰত চৰকাৰে অন্ততঃ জনসাধাৰণৰ মতক শ্ৰদ্ধা জনাব লগা হয়। জনসাধাৰণৰ ৰায়দানৰ ভিত্তিতে জনসাধাৰণে বিচৰা এখন চৰকাৰ লাভ কৰে। গতিকে, এনে গণতান্ত্ৰিক ব্যৱস্থাই প্ৰভূত বৰঙণি কঢ়িয়াই আনিছে।

**সংস্কৃতি (Culture) ঃ**

সংস্কৃতিৰ ধাৰণা অতি ব্যাপক। এই ব্যাপক ধাৰণাটো অতি সংক্ষেপে প্ৰকাশ কৰিবলৈ লওঁতে বহুতো সমাজবিজ্ঞানীয়ে ইয়াক জীৱন-ধাৰণৰ প্ৰণালী হিচাপে অভিহিত কৰিছে। সামাজিক পৰিৱৰ্তনৰ এটা কাৰক হিচাপে আলোচনা কৰিবলৈ যাওঁতে সংস্কৃতিক সীমিত অৰ্থত ব্যৱহাৰ কৰা হৈছে। এই প্ৰসংগত সংস্কৃতিৰদ্বাৰা ধাৰণা, মূল্যবোধ, বিশ্বাস আদিক সামৰি লোৱা হৈছে। সংস্কৃতি মানৱ সমাজৰ বাবে অতি গুৰুত্বপূৰ্ণ আৰু ই মানুহৰ জীৱন গঢ় দিয়াত সহায় কৰে। একেদৰে, এই ধাৰণা আৰু বিশ্বাসসমূহত হোৱা পৰিৱৰ্তনে স্বাভাৱিকতে সামাজিক জীৱনলৈও পৰিৱৰ্তন আনে। উদাহৰণস্বৰূপে আমি ধৰ্মৰ ক্ষেত্ৰত হোৱা পৰিৱৰ্তনৰ কথা উল্লেখ কৰিব পাৰোঁ। আমি জানো যে সামাজিক-সাংস্কৃতিক ক্ষেত্ৰত প্ৰভাৱ পেলোৱা এটা সাৰ্বজনীন সংস্থা হ'ল ধৰ্ম। ধৰ্মৰ লগত জড়িত বিশ্বাস আৰু প্ৰতিমানবোৰে এখন সমাজ সংগঠিত কৰাত সহায় কৰে। সেইদৰে এই ধৰ্মৰ বিশ্বাস আৰু পৰম্পৰাবোৰত হোৱা পৰিৱৰ্তনে সমাজক ৰূপান্তৰ কৰাটো

তেনেই স্বাভাৱিক। মানৱ সমাজত ধৰ্মৰ এই গুৰুত্বলৈ লক্ষ্য কৰি কিছু পণ্ডিতে মানৱ সভ্যতাক ধৰ্মৰ আধাৰত সংজ্ঞাবদ্ধ কৰিবলৈ বিচাৰে। এই পণ্ডিতসকলে ইতিহাসতো ধৰ্মবোৰৰ আন্তক্ৰিয়াৰ প্ৰক্ৰিয়া ৰূপে নিৰীক্ষণ কৰে। তেওঁলোকৰ মতে, সামাজিক পৰিৱৰ্তনৰ বিভিন্ন কাৰকসমূহৰ ভিতৰত ধৰ্মও এক প্ৰাসংগিক বিষয়। মেক্স ৱেবাৰ (Max Weber) -এ তেখেতৰ 'The Protestant Ethic and the Spirit of Capitalism' গ্ৰন্থত উল্লেখ কৰিছে যে— খ্ৰীষ্টান ধৰ্মৰ প্ৰটেষ্টাণ্টসকলে পুঁজিবাদী সমাজ ব্যৱস্থা স্থাপনত সহায় কৰিছিল। ফলত এই সাংস্কৃতিক প্ৰমূল্যৰ প্ৰত্যক্ষ প্ৰভাৱ অৰ্থনীতি আৰু সামাজিক পৰিৱৰ্তনত দেখা গ'ল। অৰ্থনৈতিক আৰু সামাজিক পৰিৱৰ্তনত সাংস্কৃতিক মূল্যবোধৰ প্ৰভাৱৰ এইটো চিৰকালৰ বাবে এটা প্ৰসিদ্ধ উদাহৰণ হৈ থাকিব। আমাৰ ভাৰতবৰ্ষতো ধৰ্মই সামাজিক পৰিৱৰ্তনত অৰিহণা যোগোৱা এনে বহুতো উদাহৰণ আছে। তেনে এক উদাহৰণ হ'ল—প্ৰাচীন ভাৰতৰ সামাজিক আৰু ৰাজনৈতিক জীৱনত বৌদ্ধধৰ্মৰ প্ৰভাৱ। একেদৰে মধ্যযুগৰ বৰ্ণ বিভাজিত সামাজিক গাঁথনিত ভক্তি আন্দোলনৰ ব্যাপক প্ৰভাৱৰ কথা উল্লেখ কৰিব পাৰি।

সাংস্কৃতিক পৰিৱৰ্তনৰ দ্বাৰা সামাজিক পৰিৱৰ্তন সাধন কৰা অন্য এটা প্ৰধান উদাহৰণ হ'ল—সমাজত নাৰীৰ সামাজিক প্ৰস্থিতিৰ ক্ষেত্ৰত হোৱা পৰিৱৰ্তন। আমি জানো যে ভাৰতীয় নাৰীয়ে বহু উত্থান-পতনৰ মাজেৰে সমাজত নিজৰ সামাজিক প্ৰস্থিতি ভোগ কৰি আহিছে। আধুনিক সমাজত নাৰীয়ে যি সমতা আৰু সম অধিকাৰ লাভ কৰিবলৈ সক্ষম হৈছে তাৰ বাবে নাৰীসকলে বহু সংগ্ৰাম কৰিব লগা হৈছে। নাৰীৰ এই সংগ্ৰামে সমাজলৈ বহু পৰিৱৰ্তন অনাত সহায় কৰিছে। উদাহৰণস্বৰূপে—দ্বিতীয় বিশ্বযুদ্ধৰ সময়ছোৱাত পাশ্চাত্য দেশবোৰৰ নাৰীয়ে বিভিন্ন কাৰখানাত কাম কৰা আৰম্ভ কৰিছিল, যিবোৰ আগতে কেৱল পুৰুষ সকলেহে কৰিব পাৰিছিল। এনেদৰে নাৰীয়ে যেতিয়া পুৰুষসকলৰ দৰে বিভিন্ন কল-কাৰখানাত কাম কৰিবলৈ সক্ষম হ'ল তেতিয়া তেওঁলোকে পুৰুষৰ দৰে সম অধিকাৰ দাবী কৰিলে। কিন্তু এইটো সত্য যে যদি যুদ্ধ নহ'লহেঁতেন তেন্তে তেনে পৰিস্থিতিত নাৰীসকল এই সংগ্ৰাম আৰু দীঘলীয়া সময়ৰ বাবে কৰিব লগা হ'লহেঁতেন। সমাজত নাৰীৰ স্থান পৰিৱৰ্তন কৰাত অন্য এটা উদাহৰণ হ'ল বিজ্ঞাপন। বেছিভাগ নগৰীয়া সমাজত ঘৰখনৰ বাবে প্ৰয়োজন হোৱা সামগ্ৰী ক্ৰয়ৰ ক্ষেত্ৰত নাৰীয়ে নিজে সিদ্ধান্ত গ্ৰহণ কৰে। সেয়ে, সামগ্ৰী প্ৰস্তুতকৰ্তাসকলে নাৰীক সহজে প্ৰলোভিত কৰিব পৰা বিজ্ঞাপন প্ৰচাৰ কৰে। গতিকে আজিকালি নাৰীক কেন্দ্ৰ কৰিয়েই বেছি সংখ্যক বিজ্ঞাপন প্ৰস্তুত কৰা হয়। চমুকৈ ক'বলৈ গ'লে, নাৰীয়ে ঘৰুৱা হিচাপ-নিকাচ বা আৰ্থিক উৎপাদন প্ৰক্ৰিয়াত প্ৰত্যক্ষভাৱে জড়িত হোৱাত সমাজৰ পৰিৱৰ্তন অৱশ্যাম্ভাৱী হৈ পৰিল।

ক্ৰীড়া-সংস্কৃতিয়েও সমাজলৈ পৰিৱৰ্তন আনে। খেল-ধেমালি বা কোনো ক্ৰীড়াৰ জনপ্ৰিয়তাই সমাজক বিশেষভাৱে প্ৰভাৱিত কৰে। উল্লেখযোগ্য যে, ক্ৰীড়া আৰু খেলা-ধূলা সদায় জনপ্ৰিয় সংস্কৃতিৰ প্ৰকাশভংগী ৰূপে ধৰা দিছে আৰু কেতিয়াবা ই প্ৰচুৰ গুৰুত্ব লাভ কৰিছে। উদাহৰণস্বৰূপে—ক্ৰিকেট খেলৰ কথা উল্লেখ কৰিব পাৰি। ব্ৰিটিছ অভিজাত শ্ৰেণীৰ ব্যক্তিসকলৰ অৱসৰ বিনোদনৰ খেল হিচাপে আৰম্ভ হোৱা এই খেল ক্ৰমান্বয়ে ব্ৰিটেইনৰ মধ্যবিত্ত আৰু শ্ৰমিক শ্ৰেণীৰ লোকসকলৰ মাজলৈ সম্প্ৰসাৰিত হৈ সমগ্ৰ পৃথিৱীৰ বৃটিছ উপনিবেশবোৰলৈ প্ৰসাৰিত হৈছিল। এনেদৰে বৃটেইনৰ মাটিৰ পৰা ক্ৰিকেট অন্য দেশলৈ সম্প্ৰসাৰিত হোৱাত, এই খেলবিধ ৰাষ্ট্ৰীয় বা জাতিগত গৌৰৱৰ প্ৰতীক হৈ পৰিল। দুখন দেশৰ মাজত হোৱা ক্ৰিকেটৰ তীব্ৰ প্ৰতিদ্বন্দ্বিতাই ক্ৰীড়াৰ সামাজিক গুৰুত্বকে প্ৰতিপন্ন কৰে। ক্ৰিকেটত ইংলেণ্ড আৰু অষ্ট্ৰেলিয়াৰ প্ৰতিদ্বন্দ্বিতাই প্ৰভাৱশালী উচ্চশ্ৰেণী কৰ্তৃপক্ষ কেন্দ্ৰ (ইংলেণ্ড) ৰ বিপক্ষে সামাজিকভাৱে অধীনস্থ উপনিবেশ (অষ্ট্ৰেলিয়া)ৰ

ক্ষোভৰ ভাৱ প্ৰকাশ কৰে। একেধৰণেই 1970 আৰু 1980 চনৰ মাজৰ কালছোৱাত সমগ্ৰ পৃথিৱীত ৱেষ্ট ইণ্ডিজ ক্ৰিকেট দলৰ আধিপত্য ঔপনিৱেশিক ব্যক্তিসকলৰ বাবে প্ৰজাতীয় গৌৰৱৰ এক প্ৰকাশভংগী ৰূপে বিবেচিত হৈছিল। ভাৰতীয়সকলৰ বাবে বিশেষকৈ স্বাধীনতাৰ পূৰ্বে ক্ৰিকেটত ইংলেণ্ডক পৰাজিত কৰাটোৱে তাৎপৰ্য বহন কৰিছিল। আনটো স্তৰত ভাৰতীয় উপমহাদেশত ক্ৰিকেটৰ জনপ্ৰিয়তাই খেলবিধৰ ব্যৱসায়িক পাৰ্শ্বচিত্ৰ সলনি কৰিছে আৰু ইয়াক বৰ্তমান দক্ষিণ-এছিয় উৎসাহী সমৰ্থক, বিশেষকৈ ভাৰতীয়সকলৰ ৰুচিবোধ পৰিচালনা কৰিছে। গতিকে ক্ৰীড়া-ক্ষেত্ৰত দেখা দিয়া এনে পৰিৱৰ্তনে সামাজিক পৰিৱৰ্তনত অৰিহণা যোগায়।

**ক্ৰিয়া-কলাপ-৪ (Activity-4)**

- ৰাজনৈতিক পৰিৱৰ্তনে কি বুজায় তোমালোকে বুজি পাইছানে? তোমালোকৰ মাজতে পৃথিৱীৰ বিভিন্ন দেশত কেনেদৰে ৰাজনৈতিক পৰিৱৰ্তন হৈছে আলোচনা কৰিবা।
- সম্প্ৰতি ৰাছিয়া আৰু ইউক্ৰেইনৰ মাজৰ যুদ্ধই ৰাজনৈতিক পৰিৱৰ্তন আনিব বুলি তোমালোকে ভাবানে? যদি ভাবা, তেন্তে কেনে ধৰণৰ পৰিৱৰ্তন হ'ব বুলি ভাবা?
- অসমত ৰাজনৈতিক পৰিৱৰ্তন হৈছে নেকি বা তোমালোকে অসমত ৰাজনৈতিক পৰিৱৰ্তনৰ পোষকতা কৰা নেকি? অথবা, অসমত ৰাজনৈতিক পৰিৱৰ্তন হ'লে তোমালোকৰ ঘৰত তাৰ কিবা প্ৰভাৱ পৰিব নেকি? এই বিষয়ে তোমালোকৰ মাজতে আলোচনা কৰা।

ওপৰৰ আলোচনাৰ পৰা দেখা গ'ল যে—কোনো একক কাৰক বা তত্ত্বই সামাজিক পৰিৱৰ্তনৰ একমাত্ৰ কাৰক হ'ব নোৱাৰে। কেতিয়াবা ইয়াৰ কাৰণ আভ্যন্তৰীণ আৰু আন কেতিয়াবা বাহ্যিক হোৱা দেখা যায়। সেইদৰে, কোনো ক্ষেত্ৰত ইচ্ছাকৃত আৰু আন কোনো ক্ষেত্ৰত আকস্মিকভাৱে সামাজিক পৰিৱৰ্তনৰ ঢৌ আহে। অৱশ্যে সামাজিক পৰিৱৰ্তনৰ কাৰকবোৰ পাৰস্পৰিকভাৱে সম্পৰ্কিত অৰ্থাৎ অৰ্থনৈতিক আৰু প্ৰযুক্তিবিদ্যাৰ কাৰকসমূহৰ সৈতে সামাজিক উপাদান জড়িত থাকিব পাৰে। সেইদৰে ৰাজনীতিকো পৰিৱেশে প্ৰভাৱিত কৰিব পাৰে। গতিকে সামাজিক পৰিৱৰ্তনৰ ভিন্ন মাত্ৰিক দিশ বা ৰূপ আছে। আমাৰ জীৱনৰ বাবে পৰিৱৰ্তন হ'ল এক গুৰুত্বপূৰ্ণ বিষয়, কাৰণ আধুনিক সমসাময়িক প্ৰেক্ষাপটত পূৰ্বৰ তুলনাত পৰিৱৰ্তনৰ গতি অতি ক্ষিপ্ৰ হোৱা আমি দেখিবলৈ পাওঁ। সমাজলৈ অহা পৰিৱৰ্তন অৱধাৰিত আৰু অপ্ৰতিৰোধ্য। গতিকে এনে পৰিৱৰ্তনৰ ক্ষেত্ৰত আমি সজাগ হোৱাটো যিদৰে আৱশ্যক, সেইদৰে তাৰ কাৰণে প্ৰস্তুত হোৱাটোও আমাৰ কৰ্তব্য।

## সামাজিক শৃংখলা (Social Order) ঃ

সামাজিক ঘটনৱালী আৰু সামাজিক প্ৰক্ৰিয়াসমূহ স্পষ্টকৈ অনুধাৱন কৰিবলৈ সংঘাতৰ প্ৰয়োজন। যিদৰে আমি পঢ়া কাগজৰ ওপৰৰ আখৰবোৰ বা বৰ্ণমালাবোৰ ইয়াৰ পৃষ্ঠভূমিৰ লগত থকা বৈসাদৃশ্যৰ বাবে আমাৰ চকুত স্পষ্টকৈ দেখা দিয়ে তেনেদৰে এক প্ৰক্ৰিয়া হিচাপে সামাজিক পৰিৱৰ্তনৰ প্ৰাসংগিকতা আহি পৰে যেতিয়াই কোনো সমাজৰ প্ৰচলিত ধাৰাবাহিকতা বিঘ্নিত হয় নতুবা সমাজ অ-পৰিৱৰ্তনীয় ৰূপত

থাকে। আচৰিত যেন লাগিলেও এইটো সত্য যে—কোনো সমাজ স্থিতাৱস্থাৰে অ-পৰিৱৰ্তনীয় হৈ থাকিলেহে পৰিৱৰ্তনৰ ধাৰণাই গা কৰি উঠে। আন অৰ্থত সামাজিক পৰিৱৰ্তনক সামাজিক শৃংখলাৰ সৈতে একেলগে বুজিব লাগিব আৰু সেইটো হৈছে প্ৰতিষ্ঠিত সামাজিক ব্যৱস্থাৰ ভিতৰত থকা বাধা দিয়া আৰু নিয়ন্ত্ৰণ কৰাৰ প্ৰৱণতা। গতিকে সামাজিক শৃংখলা হ'ল সামাজিক ব্যৱস্থাক সুসংহত আৰু পৰিশীলিতভাৱে পৰিৱৰ্তন কৰা এক প্ৰৱণতা।

সামাজিক শৃংখলাৰ যোগেদি সামাজিক পৰিৱৰ্তন সম্ভৱ হয়। সামাজিক পৰিৱৰ্তন আৰু সামাজিক শৃংখলাৰ পৰস্পৰৰ সম্বন্ধবোৰ চোৱাৰ আন এটা প্ৰণালী হৈছে সমাজে পৰিৱৰ্তনক কিয় প্ৰতিৰোধ, নিৰুৎসাহিত বা নিয়ন্ত্ৰণ কৰাৰ প্ৰয়োজন, তাৰ সম্ভাব্য কাৰণবোৰৰ বিষয়ে চিন্তা কৰাটো। সমাজ এখন সুস্থিৰভাৱে পৰিচালিত হ'বলৈ হ'লে কিছুমান সামাজিক ব্যৱস্থা অপৰিহাৰ্য। একেদৰে সমাজৰ সকলো লোকেই সমাজত প্ৰচলিত ৰীতি-নীতি, নিয়ম-কানুন আদি পালন কৰিব লাগিব। তথাপিও পৰিৱৰ্তন হ'ল প্ৰত্যেক সমাজৰে এক অৱধাৰিত প্ৰক্ৰিয়া। এই প্ৰক্ৰিয়াক সমাজে প্ৰথমে প্ৰতিৰোধ কৰাৰ বাস্তৱিক আৰু সুনিৰ্দিষ্ট কাৰণ আছে। আমি ইতিমধ্যে অৱগত হৈ আহিছো যে—বহু সমাজত মানুহৰ সামাজিক স্থান ভিন্ন ধৰণৰ হয়। বিশেষকৈ আৰ্থিক অৱস্থা, সামাজিক মৰ্যাদা আৰু ৰাজনৈতিক ক্ষমতাই মানুহৰ মাজৰ বৈষম্যমূলক স্থানসমূহ নিৰূপণ কৰে। উল্লেখযোগ্য যে, যিসকলে নিজে আশা কৰা ধৰণে সমাজত উচ্চ মৰ্যাদা আৰু সুযোগ ভোগ কৰি থাকে, তেওঁলোকে সামাজিক ব্যৱস্থাটো গতানুগতিকভাৱে চলি থকাটো বিচাৰে। কিন্তু যিসকলে অসুবিধা আৰু বঞ্চনা অনুভৱ কৰে, তেওঁলোকে সামাজিক ব্যৱস্থাটোৰ পৰিৱৰ্তন বিচাৰে। গতিকে, যিসকল শাসকীয়, প্ৰতিপত্তিশালী শ্ৰেণী তেওঁলোকে নিজৰ স্থান বা স্বাৰ্থ বিঘ্নিত হ'ব পৰা সামাজিক পৰিৱৰ্তনক সজোৰে বাধা দিয়ে। আনহাতে, নিষ্পেষিত আৰু অৱহেলিত শ্ৰেণীসমূহে নিজৰ শ্ৰেণীস্বাৰ্থৰ বাবে পৰিৱৰ্তন বিচাৰে। স্বাভাৱিক অৱস্থাবোৰে সাধাৰণতে ধনী আৰু ক্ষমতাশালীসকলক সহায় কৰে আৰু তেওঁলোকে পৰিৱৰ্তনক প্ৰতিহত কৰিব পাৰে। সমাজবোৰ সচৰাচৰ স্থিতাৱস্থাত থকাৰ এইটো এটা প্ৰধান কাৰণ।

যি কি নহওঁক, সামাজিক শৃংখলাৰ ধাৰণাটো কেৱল পৰিৱৰ্তনৰ প্ৰতিবন্ধকতাৰ কাৰণেই গঢ় লৈ নুঠে। সামাজিক শৃংখলাৰ এক যোগাত্মক দিশো আছে। সামাজিক সম্পৰ্ক, ইয়াৰ প্ৰমূল্যসমূহ আৰু নিয়ম-নীতিৰ সুনিৰ্দিষ্ট চানেকি ৰক্ষা কৰিবলৈ সামাজিক শৃংখলাৰ আৱশ্যক। এই শৃংখলাক সমাজে দুই ধৰণে ৰক্ষা কৰি চলে। সমাজৰ সদস্যসকলে ইয়াক হয় স্বতঃস্ফূৰ্তভাৱে মানি চলে, নহয় সিবিলাক মানিবলৈ বাধ্য হয়। অৱশ্যে প্ৰত্যেক সমাজেই এই দুয়োবিধ পদ্ধতিৰ সমন্বয় ঘটাই সামাজিক শৃংখলা অক্ষুণ্ণ ৰাখিব বিচাৰে।

সামাজিক শৃংখলাৰ প্ৰতি মানুহে স্বতঃস্ফূৰ্ত সন্মতি প্ৰকাশ কৰাৰ মূল কাৰণ হ'ল সামাজিকীকৰণ প্ৰক্ৰিয়া। সমাজৰ সদস্যসকলে সামাজিকীকৰণ প্ৰক্ৰিয়াৰ যোগেদি নিৰ্দিষ্ট প্ৰমূল্য, নিয়ম-নীতিৰ সৈতে একাত্ম হৈ পৰে। গতিকে সামাজিক শৃংখলা ৰক্ষাৰ ক্ষেত্ৰত সামাজিকীকৰণৰ গুৰুত্ব অপৰিসীম। অৱশ্যে এইটোও সত্য যে—সামাজিকীকৰণে ব্যক্তিৰ নিজৰ ইচ্ছা-অনিচ্ছাক উলাই কৰি যন্ত্ৰমানৱৰ দৰে সকলো সময়তে সমাজৰ নীতি-নিয়ম পালন কৰি যাবলৈ ব্যক্তিসকলক বাধ্য কৰে। তোমালোকে এই বিষয়টো নিজৰ অভিজ্ঞতাৰ পৰাই পৰ্যবেক্ষণ কৰিব পাৰা। এটা সময়ৰ সমাজৰ নীতি-নিয়ম বা বিশ্বাস সমূহ অন্য এটা সময়ত অশুদ্ধ যেন অনুভৱ হয়। সেয়ে আমি অতীতত বিশ্বাস কৰি অহা বিষয়সমূহৰ বিৰুদ্ধে প্ৰশ্ন উত্থাপন

কৰোঁ আৰু তাৰ শুদ্ধা-শুদ্ধ বিচাৰৰ বাবে আমাৰ মন সলনি কৰোঁ। কেতিয়াবা পৰিস্থিতি সাপেক্ষে বা পৰৱৰ্তী জীৱনছোৱাত পুনৰ সেই বিশ্বাসক আকোঁৱালি ল'ব লগা হয়। গতিকে, সামাজিক শৃংখলা ৰক্ষাৰ ক্ষেত্ৰত সামজিকীকৰণ প্ৰক্ৰিয়াটোৱে সৰ্বস্ব নহয়।

সংস্থা আৰু ব্যক্তিসকলে যাতে নিশ্চিতভাৱে প্ৰতিষ্ঠিত সামাজিক প্ৰতিমান মানি চলে তাৰ বাবে বেছি ভাগ আধুনিক সমাজেই কিছু প্ৰকাৰৰ ক্ষমতা বা বল প্ৰয়োগৰ ওপৰত নিৰ্ভৰ কৰে। ক্ষমতাৰ সংজ্ঞা সাধাৰণতে এনেদৰে দিব পাৰি—ক্ষমতা হৈছে এনে এক সামৰ্থ যাৰ দ্বাৰা ব্যক্তিয়ে অন্যান্য সকলে কি বিচাৰে তাৰ ওপৰত গুৰুত্ব নিদি তেওঁলোকক কাম কৰাবলৈ বাধ্য কৰাব পাৰে। ক্ষমতাৰ সম্বন্ধ যেতিয়া সুস্থিৰ অৱস্থাৰ হয় আৰু তাৰ সৈতে জড়িত দলবোৰ নিজ নিজ স্থানৰ সৈতে অভ্যস্ত হৈ পৰে তেতিয়া আমি আধিপত্যৰ অৱস্থিতি পাওঁ। কিন্তু পৰিস্থিতি সাপেক্ষে বা কোনো বিশেষ সময়ত এনে আধিপত্যৰ বিৰুদ্ধে প্ৰতিবাদ নোহোৱাকৈও নাথাকে।

**আধিপত্য, কৰ্তৃত্ব আৰু আইন (Domination, Authority and Law) ঃ**

আধিপত্য, কৰ্তৃত্ব আৰু আইন — এই তিনিটা এটা আনটোৰ লগত ওতঃপ্ৰোতভাৱে জড়িত। এতিয়া প্ৰশ্ন হয় অসমতা আৰু বৈষম্যৰে ভৰা সমাজ এখনত য'ত সা-সুবিধা আৰু লাভাংশসমূহৰ সমবিতৰণ নহয়, তাত আনৰ আধিপত্য বাহাল থাকে কেনেকৈ? এই প্ৰশ্নৰ কিছু অংশৰ উত্তৰ আগৰ অধ্যায়ৰ আলোচনাত স্পষ্ট হৈছে। আনহাতে, আধিপত্য বিস্তাৰ কৰা শ্ৰেণীয়ে নিজৰ ক্ষমতাৰ দ্বাৰা অসমান সমাজৰ সহযোগিতা আদায় কৰে। এই ক্ষমতা ভাবুকি বা বল প্ৰয়োগৰ দ্বাৰাই সম্ভৱ নে? এই প্ৰশ্নৰ উত্তৰ পাবলৈ আমি সমাজতত্ত্বৰ আন এক ধাৰণা 'বৈধতা' (Legitimation) ৰ বিষয়ে আলোচনা কৰিব লাগিব।

আমি জানো যে বৈধতাৰ বিষয়টো ক্ষমতা প্ৰয়োগৰ ক্ষেত্ৰত প্ৰযোজ্য। সামাজিক অৰ্থত ক্ষমতাৰ সম্বন্ধৰ সৈতে জড়িত স্বীকৃতিৰ মাত্ৰাই বৈধতাক বুজায়। সমাজত যিবোৰ কৰ্তৃত্বক উপযুক্ত, যুক্তিসংগত আৰু সঠিক বুলি স্বীকৃতি দিয়ে, সিয়ে বৈধ। অৰ্থাৎ, বৈধতাক উচিত, সঠিক আৰু উপযুক্ত বুলি মানি লোৱা হয়। বহল অৰ্থত, বৈধতাক প্ৰচলিত সামাজিক চুক্তিৰ অংশ হিচাপে স্বীকৃতি দিয়া হয়। আমি ইতিমধ্যে পাই আহিছো যে, সমাজত ক্ষমতা হয় বৈধ, নহয় অবৈধ হ'ব পাৰে। মেক্স ৱেবাৰে (Max Weber) কৰ্তৃত্বক বৈধ ক্ষমতা বুলি পৰিভাষিত কৰি কৈছে যে ক্ষমতাক ন্যায়সংগত বা উচিত বুলি গণ্য কৰা হয়। উদাহৰণস্বৰূপে, এজন আৰক্ষী বিষয়া, এজন ন্যায়াধীশ বা এজন শিক্ষকে তেওঁলোকৰ ক্ষেত্ৰ অনুসৰি নিজস্ব কৰ্তৃত্ব লাভ কৰিব পাৰে। কাৰণ তেওঁলোকৰ হাতত বিভাগীয় কৰ্তৃত্ব অৰ্পণ কৰা হয় আৰু কোনবোৰ ক্ষেত্ৰত এই কৰ্তৃত্ব প্ৰয়োগ কৰিব লাগে তাকো লিখিত তথ্য-পাতিত নিৰ্দিষ্ট কৰি দিয়া হয়।

বাস্তৱিকতে তেওঁলোকৰ কৰ্তৃত্ব থকা কথাটোৱে আপোনা-আপুনি সমাজৰ অন্যান্য সদস্যসকলক সেই কৰ্তৃত্বৰ নিৰ্দেশাৱলী পালন কৰিবলৈ সন্মত হোৱাটোক সূচায়— এই কৰ্তৃত্ব তেওঁলোকৰ পৰিসীমাৰ ভিতৰত মানি চলিব লাগিব। আদালতৰ কক্ষত থকা নাগৰিকসকলে বিচাৰপতিক মানিব লাগিব বা তেওঁৰ কৰ্তৃত্বৰ প্ৰতি সন্মান জনাব লাগিব। আনহাতে, আদালতৰ বাহিৰত বিচাৰপতিজন আন যিকোনো নাগৰিকৰ দৰেই হ'ব। কিয়নো এয়া তেওঁৰ কৰ্তৃত্বৰ পৰিসীমাৰ ভিতৰত নপৰে। সেইদৰে, যেতিয়া এজন আৰক্ষী বিষয়া কৰ্তব্যৰত অৱস্থাত থাকে তেতিয়া তেওঁতকৈ ওপৰৱালা বিষয়াৰ বাহিৰে বাকী সকলো নাগৰিকৰ

কাৰ্যকলাপৰ ওপৰত তেওঁৰ কৰ্তৃত্ব থাকিব। কিন্তু বেআইনী বুলি সন্দেহ নোহোৱালৈকে নাগৰিকৰ ব্যক্তিগত কাম-কাজত আৰক্ষী বিষয়াসকলৰ বিধিপ্ৰদত্ত কৰ্তৃত্ব নাথাকে। একেদৰে ছাত্ৰ-ছাত্ৰীৰ ওপৰত শিক্ষকজনৰ কৰ্তৃত্ব শ্ৰেণীকোঠাৰ ভিতৰতে আৱদ্ধ থাকে। পিতৃ-মাতৃ বা অভিভাৱকৰ তত্বাৱধানত থকা সেই ছাত্ৰ-ছাত্ৰীৰ ঘৰখনলৈ শিক্ষকজনৰ কৰ্তৃত্ব সম্প্ৰসাৰিত নহয়।

সমাজত কিছুমান এনে ধৰণৰ কৰ্তৃত্ব থাকে যিবোৰ স্পষ্ট ৰূপত পৰিভাষিক হৈ নাথাকে। কিন্তু সহমত আৰু সহযোগিতা বৰ্তাই ৰাখিবলৈ সেইবোৰ কোনো গুণে কম নহয়। উদাহৰণস্বৰূপে, এজন ধৰ্মীয়গুৰুৰ প্ৰভাৱৰ কথাকে এই ক্ষেত্ৰত উল্লেখ কৰিব পাৰি। এজন ধৰ্মগুৰুক তেওঁৰ অনুগামীসকলে মানি চলা দেখা যায় আৰু সেই সূত্ৰেই তেওঁৰ কৰ্তৃত্ব মানি চলে। অৱশ্যে, কিছুমান সংস্থাগত ধৰ্মই এনে কৰ্তৃত্বক আংশিকভাৱে আনুষ্ঠানিকতা প্ৰদান কৰিছে। কিন্তু এটা ধাৰ্মিক বৰ্গৰ নেতা অথবা প্ৰতিষ্ঠিত নোহোৱা সংখ্যালঘু ধৰ্মীয় সমূহে আনুষ্ঠানিকতা অবিহনেও সমাজত প্ৰচুৰ প্ৰভাৱ পেলাব পাৰে। একেদৰে, প্ৰসিদ্ধ পণ্ডিত, শিল্পী, লেখক বা বুদ্ধিজীৱিৰ কৰ্তৃত্বও তেওঁলোকৰ নিৰ্দিষ্ট ক্ষেত্ৰত অনানুষ্ঠানিকভাৱে থকা দেখা যায়। একেদৰে এটা অপৰাধী গোটৰ লিডাৰজনৰো নিজৰ সমূহটোৰ আন আন সদস্যৰ ওপৰত অপৰিসীম কৰ্তৃত্ব থাকে।

কিন্তু আইনৰ দৃষ্টিত সুনিৰ্দিষ্ট বিধি (Codified) আৰু অনানুষ্ঠানিক কৰ্তৃত্বৰ মাজৰ পাৰ্থক্য প্ৰাসংগিক হয়। আইন হৈছে সুস্পষ্ট প্ৰতিমান বা নিয়ম। আইনৰ বিধি ব্যৱস্থা সমূহ লিখিত আকাৰত থাকে আৰু ইয়াক কিদৰে বলবৎ কৰা হ'ব বা সলনি কৰা হ'ব বা আইন ভংগকাৰীক কি বিহিত ব্যৱস্থা ল'ব—এই সকলোবিলাক স্পষ্ট ৰূপত লিখিত থাকে। এখন গণতান্ত্ৰিক দেশত নিৰ্বাচিত প্ৰতিনিধিৰ দ্বাৰা গঠিত বিধায়িনী মণ্ডলৰ দ্বাৰা আইন প্ৰস্তুত কৰা হয়। দেশৰ আইন-কানুন সমূহ সেই দেশৰ জনতাৰ হৈ জনপ্ৰতিনিধিসকলে বলবৎ কৰে। আইনৰ বিধি-বিধান সমূহ অনুসৰিয়ে দেশ শাসিত বা পৰিচালিত হয়। আইন দেশৰ সকলো নাগৰিকৰ বাবে প্ৰযোজ্য হয়। কোনো লোকে নিৰ্দিষ্ট আইনৰ ক্ষেত্ৰত একমত নহ'লেও নাগৰিক হিচাপে তেওঁ সেই আইনক সন্মান জনাই  মানি চলিবলৈ বাধ্য।

গতিকে, ক্ষমতাৰ পৰাহে আধিপত্যৰ জন্ম হয়। কিন্তু এই ক্ষমতা প্ৰকৃতাৰ্থত বৈধ ক্ষমতা বা কৰ্তৃত্ব যিবোৰ নিৰ্দিষ্ট আইনৰ বিধি-বিধানৰ দ্বাৰা তৈয়াৰী। আস্থাৰ ভিত্তিতহে সন্মতি আৰু সহযোগিতা আয়ত্ব কৰিব পাৰি। কাৰণ আনুষ্ঠানিক সমৰ্থন আৰু বৈধতাৰ বাবেহে আইনে সমাজৰ পৰা সহাঁৰি আদায় কৰে। এনে আস্থাক ক্ষমতাৰ আধিপত্যই নিঃশেষ কৰিব নোৱাৰে। সমাজত বৈধতা নাপালেও বহু ধৰণৰ ক্ষমতা সক্ৰিয় হৈ থাকে। অৱশ্যে সামাজিক ব্যৱস্থাৰ প্ৰকৃতি আৰু সমাজৰ গতিশীলতাৰ বাবে আইনগত কৰ্তৃত্বৰ লগতে অন্যান্য ক্ষমতাবোৰৰো নিৰ্ণায়ক ভূমিকা আছে।

**প্ৰতিদ্বন্দ্বিতা, অপৰাধ আৰু হিংসা(Contestation, Crime and Violence) ঃ**

ইতিমধ্যে আলোচনা কৰি অহা আধিপত্য, ক্ষমতা, কৰ্তৃত্ব আৰু আইন আদি সমাজত থাকিলেও ই এইটো প্ৰতিপন্ন নকৰে যে এইবিলাকৰ প্ৰতি সমাজৰ সকলোৱে আনুগত্য প্ৰকাশ কৰে। তোমালোকে ইতিমধ্যে সমাজৰ সংঘৰ্ষ আৰু প্ৰতিযোগিতাৰ উপস্থিতিৰ বিষয়ে পঢ়িছা। ঠিক সেইদৰেই সমাজত বিদ্যমান বিবাদ বা প্ৰতিদ্বন্দ্বিতা আৰু ইয়াৰ বিভিন্ন প্ৰকাৰবোৰৰ বিষয়ে জনাৰো আৱশ্যকতা আছে। বহল অৰ্থত

বিভিন্ন মতানৈক্য বুজাবলৈ বিবাদ শব্দটো ব্যৱহাৰ কৰা হৈছে। সেয়েহে বিবাদতকৈ অধিক নিৰ্দিষ্ট অৰ্থ প্ৰকাশ কৰা অৱধাৰণা ক্ৰমে প্ৰতিযোগিতা আৰু সংঘৰ্ষই আনধৰণৰ মতানৈক্যক সামৰি নলয়।

ইয়াক অধিক স্পষ্ট ৰূপত বুজিবলৈ আমি এটা উদাহৰণ ল'ব পাৰোঁ। বৰ্তমান যুৱ সমাজৰ মাজত পৰম্পৰাগত সংস্কৃতিৰ বিৰুদ্ধে দেখা দিয়া বিদ্ৰোহাত্মক প্ৰৱণতাক ইয়াৰ এক উপযুক্ত উদাহৰণ বুলিব পাৰি। যুৱ সমাজৰ মাজত দেখা দিয়া এই প্ৰৱণতা হৈছে সমাজৰ প্ৰচলিত প্ৰতিমানৰ প্ৰতিবাদ অথবা আনুগত্যক প্ৰত্যাখ্যান কৰা। এনে প্ৰতিবাদত সাজ-পোছাকৰ পৰা আৰম্ভ কৰি ভাষা বা জীৱন নিৰ্বাহৰ ৰীতি ইত্যাদি যিকোনো কথাই নিহিত হৈ থাকিব পাৰে। কৌটিকলীয়া পৰম্পৰাৰ প্ৰতি অনুগত হৈ নাথাকি, সিবিলাকক প্ৰত্যাখ্যান কৰাটো যুৱচামৰ বিদ্ৰোহ। সাধাৰণতে, প্ৰতিদ্বন্দ্বিতাৰ প্ৰসংগটো আহি পৰে নিৰ্বাচনত। নিৰ্বাচন যিহেতু এক ৰাজনৈতিক বিষয়, সেয়ে এনে প্ৰতিদ্বন্দ্বিতাক ৰাজনৈতিক প্ৰতিদ্বন্দ্বিতা আখ্যা দিব পাৰি। কিন্তু প্ৰচলিত আইন বা কোনো আইনগত কৰ্তৃত্বৰ বিৰুদ্ধে প্ৰতিবাদকল্পে প্ৰতিদ্বন্দ্বিতা হ'ব পাৰে। মুক্ত গণতান্ত্ৰিক সমাজে এনে ধৰণৰ মতবিৰোধক বিভিন্ন পৰ্যায়ত অনুমোদন জনায়। মতবিৰোধৰ ক্ষেত্ৰত বাহ্যিক বা আভ্যন্তৰীণ দুয়ো দিশৰে কিছু পৰিসীমা আছে। এই পৰিসীমা অতিক্ৰম কৰিলে সমাজত বিৰূপ প্ৰতিক্ৰিয়াৰ সৃষ্টি হয় আৰু তাৰ বিৰুদ্ধে কৰ্তৃত্বশীল ব্যক্তিয়ে বিহিত ব্যৱস্থা গ্ৰহণ কৰিব পাৰে।

আমি সকলোৱে জানো যে আমাৰ ভাৰতবৰ্ষৰ দৰে এক বিশাল ৰাষ্ট্ৰত নাগৰিকসকলৰ মাজত কোনো এক বিষয়ত পাৰস্পৰিক মতবিৰোধ থাকিব পাৰে। কিন্তু কোনেও কাৰো মতক বাধা প্ৰদান কৰিব নোৱাৰে। সেইদৰে ভাৰতৰ একেখন সংবিধানকে মানি অহা স্বত্বেও বিভিন্ন ৰাজনৈতিক দলৰ বিভিন্ন কাৰ্যক্ৰমণিকা থাকিব পাৰে। আনহাতে, একে যান-বাহন বা পৰিবহণ সম্পৰ্কীয় নিয়ম এটা বলবৎ হৈ থাকিলে নাগৰিকসকল সেই বিষয়ত সজাগ হয়। তথাপিও সকলোৰে বাবে প্ৰযোজ্য তেনে নিয়ম বলৱৎ থকা অৱস্থাতো ৰাস্তাই-ঘাটে কেতিয়াবা কেতিয়াবা বাক-বিতণ্ডা চলে। গতিকে, সামাজিক শৃংখলাৰ বাবে সমৰূপতা বা ঐক্যমত অপৰিহাৰ্য নহয়। অৱশ্যে, সমাজত মতবিৰোধক কিমান পৰ্যায়লৈকে সহ্য কৰা হ'ব—সিও গুৰুত্বপূৰ্ণ প্ৰশ্ন। এই প্ৰশ্নৰ উত্তৰটো নিৰ্ভৰ কৰিছে সামাজিক আৰু ঐতিহাসিক পৰিস্থিতিৰ ওপৰত। অৰ্থাৎ সামাজিক আৰু ঐতিহাসিক পৰিস্থিতিয়ে সমাজত এক গুৰুত্বপূৰ্ণ পৰিসীমা নিৰ্ণয় কৰি থৈছে যাৰ সহায়ত ন্যায় আৰু অন্যায়, বৈধ আৰু অবৈধ, গ্ৰহণীয় আৰু অগ্ৰহণীয় আদিৰ মাজত প্ৰাচীৰ নিৰ্মাণ কৰা থাকে।

সাধাৰণ দৃষ্টিত অপৰাধৰ সৈতে নৈতিকতাৰ সম্পৰ্ক থকা যেন লাগে। যদিও প্ৰকৃতাৰ্থত অপৰাধৰ ধাৰণাটো আইনৰ পৰাহে উৎপত্তি। কমেই হওঁক বা বেছিয়েই হওঁক প্ৰচলিত আইন ভংগ কৰা কাৰ্যকে অপৰাধ বোলা হয়। কিন্তু, কেৱল প্ৰচলিত আইন ভংগ কাৰ্যটোৰ পৰাই সেই কাৰ্যটোৰ নৈতিক প্ৰমূল্য নিৰ্ণয় কৰা নহয়। উদাহৰণস্বৰূপে, কোনো লোকে যদি প্ৰচলিত আইনকে অযুক্তিকৰ, অন্যায় বুলি বিশ্বাস কৰে, তেন্তে তেওঁ উচ্চ নৈতিক কাৰণত তাক ভংগ কৰিবলৈ আহিব পাৰে। ভাৰতৰ স্বাধীনতা আন্দোলনৰ নেতাসকলে 'আইন অমান্য' কাৰ্যসূচীৰ দ্বাৰা এনে কাম কৰিছিল। মহাত্মা গান্ধীয়ে যেতিয়া দাণ্ডীত ব্ৰিটিছ চৰকাৰৰ লোন আইন ভংগ কৰিছিল, তেতিয়া তেওঁক আইন ভংগকাৰী হিচাপে গ্ৰেপ্তাৰ কৰা হৈছিল। কিন্তু গান্ধীজীয়ে যিহেতু এই অপৰাধ ইচ্ছাকৃতভাৱে কৰিছিল, গতিকে ভাৰতবাসীয়ে লোন আইন ভংগ কৰা কাৰ্যত গান্ধীক লৈ গৌৰৱবোধ কৰিছিল। অৱশ্যে এনে কিছুমান আইন ভংগকাৰী অপৰাধী আছে যাক কেতিয়াও

নৈতিক কাম বুলি আখ্যা দিব নোৱাৰি। গুৰুত্বপূৰ্ণ কথাটো হ'ল—আইনে বান্ধি দিয়া বিধিগত বা ন্যায্য বিৰোধৰ সীমা অতিক্ৰম কৰিলেই তাক অপৰাধ হিচাপে গণ্য কৰা হয়।

আনহাতে, হিংসাৰ প্ৰশ্নটো ৰাষ্ট্ৰৰ মৌলিক সংজ্ঞাৰ লগত সাঙুৰ খাই আছে। আধুনিক ৰাষ্ট্ৰৰ এক উল্লেখনীয় বৈশিষ্ট্য হ'ল ৰাষ্ট্ৰৰ হাতত বিধিগত হিংসা প্ৰয়োগৰ অধিকাৰ বা একাধিপত্য থকা যেন লাগে। অৰ্থাৎ, মাত্ৰ ৰাষ্ট্ৰইহে কৰ্তৃত্বৰ দ্বাৰা আইনসংগত হিংসা প্ৰয়োগ কৰিব পাৰে। ইয়াৰ বাহিৰে অন্য হিংসাক অবৈধ হিচাপে গণ্য কৰা হয়। অৱশ্যে আত্মৰক্ষাৰ ক্ষেত্ৰত বিৰল পৰিস্থিতিত গ্ৰহণ কৰা হিংসাত্মক আচৰণক ব্যতিক্ৰম হিচাপে ধৰা হৈছে। সেয়েহে প্ৰতিটো হিংসা সাধাৰণতে ৰাষ্ট্ৰৰ বিৰুদ্ধে সংঘটিত হয়। এজন নাগৰিকে যদি অন্য কাৰোবাক আক্ৰমণ কৰে বা হত্যা কৰে, সেই ৰাষ্ট্ৰই তেওঁক হিংসাৰ আশ্ৰয় লোৱাৰ বাবেই, হিংসাৰ বিধিগত অপপ্ৰয়োগৰ বাবে শাস্তি বিহিব।

এই কথা সকলোৱে বোধগম্য যে হিংসাই হ'ল সামাজিক শৃংখলাৰ মূল শত্ৰু। চৰম প্ৰতিদ্বন্দ্বিতাই মাত্ৰ আইনকে ভংগ নকৰে, ই সামাজিক নীতি-নিয়মকো অগ্ৰাহ্য কৰে। সমাজত অসন্তুষ্টি, উদ্বেগ, বিভিন্ন সমস্যা বাঢ়িলে হিংসাৰো উদ্ভৱ হয়। হিংসা হ'ল ৰাষ্ট্ৰৰ কৰ্তৃত্বৰ বিৰুদ্ধে এক প্ৰত্যাহ্বান। এই অৰ্থত, ই ৰাষ্ট্ৰৰ বিধি ব্যৱস্থা স্বীকাৰ নকৰে আৰু মুক্ত সংঘাতত লিপ্ত হয়।

**সামাজিক শৃংখলা আৰু গাঁও, নগৰ আৰু মহানগৰত পৰিৱৰ্তন (Social Order and Change in Village, Town and City) ঃ**

অধিকাংশ মানৱ সমাজকেই গ্ৰাম্য আৰু নগৰীয়া অঞ্চলত বিভক্ত কৰিব পাৰি। গতিকে গ্ৰাম্য আৰু নগৰীয়া অঞ্চলত বাস কৰা সামাজিক জীৱন ধাৰা পাৰস্পৰিকভাৱে পৃথক। একেদৰে, এই অঞ্চলবোৰৰ প্ৰত্যেকতে বৰ্তি থকা সামাজিক শৃংখলাৰ ধৰণ আৰু সামাজিক পৰিৱৰ্তনৰ প্ৰকাৰবোৰ অধিক তাৎপৰ্যপূৰ্ণ। আমি সকলোৱে গাঁও, নগৰ বা মহানগৰ বুলিলে কি বুজায় তাক জানো আৰু এই দুই অঞ্চলৰ মাজত থকা পাৰ্থক্যসমূহো জানো। সমাজতত্ত্বৰ দৃষ্টিত, চিকাৰ আৰু অৰণ্যত খাদ্য সংগ্ৰহ কৰা অঘৰী লোকে কৃষিকৰ্মৰ যোগেদি থিতাপি লোৱাৰ পিছত এক সামাজিক গাঁথনিৰ সৃষ্টি হ'ল। এনে গাঁথনি পৰিৱৰ্তনৰ এক অংশস্বৰূপে গাঁওৰ উৎপত্তি হৈছিল। এই পৰিৱৰ্তনৰ ফলস্বৰূপে চিকাৰ কৰা, খোৰা বস্তু সংগ্ৰহ কৰা আৰু ক্ষণস্থায়ী কৃষিৰ ওপৰত আধাৰিত অঘৰী জীৱন প্ৰণালী এক স্থায়ী জীৱনশৈলীলৈ ৰূপান্তৰিত হয়। স্থায়ী কৃষিব্যৱস্থাৰ বিকাশৰ লগে লগে সামাজিক সংৰচনাও সলনি হৈছিল। কৃষিক্ষেত্ৰত বিনিয়োগ আৰু প্ৰযুক্তিগত উদ্ভাৱনে জীয়াই থাকিবলৈ প্ৰয়োজন হোৱাতকৈ অধিক উৎপাদনৰ সম্ভাৱনীয়তাৰ সৃষ্টি কৰিলে। এইদৰেই স্থায়ী কৃষি ব্যৱস্থাই সম্পদ সঞ্চয়ৰ অৰ্থ বুজাইছিল আৰু ইয়েই সামাজিক বৈষম্যৰ সৃষ্টি কৰিছিল। আনহাতে, অত্যাধিক উন্নত শ্ৰমবিভাজনে বৃত্তিগত বিশেষীকৰণৰ আৱশ্যকতাৰ ধাৰণা জন্মাইছিল। এই সকলোবোৰ পৰিৱৰ্তনে সন্মিলিতভাৱে এক বিশেষ ৰূপৰ সামাজিক সংগঠনৰ ভেটিত জনসংখ্যাৰ বাসস্থান হিচাপে গাঁৱৰ জন্ম দিছিল।

অৰ্থনৈতিক আৰু প্ৰশাসনীয় দৃষ্টিকোণৰ পৰা গাঁও আৰু নগৰৰ মাজত পাৰ্থক্য দুটা মূল কাৰকৰ ভিত্তিত কৰা হয়। সেই দুটা হ'ল—জনসংখ্যাৰ ঘনত্ব আৰু কৃষি সম্বন্ধীয় অৰ্থনৈতিক ক্ৰিয়া-কলাপৰ অনুপাত। অৱশ্যে জনসংখ্যাৰ ভিত্তিত বৃহৎ গাঁও আৰু সৰু নগৰৰ আকৃতি নিৰ্ণয় কৰাটো কঠিন। নগৰ মহানগৰ সমূহত

জনসংখ্যাৰ ঘনত্ব গাঁও অঞ্চলতকৈ অত্যাধিক বেছি। গাঁও অঞ্চলত জনসংখ্যাৰ পৰিমাণ কম হ'লেও নগৰতকৈ গাঁওৰ পৰিসৰ বেছি। গাঁও অঞ্চলক নগৰ-মহানগৰৰ পৰা পৃথক কৰাৰ অন্য এক উপায় হ'ল কৃষি সম্বন্ধীয় অৰ্থনৈতিক ক্ৰিয়া-কলাপ। গাঁওৰ জীৱন ধাৰা বিশেষকৈ কৃষিভিত্তিক। অন্য অৰ্থত, গাঁওবোৰত জনসংখ্যাৰ এক তাৎপৰ্যপূৰ্ণ অংশ কৃষিভিত্তিক জীৱিকাৰ সৈতে সংযোজিত হৈ থাকে য'ত উৎপাদনৰ অধিকাংশই কৃষিজাত সামগ্ৰী হয় আৰু তেওঁলোকৰ অধিকাংশ আয় কৃষিৰ পৰা অহা।

এখন নগৰ আৰু মহানগৰৰ পাৰ্থক্য ঘাইকৈ প্ৰশাসনিক সংজ্ঞাই ধাৰ্য কৰে। ইতিমধ্যে উল্লেখ কৰি অহাৰ দৰে এখন নগৰ আৰু মহানগৰ মৌলিকভাৱে আকাৰৰ জৰিয়তে পৃথক কৰিব পৰা একে ধৰণৰ বসতিস্থল। আজিকালি চৰকাৰীভাৱে ব্যৱহাৰ হোৱা 'নগৰপুঞ্জ' (Urban agglomeration) ই বহুতো উপনগৰীয় অঞ্চল সামৰি থকা আৰু উপগ্ৰহীয় বসতি (Satellite Settlement) স্থাপন হোৱা অঞ্চলক বুজায়। অন্যহাতে, এখন 'প্ৰধান মহানগৰীয় অঞ্চল'এ একাধিক মহানগৰ নতুবা এখন মহানগৰৰ আকৃতিতকৈ অধিকগুণে নিৰন্তৰ নগৰীয়া বসতি স্থাপন হৈ থকা অৱস্থাক বুজায়।

আধুনিক সমাজৰ বিকাশৰ দিশবোৰলৈ চালে নগৰীকৰণ (Urbanization) প্ৰক্ৰিয়া বেছিভাগ দেশতেই পৰিলক্ষিত হয়। এই প্ৰক্ৰিয়াৰ বাবেই দেশৰ জনসংখ্যাৰ অধিকৰ পৰা অধিকতৰ অনুপাত নগৰীয়া অঞ্চলত বাস কৰিবলৈ লৈছে। বেছিভাগ উন্নত দেশেই নগৰীকৰণতো আগবঢ়া। একেদৰে, উন্নয়নশীল দেশবোৰতো নগৰীকৰণ প্ৰক্ৰিয়া চলি আছে। এই প্ৰক্ৰিয়া তীব্ৰ অথবা মন্থৰ হ'ব পাৰে; কিন্তু স্তব্ধ নহয়, যদিহে ইয়াক অৱৰোধ কৰিবলৈ বিশেষ বিশেষ কাৰণ নাথাকে। বাস্তৱিকতে সংযুক্ত ৰাষ্ট্ৰসংঘৰ ২০০৭ (2007) চনৰ প্ৰতিবেদন মতে মানৱ ইতিহাসত প্ৰথমবাৰৰ বাবে পৃথিৱীৰ নগৰীয়া জনসংখ্যাই গ্ৰামীণ জনসংখ্যাক চেৰ পেলাব। আনহাতে, ভাৰতীয় সমাজতো নগৰীকৰণ প্ৰক্ৰিয়া দেখা যায়। নগৰীয়া অঞ্চলত বসবাস কৰা লোকৰ সংখ্যা ১৯০১ চনত ১১% কৈ কিছু কমৰ পৰা স্বাধীনতাৰ ঠিক পিছতেই অৰ্থাৎ ১৯৫১ চনত ১৭% ৰ কিছু বেছিলৈ বৃদ্ধি পাইছিল। ২০০১ চনৰ লোক পিয়লমতে বৰ্তমান ২৮ % লোক নগৰ অঞ্চলত বসবাস কৰে।

### গ্ৰাম্য অঞ্চলত সামাজিক শৃংখলা আৰু সামাজিক পৰিৱৰ্তন (Social Order and Social Change in Rural Areas) ঃ

যিহেতু নগৰীয়া জীৱন-ধাৰা আৰু গ্ৰাম্য সমাজৰ জীৱন-ধাৰাৰ মাজত পাৰ্থক্য আছে; সেই দিশৰ পৰা গ্ৰাম্য জীৱনৰ সামাজিক শৃংখলা আৰু পৰিৱৰ্তনৰ প্ৰকৃতিও নগৰীয়া সমাজতকৈ পৃথক। গাঁৱৰ পৰিসৰ আপেক্ষিকভাৱে সৰু হোৱাৰ কাৰণে গাৱঁলীয়া লোকসকলৰ পাৰিবাৰিক সম্বন্ধবোৰ সামাজিকভাৱে স্বীকৃত আৰু সৰ্বজনগ্ৰহণযোগ্য। তদুপৰি, গাৱঁৰ সামাজিক গাঠনিয়ে লোকসকলক কিছুমান পৰম্পৰা মানি চলিবলৈ বাধ্য কৰায়। বিশেষকৈ সম্প্ৰদায়, ধৰ্মৰ দৰে প্ৰতিষ্ঠানসমূহ আৰু অন্যান্য প্ৰথাগত বা পৰম্পৰাগত সামাজিক বিধিবোৰ গাঁৱত বৰ বেছি সক্ৰিয় হয়। সেই কাৰণে, কোনো বিশেষ পৰিস্থিতি নাথাকিলে, নগৰৰ তুলনাত গাঁৱৰ সামাজিক পৰিৱৰ্তনৰ গতি মন্থৰ হয়।

অৱশ্যে, এই ক্ষেত্ৰত অন্য কিছুমান কাৰকো আছে। গাঁও অঞ্চলৰ পদদলিত শ্ৰেণীয়ে নগৰ মহানগৰৰ লোকসকলৰ দৰে মুক্তভাৱে জীৱন-যাপন কৰিব নোৱাৰে। শ্ৰেণী বৈষম্যৰ বলি হোৱা সকল উচ্চ শ্ৰেণীৰ

ওচৰত শিৰ নত কৰি থাকিবলৈ বাধ্য। কাৰণ প্ৰতিপত্তিশালী উচ্চ শ্ৰেণীৰ হাতত নিয়োগ আৰু অন্যান্য সম্পদসমূহ নিয়ন্ত্ৰিত হৈ থাকে। সেয়েহে দৰিদ্ৰ শ্ৰেণীয়ে নিয়োগ আৰু সাহাৰ্যৰ বিকল্প উৎসসমূহ সন্ধান কৰিব নোৱাৰি প্ৰতিপত্তিশালী সকলৰ বিৰুদ্ধে সহজে মূৰ দাঙিব নোৱাৰে। সেয়েহে চমুকৈ ক'বলৈ গ'লে গাঁৱত যদি পূৰ্বৰ পৰা তেনে ধৰণৰ ব্যৱস্থা শক্তিশালী ৰূপত বাহাল হৈ থাকে, তাক সহজে আঁতৰ কৰিব পৰা নাযায়। গতিকে, ক্ষমতাৰ সাল-সলনি হোৱাৰ অৰ্থত, গাঁও অঞ্চলত পৰিৱৰ্তনৰ গতি লেহেমীয়া।

নগৰ আৰু মহানগৰ সমূহৰ দৰে গাঁওসমূহ পৃথিৱীৰ অন্য অংশৰ সৈতে প্ৰত্যক্ষভাৱে সংযুক্ত হৈ নথকা গাঁও অঞ্চলত পৰিৱৰ্তনৰ গতি মন্থৰ হোৱাৰ অন্য এটা কাৰণ। অৱশ্যে, বৰ্তমান সময়ত টেলিফোন, টেলিভিচনৰ দৰে আধুনিক যোগাযোগ ব্যৱস্থাৰ মাধ্যমসমূহ গাঁও অঞ্চললৈ সম্প্ৰসাৰিত হৈ বহু পৰিৱৰ্তন আনিছে। বহুক্ষেত্ৰত গাঁও আৰু নগৰৰ মাজত থকা পূৰ্বৰ সাংস্কৃতিক স্থবিৰতা বা ব্যৱধান ক্ৰমাৎ হ্ৰাস পাবলৈ ধৰিছে। সেইদৰে, পথ আৰু ৰেল ব্যৱস্থাৰ দৰে যোগাযোগৰ ব্যাপক উন্নতি সাধনৰ সময়ত বৰ্তমান অতি কম সংখ্যাক গাঁৱকহে 'আওহতীয়া', 'দুৰ্গম' আদি নামেৰে অভিহিত কৰিব পাৰি।

গাঁও অঞ্চলত কৃষি ব্যৱস্থাত হোৱা পৰিৱৰ্তনে গ্ৰাম্য সমাজক বিশেষভাৱে প্ৰভাৱিত কৰিছে। উদাহৰণস্বৰূপে, ভূমি সংস্কাৰৰ দৰে ব্যৱস্থাৱলীয়ে ভূমিস্বত্ব আৰু জমিদাৰী পৰম্পৰা সলনি কৰিলে। ভাৰতবৰ্ষত স্বাধীনোত্তৰ কালৰ ভূমি সংস্কাৰ নীতিয়ে ভূমিহীন শ্ৰেণীক ভূমিস্বত্ব প্ৰদান কৰিলে। ফলস্বৰূপে, নিম্নশ্ৰেণীৰ লোকসকলে কৃষিকৰ্মৰ যোগেদি জীৱন নিৰ্বাহ কৰিবলৈ নিজাকৈ কৃষিভূমি লাভ কৰিলে। উল্লেখযোগ্য যে ভাৰতৰ বহু ৰাজ্যত ভূমিৰ গৰাকী হিচাপে একশ্ৰেণী প্ৰভাৱশালী লোকে নিম্ন পৰ্যায়ৰ শ্ৰেণীৰ পৰা নিজৰ হাতলৈ ভূমিস্বত্ব কাঢ়ি লৈছিল। এই প্ৰভাৱশালী শ্ৰেণীটো প্ৰকৃত কৃষক নহ'লেও ভূমি নিজৰ হাতত ৰাখিছিল। ফলত এই প্ৰভাৱশালী শ্ৰেণীটো সামাজিক মৰ্যাদা আৰু ৰাজনৈতিক ক্ষমতাৰে অধিক প্ৰভাৱশালী হৈ আছিল। কোনো ৰাজনৈতিক নিৰ্বাচনত জয়লাভ কৰিবলৈ হ'লে এই প্ৰভাৱশালী শ্ৰেণীটোৱে নিৰ্ণায়ক ভূমিকা পালন কৰিছিল। গতিকে সমাজতত্ত্ববিদ M. N. Srinivas এ এই শ্ৰেণীটোক 'প্ৰতিপত্তিশালী বৰ্গ' (Dominant Caste) হিচাপে অভিহিত কৰিছিল। উল্লেখযোগ্য যে, ভাৰতৰ বহু অঞ্চলত এই প্ৰতিপত্তিশালী বৰ্গ অৰ্থনৈতিক দিশত শক্তিশালী হৈছিল আৰু সমগ্ৰ গাঁও অঞ্চলটোক নিজৰ অধীনত ৰাখিছিল। ফলস্বৰূপে, নিৰ্বাচনৰ ৰাজনীতিকো তেওঁলোকে প্ৰভাৱিত কৰিবলৈ সক্ষম হৈছিল। কিন্তু, পৰৱৰ্তী সময়ত এই প্ৰভাৱশালী শ্ৰেণীটোৱে তেওঁলোকতকৈ নিম্ন অনুন্নত শ্ৰেণীৰ পৰা প্ৰবল বিৰোধৰ সন্মুখীন হ'ল। এনে ঘটনাই বিশেষকৈ অন্ধ্ৰপ্ৰদেশ, বিহাৰ, উত্তৰ প্ৰদেশ আৰু তামিলনাডুত এক গুৰুত্বপূৰ্ণ সামাজিক পৰিৱৰ্তনৰ সূচনা কৰিলে।

কৃষিক্ষেত্ৰত প্ৰযুক্তিবিদ্যাৰ আগমনৰ ঘটনা গ্ৰাম্য সমাজৰ পৰিৱৰ্তনৰ অন্য এক কাৰণ। নতুন প্ৰযুক্তি কৌশল আৰু যন্ত্ৰই শস্য উৎপাদনৰ ক্ষেত্ৰত শ্ৰমিকৰ নিয়োগ হ্ৰাস কৰিলে। শস্য উৎপাদনৰ ক্ষেত্ৰত পূৰ্বে প্ৰয়োজন হোৱা শ্ৰমিকৰ সংখ্যা লাহে লাহে কমি আহিল। ফলত এই ব্যৱস্থাই জামিদাৰ আৰু শ্ৰমিকৰ দৰে বিভিন্ন সামাজিক শ্ৰেণীসমূহৰ মাজত থকা পাৰস্পৰিক দৰ-দামলৈও পৰিৱৰ্তন আনিলে। আধুনিক প্ৰযুক্তিৰ প্ৰয়োগে শ্ৰমিকৰ চাহিদাকে প্ৰভাৱিত কৰা নাই, ইয়াৰ ফলত বিভিন্ন শ্ৰেণীৰ অৰ্থনৈতিক ক্ষমতাৰো পৰিৱৰ্তন

সাধন কৰে। হঠাতে কৃষিজাত সামগ্ৰীৰ দাম উঠা-নমা হোৱা, অনাবৃষ্টি বা বানপানীয়ে গাঁৱলীয়া সমাজলৈ প্ৰবল দুৰ্যোগ কঢ়িয়াই আনে। সম্প্ৰতি ভাৰতৰ কিছুমান অঞ্চলত সংঘটিত হোৱা 'কৃষকৰ আত্মহত্যা' ইয়াৰ এক অন্যতম উদাহৰণ। অন্যহাতে, কেন্দ্ৰীয় চৰকাৰে বিভিন্ন উন্নয়নমূলক আঁচনিৰ জৰিয়তে গাঁও অঞ্চলৰ দৰিদ্ৰসকলৰ জীৱন-ধাৰাৰ উন্নতি কৰিব বিচাৰিছে। মহাত্মা গান্ধী ৰাষ্ট্ৰীয় গ্ৰামীণ নিয়োগ নিশ্চিত আইন ২০০৫ (Mahatma Gandhi National Rural Employment Guarantee Act, 2005) হ'ল এক উল্লেখযোগ্য উদাহৰণ।

**ক্ৰিয়া-কলাপ-৫ (Activity-5)**

মহাত্মা গান্ধী ৰাষ্ট্ৰীয় গ্ৰাম্য নিয়োগ নিশ্চিতকৰণ আঁচনি (MGNERGA)ৰ বিষয়ে তোমাৰ বন্ধু-বান্ধৱৰ লগত আলোচনা কৰা। ইয়াৰ লক্ষ্যসমূহ কি কি আৰু ইয়াক কিয় গুৰুত্ব প্ৰদান কৰা হৈছে জানিবলৈ চেষ্টা কৰা। ৰাষ্ট্ৰীয় গ্ৰামীণ নিয়োগ নিশ্চিত অধিনিয়মৰ বিষয়ে অধিক তথ্য বিচাৰি উলিওৱা। ইয়াৰ উদ্দেশ্য কি? এইখন এখন গুৰুত্বপূৰ্ণ বিকাশ যোজনা বুলি কিয় গণ্য কৰা হয়? এই যোজনাই কি কি সমস্যাৰ সন্মুখীন হৈছে? যদি এইখন সফল হয় তেন্তে ইয়াৰ ফলাফল কি হ'ব পাৰে? এই আঁচনিখনে তোমাৰ ওচৰৰ বা পৰিচিত কোন কোন লোকক সামৰি লৈছে — তাৰ এখন তালিকা প্ৰস্তুত কৰা।

**নগৰীয়া অঞ্চলত সামাজিক শৃংখলা আৰু সামাজিক পৰিৱৰ্তন (Social Order and Social Change in Urban Areas)ঃ**

মহানগৰবোৰ নিজস্বভাৱে অতি পুৰণি। এই কথাটো সকলোৰে জ্ঞাত যে প্ৰাচীন সমাজবোৰতে মহানগৰ আছিল। জনসংখ্যাৰ বৃহৎ সংখ্যক লোকৰ বাবে নগৰবাদ (Urbanism) হৈছে জীৱন প্ৰণালীৰ ৰূপত এক আধুনিক ঘটনা। আধুনিক যুগৰ পূৰ্বে বেপাৰ-বাণিজ্য, ধৰ্ম আৰু যুদ্ধযাত্ৰা আদি কিছুমান প্ৰধান কাৰকে নগৰৰ অৱস্থান আৰু গুৰুত্ব নিৰ্ণয় কৰিছিল। মুখ্য বেপাৰ-বাণিজ্যৰ পথত অথবা উপযুক্ত বন্দৰ আৰু জাহাজঘাট থকা বাবে মহানগৰবোৰ স্বাভাৱিকতেই লাভজনক স্থিতিত আছিল। সেইদৰে কিছুমান নগৰ সামৰিক ৰণনীতিৰ দৃষ্টিকোণৰ পৰাও ভাল অৱস্থানত আছিল। ধৰ্মীয় স্থানবোৰেও বৃহৎ ভক্তক আকৰ্ষণ কৰিছিল আৰু এইদৰেই নগৰীয়া অৰ্থনীতি টনকিয়াল হৈছিল। ভাৰততো এনে প্ৰাচীন মহানগৰৰ বহুতো উদাহৰণ আছে। তাৰ ভিতৰত অসমৰ ব্ৰহ্মপুত্ৰ নদীৰ পাৰত অৱস্থিত মধ্যযুগীয় ব্যৱসায়িক নগৰ তেজপুৰ অথবা আৰব সাগৰৰ পাৰত উত্তৰ কেৰেলাৰ কোজিকড (আগেয়ে কালীকট নামেৰে জনা গৈছিল)। মন্দিৰ নগৰী আৰু ধৰ্মীয় স্থানৰ বহু উদাহৰণো আমি পাওঁ, যেনে— ৰাজস্থানৰ আজমেৰ, উত্তৰ প্ৰদেশৰ বাৰানসী (বেনাৰচ বা কাশী নামেৰেও জনা যায়) আৰু তামিলনাডুৰ মাদুৰাই।

সমাজতত্ত্ববিদসকলে উল্লেখ কৰা মতে মহানগৰৰ জীৱন আৰু আধুনিকতাই একেলগে গতি কৰে। বাস্তৱিকতে এয়া পৰস্পৰৰ এক ঘনিষ্ঠ প্ৰকাশ। যদিও মহানগৰৰ জনসংখ্যা অধিক আৰু অতি ঘন বসতিপূৰ্ণ

আৰু ইতিহাসত জন ৰাজনীতিৰ স্থল হিচাপে ইয়াক জনা যায়, তথাপি মহানগৰবোৰ আধুনিক ব্যক্তিৰ কৰ্মক্ষেত্ৰ বুলিও বিবেচিত হয়। নামবিহীনতা, সুযোগ-সুবিধা আৰু সংস্থাৰ সংযোজন কেৱল বৃহৎ জনসংখ্যাৰ মাজতহে সম্ভৱ হয় আৰু মহানগৰে ব্যক্তিক অবাধ সম্ভাৱনা পূৰণ কৰাত সহায় কৰে। গাঁৱত ব্যক্তিকেন্দ্ৰিকতাক নিৰুৎসাহিত কৰা হয় আৰু সীমিত সুবিধা থাকে। তাৰ বিপৰীতে মহানগৰৰে ব্যক্তিক প্ৰতিপালন কৰে।



**চিত্ৰ ঃ ৰোগী পৰীক্ষা কৰি থকা অৱস্থাত এগৰাকী চিকিৎসক**
**(A doctor checking a patient)**

কিন্তু অধিক সংখ্যক শিল্পী, লিখক, পণ্ডিত আদি যশস্বী লোকসকলৰ আশ্ৰয়স্থল মহানগৰ হ'লেও এইটো সত্য যে মহানগৰত স্বাধীনতা আৰু সুযোগ মাত্ৰ কিছুমান ব্যক্তিৰ বাবেহে আছে। সূক্ষ্মভাৱে সামাজিক আৰু আৰ্থিকভাৱে অগ্ৰাধিকাৰ লাভ কৰা কেৱল এক ক্ষুদ্ৰসংখ্যক ব্যক্তিয়েহে শ্ৰেষ্ঠত্বৰ মুকলি আৰু পূৰ্ণ জীৱনৰ বিলাসিতা উপভোগ কৰিব পাৰে। বৃহত্তৰ বাধ্যবাধকতাৰ মাজত মহানগৰত বাস কৰা বেছিভাগ লোকৰেই কেৱল সীমিত আৰ্থিক আৰু সামাজিক স্বাধীনতা আছে। এইবোৰ হৈছে বিভিন্ন প্ৰকাৰৰ সামাজিক সমূহৰ সদস্যতাৰ দ্বাৰা আৰোপ কৰা সুপৰিচিত আৰ্থিক আৰু সামাজিক বাধ্যবাধকতা, যিবোৰৰ বিষয়ে ইতিমধ্যে তোমালোকে আগৰ অধ্যায়ত জানিব পাৰিছা। প্ৰজাতি, ধৰ্ম, নৃগোষ্ঠী, জাতি, অঞ্চল আৰু নিশ্চিত ৰূপত শ্ৰেণী ইত্যাদি বিভিন্ন প্ৰকাৰৰ কাৰকৰ ওপৰত আধাৰিত সমূহ পৰিচয়ৰ বিকাশত মহানগৰে নগৰীয়া জীৱনক প্ৰতিনিধিত্ব কৰে। দৰাচলতে মহানগৰত বৃহৎ সংখ্যক লোক তুলনামূলকভাৱে কম ঠাইত কেন্দ্ৰীভূত হোৱাৰ পৰিপ্ৰেক্ষিতত ব্যক্তি পৰিচয় অধিক তীব্ৰতৰ হৈ উঠে আৰু ব্যক্তিৰ অস্তিত্ব ৰক্ষা, প্ৰতিৰোধ কৰা আৰু নিজৰ অধিকাৰ সম্বন্ধে দৃঢ়তা প্ৰকাশ কৰা ৰণনীতিৰ অভিন্ন অংগ হৈ পৰে।



**চিত্ৰ ঃ কনিষ্ঠ ভাই-ভনীৰ চোৰাচিতাৰ দায়িত্ব পালনত এজনী বালিকা**
**(A girl child looking after the sibling)**

নগৰ আৰু মহানগৰৰ সামাজিক শৃংখলাৰ বেছিভাগ গুৰুত্বপূৰ্ণ বিষয় আৰু সমস্যা ঠাইৰ পৰিমাণৰ সৈতে জড়িত। জনসংখ্যাৰ উচ্চ ঘনত্বই ঠাইডোখৰক অত্যধিক গুৰুত্ব দিয়ে আৰু বিতৰণৰ অতি জটিল সমস্যাৰ সৃষ্টি কৰে। মহানগৰৰ প্ৰসাৰ বিকাশক্ষম কৰাৰ নিশ্চয়তা নগৰীয়া সামাজিক শৃংখলাৰ প্ৰাথমিক নিৰূপিত কাম। ইয়াৰ অৰ্থ হৈছে কিছুমান ব্যক্তিৰ সংগঠন আৰু ব্যৱস্থাপনা, যেনে— গৃহ আৰু আৱাসিক আৰ্হি, বৃহৎ সংখ্যক কৰ্মচাৰীক কৰ্মস্থললৈ অহা-যোৱাৰ বাবে জন-পৰিবহণ ব্যৱস্থা, আৱাসিক, চৰকাৰী আৰু ঔদ্যোগিক খণ্ডৰ ভূমি ব্যৱহাৰৰ ক্ষেত্ৰত সহাৱস্থানৰ ব্যৱস্থা আৰু শেষত জনস্বাস্থ্য, অনাময় ব্যৱস্থা, আৰক্ষী, জনসুৰক্ষা আৰু নগৰ পৰিচালনাৰ আৱশ্যকতাবোৰ নিৰীক্ষণ কৰা। এই কাৰ্যবোৰৰ প্ৰত্যকটোৱেই পৰিকল্পনাৰ ৰূপায়ণ আৰু তদাৰক কৰাৰ অতি কঠিন প্ৰত্যাহ্বানৰ সন্মুখীন হোৱা গুৰু দায়িত্ব বহন কৰে। এই সকলোবোৰ কাৰ্য অধিক জটিল হৈ উঠে যেতিয়া শ্ৰেণী, নৃগোষ্ঠীয়তা, ধৰ্ম, জাতি আদি বিভাজন আৰু অস্থিৰতাৰ পৰিস্থিতিবোৰ সক্ৰিয় ৰূপত বিৰাজ কৰে।

উদাহৰণস্বৰূপে, নগৰত আৱাসৰ প্ৰশ্নৰ সৈতে বহুবোৰ সমস্যা আহি পৰে। দৰিদ্ৰ শ্ৰেণীৰ লোকসকলৰ বাসস্থানৰ অভাৱে ‘গৃহহীন’ (Homeless) আৰু ‘পথত বাস কৰা লোক’ (Street people)ৰ বিস্ময়কৰ দৃশ্যৰ জন্ম দিয়ে— এই লোকসকল পথ আৰু পদপথ, দলং আৰু উৰণীয়া সেতুৰ তলত, পৰিত্যক্ত ঘৰ আৰু অন্যান্য খালী ঠাইত বসবাস কৰি জীয়াই থাকে। বস্তি এলেকাৰ (Slums) উদ্ভৱৰ এইটো এটা প্ৰধান কাৰণ। যদিও চৰকাৰী সংজ্ঞাবোৰ বেলেগ বেলেগ, তথাপি এটা বস্তি বুলিলে এক ঠেক, ঠাহ খোৱা অৱস্থাত থকা চুবুৰীক বুজায়, য'ত নাগৰিকৰ সা-সুবিধা (অনাময় ব্যৱস্থা, পানী যোগান, বিদ্যুৎ ইত্যাদি)ৰ অভাৱ আৰু গৃহ

নির্মাণত প্লাষ্টিকৰ চাদৰ আৰু ডাঠ কাগজৰ পৰা আৰম্ভ কৰি বহুমহলীয়া গৃহত ব্যৱহাৰ হোৱা কংক্ৰীটৰ গাঁথনি ব্যৱহাৰ হয়। অন্য স্থানত থকাৰ দৰে স্থায়ী সম্পত্তিৰ অধিকাৰ নথকাৰ বাবে বস্তি অঞ্চলত ‘দাদাসকল’ আৰু শক্তিশালীলোকৰ উদ্ভৱ হয়, যিসকলে বস্তিৰ বাসিন্দাসকলৰ ওপৰত কৰ্তৃত্ব বলবৎ কৰে। বস্তি অঞ্চলত থকা নিয়ন্ত্ৰণে স্বাভাৱিকভাৱেই বেআইনী কাৰ্যকলাপত লিপ্ত অপৰাধী আৰু ভূ-সম্পত্তিৰ সৈতে জড়িত অপৰাধী দলক সহায় কৰে।



**চিত্ৰ ঃ মহানগৰৰ এক ব্যৱসায়িক কেন্দ্ৰ ( A commercial centre in a city)**



**চিত্ৰ ঃ চাহ বাগানত কৰ্মৰত মহিলা (Women at work in Tea garden)**

মহানগৰত মানুহ ক'ত আৰু কেনেকৈ বাস কৰিব এই প্ৰশ্নটো সামাজিক-সাংস্কৃতিক পৰিচয়ৰ ওপৰত আধাৰিত হয়। সমগ্ৰ বিশ্বত মহানগৰবোৰৰ আৱাসিক অঞ্চলবোৰ প্ৰায়েই শ্ৰেণী, প্ৰজাতি, নৃগোষ্ঠী, ধৰ্ম আৰু অন্যান্য কাৰকৰ দ্বাৰা বিভাজিত হৈ আহিছে। এন পৰিচয়বোৰৰ মাজত থকা মানসিক অস্থিৰতাই পৃথকীকৰণৰ কাম কৰে আৰু তাৰ ফলাফলো পৰিলক্ষিত হয়। উদাহৰণস্বৰূপে, ভাৰতত ধৰ্মীয় সম্প্ৰদায়বোৰৰ মাজত থকা সাম্প্ৰদায়িক উত্তেজনা, বিশেষকৈ হিন্দু আৰু মুছলমানৰ সাম্প্ৰদায়িক উত্তেজনাৰ পৰিণামস্বৰূপে মিশ্ৰিত প্ৰতিবেশী অঞ্চল একক-সম্প্ৰদায় অঞ্চললৈ ৰূপান্তৰিত হৈছে। ফলস্বৰূপে, উদ্‌গীৰণৰ লগে লগেই সাম্প্ৰদায়িক হিংসাই মুহূৰ্ততে বিস্তৃতি লাভ কৰে, যিটোৱে আকৌ 'ঘেটোকৰণ' (Ghettoisation) প্ৰক্ৰিয়াক উদগনি জনায়। ভাৰতৰ বহু মহানগৰত এনে হোৱা দেখা গৈছে। শেহতীয়াভাৱে ২০০২ চনৰ হিংসাত্মক ঘটনাবোৰৰ পিছতেই গুজৰাটত এই প্ৰক্ৰিয়া পৰিলক্ষিত হৈছিল। বিশ্বব্যাপী 'গেটেড সম্প্ৰদায়' (Gated communities) নামেৰে পৰিচিত সম্প্ৰদায় ভাৰতীয় মহানগৰবোৰতো পোৱা যায়। গেটেড সম্প্ৰদায় শব্দটোৱে চৌপাশৰ পৰিৱেশৰ পৰা পৃথক কৰা বেৰ আৰু প্ৰৱেশদ্বাৰেৰে আবৃত এক সমৃদ্ধ চুবুৰীক বুজায়, য'ত প্ৰৱেশ আৰু প্ৰস্থানৰ নিয়ন্ত্ৰণৰ ব্যৱস্থা ৰখা হয়। অধিকাংশ এনে ধৰণৰ সম্প্ৰদায়ৰ নাগৰিকৰ বাবে সা-সুবিধা, যেনে— পানী আৰু বিদ্যুৎ যোগান, আৰক্ষী আৰু নিৰাপত্তাৰ নিজস্ব সমান্তৰাল ব্যৱস্থা থাকে।




**চিত্ৰ ঃ বিভিন্ন প্ৰকাৰৰ যান-বাহনেৰে এক নগৰীয়া অঞ্চল (Various kinds of transport in an urban area)**

**ক্ৰিয়া-কলাপ-৬ (Activity-6)**

তোমাৰ নিজৰ চহৰ বা মহানগৰত এনে গেটেড সম্প্ৰদায় পাইছানে অথবা তালৈ গৈছানে? জ্যেষ্ঠসকলৰ পৰা এনে এক সম্প্ৰদায়ৰ বিষয়ে জানি লোৱা। প্ৰৱেশদ্বাৰ আৰু বেষ্টনী কেতিয়া নিৰ্মাণ হৈছিল? ইয়াৰ বিৰোধিতা কৰা হৈছিল নে? যদি হৈছিল, কাৰ দ্বাৰা? এনেধৰণৰ স্থানত মানুহে বসবাস কৰিব বিচৰাৰ কাৰণ কি হ'ব পাৰে? নগৰীয়া সমাজ আৰু চৌপাশৰ প্ৰতিৱেশীৰ ওপৰত ইয়াৰ প্ৰভাৱ কি হ'ব পাৰে বুলি তুমি ভাবা?

প্ৰতিদিন নিয়মিতভাৱে ঘৰৰ পৰা কৰ্মক্ষেত্ৰলৈ অহা-যোৱা কৰা দূৰণিবটীয়া লোকসকল (Commuters) এক প্ৰভাৱশালী ৰাজনৈতিক নিৰ্বাচন সমষ্টি হৈ পৰে আৰু কেতিয়াবা বিস্তাৰিত উপসংস্কৃতি বিকশিত কৰে। উদাহৰণস্বৰূপে, মুম্বাইৰ উপ-নগৰীয় ৰে'লত যাত্ৰীসকলৰ মাজত বহুতো অনানুষ্ঠানিক সম্পৰ্কই গঢ় লয়। অসমৰো স্থানীয় যাত্ৰীবাহী ৰেলত প্ৰতিদিনে একেলগে যাত্ৰা কৰা লোকৰ মাজত গীত গোৱা, উৎসৱ-পালন, পাচলি কটা, লুডু, তাচপাত আৰু বোৰ্ডত খেলা বিভিন্ন খেল অথবা সাধাৰণভাৱে সমাজিকীকৰণ প্ৰক্ৰিয়া দেখা যায়।




**মহানগৰৰ বজাৰ এলেকাৰ আলোকচিত্ৰ (Shopping in a city)**

অৱশেষত ইয়াকে ক'ব পাৰি যে, গৃহ আৰ্হি মহানগৰৰ অৰ্থনীতিৰ সৈতে নিৰ্ণায়ক ৰূপত জড়িত হৈ থাকে। নগৰ পৰিবহণ ব্যৱস্থা প্ৰত্যক্ষ আৰু গভীৰ ৰূপত আৱাসিক অঞ্চলৰ অৱস্থানৰ সৈতে সম্পৰ্কযুক্ত ঔদ্যোগিক আৰু বাণিজ্যিক কৰ্মস্থলৰ দ্বাৰা প্ৰভাৱিত হয়। যদি এনে এলেকা সচৰাচৰ হোৱাৰ দৰে দূৰ-দূৰণিত অৱস্থিত হয়; তেন্তে এনে স্থিতিত বৃহৎ জন-পৰিবহণ প্ৰণালীৰ নিৰ্মাণ আৰু তাক তদাৰক কৰাৰ আৱশ্যকতা আছে। আহ-যাহ এক জীৱন প্ৰণালী হৈ উঠাৰ লগে লগে সম্ভাব্য আহুকালৰ সৃষ্টিকাৰী উৎস হিচাপে ই চিৰদিনৰ বাবে স্থিতি লৈছে। পৰিবহণ ব্যৱস্থাৰ প্ৰত্যক্ষ প্ৰভাৱ মহানগৰত কৰ্মৰত লোকসকলৰ 'গুণগত জীৱন'ত পৰিছে। পথ পৰিবহণৰ ওপৰত নিৰ্ভৰশীল হোৱাৰ ফলত, বিশেষকৈ ৰাজহুৱা বাহনৰ পৰিবৰ্তে ব্যক্তিগত বাহন (যেনে বাছৰ পৰিবৰ্তে সৰু গাড়ী)ৰ চলাচলে যানজঁটৰ সৃষ্টি কৰে। ওপৰৰ আলোচনাৰ পৰা তোমালোকে স্পষ্টভাৱে বুজি পালা যে সৰল বিষয় ক্ৰমাগতভাৱে অতি জটিল আৰু নগৰীয়া সমাজৰ বহুমাত্ৰীয় (Multi dimensional) দিশ হৈ পৰিছে।

নগৰীয়া অঞ্চলত সামাজিক পৰিৱৰ্তন আৰু ইয়াৰ অন্তৰ্নিহিত ৰূপ, স্থান সম্পৰ্কীয় মূল প্ৰশ্নৰ সন্দৰ্ভত ভালদৰে বুজিব পাৰি। পৰিলক্ষিত পৰিৱৰ্তনৰ উপাদান হিচাপে এক বিশেষ চুবুৰীৰ উত্থান-পতনৰ অভিজ্ঞতাকে ল'ব পাৰি। সমগ্ৰ বিশ্বত মহানগৰীয় কেন্দ্ৰসমূহ বা মূল মহানগৰৰ কেন্দ্ৰীয় অঞ্চলৰ বহুল পৰিৱৰ্তন হৈছে। ১৯ আৰু ২০ শতিকাৰ আৰম্ভণিতে মহানগৰৰ শক্তিকেন্দ্ৰ হিচাপে পৰিচিত মহানগৰ কেন্দ্ৰবোৰৰ ২০ শতিকাৰ শেষলৈ অৱনতি ঘটিছিল। এয়া মহানগৰৰ উপকণ্ঠ অঞ্চলৰ বিকাশৰো সময় আছিল, কিয়নো বিভিন্ন কাৰণত সমৃদ্ধশ্ৰেণীৰ লোকসকলে মহানগৰৰ অভ্যন্তৰ পৰিত্যাগ কৰি মহানগৰৰ উপকণ্ঠ অঞ্চলত থিতাপি লৈছিল। সমূহীয়া জীৱন আৰু কলা উজ্জীৱিত কৰা প্ৰচেষ্টাত বৰ্তমান পশ্চিমীয়া দেশৰ বহুতো মহানগৰ কেন্দ্ৰ পুনৰুজ্জীৱিত হোৱাৰ পথত অভিজ্ঞতা লাভ কৰি আছে। এই সংক্ৰান্তীয় এটা ঘটনা হৈছে 'সম্ভ্ৰান্তকৰণ' (Gentrification), যিটোৱে পূৰ্বতে নিম্ন শ্ৰেণীৰ চুবুৰীক মধ্যম আৰু উচ্চ শ্ৰেণীৰ পৰ্যায়লৈ ৰূপান্তৰিত হোৱা বুজায়। ভূ-সম্পত্তিৰ মূল্যবৃদ্ধিৰ লগে লগে এনে পৰিৱৰ্তনক প্ৰভাৱিত কৰিবলৈ চেষ্টা চলোৱা উদ্যোগী (Developers) সকলৰ বাবে অতি বেছি লাভদায়ক হৈ পৰে। প্ৰচাৰ কাৰ্যৰ জৰিয়তে অঞ্চলটোত বৰ্ধিত ভাড়া-মূল্যই সন্তোষজনক স্থিতি লাভ কৰাৰ পিছত অঞ্চলটোৱে লাভজনক ব্যৱসায় আৰু সমৃদ্ধিশালী বাসিন্দাৰ স্থানৰ ৰূপ লয়। কিন্তু কেতিয়াবা এনে ধৰণৰ প্ৰচেষ্টা বিফল হোৱাৰ ফলত অঞ্চলটোৰ শ্ৰেণীগত মান নিম্নগামী হৈ আকৌ পূৰ্বৰ স্থিতিলৈ উভতি যায়।

**ক্ৰিয়া-কলাপ-৭ (Activity-7)**

তোমালোকৰ চুবুৰীত 'সম্ভ্ৰান্তকৰণ' বা 'উৰ্দ্ধমান' (Gentrification or up-scaling) সংঘটিত হোৱা মন কৰিছানে? এনে ধৰণৰ উদাহৰণ জানানে? এনে হোৱাৰ পূৰ্বে অঞ্চলটো কেনে ধৰণৰ আছিল বিচাৰি উলিওৱা। কেনে ৰূপত অঞ্চলটো পৰিৱৰ্তিত হৈছে? এই পৰিৱৰ্তনবোৰে বিভিন্ন সামাজিক সমূহ আৰু শ্ৰেণীৰ ওপৰত কেনে প্ৰভাৱ পেলাইছে? কাৰ লাভ আৰু কাৰ লোকচান হৈছে? এই ধৰণৰ পৰিৱৰ্তনৰ সিদ্ধান্ত কোনে গ্ৰহণ কৰে— তাৰ বাবে ভোটগ্ৰহণ অথবা কোনো ৰাজহুৱা আলোচনা হয়নে?

জন-পৰিবহণৰ প্ৰণালীত হোৱা পৰিৱৰ্তনবোৰে মহানগৰলৈ তাৎপৰ্যপূৰ্ণ পৰিৱৰ্তন আনিব পাৰে। কম খৰচতে সুবিধাজনক আৰু নিৰাপদ জন-পৰিবহণে মহানগৰৰ জীৱনত যথেষ্ট পৰিৱৰ্তন আনিছে। লগতে ই মহানগৰৰ আৰ্থিক বিকাশত প্ৰভাৱ পেলোৱাৰ উপৰি মহানগৰৰ সামাজিক চৰিত্ৰকো গঢ় দিছে। বহুতো পণ্ডিতে জন-পৰিবহণৰ ওপৰত আধাৰিত মহানগৰ যেনে— লণ্ডন বা নিউইয়ৰ্ক আৰু প্ৰধানকৈ ব্যক্তিগত পৰিবহণৰ ওপৰত আধাৰিত লচ এন্‌জেলচ্‌ৰ দৰে মহানগৰৰ পাৰ্থক্যৰ কথা লিখিছে। উদাহৰণস্বৰূপে, নতুন দিল্লীৰ মেট্ৰো ৰে'লে এই মহানগৰখনৰ সামাজিক জীৱন গুৰুত্বপূৰ্ণভাৱে কিমান সলনি কৰিব পাৰিব সেয়া প্ৰত্যক্ষ কৰিবলৈ এতিয়াও বাকী আছে। কিন্তু প্ৰধান আলোচ্য বিষয়টো হৈছে মহানগৰৰ সামাজিক পৰিৱৰ্তন সন্দৰ্ভত, বিশেষকৈ দ্ৰুত গতিত নগৰীকৰণ হৈ থকা ভাৰতৰ দৰে দেশবোৰত, মহানগৰ একোখনে একেৰাহে বৃদ্ধি পাই অহা জনসংখ্যাৰ সৈতে কেনেকৈ মোকাবিলা কৰিব য'ত প্ৰব্ৰজনৰ সোঁত মহানগৰৰ প্ৰাকৃতিকভাৱে বৰ্ধিত জনসংখ্যাৰ সৈতে যোগ হৈ আছে।

**পৰিভাষা (Glossary) ঃ**

- **সীমা শুল্ক, শুল্ক পদ্ধতি (Customs Duties, Tariffs) ঃ** এখন দেশলৈ আন ঠাইৰ পৰা সামগ্ৰী আৰু দেশখনৰ পৰা বাহিৰলৈ যোৱা সামগ্ৰীৰ ওপৰত লগোৱা কৰ; যাৰ দ্বাৰা সামগ্ৰীৰ মূল্য বৃদ্ধি হয় যাতে এনে সামগ্ৰীৰ সৈতে তুলনামূলকভাৱে স্ব-উৎপাদিত সামগ্ৰীৰ প্ৰতিযোগিতা কম হয়।
- **প্ৰভাৱশালী জাতি (Dominant Castes) ঃ** এই ধাৰাণাটো এম. এন. শ্ৰীনিবাসে মধ্যৱৰ্তী জাতিৰ জমিদাৰসকলক বুজাবলৈ ব্যৱহাৰ কৰিছিল, যিসকলে অধিক হোৱাৰ বাবে নিজ অঞ্চলত ৰাজনৈতিক প্ৰভুত্ব বিস্তাৰ কৰিছিল।
- **গেটেড সম্প্ৰদায় (Gated Communities) ঃ** নগৰীয়া অঞ্চল (সাধাৰণতে উচ্চ শ্ৰেণী বা আঢ্যবন্ত)ত আৱাসিক এলেকা বেষ্টনী, বেৰ আৰু প্ৰৱেশদ্বাৰৰ ব্যৱস্থাৰ দ্বাৰা চৌপাশৰ পৰা নিজকে নিলগাই ৰখা হয়, য'ত প্ৰৱেশ আৰু প্ৰস্থানত নিয়ন্ত্ৰণ থাকে।
- **সম্ভ্ৰান্তকৰণ (Gentrification) ঃ** এই ধাৰণাটোৰ দ্বাৰা এক নিম্নশ্ৰেণী (নগৰীয়া)ৰ চুবুৰীক মধ্যম বা উচ্চশ্ৰেণীৰ চুবুৰীলৈ ৰূপান্তৰণক বুজোৱা হয়।
- **ঘেটো, ঘেটোকৰণ (Ghetto, Ghettoisation) ঃ** পোন প্ৰথমে এই শব্দটো মধ্য ইউৰোপীয় মহানগৰবোৰত ইহুদীসকলৰ বস্তিক বুজাবলৈ ব্যৱহৃত হৈছিল। বৰ্তমান এই শব্দটো এক বিশেষ ধৰ্ম, নৃগোষ্ঠী, জাতি বা অন্য কোনো উমৈহতীয়া পৰিচয় বহন কৰা ব্যক্তি কেন্দ্ৰীভূত চুবুৰীক বুজাবলৈ ব্যৱহাৰ কৰা হয়। ঘেটোকৰণ প্ৰক্ৰিয়াত মিশ্ৰিত বিন্যাসৰ চুবুৰী একক সম্প্ৰদায়ৰ চুবুৰীলৈ ৰূপান্তৰিত হয়।
- **বৈধতা (Legitimation) ঃ** বিধিসন্মত কৰি তোলা প্ৰক্ৰিয়া বা কোনো ভিত্তি, যাৰ আধাৰত কোনো বস্তুক বৈধ হিচাপে মানি লোৱা হয়, যেনে— সঠিক, ন্যায়পূৰ্ণ, শুদ্ধ ইত্যাদি।
- **জন-পৰিবহণ (Mass Transit) ঃ** বৃহৎ সংখ্যক লোকৰ যাতায়াতৰ বাবে মহানগৰৰ দ্ৰুত পৰিৱহণ ব্যৱস্থাবোৰ।

# অনুশীলনী (Exercise)

১। মানৱ ইতিহাসত দ্ৰুত সামাজিক পৰিৱৰ্তন তুলনামূলকভাৱে এক নতুন পৰিঘটনা — তুমি এই ফাঁকি কথাৰ সৈতে একমত নে? তোমাৰ উত্তৰৰ সপক্ষে যুক্তি দাঙি ধৰা।
Would you agree with the statement that – Rapid social change is comparatively a new phenomenon in human history? Give reasons for your answer.

২। সামাজিক পৰিৱৰ্তনক অন্য ধৰণৰ পৰিৱৰ্তনৰ পৰা কিদৰে পৃথক কৰিব পাৰি—আলোচনা কৰা।
How is social change to be distinguished from other kinds of change?–Discuss

৩। সংৰচনাত্মক পৰিৱৰ্তন (Structural Change) মানে কি বুজা? উদাহৰণসহ ব্যাখ্যা কৰা।
What do you mean by 'structural change'? Explain with examples.

৪। পৰিৱেশ সম্পৰ্কীয় সামাজিক পৰিৱৰ্তনৰ কিছুমান প্ৰকাৰ বৰ্ণনা কৰা।
Describe some kinds of environment related social change.

৫। প্ৰযুক্তিবিদ্যা আৰু অৰ্থনীতিয়ে অনা কিছুমান পৰিৱৰ্তন কি কি?
What are some kinds of changes brought about by technology and the economy?

৬। সামাজিক শৃংখলাই কি বুজায় আৰু ইয়াক কেনেকৈ ৰক্ষা কৰা হয়?
What is meant by social order and how is it maintained?

৭। কৰ্তৃত্ব কি? আইন আৰু আধিপত্যৰ সৈতে কৰ্তৃত্ব কিদৰে জড়িত আলোচনা কৰা।
What is authority and how is it related to domination and the law?

৮। গাঁও, নগৰ আৰু মহানগৰ পৰস্পৰে পৰস্পৰৰ পৰা কিদৰে পৃথক? আলোচনা কৰা।
How are a village, town and city distinguished from each other?

৯। গ্ৰাম্য অঞ্চলৰ সামাজিক শৃংখলাৰ বৈশিষ্ট্যবোৰ কি কি?
What are some features of social order in rural areas?

১০। নগৰীয়া অঞ্চলৰ সামাজিক শৃংখলালৈ অহা প্ৰত্যাহ্বানসমূহ কি কি? আলোচনা কৰা।
What are some of the challenges to social order in urban areas?

**References :**


- Giddens, Anthony. Sociology, 4th edition.
- Gerth, Hans and C. Wright Mills, (eds) from Max Weber.
- Khilnani, Sunil, 2002. The Idea of India, Penguin Books, New Delhi.
- Patel, Sujaa and Kushal Deb (eds) 2006. Urban Sociology (Oxford in India), Reading in Sociology and Social Anthropology Series, Oxford University Press, New Delhi.
- Srinivas, M.N. Social Change in Modern India.

## তৃতীয় অধ্যায়

# পৰিৱেশ আৰু সমাজ

# (Environment and Society)

ছাত্ৰ-ছাত্ৰীসকল, তোমালোকৰ চৌপাশলৈ মন কৰাচোন। কি দেখিছা? যদি তুমি শ্ৰেণী কোঠাত আছা, তেন্তে দেখিবা যে সমসাজ বা ইউনিফৰ্ম পৰিধান কৰা ছাত্ৰ-ছাত্ৰীসকল বেঞ্চত বহি আছে আৰু তেওঁলোকৰ সন্মুখত থকা মেজত কিতাপবোৰ খোলা আছে। তেওঁলোকৰ স্কুল বেগবোৰত থাকিব পেঞ্চিল, কলম, টিফিন বক্স ইত্যাদি। আকৌ কোঠাৰ দুৱাৰ-খিৰিকি খোল খাই আছে। এতিয়া চোৱা, পঢ়াশালিত পিন্ধা পোছাক, আচবাব, বেগ, পেঞ্চিল, কলম, বৈদ্যুতিক সামগ্ৰী, কোঠাটো নিৰ্মাণ কৰা সামগ্ৰীবোৰ ক'ৰ পৰা আহিল? কেতিয়াবা তোমালোকে এই সামগ্ৰীবোৰৰ সৃষ্টি হোৱা উৎসৰ বিষয়ে চিন্তা কৰি চাইছানে? ছাত্ৰ-ছাত্ৰীসকল, প্ৰকৃতিয়েই হ'ল এই প্ৰত্যেকটো ভৌতিক বস্তুৰ উৎস। দৈনন্দিন জীৱনত আমি ব্যৱহাৰ কৰা ভিন্ন ধৰণৰ সামগ্ৰী নিৰ্মাণত বা উৎপাদনত পৃথিৱীৰ প্ৰাকৃতিক উৎস আৰু সম্পদবোৰ নিহিত হৈ থাকে। উদাহৰণ স্বৰূপে ক'ব পাৰি যে— আমাৰ শ্ৰেণীকোঠাত থকা শিক্ষকৰ বাবে ব্যৱহৃত মেজখন, চকীখন, শিক্ষাৰ্থীয়ে কিতাপ থোৱা আৰু লিখাৰ বাবে ব্যৱহাৰ কৰা ডেস্কখন, বহাৰ ক্ষেত্ৰত ব্যৱহাৰ কৰা বেঞ্চখন ইত্যাদি তৈয়াৰ কৰোঁতে কাঠৰ লগতে গজাল, আঠা, বাৰ্ণিচ, ৰং ইত্যাদি ব্যৱহাৰ হৈছে। এখন অৰণ্য বা বনাঞ্চলত থকা গছৰ পৰা আৰম্ভ হৈ তোমালোকৰ শ্ৰেণী কোঠাত ব্যৱহাৰ কৰিব পৰা হোৱালৈকে মেজ, ডেস্ক, চকী, বেঞ্চ ইত্যাদিয়ে বিভিন্ন মাধ্যমৰ মাজেৰে বা ভিন্ন মাধ্যমৰ ওপৰত ভিত্তি কৰে। এই মাধ্যমবোৰ হ'ল— গছজোপা কটাৰ আহিলা, কাঠৰ উদ্যোগত নি উপযুক্তভাৱে গছডাল ভাগ ভাগ কৰাৰ বাবে প্ৰয়োজনীয় মেছিন, ডিজেল, বিজুলী শক্তি, নিৰ্মাণ কৰোঁতে ব্যৱহাৰ কৰা সামগ্ৰী, নিৰ্মাণ কৰাৰ পিছত শিক্ষানুষ্ঠানলৈ যাতায়াত ব্যৱস্থাৰে নিয়া ইত্যাদি প্ৰতিটো ক্ষেত্ৰতে প্ৰাকৃতিক সম্পদ জড়িত হৈ আছে। আকৌ গছজোপা কটা মানুহজনৰ পৰা তোমালোকৰ শ্ৰেণীকোঠাত ডেস্ক-বেঞ্চবোৰ পোৱালৈকে যিসকল লোক জড়িত হৈ থাকে, তেওঁলোকৰ মাজতো পৰস্পৰ সম্পৰ্ক থাকে।

এই অধ্যায়ত পৰিৱেশৰ লগত মানুহ তথা সমাজৰ সম্পৰ্ক, ভিন্ন পৰিৱেশৰ ওপৰত ভিত্তি কৰি গঢ়ি উঠা সামাজিক সম্পৰ্ক আৰু পৰিৱেশ সলনিৰ লগে লগে কেনেদৰে সামাজিক সম্পৰ্কৰ সলনি হয়, স্থো

আলোচনা কৰাৰ প্ৰয়াস কৰিম। এনে পাৰ্থক্যবোৰ বিশ্লেষণ কৰি অৰ্থ বুজাতো অত্যন্ত গুৰুত্বপূৰ্ণ কথা। লগতে বিশ্বৰ বিভিন্ন অঞ্চলত হোৱা ভিন্ন ধৰণৰ পৰিৱেশীয় সমস্যাবোৰৰ বাবেও এনে পৰিৱেশ আৰু সমাজ সম্পৰ্কীয় বিষয় অধ্যয়ন কৰা বৰ জৰুৰী হৈ পৰিছে। লগতে এনে পৰিৱেশীয় সমস্যাবোৰ কিয় সৃষ্টি হয় আৰু কিছু সংখ্যক এনে পৰিৱেশীয় সমস্যা সমাধানৰ উপায় বুজিবৰ বাবেও এক সমাজতাত্ত্বিক গাঁথনি (Sociology Framework) প্ৰয়োজনীয়।

সকলো সমাজৰে একো একোটা পাৰিপাৰ্শ্বিক আধাৰ (Ecological basis) থাকে। এই পাৰিপাৰ্শ্বিকতাৰ লগত পৰিস্থিতিতন্ত্ৰ (Eco System) গভীৰভাৱে জড়িত। এই পৰিস্থিতিতন্ত্ৰ হ'ল ভৌতিক আৰু জৈৱিক প্ৰক্ৰিয়াৰ এখন জাল, যিখন জালত মানুহো এক গুৰুত্বপূৰ্ণ উপাদান। পৰ্বত, নৈ, সাগৰ, সমতল, গছ-গছনি, জীৱ-জন্তু, এই সকলোবোৰ পৰিস্থিতিতন্ত্ৰৰ ভিতৰত পৰে আৰু এই সকলোবোৰৰ মাজত থকা সম্পৰ্ক অধ্যয়ন কৰা বিজ্ঞানেই হ'ল পৰিস্থিতি বিজ্ঞান। কোনো এখন ঠাইক পৰিস্থিতি বিজ্ঞানৰ দিশেৰে অধ্যয়ন কৰিবলৈ যাওঁতে সেই ঠাইখনৰ ভূগোল আৰু আৰ্দ্ৰতা বিজ্ঞানো অধ্যয়ন কৰিবলগীয়া হয়। অৰ্থাৎ কোনো এখন ঠাইৰ পৰিস্থিতি বিজ্ঞানৰ লগত সেই ঠাইখনৰ ভূগোল আৰু আৰ্দ্ৰতা বিজ্ঞানৰ গুৰুত্বপূৰ্ণ সম্পৰ্ক আছে। লগতে দেখা যায় যে, কোনো এখন ঠাইৰ পাৰিপাৰ্শ্বিক কাৰকবোৰৰ লগত মানুহৰো এক গুৰুত্বপূৰ্ণ সম্পৰ্ক আছে। মানুহে কোনো এখন ঠাইত বসবাস কৰোঁতে সেই ঠাইৰ পৰিৱেশ-পৰিস্থিতিৰ ওপৰত নিৰ্ভৰ কৰি বসবাস কৰাৰ লগতে সেই ঠাইখনৰ সমাজে পৰিৱেশৰ উপাদানৰ ওপৰত ভিত্তি কৰি কিছুমান সাংস্কৃতিক কাৰ্য সম্পাদন কৰে। কিন্তু গুৰুত্বপূৰ্ণ কথা এয়ে যে, মানুহৰ কাৰ্যকলাপৰ (Human Action) দ্বাৰা পাৰিপাৰ্শ্বিক অৱস্থাৰ পৰিৱৰ্তন ঘটিছে। উদাহৰণস্বৰূপে— বানপানী, অনাবৃষ্টি, অ'জন স্তৰৰ ক্ষতি ইত্যাদি পৰিৱেশজনিত সমস্যাবোৰ সৃষ্টিৰ ক্ষেত্ৰত দৰাচলতে প্ৰকৃতি-পৰিৱেশ ৰ ওপৰত মানুহে কৰা কাৰ্যকলাপো দায়ী। উদাহৰণস্বৰূপে, এখন নৈৰ উজনি অঞ্চলত বন-জংঘল কাটি কৃষি কৰা কাৰ্যৰ ফলত উজনিৰ মাটিবোৰ ঢিলা হৈ পৰে। ফলত বৰষুণত সেই মাটি উটি আহি নৈত পৰে আৰু নৈৰ তলিভাগত মাটি জমা হৈ নৈখন বাম হৈ পৰে। ফলত নৈখনে বানপানীৰ সৃষ্টি কৰে।

প্ৰকৃতিৰ বুকুত মানুহৰ কাৰ্যকলাপৰ ব্যাপক প্ৰভাৱৰ আন এটা উদাহৰণ হৈছে বিশ্বব্যাপী তাপমান বৃদ্ধিৰ ফলত হোৱা জলবায়ুৰ পৰিৱৰ্তন। সময়ৰ লগে লগেই পাৰিপাৰ্শ্বিক অৱস্থাৰ পৰিৱৰ্তনৰ কাৰকবোৰ প্ৰাকৃতিক নে মানৱসৃষ্ট সেই কথাটো ঠাৱৰ কৰাটো প্ৰায়ে কঠিন হৈ পৰে।

**ক্ৰিয়া-কলাপ-১ (Activity-1)**

তোমালোকে জানানে যে দিল্লীৰ ৰিজ অৰণ্য (Ridge Forest)ত পোৱা গছ-গছনিবোৰ এই অঞ্চলত প্ৰাকৃতিকভাৱে অংকুৰিত হোৱা নাই, বৰং ইংৰাজসকলে আনুমানিক ১৯১৫ চনত সেইবোৰ ৰুইছিল। ইয়াত পোৱা মুখ্য গছবোৰ Prosopis juliflkora (বিলাতী কিকাৰ বা বিলাতী বাবুল) প্ৰজাতিৰ আৰু এইবোৰ দক্ষিণ আমেৰিকাৰ পৰা আনি ৰোৱা হৈছিল, যিবোৰ এতিয়া সমগ্ৰ উত্তৰ ভাৰতত প্ৰাকৃতিক ৰূপত পোৱা যায়।


তোমালোকে জানানে যে উত্তৰাঞ্চলত অৱস্থিত কৰবেট নেচনেল পাৰ্কৰ বনৰীয়া জীৱ-জন্তুৰ মনোমোহা বিচৰণথলী চোৰচ (Chaurs) নামৰ বহল তৃণভূমিখন এসময়ত খেতিপথাৰ আছিল। অঞ্চলটোত অৱস্থিত গাঁওবোৰ অন্য ঠাইত পুনৰ স্থাপন কৰা হৈছিল। যাতে অঞ্চলটোত জনবসতিহীন প্ৰাকৃতিক ৰূপত বন্য জীৱন প্ৰত্যক্ষ কৰিব পৰা যায়।

তোমালোকে এনে ধৰণৰ আন উদাহৰণ ভাবিব পাৰিবানে য'ত 'স্বাভাৱিক' যেন লগা বস্তুবোৰ বাস্তৱিকতে মানুহৰ সাংস্কৃতিক হস্তক্ষেপৰেই ৰূপান্তৰ?

একেলগে জৈৱভৌতিক (Biophysical) গুণাগুণ আৰু প্ৰক্ৰিয়াবোৰো মানুহৰ হস্তক্ষেপৰ বাবে ৰূপান্তৰ ঘটিছে। উদাহৰণস্বৰূপে নৈৰ বৈ যোৱা সোঁত আৰু বনত জীৱ-জন্তুৰ সংযোজনৰ উপৰি আমাৰ চৌদিশে এনে কিছুমান পাৰিপাৰ্শ্বিক উপাদান আছে, যিবোৰ সম্পূৰ্ণৰূপে মানুহৰ দ্বাৰাই নিৰ্মিত হৈছে। কৃষিভূমিত ভূমি আৰু জলসংৰক্ষণ, কৃষিজাত শস্য আৰু পোহনীয়া জীৱ-জন্তু, কৃত্ৰিম সাৰ আৰু কীট-নাশকৰ প্ৰয়োগ— এই সকলোবোৰ স্পষ্টৰূপত মানুহে প্ৰকৃতিলৈ অনা পৰিৱৰ্তন। নগৰ-নিৰ্মাণ বা আন বহু নিৰ্মাণ কাৰ্যত ব্যৱহাৰ হোৱা চিমেণ্ট, ইটা, শিল, লো, বালি, আইনা ইত্যাদি সকলোবোৰতে প্ৰাকৃতিক সম্পদ ব্যৱহাৰ হয়।

জৈৱ ভৌতিক পাৰিপাৰ্শ্বিকতা আৰু মানুহৰ আন্তঃক্ৰিয়াৰ যোগে সামাজিক পৰিৱেশ (Social Environment) ৰ সৃষ্টি হয়। যিদৰে প্ৰকৃতিয়ে সমাজক গঢ় দিয়ে, ঠিক সেইদৰে সমাজেও প্ৰকৃতিক বহু ক্ষেত্ৰত গঢ় দিব পাৰে। উদাহৰণস্বৰূপে— সিন্ধু-গংগাৰ প্লাৱিত ভূমিত প্ৰচুৰ পৰিমাণৰ কৃষি উৎপাদন হয়। ইয়াৰ ভূমিৰ প্ৰচুৰ উৎপাদন ক্ষমতাৰ বাবেই এই অঞ্চলবোৰ যথেষ্ট ঘন জনবসতিপূৰ্ণ। লগে লগে অতিৰিক্ত প্ৰচুৰ উৎপাদনে কৃষি নকৰা কাষৰীয়া ঠাইবোৰত আন কিছু কাৰ্য কৰিবলৈ মানুহক উদগনি যোগাইছে। ফলশ্ৰুতিত এই ঠাইবোৰত ভিন্ন অৰ্থনৈতিক পদৰ সৃষ্টি হৈ এক জটিল পদানুক্ৰমিক সমাজ (Hierarchial society) ৰ সৃষ্টি হৈছে। ইয়াৰ বিপৰীতে ৰাজস্থানৰ মৰুভূমি অঞ্চলত কেৱল পশু-পালন কৰাৰ সুবিধা থকাৰ বাবে এই মৰু অঞ্চলে কেৱল পশুপালকসকলকহে সহায় কৰিব পাৰে বা সংস্থাপন দিব পাৰে, যিসকলে পশুৰ খাদ্যৰ সন্ধানত এখন ঠাইৰ পৰা আন এখন ঠাইলৈ পৰিভ্ৰমণ কৰি ঘূৰি ফুৰে। অসমৰ নদী কাষৰীয়া অঞ্চলত বসবাস কৰা মিছিং লোকসকলেও নদী আৰু পানীৰ ওপৰত ভিত্তি কৰি কৃষি কাৰ্য কৰাৰ লগতে গৃহ-ব্যৱস্থা আৰু আন কিছু সাংস্কৃতিক উপাদান সৃষ্টি কৰিলে। এইবোৰেই হৈছে পাৰিপাৰ্শ্বিক অৱস্থাই মানুহৰ জীৱন আৰু সংস্কৃতিক নিৰ্দিষ্ট গঢ়ত আকাৰ দিয়াৰ উদাহৰণ।

আনহাতে পুঁজিবাদী সংগঠনবোৰে সমগ্ৰ বিশ্বৰ প্ৰকৃতিৰ ওপৰত প্ৰভাৱ পেলোৱাৰ লগতে বহু ক্ষেত্ৰত প্ৰকৃতিক গঢ় দিছে। দেখা যায় যে, যাতায়াত ব্যৱস্থাৰ মাধ্যম ভিন্ন ধৰণৰ যান-বাহনবোৰ হ'ল পুঁজিবাদী উৎপাদনৰ উদাহৰণ, যিবোৰে জীৱন আৰু স্থলভাগলৈ বহু পৰিৱৰ্তন আনি দিছে। বায়ু প্ৰদুষণ, শব্দ প্ৰদুষণ, জল প্ৰদুষণ, গোলকীয় উষ্ণতা বৃদ্ধি ইত্যাদি পৰিৱেশীয় সমস্যাবোৰ সৃষ্টিত অত্যাধিক যান-বাহনে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছে। অৰ্থাৎ যান-বাহনে পৰিৱেশৰ ওপৰত প্ৰভাৱ পেলাইছে। এনেদৰে মানুহৰ দ্বাৰা সৃষ্ট ভিন্ন উৎপাদনৰ ফলত বা মানুহৰ হস্তক্ষেপৰ ফলত পৰিৱেশ সলনি হ'বলৈ ধৰিছে।



চিত্ৰ ঃ এটা সৰু নদী বান্ধ **(A small dam)**



চিত্ৰ ঃ এটা বৃহৎ নদী বান্ধ **(A big dam)**

সামাজিক সংগঠন (Social organization) ৰ দ্বাৰা পৰিৱেশ আৰু সমাজৰ আন্তঃ ক্ৰিয়াক আকাৰ প্ৰদান কৰা হয়। সম্পত্তিৰ সম্বন্ধই কেনেকৈ আৰু কাৰ দ্বাৰা প্ৰাকৃতিক সম্পদবোৰ ব্যৱহাৰ কৰা হ'ব সেইয়া নিৰ্ধাৰণ কৰে। উদাহৰণস্বৰূপে, যদি অৰণ্যৰ মালিকীস্বত্ব চৰকাৰৰ ওপৰত ন্যস্ত থাকে তেন্তে অৰণ্য অঞ্চলৰ ভূমি পট্টা কাঠৰ ব্যৱসায় কৰা গোট বা জোঁটক দিয়া হ'ব নে আন লোককো দিয়া হ'ব, সেই অৰণ্যৰ বনজ সম্পদ সংগ্ৰহ কৰিবৰ বাবে স্থানীয় গাঁওবাসীক অনুমতি প্ৰদান কৰা হ'ব নে নহয়, সেই সিদ্ধান্ত লোৱাৰ ক্ষমতা চৰকাৰৰ হাততহে থাকিব। আকৌ আন অঞ্চলবোৰত থকা ভূমি আৰু পানীৰ উৎসত থকা ব্যক্তিগত মালিকীস্বত্বই অন্যান্য লোকসকলে এই উৎস ব্যৱহাৰৰ ক্ষেত্ৰত কি নিয়ম বা চৰ্ত মানি চলিব তাৰ ওপৰত প্ৰভাৱ পেলাব। লগতে দেখা যায় যে, মালিকীস্বত্ব আৰু সম্পদৰ ওপৰত থকা নিয়ন্ত্ৰণ শ্ৰম বিভাজনৰ সৈতে জড়িত থাকে। ভূমিহীন শ্ৰমিক আৰু নাৰীৰ প্ৰাকৃতিক সম্পদৰ সৈতে থকা সম্পৰ্ক আন লোকতকৈ কিছু বেলেগ হ'ব। ভাৰতৰ গ্ৰাম্য অঞ্চলৰ নাৰীৰ প্ৰাকৃতিক সম্পদৰ সৈতে সম্পৰ্ক অধিক নিবিড় হয়। কিয়নো ৰন্ধা-বঢ়াৰ ক্ষেত্ৰত ইন্ধনৰ ব্যৱহাৰ, প্ৰয়োজনীয় পানী ইত্যাদি নাৰীসকলেই ব্যৱহাৰ সাধাৰণতে সংগ্ৰহ কৰাৰ ফলত এনে প্ৰাকৃতিক উপাদানৰ লগত তেওঁলোকৰ সম্পৰ্ক গাঢ় হয়, অথচ, এই উপাদান বা সম্পদবোৰৰ ওপৰত নাৰীসকলৰ কিন্তু কোনো নিয়ন্ত্ৰণ নাথাকে। বিভিন্ন সামাজিক সমূহে পৰিৱেশৰ সৈতে কেনে সামাজিক সম্পৰ্ক স্থাপন কৰিব তাৰ ওপৰত সামাজিক সংগঠনে প্ৰভাৱ পেলায়।

ব্ৰিটেইনৰ শিল্প বিপ্লৱৰ ফলত পাৰিপাৰ্শ্বিকতাৰ ওপৰত পৰা প্ৰভাৱ সমগ্ৰ বিশ্বতে অনুভূত হ'ল। দেখা গৈছিল যে শিল্প বিপ্লৱৰ লগে লগে বস্ত্ৰ উদ্যোগবোৰৰ বাবে অতিশয় প্ৰয়োজনীয় কপাহ উৎপাদনৰ প্ৰক্ৰিয়া বিশ্বৰ আন কিছু অঞ্চললৈ সম্প্ৰসাৰিত হৈছিল। দেখা গৈছিল, উত্তৰ আমেৰিকাৰ দক্ষিণভাগ আৰু কেৰিবিয়ানৰ বৃহৎ অঞ্চলত কপাহ উৎপাদনৰ ক্ষেত্ৰলৈ ৰূপান্তৰ কৰা হৈছিল, যাতে ইংলেণ্ডৰ লাংকাচায়াৰৰ বস্ত্ৰ উদ্যোগবোৰ বা কলঘৰবোৰৰ বাবে প্ৰয়োজনীয় কপাহৰ চাহিদা পূৰণ কৰিব পৰা যায়। আনহাতে পশ্চিম আফ্ৰিকাৰ যুৱ-ব্যক্তিসকলক বল প্ৰয়োগ কৰি আমেৰিকাৰ সেই কপাহ কৃষি কৰা অঞ্চললৈ পঠোৱা হৈছিল যাতে বাগিছাত দাস হিচাপে কাম কৰিব পাৰে। এইদৰে পশ্চিম আফ্ৰিকাৰ জনসংখ্যা কমি যোৱাৰ ফলত সেই অঞ্চলবোৰত খেতিৰ মাটিবোৰ চন পৰিবলৈ ধৰে। ফলত পশ্চিম আফ্ৰিকাৰ সেই অঞ্চলবোৰত কৃষি অৰ্থনীতি অৱনমিত হৈ পৰে।

আনহাতে ব্ৰিটেইনত কল-কাৰখানাৰ পৰা নিৰ্গত হোৱা কয়লাৰ পোৰা ধোঁৱাই বায়ু প্ৰদূষিত কৰিছিল। আকৌ শিল্প বিপ্লৱৰ ফলত নগৰবোৰত সৃষ্টি কৰা ভিন্ন ধৰণৰ সামগ্ৰীৰ উৎপাদনৰ উদ্যোগবোৰত সংস্থাপন বিচাৰি গ্ৰাম্য অঞ্চলবোৰৰ পৰা নগৰৰ সেই উদ্যোগবোৰলৈ বহু কৃষক, কৃষি শ্ৰমিকৰ প্ৰব্ৰজন হ'ল। তেওঁলোকে আশা কৰিছিল যে— নগৰৰ উদ্যোগবোৰত নিয়োগ হোৱাৰ পিছত তেওঁলোকে অৰ্থনৈতিকভাৱে লাভান্বিত হোৱাৰ লগতে সুন্দৰ বাসস্থানত, সুন্দৰকৈ জীৱন ধাৰণ কৰিব পাৰিব। কিন্তু, পৰৱৰ্তী পৰ্যায়ত, কাৰ্যতঃ সেয়া নহ'ল। তেওঁলোক

উদ্যোগ প্রতিষ্ঠানত নিয়োজিত হ'ল যদিও তেওঁলোকে অর্থনৈতিকভাৱে বিশেষভাৱে লাভান্বিত নহ'ল। বৰঞ্চ তেওঁলোক অসুবিধাজনক বাসস্থানত বসবাস কৰাৰ লগতে অতি শোচনীয়ভাৱে জীৱন নির্বাহ কৰিবলৈ ধৰিলে। গতিকে দেখা গ'ল যে শিল্প বিপ্লৱৰ যোগে সৃষ্টি হোৱা কপাহী কাপোৰৰ উদ্যোগে পৰিৱেশৰ ওপৰত প্রভাৱ পেলোৱাৰ লগতে গ্রাম্য আৰু নগৰীয়া উভয়ৰ প্রাকৃতিক পৰিৱেশ তথা জন-জীৱনৰ ওপৰত প্রভাৱ পেলালে।

পৰিৱেশ আৰু সমাজৰ মাজত থকা বিভিন্ন সম্বন্ধই বিভিন্ন সামাজিক মূল্যবোধ আৰু প্রতিমানৰ লগতে জ্ঞান ব্যৱস্থাও প্রতিফলিত কৰে। দেখা যায় যে পুঁজিবাদৰ অন্তৰালত থকা মূল্যবোধে প্রকৃতিক পণ্য দ্রব্যত পৰিণত কৰিছে। ফলস্বৰূপে, এখন নৈয়ে একাধিক সাংস্কৃতিক বৈশিষ্ট্য বহন কৰে। ইয়াৰ পাৰিপার্শ্বিক উপাদান যেনে— পানী, নদীৰ মাজৰ চৰ, নদীৰ কাষৰীয়া গছ-গছনি ইত্যাদিৰ লগত নৈ কাষৰীয়া লোকৰ বহু সংস্কৃতি জড়িত হৈ থাকে। নৈখনৰ নান্দনিকতাই সৃষ্টি কৰিব পাৰে অনেক সাহিত্য কর্ম, আধ্যাত্মিক চিন্তা। কিন্তু এই সকলোবোৰ দিশ জলাঞ্জলি দি কেতিয়াবা কোনো নৈ, কোনো নৈৰ কোনো কোনো অংশ হৈ পৰে কোনো ব্যক্তি, গোট বা কোম্পানীৰ উদ্যোগৰ সম্পত্তি আৰু তেওঁলোকে এই সম্পত্তি ক্রয়-বিক্রয় কৰি অর্থনৈতিকভাৱে লাভান্বিত হয়। এই কথাতেই দেখা যায় যে এফালে যেনেকৈ নদীখন আছিল এচামলোকৰ বাবে নান্দনিক উৎসাহ, য'ত সৃষ্টি হৈছিল সংস্কৃতিৰ বহু দিশ, ধর্মীয় বিশ্বাস, গীত-কবিতা ইত্যাদি ইত্যাদি; যি নদীৰ প্রতি আছিল তেওঁলোকৰ অপৰিসীম আকর্ষণ, অর্থাৎ এক মূল্যবোধ, আনফালে এইখিনি লোকে ধ্বংস কৰে নদীৰ নান্দনিক সৌন্দর্য।

পৰিৱেশ আৰু সমাজৰ সম্পর্ক ভিন্ন পৰিপ্রেক্ষিতত লক্ষ্য কৰিব পাৰি। এই বিভিন্নতাৰ ভিতৰত আছে— 'প্রকৃতি-পোষণ' (Nature-nurture) বিতর্ক। উদাহৰণস্বৰূপে মানুহ দৰিদ্র হোৱাৰ কাৰণ জন্মগত বা সহজাতভাৱে কম প্রতিভাসম্পন্ন নে তেওঁলোকে অর্থনৈতিকভাৱে সবল হ'ব পৰা কর্মত নিয়োগ হ'ব পৰা নাই, নে অর্থনৈতিকভাৱে সবল হ'ব নোৱাৰা প্রতিকূল প্রাকৃতিক পৰিৱেশত জন্ম লাভ কৰিছে? এনে প্রশ্নবোৰৰ উত্তৰ পৰিৱেশ আৰু সমাজৰ ওপৰত থকা সিদ্ধান্তবোৰৰ মাজেৰে পোৱা যায়। এনে সিদ্ধান্ত আৰু তথ্যবোৰ আকৌ সমাজবোৰ কেনে পৰিৱেশত আছে তাৰ ওপৰত ভিত্তি কৰি গ্রহন কৰা হয়। অর্থাৎ পৰিৱেশ আৰু সমাজৰ মাজৰ সিদ্ধান্তবোৰ সমাজবোৰ কেনে প্রাকৃতিক পৰিৱেশৰ মাজত আছে, তাৰ ওপৰত ভিত্তি কৰি গ্রহণ কৰা হয়।

ঔপনিৱেশিকতাবাদে পৰিৱেশ আৰু সমাজৰ বিষয়ে প্রচুৰ জ্ঞান প্রদান কৰিছিল। এই জ্ঞান যথেষ্ট প্রণালীবদ্ধ ৰূপত সংগৃহীত হৈছিল। ভূতত্ত্ব (Geology), ভূগোল (Geography), প্রাণীবিদ্যা (Zoology), বনপালন বিদ্যা (Forestrey), দ্রৱচালিত অভিযন্ত্রণ (Hydraulic engineering) আদি শিক্ষণীয় বিষয়ৰ মাজেৰে কেইটামান বিষয়, যিবোৰ সৃষ্টি হৈছিল প্রাকৃতিক সম্পদবোৰৰ বিষয়ে জানিবৰ বাবে আৰু প্রাকৃতিক সম্পদবোৰ কেনেকৈ ব্যৱস্থাপনা (The management of natural resources) কৰিব পাৰি সেয়া জানিবৰ বাবে।

যি কি নহওঁক, পৰিৱেশ সম্পৰ্কীয় ব্যৱস্থাপনা (Environmental management) এটা কঠিন কাম। জৈৱ ভৌতিক প্ৰক্ৰিয়াই এইবোৰৰ বিষয়ে ভৱিষ্যতবাণী কৰা আৰু নিয়ন্ত্ৰণ কৰাৰ সম্পৰ্কে অধিক জনা নাযায়। লগতে পৰিৱেশৰ সৈতে মানুহৰ সম্পৰ্ক দিনক দিনে জটিল হৈ আহিছে। ঔদ্যোগীকৰণ বিস্তাৰ হোৱাৰ পৰিপ্ৰেক্ষিতত সম্পদ উৎপাদনো তীব্ৰ গতিত বৃদ্ধি হোৱা দেখিবলৈ পোৱা গৈছে। ইয়াৰ পৰিণাম স্বৰূপে পাৰিপাৰ্শ্বিক ব্যৱস্থাও অভূতপূৰ্ব ধৰণে পৰিৱৰ্তন হৈছে। লগে লগে মানৱ সমাজ বিপদ সংকুল অৱস্থাৰ মাজলৈ গতি কৰিছে। আমি এতিয়া এনে বিপদসংকুল সমাজ (Risk Societies) ত বসবাস কৰিছোঁ, য'ত আমি ভিন্ন ধৰণৰ প্ৰযুক্তিবিদ্যা আৰু উৎপাদিত সামগ্ৰী ব্যৱহাৰ কৰিছোঁ, যিবোৰত আমাৰ নিয়ন্ত্ৰণ নাই। কেতিয়াবা নিয়ন্ত্ৰণহীন হৈ পৰা প্ৰযুক্তিবিদ্যাই পৰিৱেশ প্ৰদূষিত কৰি জনসমাজলৈ বিপৰ্যয় কঢ়িয়াই আনে। উদাহৰণস্বৰূপে, কিছুমান আকস্মিক ঘটনা যেনে- চেৰণ'বীলৰ পাৰমাণৱিক দুৰ্ঘটনা, ভূপালৰ ঔদ্যোগিক দুৰ্ঘটনা, ইউৰোপৰ 'মেড্ কাও' ইত্যাদিয়েই বুজাই দিয়ে যে ঔদ্যোগিক ক্ষেত্ৰত পৰিৱেশ বিপদাপন্ন হয়।

**ভূপালৰ ঔদ্যোগিক দুৰ্ঘটনাৰ দায়ী কোন?**

১৯৮৪ চনৰ ৩ ডিচেম্বৰ, নিশা ভূপালত এবিধ মাৰাত্মক গেছে চাৰি হাজাৰ লোকৰ প্ৰাণহানি আৰু আন দুই লাখ লোকক চিৰদিনৰ বাবে পঙ্গু কৰি থৈ গ'ল। পিছত সেই গেছবিধক মিথাইল আইচ'চায়েনেট (MIC) বুলি চিনাক্ত কৰা হৈছিল, যিটো ভুলবশতঃ ইউনিয়ন কাৰ্বাইড কীটনাশক কাৰখানাৰ পৰা নগৰখনলৈ বিয়পি পৰিছিল। বিজ্ঞান আৰু পাৰিপাৰ্শ্বিক কেন্দ্ৰই নিজৰ 'ষ্টেট অৱ ইণ্ডিয়াজ এনভাইৰ'ণমেণ্টঃ দা চেকেণ্ড চিটিজেনচ' ৰিপ'ৰ্ট' (State of India's Environment: The Second Citizens' Reoprt) ত এই দুৰ্ঘটনাৰ কাৰণবোৰ চালি-জাৰি সন্নিৱিষ্ট কৰিছিল।

ইউনিয়ন কাৰ্বাইড (Union Carbide) ব্যৱসায়িক জোঁটক ১৯৭৭ চনত ভূপালত সকলোৱে আদৰণি জনোৱাৰ কাৰণ আছিল ভূপালবাসীৰ বাবে কৰ্মসংস্থান আৰু ধন, দেশৰ বাবে বৈদেশিক মুদ্ৰা ৰাহি, সেউজ বিপ্লৱৰ পৰিপ্ৰেক্ষিতত কীটনাশক দ্ৰব্যৰ বৰ্দ্ধিত চাহিদা ইত্যাদি। এম.আই.চি. প্লেণ্টত আৰম্ভণিৰ পৰা বেমেজালিয়ে দেখা দিছিল— কেইবা ঠাইতো বিন্ধা ওলাইছিল আৰু এই দুৰ্ঘটনাটো সংঘটিত হোৱাৰ আগেয়ে এজন গেছ অপাৰেটৰৰ মৃত্যু হৈছিল। উল্লেখনীয়ভাৱে পৌৰ নিগমৰ মুখ্য বিষয়াই ইউনিয়ন কাৰ্বাইডক ভূপাল ত্যাগ কৰিবলৈ ১৯৭৫ চনত জাননী দিছিল; অথচ চৰকাৰে সেই সতৰ্কবাণী দৃঢ়তাৰে প্ৰত্যাখ্যান কৰিছিল। সেই বিষয়াজনক বদলি কৰা হৈছিল আৰু ইউনিয়ন কাৰ্বাইডে নিগমক উদ্যান নিৰ্মাণৰ বাবে পঁচিশ হাজাৰ টকা দান কৰিছিল।

সতৰ্কবাণী আহিয়েই আছিল। ১৯৮২ চনৰ মে' মাহত 'ইউনিয়ন কাৰ্বাইড কৰ্প'ৰেচন, আমেৰিকা'ৰ পৰা তিনিগৰাকী বিশেষজ্ঞ আহি কাৰখানাটোৰ সুৰক্ষা ব্যৱস্থাবোৰ পৰ্যৱেক্ষণ কৰি ত্ৰুটিবোৰ আঙুলিয়াই দিছিল। এই শংকাজনক তথ্যবোৰ এখন স্থানীয় সাপ্তাহিক পত্ৰিকা 'ৰাপত'

(Rapat)ত ১৯৮২ চনত ভৱিষ্যৎবাণী ৰূপে এলানি প্ৰবন্ধ আকাৰত প্ৰকাশ পাইছিল। ঠিক সেই একে সময়তে, কাৰখানাৰ কৰ্মচাৰী সংঘই কেন্দ্ৰীয় মন্ত্ৰীবৰ্গ আৰু মুখ্যমন্ত্ৰীক পৰিস্থিতিৰ ভয়াবহতাৰ বিষয়ে লিখিত ৰূপত অৱগত কৰাইছিল। ৰাজ্যিক শ্ৰম মন্ত্ৰীয়ে কাৰখানাটো সুৰক্ষিত বুলি বিধায়কসকলক কেইবাবাৰো আশ্বাস দিছিল। এই দুৰ্ঘটনাটোৰ মাত্ৰ কেইসপ্তাহমান পূৰ্বে ৰাজ্যিক পৰিৱেশ নিয়ন্ত্ৰণ পৰিষদে কাৰখানাটোক প্ৰদূষণমুক্ত প্ৰমাণপত্ৰ প্ৰদান কৰিছিল। কেন্দ্ৰীয় চৰকাৰে চৰকাৰৰ এনে স্থিতি সাধাৰণভাৱে গ্ৰহণ কৰিছিল। ৰাজ্য চৰকাৰে প্লেণ্টটোক অনুমতি প্ৰদান কৰি প্লেণ্টৰ সুৰক্ষা বিষয়ক লিখিত বৃত্তান্তক কেৱল প্ৰত্যাখ্যান কৰাই নহয়, পৰিৱেশ বিভাগৰ বিপদসংকুল প্লেণ্টৰ ওপৰত থকা নিয়মাৱলীকো উলংঘা কৰিছিল।

কিয় এই নিয়মাৱলী আৰু সতৰ্কবাণী উলংঘা কৰা হ'ল তাৰ কাৰণ অতি স্পষ্ট আছিল। এই ব্যৱসায়িক জোঁটটোৱে প্ৰভাৱশালী ৰাজনীতিক আৰু আমোলাৰ আত্মীয়সকলক নিযুক্তি দিছিল। ইয়াৰ ন্যায়িক উপদেষ্টাজন আছিল এজন প্ৰভাৱশালী ৰাজনীতিক আৰু জনসম্পৰ্কৰক্ষী বিষয়াজন আছিল এজন প্ৰাক্তন মন্ত্ৰীৰ ভতিজা। ব্যৱসায়িক জোঁটৰ বিলাসী অতিথিশালা সদায় ৰাজনীতিকসকলৰ বাবে মুকলি আছিল। তথ্যমতে মুখ্যমন্ত্ৰীৰ পত্নীয়ে আমেৰিকা ভ্ৰমণবোৰত উক্ত ব্যৱসায়িক জোঁটৰ ব্যয়বহুল আতিথ্য গ্ৰহণ কৰিছিল আৰু এই ব্যৱসায়িক জোঁটটোৱে মুখ্যমন্ত্ৰীৰ গৃহ চহৰত এক কল্যাণকামী সংগঠনৰ ডেৰ লাখ টকা দান হিচাপে আগবঢ়াইছিল। ইউনিয়নৰ কাৰ্বাইড নিগমে এই দুৰ্ঘটনাত পূৰ্ণ ভূমিকা গ্ৰহণ কৰিছিল। ভূপালৰ প্লেণ্টৰ গাঁথনি নিম্নমানৰ আছিল, সুৰক্ষাৰ নামত থাকিবলগীয়া বহুতো ব্যৱস্থা তাত নাছিল। প্লেণ্টটোত কম্পিউটাৰৰ দ্বাৰা বিপদৰ আগজাননী দিব পৰা ব্যৱস্থা নাছিল, যিটো ব্যৱসায়িক জোঁটৰ আমেৰিকাস্থিত কাৰখানাবোৰৰ এক অনিবাৰ্য অংগ আছিল। ব্যৱসায়িক জোঁটটোৱে ইয়াৰ স্থানীয় লোকসকলৰ সৈতে লগলাগি জৰুৰীকালীন পৰিস্থিতিত কাৰখানাত আৱদ্ধ লোকসকলক কেনেদৰে বাহিৰলৈ উলিয়াই আনিব পৰা যাব সেই বিষয়ক কোনো আগতীয়া কাৰ্যপন্থা হাতত লোৱা নাছিল। এই প্লেণ্টটোত কোনো ধৰণৰ মেৰামতি কৰা হোৱা নাছিল আৰু দক্ষতাৰে পৰিচালনা কৰাও হোৱা নাছিল। কৰ্মচাৰীসকলৰ মনোবল ভাগি পৰিছিল, কাৰণ বিক্ৰী যোৱাৰ বাবে ব্যৱসায়িক জোঁটটো লোকচানত চলিছিল। কৰ্মচাৰীৰ সংখ্যা কমোৱা হৈছিল। বহুতো অভিযন্তা আৰু অপাৰেটৰে কাম এৰিছিল। ইয়াৰ ফলত বাকী থকা কৰ্মচাৰীসকলৰ বাবে সকলোবোৰ কাম সম্পন্ন কৰাটো অসম্ভৱ হৈ পৰিছিল। বহু যন্ত্ৰপাতি বিকল হৈছিল।

**পৰ্যালোচনা ঃ** কোনবোৰ সামাজিক সংস্থা আৰু সংগঠনে ভূপালৰ গেছ দুৰ্ঘটনাৰ দৰে অন্য ঔদ্যোগিক দুৰ্ঘটনাবোৰত বিশেষ ভূমিকা পালন কৰে? এই দুৰ্ঘটনাবোৰ নহ'বৰ বাবে কেনেধৰণৰ উপায় গ্ৰহণ কৰিব পাৰি?

**মুখ্য পৰিৱেশ  সম্পৰ্কীয় সমস্যা আৰু শংকাবোৰ (Major Environmental Problems and Risks) ঃ**

পৰিৱেশ সম্পৰ্কীয় শংকাবোৰ, সমস্যাবোৰ পৰিস্থিতি সাপেক্ষে দেশভেদে বেলেগ বেলেগ হ'ব পাৰে। পৰিৱেশজনিত এনে সমস্যাবোৰে সৃষ্টি কৰা সামাজিক সমস্যাও দেশ আৰু অঞ্চলভেদে কিছু ভিন্নতা আহিব পাৰে। তলত কিছু সংখ্যক পৰিৱেশ জনিত সমস্যাৰ বিষয়ে চমুকৈ আলোচনা কৰা হৈছে।

**(ক) সম্পদৰ হ্ৰাস (Resource Depletion) ঃ**

পুনৰাই ব্যৱহাৰ কৰিব নোৱাৰা বহু প্ৰাকৃতিক সম্পদ ক্ষিপ্ৰ গতিত ব্যৱহাৰ কৰাৰ ফলত এই সম্পদবোৰ হ্ৰাস পাই আহিছে। যিটো সময়ত জীৱাশ্মীয় ইন্ধন, বিশেষকৈ পেট্ৰলিয়াম বহুলভাৱে ব্যৱহাৰ কৰাৰ ফলত এই প্ৰাকৃতিক সম্পদ কমি আহিছে, ঠিক তেনেদৰে কয়লাৰ দৰে প্ৰাকৃতিক সম্পদো কমি আহিছে। আকৌ আনফালে পানী আৰু ভূমিক অধিক ব্যৱহাৰ কৰাৰ ফলত এই দুই অত্যন্ত গুৰুত্বপূৰ্ণ প্ৰাকৃতিক সম্পদৰ ক্ষেত্ৰটো বিপৰ্যয় হ'বলৈ ধৰিছে। সমগ্ৰ ভাৰততে ভূমিজলৰ স্তৰ দ্ৰুত গতিত হ্ৰাস পাইছে, বিশেষকৈ এই বিষয়টোৱে পঞ্জাৱ, হাৰিয়ানা আৰু উত্তৰ প্ৰদেশত উদ্বেগজনক সমস্যাৰ সৃষ্টি কৰিছে। কৃষিক্ষেত্ৰ, উদ্যোগ বা ঘৰৰ জনসংখ্যা উদ্বেগজনকভাৱে হ্ৰাস পাইছে।

**(খ) প্ৰদূষণ (Pollution) ঃ**

বিশ্বৰ বহু দেশৰ বহু অঞ্চলত প্ৰদূষণ এটা গুৰুত্বপূৰ্ণ পৰিৱেশ  সম্পৰ্কীয় সমস্যা হিচাপে পৰিগণিত হৈছে। এই প্ৰদূষণবোৰ ভিন্নধৰণৰ হ'ব পাৰে। যেনে- বায়ু, প্ৰদূষণ, ভূমি প্ৰদূষণ, শব্দ প্ৰদূষণ ইত্যাদি। এই প্ৰদূষণসমূহৰ ভিতৰত বায়ু প্ৰদূষণ এক অত্যন্ত গুৰুত্বপূৰ্ণ পৰিৱেশীয় সমস্যা ৰূপে দেখা দিছে। বিশ্বৰ বহু দেশৰ, নগৰ আৰু গাঁও উভয় অঞ্চলতে বায়ু প্ৰদূষণে সমস্যাৰ সৃষ্টি কৰি আহিছে। আৰু এনে বায়ু প্ৰদূষণে নানা স্বাস্থ্যজনিত সমস্যাৰ সৃষ্টি কৰিছে। এই বায়ু প্ৰদূষণৰ মূল উৎসবোৰ হ'ল— উদ্যোগ, যান-বাহনৰ পৰা নিৰ্গত হোৱা বিষাক্ত গেছ, ভিন্ন কামত প্ৰচুৰ পৰিমাণে গাড়ীৰ টায়াৰ জ্বলোৱাৰ পৰিপ্ৰেক্ষিতত সৃষ্টি হোৱা ধোঁৱা, কয়লাৰ ধোঁৱা, ঘৰুৱা ইন্ধন সামগ্ৰী, ঘৰত ব্যৱহৃত কিছুমান যন্ত্ৰ ইত্যাদি। আমি সকলোৱে যান-বাহন আৰু কল-কাৰখানাৰ চিমনীৰ পৰা আৰু যান-বাহনৰ নলীয়েদি ধোঁৱা ওলাই যোৱাও নিশ্চয় দেখিছোঁ। কিন্তু সাধাৰণতে এইটো অনুভৱ নকৰোঁ যে ঘৰত ৰান্ধিবলৈ জ্বলোৱা জুইকুৰাও বাসগৃহৰ আভ্যন্তৰীণ প্ৰদূষণৰ গুৰুত্বপূৰ্ণ উৎস। আমাৰ গাঁওবোৰত ঘৰে ঘৰে ব্যৱহাৰ কৰা কেঁচাখৰি বা নিম্ন মানৰ খৰি, অনুপযুক্ত চৌকা আৰু নিম্নমানৰ বায়ু চলাচলৰ ব্যৱস্থা আদিৰ সংমিশ্ৰণত গাঁৱৰ নাৰীসকলৰ জীৱন শংকাজনক হোৱাৰ সম্ভাৱনা অধিক। এইক্ষেত্ৰত মহিলাসকলেই বেছিকৈ ৰন্ধন কাৰ্যত জড়িত। বিশ্ব স্বাস্থ্য সংস্থাৰ মতে ১৯৯৮ চনত আভ্যন্তৰীণ প্ৰদূষণৰ ফলত ভাৰতত প্ৰায় ছয়লাখ লোক মৃত্যুমুখত পৰিছিল আৰু তাৰে ভিতৰত প্ৰায় পাঁচলাখ লোক গ্ৰামীণ অঞ্চলৰ বাসিন্দা। (Giddens 2004: 614. Table 19.1 taken from the **Human Development Report**, 1998 of the United Nations Development Programme, which quotes the World Health Organization statistics)।



**চিত্ৰ ঃ নিৰ্বনানীকৰণ (Deforestation)**



**চিত্ৰ ঃ ঔদ্যোগিক প্ৰদূষণ (Industrial pollution)**

বিভিন্ন উদ্যোগ যেনে— তেল শোধনাগাৰ, চিমেণ্ট উদ্যোগ, চামৰাৰ উদ্যোগ, ৰং প্ৰস্তুতকৰণ উদ্যোগ, ৰাসায়নিক সাৰ কাৰখানা, তাপ বিদ্যুৎ প্ৰকল্প ইত্যাদিৰ পৰা নিৰ্গত ভিন্ন গেছে বায়ু দূষিত কৰি মানুহৰ স্বাস্থ্যৰ প্ৰতি ভাবুকি আনি ভিন্ন ধৰণৰ অসুখৰ সৃষ্টি কৰে। আকৌ যান-বাহনত পেট্ৰ'ল, ডিজেল দহন কৰাৰ ফলত, ভিন্ন কাৰণত পৰ্যাপ্ত পৰিমাণৰ গাড়ীৰ টায়াৰ জ্বলোৱাৰ ফলত অধিক পৰিমাণৰ কাৰ্বন-ডাই-অক্সাইড, কাৰ্বন-মনক্সাইড আদি উৎপন্ন হয়, যি বায়ু প্ৰদূষণ কৰি মানৱ সমাজলৈ বিপদ কঢ়িয়াই আনে। এনে ধৰণেৰে বায়ু প্ৰদূষণ হোৱাৰ ফলশ্ৰুতিত মানুহৰ মূৰৰ বিষ, ছালৰ ৰোগ, হৃদযন্ত্ৰৰ সমস্যা, স্নায়ুতন্ত্ৰৰ সমস্যা আদিৰ সৃষ্টি হয়।



**চিত্ৰ ঃ বেঙেনাৰ বাগিছাত বীজাণুনাশক দ্ৰব্য প্ৰয়োগ (Spraying pesticide in a brinjal field)**

আন এক পৰিৱেশ প্ৰদূষণ হ'ল জল প্ৰদূষণ। ইয়াৰ ফলশ্ৰুতিত পৃথিৱীৰ এক অংশ লোকে বিশুদ্ধ পানীৰ সংকটত পৰিবলগীয়া হৈছে। এই জল প্ৰদূষণৰ মুখ্য উৎসবোৰৰ ভিতৰত কেৱল ঘৰুৱা নলা-নৰ্দমাই আৰু কাৰখানাৰ পৰা সৃষ্টি হোৱা বৰ্জনীয় পদাৰ্থবোৰেই নহয়, খেতি পথাৰত ব্যৱহাৰ কৰা কৃত্ৰিম সাৰ, কীটনাশক দ্ৰব্যইও পানী প্ৰদুষিত কৰে। জলপ্ৰদূষণৰ মূল কাৰকবোৰ হ'ল ভূ-গৰ্ভৰ পানীত মিহলি হৈ থকা ফ্ল'ৰাইড, আৰ্চেনিক ইত্যাদি যৌগবোৰ, ভিন্নধৰণৰ উদ্যোগৰ পৰা সৃষ্টি হোৱা বৰ্জিত পদাৰ্থ, অবিজ্ঞানসন্মত নলা-নৰ্দমাৰে সঠিক স্থানলৈ পঠাব নোৱাৰা, নগৰ-চহৰত উৎপন্ন হোৱা বৰ্জিত পদাৰ্থ, বানপানীৰ প্ৰদূষিত পানী দৈনন্দিন জীৱনত ব্যৱহাৰ কৰা পানীৰ উৎসত মিহলি হোৱা ইত্যাদি কাৰকৰ ফলত পানী প্ৰদূষিত হয়। নদী আৰু জলবায়ুৰ প্ৰদূষণ বিশেষকৈ এটি মুখ্য সমস্যা হৈ পৰিছে।

শব্দ প্ৰদূষণো এক প্ৰকাৰৰ পৰিৱেশ প্ৰদূষণ। বিশেষকৈ নগৰ-মহানগৰবোৰ শব্দ প্ৰদূষণত পীড়িত হৈ আছে। 'বিশ্ব স্বাস্থ্য সংস্থা' (WHO) এ প্ৰকাশ কৰিছে যে, শব্দ প্ৰদূষণে কেৱল পৰিৱেশৰ ওপৰতেই প্ৰভাৱ নেপেলায়, ই জনসাধাৰণৰ স্বাস্থ্যৰ ওপৰতো প্ৰভাৱ পেলায়। শব্দ প্ৰদূষণৰ কাৰকবোৰ হ'ল— যান-বাহনৰ বৃহৎ শব্দ, ধৰ্মীয় আৰু সাংস্কৃতিক অনুষ্ঠান, মেলাবোৰত ব্যৱহাৰ কৰা লাউড-স্পীকাৰ, ৰাজনৈতিক প্ৰচাৰ অভিযান, নিৰ্মাণ কাৰ্যত ব্যৱহৃত তীব্ৰ শব্দৰ যন্ত্ৰ ইত্যাদি। এনে শব্দ প্ৰদূষণে জনসমাজত প্ৰভাৱ পেলায়। বিভিন্ন ঠাইত ভিন্ন কাৰকৰ ফলত সৃষ্ট ভূমি প্ৰদূষণো আন এক পৰিৱেশীয় সমস্যা। কৃষি পথাৰত অত্যাধিক কৃত্ৰিম সাৰ, কীট নাশক দ্ৰব্যৰ ব্যৱহাৰ, ভিন্ন উদ্যোগ, কল-কাৰখানাৰ পৰা নিৰ্গত বৰ্জিত পদাৰ্থ, নগৰ-চহৰত দৈনন্দিন সৃষ্ট পেলনীয়া দ্ৰব্য, বৰ্জিত বস্তু ইত্যাদি অবিজ্ঞানসন্মতভাৱে পেলোৱাৰ ফলত বিভিন্ন ঠাইত ভূমি প্ৰদূষণ হৈ মানুহৰ ওপৰত প্ৰভাৱ পেলায়।

**(গ) গোলকীয় উষ্ণতা বৃদ্ধি (Global Warming) ঃ**

বিশেষ কিছুমান গেছে (কাৰ্বন-ডাই অক্সাইড, মিথেন আৰু অন্যান্য গেছ) সূৰ্যৰ তাপ ধৰি ৰাখি পুনৰ বায়ুমণ্ডললৈ ওলাই যাবলৈ নিদিয়ে। ফলত এক ‘সেউজ গৃহ’ (Green House) প্ৰভাৱৰ উদ্ভৱ হয়। ইয়েই অলপ হ’লেও গুৰুত্বপূৰ্ণভাৱে গোলকীয় উষ্ণতাৰ পৰিমাণ বৃদ্ধি কৰে। ফলত মেৰু অঞ্চলৰ বৰফ গলি সাগৰৰ জলপৃষ্ঠ ওপৰলৈ উঠি আহি উপকূলীয় অঞ্চল পানীত ডুব যোৱাৰ উপক্ৰম হৈছে । লগতে অতি গুৰুত্বপূৰ্ণ কথা হ’ল পাৰিপাৰ্শ্বিক ভাৰসাম্যৰ ক্ষেত্ৰতো ইয়াৰ প্ৰভাৱ পৰে। গোলকীয় উষ্ণতাৰ পৰিণামস্বৰূপে সমগ্ৰ পৃথিৱীৰ জলবায়ুত প্ৰচুৰ হেন্দোলনি আৰু অনিশ্চয়তা সমাগত। পৃথিৱীলৈ কাৰ্বন আৰু সেউজগৃহ গেছ নিৰ্গতকৰণৰ ক্ষেত্ৰত চীন আৰু ভাৰতে বৰ্দ্ধিত হাৰত বৰঙণি যোগাইছে।

**(ঘ) জিনীয়ভাৱে পৰিৱৰ্তন কৰা জীৱ (Genetically Modified Organisims) ঃ**

বৈজ্ঞানিকসকলে জিন-স্পাইচিং (Gene-Splicing) পদ্ধতিৰ নতুন কৌশলেৰে এটা প্ৰজাতিৰ পৰা জিন আনি আন এটা প্ৰজাতিত সংস্থাপন কৰি নতুন বৈশিষ্ট্য সম্পন্ন প্ৰজাতিৰ সৃষ্টি কৰিছে। উদাহৰণস্বৰূপে— বেছিলাছ থুৰিংইনেচিচ, (Bacillus Thuringiensis) ৰ জিন কপাহ প্ৰজাতিত স্থাপন কৰি ব’ল ৱৰ্ম (Boll Worm) নামৰ এবিধ কীট-প্ৰতিৰোধী কপাহ প্ৰজাতিৰ সৃষ্টি কৰিছে। জিনীয় পৰিৱৰ্তন (Genetic modification) প্ৰয়োগৰ দ্বাৰা বাঢ়নৰ কাল চমু কৰা, শস্যৰ আকাৰ বঢ়োৱা আৰু ফচল সৰহ দিনলৈ সংৰক্ষণ কৰিব পৰা যায়। অৱশ্যে সুদীৰ্ঘ কালত এনে খাদ্যই লোকসকলৰ ওপৰত অথবা পাৰিপাৰ্শ্বিক ব্যৱস্থা প্ৰণালীত জেনেটিক ম’ডিফিকেচনে কেনে ক্ৰিয়া কৰিব এই বিষয়ে অধিক জ্ঞাত নহয়। কৃষি ব্যৱসায়িক জোঁটবোৰে জেনেটিক ম’ডিফিকেচনক প্ৰয়োগ কৰি খেতিয়কসকল যাতে অনুৰ্বৰ বীজ উৎপাদন আৰু ব্যৱহাৰৰ পৰা হাত সাৰিব পাৰে, লগতে উন্নত ফচল দিব পৰা গুণসম্পন্ন বীজৰ ওপৰত তেওঁলোকে সম্পূৰ্ণভাৱে নিৰ্ভৰ কৰাৰ নিশ্চয়তা থাকে তাৰ বাবে ব্যৱস্থা ল’ব পাৰে।

**(ঙ) প্ৰাকৃতিক আৰু মানৱসৃষ্ট পৰিৱেশ সম্বন্ধীয় বিপৰ্যয় (Natural and Manmade Environmental Disasters) ঃ**

এইটো এটা আত্ম-ব্যাখ্যামূলক বৰ্ণনা। ১৯৮৪ চনৰ ভূপাল বিপৰ্যয়ত ইউনিয়ন কাৰ্বাইড কাৰখানাৰ পৰা নিৰ্গত বিষাক্ত গেছে চাৰি হাজাৰ লোকৰ প্ৰাণ লৈছিল আৰু ২০০৪ চনত ছুনামীয়ে হাজাৰ হাজাৰ মানুহৰ মৃত্যু ঘটাইছিল। মানৱসৃষ্ট আৰু প্ৰাকৃতিক পৰিৱেশ সম্বন্ধীয় এই দুৰ্ঘটনাবোৰ বেছিদিনৰ আগৰ কথা নহয়।

**পৰিৱেশ সম্বন্ধীয় সমস্যাবোৰ সামাজিক সমস্যা কিয় হয় (Why Environmental Problems are also Social Problems) ঃ**

পৰিৱেশ সম্বন্ধীয় সমস্যাবোৰে বিভিন্ন সমূহৰ ওপৰত কি ধৰণে প্ৰভাৱ পেলায় সেয়া হৈছে সামাজিক অসমতাই (Social inequality) কৰা এক কাৰ্য। মানুহে কিমান দূৰ নিজকে পৰিৱেশ সম্বন্ধীয় সমস্যাৰ পৰা বচাই ৰাখিব বা অতিক্ৰম কৰিব পাৰিব সেইটো সামাজিক স্থিতি আৰু ক্ষমতাই নিৰ্ধাৰণ কৰে। কিছুমান ক্ষেত্ৰত তেওঁলোকৰ সমাধানে প্ৰকৃততে পৰিৱেশ সম্বন্ধীয় বৈষম্য বঢ়াইহে তোলে। গুজৰাটৰ কচ্ছ, অঞ্চল য’ত পানী পৰ্যাপ্ত পৰিমাণে নাই, সেই অঞ্চলৰ ধনী কৃষকসকলে অৰ্থকৰী শস্য (Cash crop)ৰ বাবে পানী যোগান ব্যৱস্থাত ব্যয়বহুল গভীৰ

নলীনাদ (Deep tubewell) বহুৱাই ভূমিজল উপলব্ধ কৰিছে। বৰষুণ নোহোৱা দিনত গাঁৱৰ দুখীয়ালোকৰ কেঁচা কুঁৱাবোৰ শুকাই যায় আৰু তেনে অৱস্থাত তেওঁলোকে পিয়াহৰ পানীটোপাৰ বাবেও হাহাকাৰ কৰিবলগীয়া হয়। এনে সময়ত ধনী কৃষক শ্ৰেণীৰ লহপহীয়া সেউজীয়া পথাৰবোৰে তেওঁলোকক যেন ইতিকিং কৰে। কিছুমান পৰিৱেশ সম্পৰ্কীয় চিন্তাধাৰা কেতিয়াবা কেৱল নিৰ্দিষ্ট বিশেষ সামাজিক সমূহৰ মাজতে আৱদ্ধ হৈ নাথাকি সাৰ্বজনীন চিন্তাৰ বিষয় হৈ পৰে। উদাহৰণস্বৰূপে, বায়ু প্ৰদূষণ হ্ৰাস কৰা বা জৈৱবৈচিত্ৰতা নিৰাপত্তা প্ৰদান কৰা কাৰ্যই সকলোৰে হিত সাধন কৰিব। কিন্তু এক সমাজতাত্ত্বিক বিশ্লেষণে দেখুৱাইছে যে কেতিয়াবা জনসাধাৰণক অগ্ৰাধিকাৰ দি স্থিৰ কৰা বিষয়বোৰ কাৰ্যক্ষেত্ৰত আগুৱাই নিওঁতে সাৰ্বজনীন ৰূপত হিতকৰ নহ'বও পাৰে। সৰ্বসাধাৰণ ৰাইজৰ লাভালাভৰ বাবে থকা নীতিবোৰে প্ৰকৃতাৰ্থত নিৰ্দিষ্ট ৰাজনৈতিক আৰু অৰ্থনৈতিকভাৱে ক্ষমতাশালী সমূহৰ স্বাৰ্থহে পূৰণ কৰে অথবা দুখীয়া আৰু ৰাজনৈতিকভাৱে দুৰ্বলসকলৰ স্বাৰ্থত আঘাত সানে। ডাঙৰ ডাঙৰ বান্ধ আৰু তাৰ ওচৰে-পাজৰে অৱস্থিত সংৰক্ষিত অঞ্চল সম্বন্ধীয় বিবাদবোৰলৈ মন কৰিলে দেখা যায় যে পৰিৱেশ জনসাধাৰণৰ বাবেই হৈ পৰিছে এক তীব্ৰ প্ৰতিযোগিতাৰ ক্ষেত্ৰ।

সামাজিক পৰিস্থিতিবিজ্ঞান (Social Ecology) ৰ চিন্তাধাৰাই বিশেষকৈ সম্পত্তি আৰু উৎপাদন সংগঠনৰ কিছুমান সম্বন্ধ দেখুৱাইছে, যিবোৰে পৰিৱেশ সম্বন্ধীয় চেতনা আৰু প্ৰচলিত ৰীতিক গঢ় দিয়ে। ভিন ভিন সামাজিক সমূহে পৰিৱেশৰ সৈতে ভিন ভিন সম্বন্ধত স্থিতি লয় আৰু দৃষ্টিভংগীও বেলেগ বেলেগ হয়। সৰ্বাধিক ৰাজহ আদায়ৰ উদ্দেশ্য আগত ৰাখি বনবিভাগে বৃহৎ পৰিমাণৰ বাঁহ, কাকত উদ্যোগলৈ যোগান ধৰাৰ প্ৰস্তুতি চলাই এখন অৰণ্যক ব্যৱহাৰ কৰে। আনহাতে এজন কাৰিকৰে বাঁহৰপৰা পাচি আৰু আন সামগ্ৰী সজাৰ উদ্দেশ্যেৰে অৰণ্যৰপৰা বাঁহ সংগ্ৰহ কৰে। তেওঁলোকৰ স্বাৰ্থ আৰু আদৰ্শৰ বিভিন্নতাই পাৰিপাৰ্শ্বিক সংঘৰ্ষৰ সূত্ৰপাত ঘটায়। এনে অৰ্থত পৰিৱেশ সম্বন্ধীয় সংকটৰ গুৰি ধৰিছে, সামাজিক বৈষম্যই। পৰিৱেশ সম্বন্ধীয় সমস্যাবোৰ সমাধান কৰিবলৈ হ'লে পৰিৱেশ আৰু সমাজৰ সম্বন্ধবোৰৰ পৰিৱৰ্তন হ'ব লাগিব আৰু তাৰ বাবে বিভিন্ন সামাজিক সমূহৰ মাজৰ সম্বন্ধ সলনি কৰিবলৈ প্ৰচেষ্টা চলাব লাগিব; যেনে— পুৰুষ আৰু নাৰী, নগৰীয়া আৰু গাঁৱলীয়া লোক, মাটিৰ মালিক আৰু শ্ৰমিক ইত্যাদি। পৰিৱৰ্তিত সামাজিক সম্বন্ধই বিভিন্ন জ্ঞান ব্যৱস্থাৰ সৃষ্টি কৰাৰ উপৰি পৰিৱেশক সুচাৰুৰূপে পৰিচালনা কৰা ধাৰণাবোৰৰ জন্ম দিয়ে।

> সামাজিক পৰিস্থিতি বিজ্ঞানত 'সামাজিক' বুলি কোৱাৰ শব্দগত ব্যাখ্যা এনেদৰে দিব পৰা যায় — দকৈ শিপোৱা সামাজিক সমস্যাবোৰ, যিবোৰ প্ৰায়ে উপেক্ষা কৰি অহা হৈছে, সেই সমস্যাবোৰৰ পৰাই আমাৰ প্ৰায়বোৰ সাম্প্ৰতিক পৰিৱেশ সম্বন্ধীয় সমস্যাৰ উদ্ভৱ হৈছে। আলাপ-আলোচনা মতে বৰ্তমানৰ পৰিৱেশ সম্বন্ধীয় সমস্যাবোৰ তেতিয়ালৈকে স্পষ্টকৈ বুজি পোৱা নাযাব আৰু সেইবোৰৰ সমাধান নহ'ব, যেতিয়ালৈকে সমাজৰ সমস্যাবোৰ দৃঢ়তাৰে দূৰ কৰা নহয়। এই কথাটো অধিক স্পষ্টকৈ বুজিবলৈ আমি বৰ্তমান সন্মুখীন হোৱা পাৰিপাৰ্শ্বিক স্থানচ্যুতিৰ উৎসবোৰ বুজিব লাগিব, যিবোৰৰ কেন্দ্ৰ হৈছে অৰ্থনৈতিক, নৃগোষ্ঠীয়, সাংস্কৃতিক আৰু লিঙ্গ মতভেদ আদি সমস্যাবোৰ। ইয়াৰ উপৰি প্ৰাকৃতিক প্ৰলয়ৰ পৰা উৎপন্ন হোৱা সমস্যাবোৰ আছেই।
>
> মুৰে বুকচিন (Murray Bookchin), ৰাজনৈতিক দাৰ্শনিক আৰু সামাজিক পৰিস্থিতি বিজ্ঞান সংস্থা (Institute for Social Ecology) ৰ সংস্থাপক।

**বহনক্ষম উন্নয়ন (Sustainable Development)ঃ**

পাৰিপাৰ্শ্বিকতাৰ সৈতে অৰ্থনীতিৰ এক এৰাব নোৱাৰা জটিল সম্পৰ্ক আছে। কিন্তু এটা কথা সদায় মনত ৰখা উচিত যে যদিহে আমি এই দুয়োটাৰ মাজত ভাৰসাম্যতা বজাই ৰাখি জীৱন-নিৰ্বাহ কৰিবলৈ নিশিকো তেন্তে আমাৰ আহিবলগীয়া প্ৰজন্মৰ জীৱন অন্ধকাৰৰ দিশে আগুৱাই গৈ থাকিব। যোৱা ৩০০ বছৰৰ যি দ্ৰুতগতিত সমগ্ৰ বিশ্বতে অৰ্থনৈতিক উন্নয়ন হৈছে আৰু আমি যি ক্ষিপ্ৰতাৰে প্ৰকৃতিৰ বুকুৰ পৰা প্ৰাকৃতিক সম্পদসমূহ আহৰণ কৰি উন্নয়নৰ জখলাৰে আগবাঢ়িছো, ই প্ৰায় নিশ্চিত যে অতি সোনকালে প্ৰকৃতিৰ বুকুৰ পৰা বহুতো জীৱ তথা বনাঞ্চল, আপুৰুগীয়া প্ৰাণী লাহে লাহে প্ৰায় নোহোৱা হ'বগৈ। যি গতিত আমি অনবীকৰণ (Non renewable) শক্তি আৰু প্ৰকৃতিৰ বিভিন্ন প্ৰজাতিসমূহ কেৱল ঔদ্যোগিক উন্নয়নৰ নামত ব্যৱহাৰ কৰি গৈ আছো ইয়ে আমাৰ পাৰিপাৰ্শ্বিক পৰিৱেশ লাহে লাহে ধ্বংস কৰি আনিছে। বৰ্তমান সমগ্ৰ পৃথিৱীতে সকলোৱে বুজি পাইছে যে যি গতিত আমি প্ৰাকৃতিক সম্পদসমূহ আৰু পাৰিপাৰ্শ্বিক পৰিৱেশ ধ্বংস কৰিবলৈ লৈছো ইয়াৰ পৰিণাম ভুগিব লাগিব আমাৰ আহিবলগীয়া প্ৰজন্মই।

'বহনক্ষম উন্নয়ন হৈছে এনে এক উন্নয়ন যিয়ে আমাৰ বৰ্তমানৰ প্ৰয়োজনসমূহ পূৰণ কৰাৰ লগতে ভৱিষ্যৎ প্ৰজন্মৰ অভাৱসমূহ দূৰীকৰণ কৰা ক্ষমতাতো যাতে কোনো আপোচ কৰা নহয়, ঠিক তেনেধৰণৰ এক অৰ্থনৈতিক উন্নয়ন। এইক্ষেত্ৰত আমি চকু দিব লাগিব যাতে আমি আমাৰ প্ৰয়োজন অনুসাৰেহে প্ৰাকৃতিক সম্পদ আহৰণ কৰোঁ, অবাবত যাতে সম্পদ নষ্ট নকৰোঁ আৰু প্ৰয়োজন হ'লে প্ৰযুক্তিবিদ্যাৰ ব্যৱহাৰ কৰি প্ৰকৃতিক সুৰক্ষা দি আমাৰ আহিবলগীয়া প্ৰজন্মৰ বাবে প্ৰকৃতিৰ ভাণ্ডাৰটো আটোমটোকাৰিকৈ থওঁ। বৰ্তমানৰ বাঢ়ি গৈ থকা পুঁজিবাদী অৰ্থনীতিয়ে পুৰণা বস্তুসমূহ ধ্বংস কৰি প্ৰায় প্ৰতিদিনে বজাৰলৈ নতুন নতুন সামগ্ৰী লৈ আহিছে যাতে ই ঔদ্যোগিক উন্নয়নত সহায় কৰে। দেখা যায় যে প্ৰায় সকলো দিশতে অসমানতা আছে। কেৱল অৰ্থনৈতিক বিকাশ আৰু উন্নয়নে এই অসমতা দূৰ কৰিব নোৱাৰে। এজন দৰিদ্ৰ ব্যক্তি সমাজত নিস্পেষিত শ্ৰেণীৰ অন্তৰ্ভুক্ত হৈ থাকে কিয়নো তেওঁ বাঢ়ি অহা অৰ্থনৈতিক অসমানতাৰ তথা প্ৰতিযোগিতাৰ যুঁজত থিয় দিব নোৱাৰে। তোমালোকে চিন্তা কৰি চোৱাচোন, তেনে এজন ব্যক্তিৰ আমাৰ এই আধুনিক প্ৰতিযোগিতামূলক বজাৰমুখী সমাজত স্থান নাই নেকি? তেওঁক আমি কেৱল দৰিদ্ৰ, সম্পদৰ গৰাকী নহয় বা ব্যৱহাৰ কৰিব নাই জনা বুলি অসফল বুলি কম নেকি? এইক্ষেত্ৰত যদি আমি ডাৰউইন (Darwin) ৰ 'যোগ্য ভোগ্য বসুন্ধৰা' (Survival of the fittest) সূত্ৰ মানি লৈ সমাজ ব্যৱস্থা আগবঢ়াই নিওঁ তেন্তে ভাবাচোন আমি কোন দিশলৈ গৈ আছোঁ? য'ত মানৱীয়তাৰ ন্যূনতম মূল্যও নাই বুলি ধৰি লৈ আমি কেৱল অৰ্থনৈতিক বিকাশেই সমাজৰ মূল চাবিকাঠি বুলি ভাবিম নেকি? (Why should not I be intolerant? Sunita Narain in Down to Earth, 25 January, 2016)

আমি সকলোৱে সামাজিকভাৱে বৈষম্য থকা তথা অসমান সামাজিক স্তৰীকৰণ ব্যৱস্থাই এখন সমাজত আছোঁ, য'ত সকলোৱে নিজৰ সুবিধা আৰু সামৰ্থ অনুসাৰে সম্পদ আহৰণ কৰি তথা সুবিধাসমূহ আদায় কৰি লৈ আনক নিজৰ তলতীয়া কৰি ৰাখিব বিচাৰে। বৰ্তমানৰ প্ৰচলিত সামাজিক স্তৰীকৰণ ব্যৱস্থায়ো এক বিশেষ শ্ৰেণীৰ ব্যক্তিকহে সম্পদ আহৰণ কৰাৰ লগতে সমাজৰ আন আন দিশসমূহ নিয়ন্ত্ৰণ কৰাৰ সুযোগ দিছে। কিন্তু তোমালোকে ভাবি চোৱাচোন আমি যদি কেৱল নিজৰ কাৰণেই জীয়াই থাকিবলৈ সমাজ ব্যৱস্থাৰ সৃষ্টি

কৰিছোঁ আৰু প্ৰত্যেকেই যদি কেৱল নিজৰ সুবিধাৰ কথাই ভাবে তেন্তে আমাৰ আহিবলগীয়া প্ৰজন্মৰ বাবে কি থৈ যাম ? নিজে সুবিধাসমূহ লৈ জীয়াই থাকিবলৈ যাওঁতে আমি এই কথা সদায়েই মনত ৰাখিব লাগিব যে বৰ্তমানৰ প্ৰয়োজনসমূহ পূৰণ কৰাটো আমাৰ বাবে যিমান জৰুৰী ঠিক সিমানেই ভৱিষ্যতৰ প্ৰয়োজনসমূহ কেনেকৈ পূৰণ কৰা হ'ব সেই কথাষাৰ ভবাটোও সমানেই জৰুৰী। সেয়েহে আমি সম্পদৰ সমবিতৰণৰ ওপৰত গুৰুত্ব দিব লাগে আৰু সামাজিক শ্ৰেণী হিচাপে ই আমাৰ দায়িত্ব তথা কৰ্তব্য। আমি এনে এখন সমাজ গঢ়িব লাগে য'ত সকলোৱে সমস্থান পায়। সুবিধা, সম্পদ, সন্মান আদি আহৰণ কৰিবলৈ যাওঁতে যাতে এটা শ্ৰেণী আন এটা শ্ৰেণীৰ বাধাস্বৰূপ হৈ থিয় দিবলগীয়া নহয়। এনে পৰিৱেশ সৃষ্টি কৰাটোৱেই বহনক্ষম উন্নয়নৰ উদ্দেশ্য।

এনে এক চিন্তা আগত লৈয়ে ৰাষ্ট্ৰসংঘৰ ১৯৩ খন ৰাষ্ট্ৰ আৰু বিশ্বৰ অন্যান্য উল্লেখনীয় সংস্থাসমূহে ১৭ 'গোলকীয় লক্ষ্য' (Global goal) নামৰ এক আঁচনি প্ৰস্তুত কৰি উলিয়াইছে। ইয়াৰ জৰিয়তে তেওঁলোকে ১৬৯ টা লক্ষ্য আগত লৈ ইয়াক পৰিপূৰ্ণ কৰাত গুৰুত্ব দিছে। এই লক্ষ্যসমূহ বহুক্ষেত্ৰত ৰাষ্ট্ৰসংঘৰ পূৰ্বৰ জেনেৰেল বেন কি মুন (General Ban Ki Moon) ৰ এক বিখ্যাত উক্তিত প্ৰতিফলিত হৈছে। তেখেতে কৈছিল, প্লেন বি বুলি আমাৰ হাতত কোনো প্লেন থাকিব নোৱাৰে, কাৰণ বিশ্বব্ৰহ্মাণ্ডত গ্ৰহ বি বুলি আন এটা গ্ৰহ নাই। (There can be no Plan B, because there is no Planet B)

**বৰষুণ বিহীন অঞ্চলত বৰফ আৰু জলকেন্দ্ৰিক উদ্যান (No Rain, but Snow and Water Parks) ঃ**

দেশৰ আন কিছু ঠাইৰ দৰেই বিদৰ্ভতো বৰষুণৰ পৰিমাণ কম হৈ জলবিহীন অৱস্থাৰ তাপমাত্ৰা ৪৭° হওঁতে আন কিছু ঠাইৰ তাপমাত্ৰা ১৩° ডিগ্ৰী হয়। কিন্তু প্ৰচণ্ড গৰমত আক্ৰান্ত বিদৰ্ভত "ভাৰতৰ প্ৰথম হিমগম্বুজ" স্থাপন কৰা হৈছে। ভিন্ন কাৰণত সৃষ্টি কৰা বৰফ নগলাকৈ ৰাখিবলৈ বিজুলী শক্তিৰ বাবদ প্ৰতিদিনে বহু হাজাৰ টকা ব্যয় কৰিবলগীয়া হয়। ইয়াৰে এখন ঠাইত স্থাপন কৰা হৈছে জলকেন্দ্ৰিক উদ্যান। এনে ধৰণৰ এখন জলকেন্দ্ৰিক উদ্যান হ'ল "ফাণ এণ্ড ফুড ভিলেজ ৱাটাৰ এণ্ড এমিউজমেণ্ট পাৰ্ক" যিখন নাগপুৰ (গ্ৰামীণ)ৰ বাজাৰগাঁও পঞ্চায়তত স্থাপন কৰা হৈছিল আৰু এই উদ্যানখনে সকলোকে আকৰ্ষিত কৰিছিল। লগতে উদ্যানখনৰ চৌহদৰ কাৰ্যালয়ৰ সন্মুখত সুন্দৰকৈ ৰখা মহাত্মা গান্ধীৰ ফটোখনে সকলোকে আকৰ্ষণ কৰিছে। প্ৰায় চল্লিছ একৰ মাটি জুৰি থকা এই উদ্যানখনত পানীত খেলা ভিন্ন ধৰণৰ খেলকে ধৰি অন্যান্য প্ৰায় ওঠৰ প্ৰকাৰৰ খেলৰ সুবিধা আছে। তদুপৰি প্ৰতিদিনৰ ক্ৰিয়াকলাপৰ ভিতৰত আইচ স্কেটিং, আইচ স্লাইডিং লগতে বিভিন্নৰ প্ৰকাৰৰ সুৰা পাব পৰা এখনি বিপনীও আছে। আলোচনা চক্ৰ বা সভা অনুষ্ঠিত কৰিব পৰা সকলো সুবিধা আছে এই উদ্যানখনত।

আনফালে উদ্যান থকা এই বাজাৰ গাঁওখনতেই মানুহে পানীৰ অভাৱত পৰিছে। ইয়াৰ পঞ্চায়ত সভানেত্ৰী যমুনা বাই উকীয়ে কয়— 'মহিলাসকলে দৈনিক কেইবাবাৰো পানী আনিবলৈ যাব লাগে আৰু পানী অনাৰ নিমিত্তে প্ৰতিদিনে তেওঁলোকে ১৫ কিলোমিটাৰ খোজ কাঢ়িব লাগে। গোটেই গাঁওখনৰ বাবে মাত্ৰ এটা চৰকাৰী কুঁৱা আছে। কেতিয়াবা আমি চাৰি বা পাঁচ দিনত এবাৰ পানী পাঁও, আনকি কেতিয়াবা দহ দিনত এবাৰ'। ২০০৪ চনত পানীৰ নাটনি থকা অঞ্চল বুলি ঘোষিত হোৱা এলেকাত বাজাৰ গাঁৱো অন্তৰ্ভুক্ত

হৈছে। এই গাঁওখনে আগতে কেতিয়াও এনে অৱস্থাৰ মুখামুখি হোৱা নাছিল। প্ৰথম অৱস্থাত ইয়াত ছয় ঘণ্টা পৰ্যন্ত বিজুলী সৰবৰাহ নাছিল, কিন্তু পিছত মে' মাহলৈকে স্থিতি আৰু বেয়াৰ ফাললৈ ঢাল খাইছিল। এইবোৰে স্বাস্থ্যৰ লগতে দৈনন্দিন জীৱনৰ প্ৰত্যেকটো দিশতে প্ৰভাৱ পেলায়। ইয়াৰ ভিতৰত পৰীক্ষাত বহিবলগীয়া ল'ৰা-ছোৱালীবোৰৰো ক্ষতি হয়। গৰমৰ দিনত তাপমান ৪৭° হৈ পৰিস্থিতি আৰু বিষম কৰি তোলে। গ্ৰাম্য জীৱনৰ ৰূঢ় বাস্তৱৰ ছবিখন 'ফান এণ্ড ফুড ভিলেজ'ৰ ক্ষেত্ৰত নাখাটে। এই ব্যক্তিগত উদ্যানখনত ইমান পানী আছে যিটো বাজাৰগাঁৱৰ বাসিন্দাই সপোনতো কল্পনা কৰিব নোৱাৰে। ইয়াত কেতিয়াও এক মুহূৰ্তৰ বাবেও বিদ্যুৎ সৰবৰাহ ব্যাহত নহয়। উদ্যানখনৰ মহাপ্ৰবন্ধক মি. সিঙৰ মতে "আমি মাহেকত চাৰি লাখ টকা বিজুলীৰ বাবদত খৰচ কৰোঁ।"

উদ্যানখনৰ মাহেকীয়া বিজুলীৰ বাবদত দিয়া খৰচৰ পৰিমাণ প্ৰায় যমুনাবাইৰ গাঁও পঞ্চায়তৰ বছৰেকীয়া ৰাজহৰ সমান। বিদ্ৰূপজনকভাৱে গাঁওখনৰ বিজুলীৰ সমস্যা এই উদ্যানখনৰ বাবে কিছু পৰিমাণে উন্নত হৈছে। এই দুয়ো স্থানলৈ একেটা উপকেন্দ্ৰৰ পৰা বিদ্যুৎ সৰবৰাহ হয়। মে' মাহৰপৰা উদ্যানখনত দৰ্শকৰ ভিৰ বৃদ্ধি পোৱাৰ পৰিপ্ৰেক্ষিতত তেতিয়াৰ পৰা স্থিতি কিছু উন্নত হৈছে। উদ্যানখনে বছৰি গাঁও পঞ্চায়তক পঞ্চাশ হাজাৰ টকা ৰাজহ আদায় দিয়ে। ইয়াৰ অৰ্ধাংশ 'ফান এণ্ড ফুড ভিলেজ' এ প্ৰতিদিনে সমবেত হোৱা সাতশ দৰ্শকৰ পৰা প্ৰৱেশদ্বাৰত প্ৰৱেশ শুল্ক হিচাপে সংগ্ৰহ কৰে। উদ্যানখনৰ ১১০ জন কৰ্মকৰ্তাৰ ভিতৰত মাত্ৰ ১২জন লোক বাজাৰগাঁৱৰ স্থানীয় লোক।

জলবিহীন বিদৰ্ভত এনে ধৰণৰ জল ক্ৰীড়াস্থল দিনে দিনে বাঢ়ি আহিছে। চেগাঁৱত বুলধানা নামৰ ধাৰ্মিক ন্যাস এটাই এখন বৃহৎ 'মেডিটেচন চেন্টাৰ এণ্ড এণ্টাৰটেইনমেণ্ট পাৰ্ক' চলাই আছে। এই পাৰ্কখনৰ ভিতৰত ৩০ একৰ ঠাই সামৰি নিৰ্মাণ কৰা কৃত্ৰিম হ্ৰদৰ পানী গ্ৰীষ্মকালৰ ভিতৰতে শুকাই গ'ল। কিন্তু হ্ৰদটোত পানী ভৰাই ৰখাৰ প্ৰচেষ্টাত প্ৰচুৰ পৰিমাণৰ পানী অথলে গ'ল। ইয়াৰ প্ৰৱেশ টিকটবোৰক বৰঙণি (Donations) বুলি কোৱা হয়। য়ভটম'লত এটা ব্যক্তিগত ব্যৱসায়িক গোটে পৰ্যটন স্থল হিচাপে সৰোবৰ এটা নিৰ্মাণ কৰিছে। অমৰাৱতীত এনে দুই বা তাতোধিক স্থল আছে (যিবোৰত বৰ্তমান পানী শুকাই গৈছে)। নাগপুৰৰ ভিতৰত আৰু আশে-পাশেও অন্যান্য তেনেধৰণৰ স্থল আছে।

এইবোৰ এনে অঞ্চলত নিৰ্মাণ কৰা হৈছে য'ত ১৫ দিনৰ মূৰত এবাৰহে পানী পোৱা যায়। পৰিস্থিতি এনে পৰ্যায় পাইছেগৈ যে মহাৰাষ্ট্ৰত বহু সংখ্যক কৃষকে আত্মহত্যা কৰিবলগীয়া হৈছে। নাগপুৰৰ এজন সাংবাদিক জয়দীপ হাৰদিকাৰৰ মতে খোৱাপানী বা জলসিঞ্চনৰ কোনো ধৰণৰ প্ৰকল্প যোৱা কেইদশকত বিদৰ্ভত সম্পূৰ্ণ হোৱা নাই। এই সাংবাদিকজনে বহু বছৰ ধৰি এই অঞ্চলত সংবাদ সেৱা আগবঢ়াই আহিছে।

'ফান এণ্ড ফুড ভিলেজ'ৰ মহাপ্ৰবন্ধক মি. সিঙে কয় যে তেওঁলোকে পানী সংৰক্ষণ কৰাৰ ওপৰত জোৰ দিছে। তেওঁ কয়, "আমি একেখিনি পানীকে পুনৰ ব্যৱহাৰৰ বাবে অতি উন্নত মানসম্পন্ন ফিল্টাৰ প্লেণ্ট ব্যৱহাৰ কৰোঁ। কিন্তু গৰমত বাষ্পীকৰণৰ মাত্ৰা বাঢ়ি যায়। পানী কেৱল ক্ৰীড়াৰ বাবেই ব্যৱহাৰ নহয়; ফুলৰ বাগিছা, অনাময় ব্যৱস্থা আৰু গ্ৰাহকসকলৰ বাবেও ব্যৱহাৰ হয়"। বুলধানাৰ কৃষক তথা এই জিলাখনৰ কিষাণ সভাৰ নেতা বিনায়ক গাইকৱাদে কয়, "এয়া হৈছে পানী আৰু ধনৰ

অপচয়।” তেওঁ ক্ষোভেৰে জনায় যে এই গোটেই প্ৰক্ৰিয়াটোত ৰাইজৰ সম্পদবোৰ ব্যক্তিগত লাভালাভৰ বাবে সঘনে ব্যৱহৃত হৈছে। ইয়াৰ পৰিৱৰ্তে ৰাইজৰ প্ৰাথমিক পানীৰ প্ৰয়োজনবোৰ পূৰাবলৈ এই সম্পদবোৰ ব্যৱহাৰ কৰা উচিত।

'ফান এণ্ড ফুড ভিলেজ' আৰু অন্যান্য উদ্যোগৰ কামকাজত বাজাৰগাঁও গাঁও পঞ্চায়তৰ সভানেত্ৰী যমুনাবাই উকী অলপো সন্তুষ্ট নহয়। তেওঁৰ মতে এই উদ্যোগবোৰে ইয়াৰপৰা বহুত লৈছে, কিন্তু দিছে অতি কম। তেওঁ জানিব বিচাৰিছে যে “এইবোৰৰপৰা আমাৰ কি লাভ হ'ব?” নিৰ্দিষ্ট মানসম্পন্ন এটা চৰকাৰী জলপ্ৰকল্প নিৰ্মাণৰ বাবে প্ৰয়োজনীয় চাৰে চাৰি লাখ টকা খৰচৰ ১০ শতাংশ পঞ্চায়তে বহন কৰিব লাগিব। “পঞ্চল্লিচ হাজাৰ টকা আমি ক'ৰপৰা দিম? আমাৰ অৱস্থানো কি?” সেয়েহে সাধাৰণভাৱে প্ৰকল্পটো এজন ঠিকাদাৰক গটোৱা হ'ল। এইদৰে প্ৰকল্পটো নিৰ্মাণ কৰাটো সম্ভৱ হ'ব পাৰে। কিন্তু ইয়াৰ অৰ্থ হ'ব দিন বাগৰাৰ লগে লগে খৰচ বৃদ্ধি পাব আৰু গাঁওবাসীৰ প্ৰকল্পটোৰ ওপৰত নিয়ন্ত্ৰণ নাথাকিব, য'ত দুখীয়া আৰু ভূমিহীন লোকৰ সংখ্যাই অধিক।

আমি উদ্যানখন এৰাৰ সময়ত মন কৰিছিলোঁ উদ্যান কাৰ্যালয়ৰ বাহিৰত থকা গান্ধীজীৰ ছবিখনে হিমগম্বুজলৈ চাই মিচিকিয়া হাঁহি মাৰি আছে। এয়া সেইজন মানুহৰ দুৰ্ভাগ্য, যিজনে কৈছিল, **“সৰল জীৱন যাপন কৰা, যাতে আনেও সৰলভাৱে জীয়াই থাকিব পাৰে।”**

(লেখক পি. সাইনাথ ২২ জুন, ২০০৫, হিন্দুত প্ৰকাশিত।)

ঈশ্বৰে ভাৰতক পশ্চিমীয়া দেশৰ ধৰণত ঔদ্যোগীকৰণক গ্ৰহণ কৰিবলৈ বাৰণ কৰিছে। এখন একমাত্ৰ ক্ষুদ্ৰ দ্বীপৰাজ্যই (ইংলেণ্ড) পৃথিৱীখন শিকলিৰে বান্ধি পেলাইছে। যদি ৩০ কোটি জনসংখ্যাৰ দেশ এখনে একেধৰণৰ আৰ্থিক শোষণ নীতি গ্ৰহণ কৰে তেতিয়া ই গোটেই পৃথিৱীক কাকতি ফৰিঙৰ লেখীয়াকৈ উলঙ্গ কৰিব।— মহাত্মা গান্ধী

জলক্ৰীড়াস্থলৰ পৰিণামৰ বিষয়ে ওপৰত বৰ্ণনা কৰা হৈছে। এই শুষ্ক কৃষি এলেকাৰ কৃষকসকলৰ জীৱন দিনক দিনে অসম্ভৱপ্ৰায় হৈ পৰিছে। যোৱা ছয় বছৰৰ প্ৰতিবেদনে দেখুওৱা মতে অন্ধ্ৰপ্ৰদেশ, কৰ্ণাটক আৰু মহাৰাষ্ট্ৰৰ হাজাৰ হাজাৰ কৃষকে কীটনাশক ঔষধ খাই আত্মহত্যা কৰিছে। এনে চূড়ান্ত পদক্ষেপ ল'বলৈ কৃষকসকলক কিহে বাধ্য কৰাইছে? কি ক্ষেত্ৰত এওঁলোকে কৃষিৰ অন্তৰ্নিহিত অনিশ্চয়তাৰ সৈতে সহবাস কৰি আহিছে? সাংবাদিক পি. সাইনাথৰ অনুসন্ধান মতে পাৰিপাৰ্শ্বিক আৰু অৰ্থনৈতিক কাৰকৰ সংযোজনেই হৈছে কৃষকসকলৰ বৰ্তমানৰ দুৰ্দশাৰ কাৰণ। বিশ্ব বজাৰৰ অনিয়মীয়া উঠা-নমা আৰু উদাৰীকৰণ-নীতিৰ বাবে ক্ষুদ্ৰ কৃষকসকললৈ চৰকাৰী সাহাৰ্য হ্ৰাস পাইছে। ফলত তেওঁলোক কৃষি সম্বন্ধীয় অধিক পৰিৱৰ্তিত অৱস্থাৰ সন্মুখীন হ'ব লগা হৈছে। অধিক লাভজনক শস্য হৈছে কপাহৰ খেতি আৰু এই খেতি শংকাজনকো। কপাহৰ বাবে জলসিঞ্চনৰ প্ৰয়োজন আৰু ইয়াত পোক নিয়ন্ত্ৰণত বিনিয়োগ কৰিবলৈ মূলধনৰ প্ৰয়োজন। এই দুয়োবিধ ব্যৱস্থাতে খৰচৰ পৰিমাণ বছৰে বছৰে বৃদ্ধি হৈ গৈ আছে। পানীৰ বাবে মাটি অতি গভীৰলৈ খন্দাৰ ফলত জলস্তৰ তললৈ নামি গৈছে। গতিকে কৃষকসকলে পানী বিচাৰি আৰু গভীৰলৈ মাটি খান্দিব লাগিব।

কীটাণুবোৰো কীটনাশক ঔষধ প্ৰতিৰোধী হৈ উঠাৰ বাবে কৃষকসকলে ঘনে ঘনে নতুন নতুন ঔষধ ব্যৱহাৰ কৰিবলৈ বাধ্য হৈছে। এই দুয়োক্ষেত্ৰত বিনিয়োগ কৰিবলৈ কৃষকসকলে ধাৰ-ঋণ বিচাৰি ব্যক্তিগত সুদখোৰ আৰু ব্যৱসায়ীৰ কাষ চাপিছে, যিসকলে উচ্চ সুদৰ হাৰত কৃষকসকলক ধন ধাৰলৈ দিয়ে। যদি শস্য নষ্ট হয় তেতিয়া কৃষকে ঋণৰ ধন পৰিশোধ কৰিব নোৱাৰে। পৰিয়ালক পোহপাল দিয়া দায়িত্বৰ লগতে আন আন দায়িত্ব, যেনে— সন্তানৰ বিয়া বন্দৰস্ত কৰাৰ ক্ষেত্ৰতো তেওঁলোক ব্যৰ্থ হয়। আৰ্থিক আৰু সামাজিকভাৱে জুৰুলা হোৱা কৃষকৰ আন কোনো বিকল্প নাথাকে। আত্মহত্যাই তেওঁলোকৰ বাবে একমাত্ৰ পথ হৈ পৰে।

**পৰ্যালোচনা ঃ** পানীৰ নাটনি স্বাভাৱিক নে মানৱ-সৃষ্ট? কি কি সামাজিক কাৰকে উপভোক্তাসকলৰ মাজত কেনেদৰে পানী বিতৰণ হ'ব সেয়া ৰূপায়ণ কৰে? বিভিন্ন ধৰণে কৰা পানীৰ ব্যৱহাৰে বিভিন্ন সমূহক কেনেদৰে প্ৰভাৱান্বিত কৰে?

**ক্ৰিয়া-কলাপ-২ (Activity-2)**

তোমালোকৰ ঘৰত দিনে কিমান পানী ব্যৱহাৰ হয় গম লোৱা। বিভিন্ন আয়ৰ (Income) পৰিয়ালবোৰত তুলনামূলকভাৱে কিমান পানী ব্যৱহাৰ হয় জানিবলৈ চেষ্টা কৰা। বিভিন্ন পৰিয়ালে পানীৰ বাবে কিমান সময় আৰু ধন ব্যয় কৰে? ঘৰখনত পানী যোগাৰ কৰাটো কাৰ কাম? বিভিন্ন শ্ৰেণীৰ মানুহক চৰকাৰে কিমান পৰিমাণৰ পানী যোগান ধৰে?

**নগৰীয়া পৰিৱেশ ঃ দুখন নগৰৰ এটি কাহিনী (The Urban Environment : A Tale of Two Cities)ঃ**

১৯৯০ চনৰ ৩০ জানুৱাৰী, শীতৰ এটি হিমচেঁচা ৰাতিপুৱা, দিল্লী সাৰ পাই উঠিছিল। অশোক বিহাৰ, উত্তৰ দিল্লীৰ আঢ্যৱন্ত লোকৰ এক আবাসিক অঞ্চল কল্পনা কৰা, ধূসৰ বৰণীয়া কুঁৱলীয়ে ঢাকি ৰখা বিলাসী ঘৰবোৰ, দোকমোকালিতে শুই উঠা লোকসকলৰ প্ৰাতঃকালীন খোজ কঢ়া, তাৰে কিছুমানৰ লগত চামৰাৰ ফিটাৰে বন্ধা পামেৰিয়ান আৰু এলচেচিয়ান জাতৰ পোহনীয়া কুকুৰ আছিল। এই অঞ্চলৰ একমাত্ৰ মুকলি ঠাই হিচাপে থকা উদ্যানখনলৈ ৰাতিপুৱা খোজ কঢ়া এজন ব্যক্তিয়ে প্ৰবেশ কৰিয়েই দেখিছিল যে, এজন দৰিদ্ৰ কম বয়সীয়া লোকে হাতত এটা খালী বটল লৈ উদ্যানৰপৰা ওলাই গৈছে। ইয়াতে ক্ষোভিত হৈ তেওঁ লোকজনক ধৰি ৰাখিলে আৰু চিঞৰি চিঞৰি প্ৰতিবেশীসকলক গোট খুৱালে। কোনোবাই আকৌ আৰক্ষীক ফোন কৰিলে। উত্তেজিত কিছু সংখ্যক আবাসী আৰু দুজন কনিষ্টবলে যুৱকজনক উপৰ্যুপৰি প্ৰহাৰ কৰি কেইমিনিটমানৰ ভিতৰতে হত্যা কৰিলে।

সেই যুৱকজন আছিল ওঠৰ বছৰীয়া দিলীপ, যি গণতন্ত্ৰ দিৱসৰ শোভাযাত্ৰা প্ৰত্যক্ষ কৰিবলৈ ৰাজধানী দিল্লীলৈ আহিছিল। অশোক বিহাৰৰ দাঁতিৰে যোৱা ৰে'ললাইনৰ কাষে কাষে থকা জুপুৰিবোৰৰ এটাত বাস কৰা খুড়াকৰ লগত আছিলহি। তেওঁৰ খুড়াকে ওচৰতে ৰাজিৰপুৰ ঔদ্যোগিক খণ্ডত বনুৱা হিচাপে কাম কৰিছিল। দিল্লীৰ অন্যান্য পৰিকল্পিত ঔদ্যোগিক অঞ্চলৰ দৰেই ৰাজিৰপুৰতো শ্ৰমিকসকলৰ থকা ঘৰৰ ব্যৱস্থা নাছিল। জুপুৰিবোৰত বাস কৰা দহ হাজাৰৰো অধিক পৰিয়ালৰ সদস্যসকলে তিনিটা ৰাজহুৱা শৌচালয় ব্যৱহাৰ কৰে। প্ৰত্যেকটো শৌচালয়ত আঠোটাকৈ শৌচাগাৰ অৰ্থাৎ প্ৰতি দুহেজাৰ ব্যক্তিৰ মাজত এটাকৈ

শৌচাগাৰ। এনে স্থিতিত নিশাৰ আন্ধাৰত বেছিভাগ বাসিন্দাৰ বাবে যিকোনো মুকলি স্থানেই শৌচালয়ৰ কাম কৰিছিল। এই অঞ্চলৰ ধনী বাসিন্দাসকলে তেওঁলোকৰ বাসগৃহবোৰ আৰু লেতেৰা জুপুৰিবোৰৰ মাজত নিজা খৰচত এখন বেৰ নিৰ্মাণ কৰিছিল। ঔদ্যোগিক শ্ৰমিক আৰু তেওঁলোকৰ পৰিয়ালবৰ্গই এই কাৰ্যৰ প্ৰতিবাদ কৰিছিল, কাৰণ তেওঁলোকে উদ্যানখন ব্যৱহাৰ কৰিব নোৱাৰা হ'ল। সোনকালেই বেৰৰ কিছু অংশ ভাঙি অহা-যোৱাৰ বাট উলিওৱা হৈছিল যাতে, যিসকল মানুহ জুপুৰিত থাকি ধনীলোকৰ ঘৰত কাম কৰে বা গাড়ী পৰিষ্কাৰ কৰে, তেওঁলোকৰ অহা-যোৱাৰ সুবিধা হয় আৰু লগতে পৰোক্ষভাৱে মলত্যাগ কৰাৰ দোষণীয় কাৰ্য সমাপন হয়।

এডোখৰ ঠাইৰ বাবে দুটা গোটৰ বাসিন্দাৰ মাজত চলি থকা দীৰ্ঘদিনীয়া বিবাদৰ চূড়ান্ত অৱস্থাত দিলীপৰ মৃত্যু হ'ল। এটা গোটৰ বাসিন্দাসকলৰ বাবে উদ্যানখন হৈছে— অৱসৰ বিনোদনৰ উপযোগী, গছ-বনেৰে ভৰা নগৰীয়া শোভাবৰ্দ্ধনৰ এক স্থান। আনটো গোটৰ বাসিন্দাসকলৰ বাবে উদ্যানখন হৈছে শৌচালয় হিচাপে ব্যৱহাৰ কৰিব পৰা একমাত্ৰ লক্ষ্য স্থান। এই সুপ্ত সংঘৰ্ষৰ ইতিহাস যদি দিলীপে জানিলেহেঁতেন, তেতিয়া সম্ভৱতঃ তেওঁ অধিক সতৰ্কতা অৱলম্বন কৰি প্ৰত্যাহ্বানৰ সন্মুখীন হোৱাৰ লগে লগে দৌৰি পলালহেঁতেন। তেতিয়া হয়তো আজি তেওঁ জীয়াই থাকিলেহেঁতেন। হিংসাৰ অৱসান তাতেই নহ'ল। এই হত্যাৰ প্ৰতিবাদত এদল লোক সমবেত হ'ল, আৰক্ষীয়ে গুলীচালনা কৰি আৰু চাৰিজন লোকক হত্যা কৰিলে।

নগৰ বৰ্দ্ধিত হোৱাৰ লগে লগে নগৰীয়া ঠাইৰ বাবে সংঘাত অধিক তীব্ৰ হৈ আহিছে। কৰ্মসংস্থানৰ সন্ধানত নগৰলৈ অহা প্ৰব্ৰজনকাৰীসকলে ৰাজহুৱা মাটিত বসতি স্থাপন কৰিবলৈ বাধ্য, কাৰণ আইনসঙ্গত আবাসস্থল তেওঁলোকৰ সামৰ্থৰ বাহিৰত। সমৃদ্ধিশালী ব্যক্তিসকলৰ বাবে ডাঙৰ ডাঙৰ বহু মহলীয়া দোকান-বজাৰ, হোটেল আৰু পৰ্যটন স্থল নিৰ্মাণৰ বাবে এই ৰাজহুৱা স্থানত মাটিৰ চাহিদা অত্যধিক হৈছে। পৰিণামস্বৰূপে দৰিদ্ৰ শ্ৰমিক আৰু তেওঁলোকৰ পৰিয়ালবোৰক সেই স্থানৰ পৰা উচ্ছেদ কৰি নগৰৰ উপকণ্ঠ অঞ্চললৈ পঠিয়াই দিয়াৰ লগতে তেওঁলোকৰ ঘৰবোৰ ভাঙি পেলোৱা হৈছে। মাটিৰ উপৰি নগৰীয়া পৰিৱেশত বায়ু আৰু পানীও প্ৰতিযোগিতামূলক সম্পদত পৰিণত হৈছে।

(উদ্ধৃতি ঃ অমৃতা বাভিস্কাৰ ঃ "Between Violence and Desire: Space, Power and Indentity in the Making of Metropolitan Delhi" in *International Social Science Journal*. 175:89-98 2003)

**পৰ্যালোচনাঃ** নগৰীয়া দুখীয়া লোকসকলে প্ৰায়ে নগৰৰ বস্তি অঞ্চলত কিয় বাস কৰে? কোনবোৰ সামাজিক সমূহে নগৰত মাটি-ধন-সম্পত্তি নিয়ন্ত্ৰণ কৰে? কি কি সামাজিক কাৰকে মানুহক পানী আৰু অনাময় ব্যৱস্থা উপলব্ধি হোৱাত প্ৰভাৱ পেলায়?

**ক্ৰিয়া-কলাপ-৩ (Activity-3)**

ধৰি লোৱা, তুমি নগৰৰ বস্তি অঞ্চলত বাস কৰা পোন্ধৰ বছৰ বয়সৰ এজন ল'ৰা/এজনী ছোৱালী। তোমাৰ পৰিয়ালে কি কাম কৰিলেহেঁতেন আৰু তুমি কেনেদৰে বাস কৰিলাহেঁতেন? তোমাৰ দৈনন্দিন জীৱনৰ এটা দিনৰ বৰ্ণনা দি এখন ৰচনা লিখা।

**পৰিভাষা (Glossary) ঃ**

- **আৰ্দ্ৰতাবিজ্ঞান (Hydrology) ঃ** জল আৰু ইয়াৰ প্ৰৱাহৰ বিজ্ঞান; নাইবা কোনো দেশ অথবা অঞ্চলৰ জলসম্পদৰ অধ্যয়ন।
- **নিৰ্বনানীকৰণ (Deforestation) ঃ** হাবি-বননি বা গছ-গছনি কাটি নিৰ্মূল কৰি অৰণ্যাঞ্চলৰ হ্ৰাসকৰণ আৰু অন্যান্য উদ্দেশ্য, বিশেষকৈ কৃষিকৰ্মৰ বাবে ভূমি অধিগ্ৰহণ।
- **সেউজগৃহ (Green House) ঃ** উদ্ভিদক জলবায়ুৰ তীব্ৰতা বিশেষকৈ অত্যাধিক শীতৰ পৰা বচাবলৈ নিৰ্মিত আবৃত গাঁথনিক সেউজগৃহ বোলা হয়। সেউজগৃহৰ ভিতৰৰ তাপমান বাহিৰৰ তাপমানৰ তুলনাত অধিক হয়।
- **নিৰ্গমন (Emissions) ঃ** মানুহে আৰম্ভ কৰা প্ৰক্ৰিয়াৰ দ্বাৰা নিৰ্গত হোৱা বৰ্জনীয় গেছ; মূলতঃ উদ্যোগ আৰু যান-বাহনৰ প্ৰসঙ্গত।
- **বৰ্জিত পদাৰ্থ (Effluents) ঃ** ঔদ্যোগিক প্ৰক্ৰিয়াবোৰৰ পৰা উৎপন্ন হোৱা পেলনীয়া উপাদান, যিবোৰ তৰল ৰূপত পোৱা যায়।
- **একুইফাৰ্চ (Aquifers) ঃ** এটা অঞ্চলৰ মাটিৰ তলত থকা প্ৰাকৃতিক গাঁথনি য'ত পানী জমা হৈ থাকে।
- **একক কৃষি (Monoculture) ঃ** এটা অঞ্চল বা এলেকাৰ উদ্ভিদ জগতত কমি কমি একমাত্ৰ এবিধ উদ্ভিদ থাকি যোৱা।

## অনুশীলনী (Exercise)

১। পৰিস্থিতি বিজ্ঞান বুলিলে তুমি কি বুজা তোমাৰ নিজৰ ভাষাত বৰ্ণনা কৰা।
Describe in your own words what you understand by the term 'ecology'.

২। পৰিস্থিতি বিজ্ঞান কেৱল প্ৰাকৃতিক শক্তিবোৰতেই সীমিত নহয় কিয়?
Why is ecology not limited only to the forces of nature?

৩। সামাজিক পৰিৱেশ উদ্ভৱৰ উভমুখী (two-way) প্ৰক্ৰিয়াটো বৰ্ণনা কৰা।
Describe the two-way process by which 'social environments' emerge.

৪। সামাজিক সংগঠনে কিয় আৰু কেনেকৈ পৰিৱেশ আৰু সমাজৰ মাজত সম্বন্ধক গঢ় দিয়ে?
Why and how does social organisation shape the relationship between the environment and society?

৫। কিয় পাৰিপাৰ্শ্বিক ব্যৱস্থা সমাজৰ কাৰণে এক জটিল আৰু বিশাল কাম?
Why is environment management a complex and huge task for society?

৬। প্ৰদূষণৰ সৈতে জড়িত কেইটামান গুৰুত্বপূৰ্ণ পাৰিপাৰ্শ্বিক শংকা কি কি ?

What are some of important forms of pollution-related environmental hazards?

৭। প্ৰাকৃতিক সম্পদৰ হ্ৰাসৰ সৈতে জড়িত মুখ্য পাৰিপাৰ্শ্বিক সমস্যাবোৰ কি কি?

What are the major environmental issues associated with resource depletion.

৮। পাৰিপাৰ্শ্বিক সমস্যাবোৰ একে সময়তে সামাজিক সমস্যা কিয় হয় ব্যাখ্যা কৰা।

Explain why environmental problems are simultaneously social problems?

৯। সামাজিক পৰিস্থিতি বিজ্ঞানে কি বুজায়?

What is meant by social ecology?

১০। তুমি জনা নাইবা পঢ়া পৰিৱেশৰ সৈতে জড়িত কেইটামান মতভেদ বৰ্ণনা কৰা। (পাঠ্যপুথিত থকা উদাহৰণৰ বাহিৰে অন্যান্য)

Describe some environment related conflicts that you know of or have read about. (Other than the examples in the text)

## References:


- Centre for Science and Environment, 1982, *The State of India's Environment: The Citizens' Report*, CSE, New Delhi.
- DAVIS, MIKE, 2004, 'Planet of Slums: Urban Involution and the Informal Proletarant' *in New Left Review,* 26: 5-24.
- DAVIS, MIKE, 2004, ''The Political Ecology of Famine: The Oritins of the Third World' in Richard Peet and Michael Watts (eds) *Liberation Ecologies: Environment, Develpment. Social Movements*, Routledge, (second edition), London.
- GADGIL, MADHAV AND RAMACHANDRA GUH, 1995, *Ecology and Equity: The Use and Abuse of Nature in Contemporary India.* Penguin, New Delhi.
- GUHA, RAMACHANDRA, 1997, "*The Environmentalism of the Poor' in Ramachandra Guha and* J. Martinez-Alier, *Varieties of Environmentalism: Essays North and South,* Oxfird University Press, Delhi.
- POLLAN, MICHAEL, 2001, *The Botanny of Desire: A Plant's-Eye View of the World,* Randam House, New York.

চতুৰ্থ অধ্যায়

# পাশ্চাত্য সমাজতত্ত্ববিদসকলৰ পৰিচয়
# (Introducing Western Sociologists)

সমাজতত্ত্বক কেতিয়াবা 'বৈপ্লৱিক যুগ'ৰ সন্তান বুলি অভিহিত কৰা হয়। ইয়াৰ প্ৰধান কাৰণ হৈছে ১৯ শতিকাত পশ্চিম ইউৰোপত যেতিয়া সমাজতত্ত্বৰ জন্ম হৈছিল, তেতিয়াৰ পৰা বিগত তিনিশ বছৰ জুৰি চলি অহা বৈপ্লৱিক পৰিৱৰ্তনসমূহে ইউৰোপৰ জনসাধাৰণৰ জীৱন প্ৰণালীক পৰিৱৰ্তনমুখী কৰাত নিৰ্ণায়ক ভূমিকা লৈছিল। সমাজতত্ত্বৰ উৎপত্তিৰ মূলতে প্ৰধানকৈ তিনিটা বিপ্লৱৰ গুৰুত্বপূৰ্ণ অৰিহণা আছে। সেয়া হৈছে— জ্ঞানোদয় (Enlightenment) বা বৈজ্ঞানিক বিপ্লৱ, ফৰাচী বিপ্লৱ (French Revolution) আৰু ঔদ্যোগিক বিপ্লৱ (Industrial Revolution)। এই বৈপ্লৱিক প্ৰক্ৰিয়াবোৰে কেৱল ইউৰোপৰ সমাজখনকে সম্পূৰ্ণভাৱে সলনি কৰাই নহয়, বৰঞ্চ ইউৰোপৰ সান্নিধ্যলৈ অহা সমগ্ৰ বিশ্ববাসীকেই পৰিৱৰ্তন অৰ্থাৎ এক জাগৰণৰ ঢৌৱে চুই গৈছিল।

এই অধ্যায়ত প্ৰধানকৈ তিনিজন সমাজতাত্ত্বিক চিন্তানায়কৰ গুৰুত্বপূৰ্ণ চিন্তাধাৰাৰ বিষয়েহে আলোকপাত কৰা হ'ব। তেওঁলোক হৈছে কাৰ্ল মাৰ্ক্স, ইমাইল দুৰখেইম আৰু মেক্স ৱেবাৰ। সমাজতত্ত্ব বিষয়ত পৰম্পৰাৰ ধ্বজাবাহকৰূপে এই তিনিজন মনীষীয়ে সমাজতত্ত্ব বিষয়টিৰ আধাৰশিলা স্থাপন কৰি গৈছে। তেওঁলোকৰ চিন্তাধাৰা তথা ভাবাদৰ্শবোৰে সাম্প্ৰতিক কালতো প্ৰাসংগিকতা লাভ কৰি আহিছে। সন্দেহ নাই যে তেওঁলোকৰ চিন্তাধাৰাক বহুসময়ত সমালোচনা কৰা হৈছে আৰু সময়ৰ পৰিৱৰ্তনৰ লগে লগে এইবোৰৰ ব্যাপক সংশোধনো কৰা হৈছে। যিহেতুকে সামাজিক চিন্তাধাৰাবোৰ সামাজিক পৰিৱেশৰ প্ৰত্যক্ষ প্ৰভাৱৰ ফল, সেয়েহে আমি এই সন্দৰ্ভত সমাজতত্ত্বৰ উৎপত্তি বা আবিৰ্ভাৱৰ বিষয়ে চমুকৈ আলোচনা কৰিম।

**সমাজতত্ত্বৰ প্ৰসংগ (The Context of Sociology) ঃ**

আধুনিক ইউৰোপ আৰু বৰ্তমান আমি যাক আধুনিকতা বুলি স্বীকৃতি দিছোঁ, সেয়া মূলতঃ তিনিটা প্ৰক্ৰিয়াৰ ফল বুলি ক'ব পাৰি। এই প্ৰক্ৰিয়াবোৰ হৈছে ক্ৰমে জ্ঞানোদয় বা 'যুক্তি যুগ'ৰ দোকমোকালি পুৱা,

ফৰাচী বিপ্লৱত নিহিত হৈ থকা ৰাজনৈতিক সাৰ্বভৌমত্ব আৰু শিল্পবিপ্লৱে প্ৰৱৰ্তন কৰা প্ৰচুৰ উৎপাদনৰ পদ্ধতিবোৰ। এই গুৰুত্বপূৰ্ণ পৰিৱৰ্তনবোৰে বৌদ্ধিক দিশত কিদৰে বিশাল পৰিৱৰ্তনৰ ধাৰা নিৰ্ণয় কৰিছিল, তাৰ বিষয়েহে ইয়াত উল্লেখ কৰা হ'ব।

**ক্ৰিয়া-কলাপ-১ (Activity-1)**

'সমাজতত্ত্ব পৰিচয়'ৰ প্ৰথম অধ্যায়ত আলোচনা কৰা ইউৰোপত আধুনিক যুগৰ আগমন সম্পৰ্কীয় আলোচনাখিনি পুনৰ চোৱা। এই তিনিটা প্ৰক্ৰিয়াৰ লগত জড়িত হৈ থকা সেই পৰিৱৰ্তনসমূহ কি কি?

**জ্ঞানোদয় যুগ (The Enlightenment)ঃ**

১৭ শতিকাৰ শেষাৰ্ধৰ পৰা ১৮ শতিকাৰ কালছোৱাত পশ্চিম ইউৰোপৰ বৌদ্ধিক মহলত এক মৌলিক ভাবধাৰাৰ উন্মেষ ঘটিছিল। তেওঁলোকে এই ভাবধাৰা বা দৃষ্টিভংগীৰ সহায়েৰে সমগ্ৰ বিশ্বক নতুনকৈ চোৱাৰ প্ৰয়াস কৰিছিল। এই কালছোৱাকে জ্ঞানোদয় (The Enlightenment) যুগ বুলি অভিহিত কৰা হৈছে। জ্ঞানোদয়ৰ নতুন চিন্তাধাৰা আৰু দৰ্শনে মানৱ প্ৰাণীক বিশ্বব্ৰহ্মাণ্ডৰ কেন্দ্ৰৰূপে গণ্য কৰিছিল। কেৱল সেয়ে নহয়, যুক্তিবাদী অথবা বৈজ্ঞানিক চিন্তা-চৰ্চাৰ সমস্ত আঁত ধৰিব পৰা যি শক্তি, সেয়া মানৱ প্ৰাণীৰ প্ৰধান বৈশিষ্ট্যৰূপে গণ্য কৰা হৈছিল। এই ভাবধাৰা মতে মানুহে যুক্তিৰ আধাৰত তথা বিশ্লেষণাত্মক মনোভাৱেৰে সকলোধৰণৰ চিন্তা-চৰ্চা কৰিব পাৰে। এই সামৰ্থ থকাৰ বাবে মানুহক সকলো প্ৰকাৰৰ জ্ঞানৰ স্ৰষ্টা আৰু অধিকাৰীৰূপে (নিজস্ব বিষয়ৰ) স্থান দিয়া হৈছে। অন্যহাতে এইটোও বিবেচনা কৰা হ'ল যে বিবেকপূৰ্ণ বা যুক্তিসংগত ৰূপত চিন্তা কৰিব পৰাজনেই প্ৰকৃত মানুহ। যিসকল এই ক্ষমতা আৰু সামৰ্থৰ পৰা বিৰত থাকিল, তেওঁলোকক 'প্ৰকৃত মানুহ' ৰূপে কম গণ্য কৰা হ'ল, যেনে—আদিম 'বৰ্বৰ' (Savages) সমাজৰ থলুৱা বাসিন্দাসকল। যিহেতুকে মানুহৰ সমাজখন মানুহৰ দ্বাৰাই গঠিত, গতিকে মানুহে ইয়াৰ যুক্তিসংগত বিশ্লেষণ কৰাটো সম্ভৱ হৈ পৰিল। এনেধৰণৰ বিশ্লেষণৰ সহায়ত এখন সমাজে আন এখন সমাজক আদৰি ল'ব পাৰে। মানৱ সমাজখনক এনেদৰে জ্ঞানৰ আয়ত্তলৈ আনিবলৈ সহজ হৈ পৰিল। এই জ্ঞান শক্তিৰ সহায়েৰে আদিম কালৰে পৰা প্ৰচলিত হৈ অহা ধৰ্মীয় বিশ্বাস, সম্প্ৰদায় তথা দেৱ-দেৱীৰ মাহাত্ম্য আদি শক্তিবোৰক ক্ৰমান্বয়ে হ্ৰাস কৰাটো অনিবাৰ্য হৈ পৰিল। ইয়াৰ অৰ্থ এইটোৱেই যে জ্ঞানোদয়ৰ ফলত মানুহৰ চিন্তাশক্তি আৰু মনোভাৱৰ উৎকৰ্ষ সাধন হৈছিল আৰু তাৰ লগে লগে সমাজলৈ নতুন চিন্তা চেতনা প্ৰৱাহিত হৈছিল, যাক আমি আজিৰ যুগত ধৰ্ম নিৰপেক্ষতা, বৈজ্ঞানিক চিন্তাধাৰা আৰু মানৱতাবাদ বুলি আখ্যা দিওঁ।

**ফৰাচী বিপ্লৱ (The French Revolution)ঃ**

১৭৮৯ চনৰ ফৰাচী বিপ্লৱে ব্যক্তি আৰু ৰাষ্ট্ৰ উভয় পৰ্যায়তে ৰাজনৈতিক সাৰ্বভৌমত্ব আগমনৰ সূচনা কৰে। মানৱ অধিকাৰ ঘোষণা পত্ৰ (Declaration of Human Rights)ৰ যোগেদি সকলো নাগৰিকৰ সম-অধিকাৰৰ ক্ষেত্ৰত জোৰ দিয়া হ'ল। কেৱল সেয়ে নহয়, জন্মগতভাৱে লাভ কৰা বিশেষ অধিকাৰসমূহৰ বৈধতাৰ ওপৰতো প্ৰশ্ন উত্থাপিত হ'ল। বিপ্লৱৰ আগলৈকে নাগৰিকসকলে ধৰ্মীয় তথা জমিদাৰী সংস্থাবোৰৰ

শোষণৰ কবলত দিন কটাইছিল। ফৰাচী বিপ্লৱে নাগৰিকসকলক সেই অত্যাচাৰী শোষণ নীতিৰ পৰা মুক্ত হ'ব পৰাকৈ পথ প্ৰশস্ত কৰি তোলে। খেতিয়কসকলৰ অধিকাংশই 'সাৰ্ফ' (গোলাম) আছিল। এওঁলোককো লাহে লাহে জমিদাৰসকলৰ বন্ধনৰ পৰা মুক্ত কৰোৱা হ'ল। গীৰ্জা অথবা ধৰ্মীয় সংস্থা তথা জমিদাৰসকলক দিব লগা কৰ-কাটল সকলোবোৰ উঠাই দিয়া হ'ল। গণতন্ত্ৰৰ স্বাধীনতাই নাগৰিকক স্বতন্ত্ৰ কৰি তুলিলে। নাগৰিকক অধিক ক্ষমতা দিয়া হ'ল আৰু ৰাষ্ট্ৰ, আইন আৰু সংস্থাবোৰৰ দৃষ্টিত সকলো নাগৰিকক সমান অধিকাৰ অৰ্পণ কৰা হ'ল। ৰাষ্ট্ৰ-যন্ত্ৰই ব্যক্তিৰ ব্যক্তিগত স্বাধীনতাক সন্মান জনোৱাৰ লগতে ৰাজকীয় আইনে যাতে কোনো ব্যক্তিৰ ব্যক্তিগত জীৱন তথা স্বাৰ্থত আঘাত হানিব নোৱাৰে তাৰ ওপৰত গুৰুত্ব দিয়া হ'ল। ৰাষ্ট্ৰৰ দ্বাৰা পৰিচালিত ক্ষেত্ৰ তথা ব্যক্তিৰ ব্যক্তিগত ঘৰুৱা জীৱনৰ ক্ষেত্ৰবোৰ পৃথক কৰা হ'ল। ৰাজহুৱা তথা ব্যক্তিগত ক্ষেত্ৰসমূহৰ মৰ্যাদাৰ সপক্ষে সামাজিক সংস্থাসমূহৰ গতিবিধি কেনেকুৱা হ'ব লাগে, এই বিষয়ে নতুনকৈ চিন্তা-চৰ্চা কৰাৰ ক্ষেত্ৰত গুৰুত্ব দিয়া হ'ল। উদাহৰণস্বৰূপে—'ধৰ্ম' তথা 'পৰিয়াল'ৰ অধিকাংশ ঘৰুৱা বা ব্যক্তিগত ক্ষেত্ৰৰ অনুকূলে বুলি ধৰা হ'ল। আনহাতে শিক্ষাক (বিশেষকৈ বিদ্যালয়ৰ শিক্ষা) সাৰ্বজনীন ক্ষেত্ৰৰ ভিতৰত ধৰা হ'ল। তদুপৰি ৰাষ্ট্ৰ-ৰাজ্যসমূহক অধিক কেন্দ্ৰীভূত শাসন ক্ষমতা দিয়াৰ বিপৰীতে ৰাষ্ট্ৰসমূহক সাৰ্বভৌম ৰাষ্ট্ৰৰূপে পুনঃ সংজ্ঞাকৰণ কৰা হ'ল। এইদৰে ফৰাচী বিপ্লৱৰ মূল আদৰ্শ স্বাধীনতা, সমতা আৰু ভাতৃত্ববোধ আধুনিক ৰাষ্ট্ৰবোৰৰ বাবে মূলমন্ত্ৰ হৈ ৰ'ল।

**ঔদ্যোগিক বিপ্লৱ (Industrial Revolution)ঃ**


আধুনিক যুগৰ উদ্যোগসমূহৰ ভেটি স্থাপন কৰিছিল শিল্প বিপ্লৱে। ১৮ শতিকাৰ শেষ ভাগত আৰু ১৯শতিকাৰ আগভাগত ব্ৰিটেইনত ঔদ্যোগিক বিপ্লৱৰ সূচনা হৈছিল। এই বিপ্লৱৰ দুটা প্ৰধান দিশ আছিল বিজ্ঞান আৰু কাৰিকৰী শিক্ষাক ঔদ্যোগিক উৎপাদনত পদ্ধতিগতভাৱে প্ৰয়োগ কৰা, বিশেষকৈ নতুন যন্ত্ৰপাতিৰ আৱিষ্কাৰ আৰু শক্তিৰ নতুন উৎসৰ সন্ধান কৰা। দ্বিতীয়তে, ঔদ্যোগিক বিপ্লৱে শ্ৰম তথা বজাৰসমূহক নতুন পদ্ধতিৰে অধিকভাৱে সংগঠিত কৰাৰ ব্যৱস্থা অধিক খৰতকীয়া কৰি তোলে, যিটো পূৰ্বতে দেখা নগৈছিল। কিছুমান নতুন যন্ত্ৰ, যেনে— Spinning Jenny (এবিধ সূতা কটা যন্ত্ৰ) আৰু শক্তি উৎপাদন কৰা নতুন যন্ত্ৰ (যেনে— ভাপ ইঞ্জিনৰ বিভিন্ন নতুন কৌশল) আদিয়ে উৎপাদন প্ৰক্ৰিয়া সুগম কৰি তোলে। ইয়াৰ ফলত বহুতো কল-কাৰখানা সৃষ্টি হোৱাৰ লগে লগে বৃহৎ মাত্ৰাত বয়-বস্তু উৎপাদন হ'বলৈ ধৰিলে। এই সামগ্ৰীবোৰ বৃহৎ মাত্ৰাত উৎপাদন কৰি বিশ্বৰ বজাৰবোৰলৈ পঠিওৱা হ'ল। একেদৰেই এই কাৰখানাবিলাকৰ বাবে প্ৰয়োজন হোৱা কেঁচা সামগ্ৰীবোৰো বিশ্বৰ বিভিন্ন প্ৰান্তৰ পৰা আহৰণ কৰিব লগা হয়। আধুনিক উদ্যোগ ব্যৱস্থাই এইদৰে গোটেই পৃথিৱীকে ছানি ধৰিছিল।

উৎপাদন ব্যৱস্থাৰ এই পৰিৱৰ্তনৰ ফলত মানুহৰ সামাজিক জীৱনলৈ বিশাল পৰিৱৰ্তন নামি আহিল। চহৰ-নগৰবোৰত স্থাপন হোৱা উদ্যোগবোৰ চলাবলৈ শ্ৰমিকৰ প্ৰয়োজন হোৱাত সেই শ্ৰমিকসকলক প্ৰধানকৈ গাঁও অঞ্চলৰ পৰা অনা হ'ল। এনেদৰে বহুলোকে গ্ৰাম্যাঞ্চল ত্যাগ কৰি চাকৰিৰ সন্ধানত চহৰলৈ আহি বসতি স্থাপন কৰিবলৈ ল'লে। সেই সময়ত শ্ৰমিকসকলৰ মজুৰিৰ হাৰ তেনেই কম আছিল বাবে পুৰুষ আৰু মহিলাই নহয়, বৰঞ্চ ল'ৰা-ছোৱালীবোৰেও তেওঁলোকৰ জীৱন নিৰ্বাহৰ বাবে অতি বিপদসংকুল অৱস্থাৰ মাজত বহু

সময় ধৰি শ্ৰম কৰিব লগা হৈছিল। আধুনিক উদ্যোগসমূহৰ সহায়ত নগৰ আৰু চহৰবোৰে গাঁও অঞ্চলত আধিপত্য বিস্তাৰ কৰি ক্ষমতা লাভ কৰিলে। লগে লগে নগৰ-চহৰবোৰত গঢ় লৈ উঠা মানুহৰ বসতিস্থানবোৰ প্ৰভাৱশালী কেন্দ্ৰৰূপে পৰিগণিত হৈ পৰিল। নানা ধৰণৰ সৰু-ডাঙৰ সামাজিক গোটৰ অসমতা আৰু বৰ্ধিত জনসংখ্যাৰ বাবে জনসংখ্যাৰ ঘনত্ব আদি নগৰীয়া সমাজত প্ৰকট হৈ জিলিকি উঠিল। ধনী আৰু প্ৰতিপত্তিশীল লোকসকলে নগৰবোৰত বসবাস কৰিবলৈ লয় আৰু লগতে শ্ৰমিকসকলেও দৰিদ্ৰতাৰ মাজেদিয়েই সৰু সৰু জুপুৰি ঘৰত অস্বাস্থ্যকৰ পৰিৱেশত থাকিবলৈ লয়। আধুনিক শাসন পদ্ধতি অনুসৰি, ৰাষ্ট্ৰ যন্ত্ৰত ভালেমান নতুন নতুন ব্যৱস্থা সন্নিৱিষ্ট কৰা হ'ল। তাৰ ভিতৰত স্বাস্থ্য, পৰিষ্কাৰ-পৰিচ্ছন্নতাৰ ব্যৱস্থা, অপৰাধী লোকসকলক নিয়ন্ত্ৰণ কৰা তথা জনসাধাৰণৰ 'সৰ্বাংগীণ উন্নতি'ৰ বিভিন্ন দিশসমূহ। এই নতুন দায়িত্ববোধ পালন কৰিবলৈ শাসনতন্ত্ৰক নতুন তত্বজ্ঞানৰ আৰশ্যক হৈ পৰিল। এনেধৰণৰ আৱশ্যকতাখিনি পূৰণ কৰিবৰ বাবে সমাজবিজ্ঞান, বিশেষকৈ সমাজতত্ত্বৰ উত্থান বিশেষভাৱে প্ৰয়োজন হৈ পৰিল।

আৰম্ভণিৰ পৰাই সমাজতাত্ত্বিক চিন্তাধাৰাই ঔদ্যোগিক সমাজৰ বিকাশ তথা বৃদ্ধিৰ বিজ্ঞানসন্মত আলোচনা আগবঢ়াই আহিছে। সেইবাবে সমাজতত্ত্বক 'ঔদ্যোগিক সমাজক অধ্যয়ন কৰা বিজ্ঞান' বুলিও অনেকে ক'ব খোজে। আধুনিক ঔদ্যোগিক সমাজ গঠন হোৱাৰ পিছতহে মানুহৰ সামাজিক ব্যৱহাৰৰ পৰিৱৰ্তিত গতিবোৰৰ সম্পৰ্কে জনাৰ সুযোগ আহিল। এনেধৰণৰ ব্যৱহাৰ প্ৰধানকৈ পৰিস্ফুট হয় তথ্যসম্বলিত বৈজ্ঞানিক বিশ্লেষণৰ দ্বাৰা। ৰাজ্যৰ দ্বাৰা প্ৰস্তুত কৰা কোনো তদাৰকী গোটৰ সহায়ত যিবোৰ বিজ্ঞানভিত্তিক তথ্য সংগ্ৰহ কৰা হয়, সেইবোৰৰ জৰিয়তেহে সেইখন সমাজৰ বিষয়ে ভালকৈ জানিব পাৰি। সমাজতাত্ত্বিক সিদ্ধান্তবোৰো সেই তথ্যবোৰৰ বিশ্লেষণৰে প্ৰতিফলন বুলি ক'ব পাৰি।

কাৰ্ল মাৰ্ক্স (Karl Marx) (১৮১৮-১৮৮৩)



১৮১৮ চনৰ ৫ মে' তাৰিখে জাৰ্মেনীৰ Prussiaৰ Rhineland প্ৰদেশৰ Trier নামৰ ঠাইত কাৰ্ল মাৰ্ক্সৰ জন্ম হৈছিল। তেওঁৰ দেউতাক এজন সম্পত্তিবান স্বাধীন মনৰ উকীল আছিল।

- ১৮৩৪-৩৬ ঃ Bonn বিশ্ববিদ্যালয়ত আইন শিক্ষা গ্ৰহণ কৰিছিল আৰু তাৰ পাছত Berlin বিশ্ববিদ্যালয়ত আছিল, য'ত ডেকা বয়সৰ Hegelianসকলৰ দ্বাৰা বাৰুকৈয়ে প্ৰভাৱান্বিত হৈছিল।
- ১৮৪১ ঃ Jena বিশ্ববিদ্যালয়ৰ পৰা দৰ্শনত ডক্টৰেট উপাধি লাভ কৰে।
- ১৮৪৩ ঃ Jenny Von Westphalenৰ লগত বিবাহপাশত আৱদ্ধ হয়।
- ১৮৪৪ঃ Paris অত Fredrich Engelsক লগ পায় আৰু তেওঁৰ লগত আজীৱন বন্ধুত্ব স্থাপন হয়।
- ১৮৪৭ ঃ আন্তৰ্জাতিক শ্ৰমিক সংঘই (International Working Men's Associations) তেওঁলোকৰ সংঘৰ লক্ষ্য আৰু উদ্দেশ্য সম্পৰ্কে খচৰা প্ৰস্তুত কৰিবলৈ আমন্ত্ৰণ জনায়। এই

বিখ্যাত খচৰা পত্ৰখন তেওঁ Engelsৰ সৈতে প্ৰস্তুত কৰে। পিছলৈ ১৯৪৮চনত সেইখন Manifesto of The Communist Party ৰূপে প্ৰকাশ হয়।

- ১৮৪৯ ঃ দেশান্তৰ হৈ ইংলেণ্ডলৈ যায় আৰু তাতেই মৃত্যুলৈকে জীৱন অতিবাহিত কৰে।
- ১৮৫২ ঃ The Eighteenth Brumaire of Louis Bonaparte প্ৰকাশ পায়।
- ১৮৫৯ ঃ A Contribution to The Critique of Political Economy প্ৰকাশ পায়।
- ১৮৬৭ ঃ Capitalৰ প্ৰথম খণ্ড প্ৰকাশ পায়।
- ১৮৮১ ঃ পত্নী Jenny von Westphalenৰ মৃত্যু হয়।
- ১৮৮৩ ঃ মাৰ্ক্সৰ মৃত্যু আৰু তেওঁক লণ্ডনৰ Highgate Cemeteryত সমাধিস্থ কৰা হয়।

কাৰ্ল মাৰ্ক্সৰ জন্ম হৈছিল জাৰ্মেনীত। কিন্তু দেশান্তৰ কৰাৰ বাবে তেওঁ বৌদ্ধিক উৎকৰ্ষৰে ভৰা জীৱনৰ সৰহভাগ সময় ব্ৰিটেইনতে কটাবলগা হৈছিল। চৰম সংস্কাৰধৰ্মী ৰাজনৈতিক চিন্তাধাৰাৰ বাবে কাৰ্ল মাৰ্ক্সক কেৱল নিজৰ মাতৃভূমিৰ পৰাই নহয়, বৰঞ্চ অষ্ট্ৰিয়া আৰু ফ্ৰান্সৰ পৰাও নিৰ্বাসিত কৰা হৈছিল। মাৰ্ক্সে যদিও দৰ্শনশাস্ত্ৰ অধ্যয়ন কৰিছিল, তেওঁ প্ৰকৃততে দাৰ্শনিক নাছিল; তেওঁ আছিল এজন সামাজিক চিন্তাবিদ আৰু বিশ্লেষক। সমাজত প্ৰচলিত শোষণ আৰু দমন নীতিবোৰ নিৰ্মূল কৰাৰ সপক্ষে তেওঁ সজোৰে যুক্তি প্ৰদৰ্শন কৰিছিল। তেনে উদ্দেশ্য আগত ৰাখিয়েই পুঁজিবাদী সমাজক কঠোৰ দৃষ্টিভংগীৰে সমালোচনা কৰিছিল আৰু তেওঁলোকৰ দুৰ্বলতাবোৰ উদঙাই দি সেই ব্যৱস্থাৰ পতন আনিবলৈ প্ৰয়াস কৰিছিল। মাৰ্ক্সে যুক্তি দৰ্শাইছিল যে মানুহৰ সমাজখনে বিভিন্ন স্তৰ অতিক্ৰম কৰি উন্নতি লাভ কৰি আহিছে। এই স্তৰ বা পৰ্যায়বোৰ হৈছে আদিম সাম্যবাদ, দাসত্ব প্ৰথা, সামন্তবাদী ব্যৱস্থা আৰু পুঁজিবাদ ব্যৱস্থা। মানুহৰ বিকাশৰ বাবে পুঁজিবাদ ব্যৱস্থা সকলোতকৈ নৱতম পৰ্যায় যদিও মাৰ্ক্সে বিশ্বাস কৰিছিল যে পুঁজিবাদ ব্যৱস্থাই এদিন সাম্যবাদৰ পথ মুকলি কৰিব।

পুঁজিবাদী সমাজ ব্যৱস্থাত দেখা পোৱা এটি বৈশিষ্ট্য হৈছে ইয়াৰ বিভিন্ন পৰ্যায়ত তীব্ৰ ৰূপ ধাৰণ কৰা অপসাৰিতাৰ (Alienation) প্ৰক্ৰিয়াবোৰ। প্ৰথমেই ক'ব পাৰি যে পুঁজিবাদী সমাজ ব্যৱস্থাই মানুহ আৰু প্ৰকৃতিৰ মাজত বহু ব্যৱধান আনি দিলে, যিটো আগতে কেতিয়াও নাছিল। দ্বিতীয়তে, অপসাৰিতা অৰ্থাৎ ব্যক্তিসকলৰ মাজত বাঢ়ি অহা ব্যৱধান। পুঁজিবাদৰ আদৰ্শই পূৰ্বৰ সামূহিক সমাজ ব্যৱস্থাক অধিক ব্যক্তিকেন্দ্ৰিক কৰি তোলাৰ উপৰি মানুহৰ সামাজিক সম্বন্ধকো বজাৰকেন্দ্ৰিক কৰি তোলে। তৃতীয়তে, বৃহৎ সংখ্যক শ্ৰমিকক তেওঁলোকৰ নিজ শ্ৰমৰ বাবে প্ৰাপ্য মজুৰিৰ পৰা বঞ্চিত কৰা হ'ল, এনেদৰে তেওঁলোক অপসাৰিত হ'বলৈ ধৰে। কিয়নো শ্ৰমিকসকলৰ দ্বাৰা উৎপাদিত বস্তুসমূহৰ ওপৰত তেওঁলোকৰ একো অধিকাৰ নাথাকে, যিদৰে আগৰ কালত দক্ষ শ্ৰমিকসকলে নিজ শ্ৰমক নিজৰ দখলত ৰাখিব পাৰিছিল। আজিকালি পুঁজিবাদী শাসনকালত শ্ৰমিকৰ কৰ্ম, সময় তথা কৰ্মৰ গুণাগুণবোৰ ব্যৱস্থাপনাৰ (Management) দ্বাৰা নিৰ্ধাৰিত কৰা হয়। ক'ব পাৰি যে শ্ৰমিকসকলে স্বয়ং নিজৰ পৰাই অপসাৰিত হৈ পৰে আৰু নিজৰ জীৱনক সক্ষম কৰি তুলিবৰ বাবে সংগ্ৰাম কৰিবলগীয়া হয়। তেওঁলোক স্বাধীন হৈও একপ্ৰকাৰে পৃথক হৈ পৰে আৰু পূৰ্বৰ দৰে নিজৰ জীৱনটোক নিয়ন্ত্ৰণ কৰাৰ ক্ষমতা কমি আহে।

সি যি কি নহওক, পুঁজিবাদ যদিও এক শোষণকাৰী আৰু দমনকাৰী পদ্ধতি আছিল, তথাপি মাৰ্ক্সে বিশ্বাস কৰিছিল যে পুঁজিবাদ মানৱ ইতিহাসৰ এটা আৱশ্যকীয় তথা প্ৰগতিশীল পদক্ষেপ আছিল। এই ব্যৱস্থাই এনে এটি বাতাবৰণ সৃষ্টি কৰিছিল, যিয়ে ভৱিষ্যতৰ বাবে এটি শোষণমুক্ত আৰু দৰিদ্ৰতাবিহীন অৱস্থাৰ পূৰ্বাভাস দিছিল। মাৰ্ক্সে আৰু বিশ্বাস কৰিছিল যে পুঁজিবাদী ব্যৱস্থাক তেওঁলোকৰ শ্ৰমিকৰ দ্বাৰাই ৰূপান্তৰিত কৰা সম্ভৱ হ'ব, য'ত শোষিত শ্ৰমিকসকলে একগোট হৈ বিদ্ৰোহ আৰম্ভ কৰিব আৰু মুক্ত তথা সম অধিকাৰৰ এখন সমাজবাদী সমাজ সৃষ্টি কৰিব। পুঁজিবাদী শাসন ব্যৱস্থাৰ কাৰ্য প্ৰণালীবোৰ বুজি পাবলৈ কাৰ্ল মাৰ্ক্সে ইয়াৰ ৰাজনৈতিক, সামাজিক আৰু বিশেষকৈ অৰ্থনৈতিক দিশবোৰৰ বিতং অধ্যয়ন কৰিছিল।

মাৰ্ক্সৰ ধাৰণা মতে উৎপাদনৰ প্ৰকাৰেই (Mode of production) সমাজৰ অৰ্থনীতি নিৰূপণ কৰে। উৎপাদনৰ এই প্ৰকাৰবোৰ ইতিহাসৰ বিভিন্ন স্তৰৰ উৎপাদনৰ লগত সাঙোৰ খাই আছে। আদিম সাম্যবাদ, দাসত্ব প্ৰথা, সামন্তবাদ তথা পুঁজিবাদ এই সকলোবোৰৰ আধাৰ হৈছে উৎপাদনমুখী ব্যৱস্থা মাত্ৰ। সাধাৰণভাৱে চালে দেখা যায় যে উৎপাদনৰ প্ৰকাৰবোৰে সমাজৰ কোনো এটা জীৱন প্ৰণালীৰ কথাকে সূচায়। বিশেষ পৰ্যায়ত উৎপাদনমুখী ব্যৱস্থাটোক এটা অট্টালিকাৰ লগত তুলনা কৰিব পাৰি। যেনেদৰে অট্টালিকাটোৰ তলৰ মহলাত আধাৰশিলা স্থাপন কৰা হয় আৰু ইয়াৰ ওপৰত অট্টালিকা টোৰ আকাৰ দিয়া হয়। ঠিক তেনেদৰে অৰ্থ ব্যৱস্থাৰ আধাৰ বা প্ৰাথমিক পদক্ষেপ হিচাপে অৰ্থ বা টকা-পইচা জড়িত হৈ থাকে আৰু ইয়াৰ লগত উৎপাদিকা শক্তিসমূহ (Forces of production) তথা উৎপাদনৰ সম্বন্ধ (Relation of production) নিহিত হৈ থাকে। উৎপাদিকা শক্তিবোৰ হৈছে উৎপাদনৰ বাবে প্ৰয়োজন হোৱা বিভিন্ন কাৰকবোৰ, যেনে— ভূমি, শ্ৰম, যন্ত্ৰপাতি, শক্তিৰ উৎসসমূহ (বিজুলী, কয়লা, পেট্ৰলজাত সামগ্ৰী আদি)। এইবোৰক প্ৰধানকৈ অৰ্থনৈতিক কাৰক বুলি গণ্য কৰা হয়। উৎপাদনৰ সম্বন্ধ বুলি ক'লে উৎপাদনৰ লগত সাঙোৰ খাই থকা সকলো প্ৰকাৰৰ অৰ্থনৈতিক সম্বন্ধ আৰু শ্ৰমক কিদৰে সংগঠিত কৰা হয় তাকে বুজা যায়। বহল অৰ্থত উৎপাদনৰ সম্বন্ধ মানে ভূমি বা সম্পত্তিৰ সম্বন্ধ বা উৎপাদনৰ আহিলাবোৰক (Means of production) নিয়ন্ত্ৰণ কৰা বা ইয়াৰ অংশীদাৰ হোৱাকে বুজায়।

উদাহৰণস্বৰূপে, আদিম সাম্যবাদ ব্যৱস্থাত উৎপাদনৰ প্ৰকাৰবোৰ, বিশেষকৈ প্ৰকৃতি, বনাঞ্চল, ভূমি, জীৱ-জন্তু আদি অন্তৰ্ভুক্ত আছিল। তদুপৰি কিছুমান অতি পুৰণি পৰ্যায়ৰ সৰঞ্জাম ব্যৱহাৰ, যেনে— শিলেৰে নিৰ্মিত অস্ত্ৰ-শস্ত্ৰ আৰু চিকাৰ কৰাৰ আহিলাসমূহ। সেই যুগৰ উৎপাদনৰ সম্বন্ধবোৰ নিৰ্ণয় হৈছিল সম্প্ৰদায় ভিত্তিত সম্পত্তিৰ আধাৰত, কাৰণ ব্যক্তিগত সম্পদ আহৰণৰ ধাৰণাই সেই সময়ত গা কৰি উঠা নাছিল। তেনেকৈ জনজাতীয় সমাজৰ প্ৰচলিত চিকাৰ পদ্ধতি আৰু খাদ্য আহৰণৰ প্ৰক্ৰিয়াবোৰে শ্ৰম সংগঠনৰ কথাকে সোঁৱৰাই দিয়ে।

গতিকে দেখা যায় উৎপাদিকা শক্তি আৰু উৎপাদনৰ সম্বন্ধই সমাজত অৰ্থনীতিৰ আধাৰ প্ৰস্তুত কৰে। সমাজৰ সকলো প্ৰকাৰৰ সামাজিক, সাংস্কৃতিক, ৰাজনৈতিক সংস্থাবোৰে অৰ্থনীতিৰ সেই আধাৰতে স্থিতি লাভ কৰে। সেইদৰে ধৰ্ম, কলা, আইন, সাহিত্য তথা সমাজৰ বিভিন্ন ধৰণৰ বিশ্বাস আৰু ভাৱধাৰাৰ সংস্থাসমূহ হৈছে 'উপৰি-সৌধ' (superstructure) এ অংশ।

এই অংশবোৰে আকৌ মূল আধাৰৰ ওপৰত গইনা লৈ স্থিতি লাভ কৰে। মাৰ্ক্সে যুক্তি সহকাৰে কৈছিল

যে মানুহৰ ভাৱধাৰা আৰু বিশ্বাসৰ উৎপত্তিস্থল হৈছে অৰ্থনৈতিক পদ্ধতি, যি পদ্ধতিৰ সৈতে তেওঁলোক অংশীদাৰ হৈ থাকে। মানুহে যি দৰে চিন্তা কৰিব পাৰে ,সেই চিন্তা-শক্তিৰ আধাৰতে জীৱন নিৰ্বাহৰ উপায়ো চিন্তা কৰিব পাৰে। আন অৰ্থত ক'বলৈ হ'লে ভৌতিক জীৱনেহে (Material life) মানুহৰ ভাৱধাৰা বা চেতনা নিৰ্ণয় কৰে, ইয়াৰ বিপৰীতে ভাৱধাৰাই ভৌতিক জীৱন নিৰ্ণয় কৰিব নোৱাৰে। কাৰ্ল মাৰ্ক্সৰ এনেধৰণৰ যুক্তিয়ে সেই সময়ত প্ৰচলিত সবল চিন্তাধাৰাৰ বিপৰীতে গৈছিল; কাৰণ সেই সময়ৰ চিন্তাধাৰাত যুক্তি আগবঢ়োৱা হৈছিল যে মানুহে প্ৰয়োজন অনুসাৰে যি বিচাৰে তাকেই চিন্তা-চৰ্চা কৰিব পৰা মুক্ত স্বাধীনতা আছে আৰু সেই চিন্তাধাৰাই বিশ্বক গঢ় দিব পাৰে।

মাৰ্ক্সে অৰ্থনৈতিক সংৰচনা (Structure) আৰু প্ৰক্ৰিয়াবোৰৰ ওপৰত অধিক গুৰুত্ব আৰোপ কৰিছিল। কাৰণ তেওঁ বিশ্বাস কৰিছিল যে এইবোৰ মানৱ ইতিহাসৰ প্ৰতিটো সমাজ ব্যৱস্থাত আধাৰৰূপে চিহ্নিত হৈ আহিছে। মাৰ্ক্সে যুক্তি অৱতাৰণা কৰি কৈছিল যে অৰ্থব্যৱস্থাই কেনেকৈ পৰিৱৰ্তন সাধন কৰিছিল এই বিষয়ে আমি যদি বুজিব পাৰোঁ, তেন্তে ভৱিষ্যতৰ সমাজবোৰলৈ কেনেকৈ পৰিৱৰ্তন আনিব পাৰি সেই জ্ঞান আমি আহৰণ কৰিব পাৰোঁ। কিন্তু এই পৰিৱৰ্তন অনা কেনেকৈ সম্ভৱ হ'ব? মাৰ্ক্সৰ নিজৰেই উত্তৰ আছিল— ই সম্ভৱ হ'ব কেৱল শ্ৰেণী সংগ্ৰামৰ (Class struggle) জড়িয়তে।

**শ্ৰেণী সংগ্ৰাম (Class Struggle) ঃ**

মাৰ্ক্সৰ মতে সমাজৰ ব্যক্তিসকলক কোনো গোট বা সমূহত শ্ৰেণীকৰণ কৰাৰ গুৰুত্বপূৰ্ণ পদ্ধতি হৈছে সমাজত অৰ্থনৈতিক উৎপাদন প্ৰক্ৰিয়া। তেওঁৰ মতে ধৰ্ম, ভাষা, জাতীয়তা অথবা এনেধৰণৰ অন্যান্য পৰিচয়ৰ ভিত্তিত সমাজৰ ব্যক্তিসকলৰ মাজত শ্ৰেণী বিভাজন হ'ব নোৱাৰে। এই ক্ষেত্ৰত তেওঁ যুক্তি সহকাৰে কৈছিল যে সামাজিক উৎপাদনৰ প্ৰক্ৰিয়াত ব্যক্তিয়ে যি স্থানত অৱতীৰ্ণ হয়, সেই মতেই তেওঁলোকে সময়ত একো একোটা শ্ৰেণী গঠন কৰে। উৎপাদন প্ৰক্ৰিয়া আৰু সম্পদে নিৰ্ধাৰণ কৰা সম্বন্ধৰ আধাৰত ব্যক্তিয়ে যি পদবীত অৱস্থান কৰে সেই মতেই তেওঁলোকে একেধৰণৰ স্বাৰ্থ আৰু উদ্দেশ্যৰ অংশীদাৰ হৈ পৰে, যদিওবা সেয়া লাহে লাহে ঘটে। শ্ৰেণী সংগঠন সম্ভৱ হয় ঐতিহাসিক প্ৰক্ৰিয়াৰ যোগেদি। আকৌ উৎপাদিকা শক্তিৰ পৰিবৰ্তিত অৱস্থা আৰু লগে লগে প্ৰতিষ্ঠিত শ্ৰেণীবোৰৰ মাজৰ মতানৈক্য সৃষ্টিয়েও আওপকীয়াকৈ শ্ৰেণী সৃষ্টিত অহিৰণা যোগায়। উৎপাদনৰ সামগ্ৰীবোৰ আৰু উৎপাদনৰ লগত জড়িত সামাজিক সম্বন্ধৰ যেতিয়া পৰিৱৰ্তন হয়, তেতিয়া বিভিন্ন সামাজিক শ্ৰেণীৰ মাজত মতবিৰোধ হয় আৰু তাৰেই ফলস্বৰূপে, পুঁজিবাদী উৎপাদন প্ৰক্ৰিয়াই শ্ৰমিক শ্ৰেণীৰ সৃষ্টি কৰে। আৰু এই শ্ৰমিক শ্ৰেণী হৈছে সামন্ত যুগৰ কৃষি পদ্ধতি পতনৰ ফলস্বৰূপে সৃষ্টি হোৱা সম্পত্তিহীন নতুন শ্ৰেণীৰ নগৰীয়া লোকসকল। চাৰ্ফ (কৃষিদাস) তথা ক্ষুদ্ৰ ক্ষুদ্ৰ কৃষকসকলৰ ভূমি আৰু জীৱিকাৰ পূৰ্বৰ উৎসসমূহ উচ্ছেদ কৰাৰ বাবে তেওঁলোক জীৱিকাৰ সন্ধানত নগৰলৈ আহি বসতি স্থাপন কৰিবলৈ লয়। ইয়াত তেওঁলোকে আইনী ব্যৱস্থাৰ মতে বা পুলিচৰ হেঁচাত পৰি নৱনিৰ্মিত কাৰখানাসমূহত কাম কৰিবলগীয়া হয়। এইদৰে পুনৰ সামাজিক গোটসমূহৰ সৃষ্টি হ'ল। যিসকল সম্পত্তিহীন আছিল তেওঁলোকে বাধ্যত পৰিহে কাম কৰিব লগা হৈছিল। উৎপাদন প্ৰক্ৰিয়াত অংশীদাৰ হোৱাৰ বাবে শ্ৰমিকসকলে নিজৰ এটা বেলেগ শ্ৰেণী গঠন কৰাৰ সুবিধা পায়।

কাৰ্ল মাৰ্ক্স শ্ৰেণী সংগ্ৰামৰ প্ৰবল সমৰ্থক আছিল। তেওঁ বিশ্বাস কৰিছিল যে শ্ৰেণী সংগ্ৰাম হৈছে সামাজিক পৰিৱৰ্তনৰ প্ৰধান শক্তিস্বৰূপ। The Communist Manifesto (যিখন প্ৰকৃততে কাৰ্যৰ বিৱৰণী আছিল) নামৰ গ্ৰন্থখনত মাৰ্ক্স আৰু এঞ্জেলচে তেওঁলোকৰ চিন্তাধাৰা আৰু কাৰ্যক্ৰমণিকাৰ বিষয়ে স্পষ্টকৈ আৰু সংক্ষেপ ৰূপত দাঙি ধৰিছে। The Communist Manifesto ৰ আৰম্ভণিৰ বাক্যশাৰীয়ে এনেদৰে ঘোষণা কৰিছিল— "The history of all hitherto existing societies is the history of the class struggle." অৰ্থাৎ "প্ৰত্যেক বিদ্যমান সমাজৰ ইতিহাস হৈছে শ্ৰেণী সংগ্ৰামৰ ইতিহাস।" তেওঁলোকে মানৱ ইতিহাসৰ বিভিন্ন গতিধাৰা অধ্যয়ন কৰিছিল আৰু কৈছিল যে ইতিহাসৰ বিভিন্ন পৰ্যায়ত শ্ৰেণী সংগ্ৰামৰ চৰিত্ৰবোৰো ভিন ভিন ৰূপত প্ৰকাশ পায়। যিহেতু মানৱ সমাজে আদিম যুগৰ পৰা বৰ্তমানলৈকে বিভিন্ন পৰ্যায়ত স্বকীয় বৈশিষ্ট্যৰে ধাৱমান হৈ আহিছে, সেয়েহে প্ৰতিটো পৰ্যায়তে শোষক আৰু শোষিত শ্ৰেণীৰ মাজত মতানৈক্যও বিৰাজমান হৈ থাকে।

মাৰ্ক্স আৰু এঞ্জেলচে লিখিছিল— 'Freeman and slave, patrician and plebeian, lord and serf, guildmaster and journeyman, in a word, oppressor and oppressed, stood in constant opposition to one another, carried out an uninterrupted, now hidden, now open fight.' অৰ্থাৎ 'মুক্ত নাগৰিক আৰু দাসসকল, সম্ভ্ৰান্ত আৰু সাধাৰণ শ্ৰেণী, মালিক আৰু বহুতীয়ালৈকে, জমিদাৰ আৰু সাধাৰণ হাজিৰা কৰা লোক, একেষাৰে ক'বলৈ গ'লে— শোষক আৰু শোষিতসকলৰ মাজত সময়ে সময়ে বিৰোধিতা চলি আহিছে— কেতিয়াবা একেলেথাৰিকৈ, কেতিয়াবা গোপনে বা কেতিয়াবা মুকলি যুদ্ধত অৱতীৰ্ণ হৈছে।' প্ৰতিটো পৰ্যায়তে দুটা মূল বিপৰীত শ্ৰেণীৰ লোক থাকে আৰু দুয়োটা শ্ৰেণীৰ মাজত অহৰহ মতানৈক্য বিৰাজ কৰে। উৎপাদন প্ৰক্ৰিয়াক কেন্দ্ৰ  কৰিয়েই এনেধৰণৰ মতানৈক্যৰ সৃষ্টি হয়। পুঁজিবাদী ব্যৱস্থাত উৎপাদনৰ সকলো আৱশ্যকীয় আহিলা (পুঁজি, কাৰখানা, মেচিন, ভূমি আদি) সমূহত বুৰ্জোৱা অৰ্থাৎ মালিকীস্বত্ব থকা লোকসকলৰহে পূৰ্ণ অধিকাৰ আছিল। অন্যহাতে শ্ৰমিক শ্ৰেণীয়ে উৎপাদনৰ লগত জড়িত থকা ব্যৱস্থাবোৰৰ পৰা অধিকাৰ হেৰুৱাই পেলাইছিল। পুঁজিবাদী সমাজ ব্যৱস্থাত শ্ৰমিক শ্ৰেণীৰ লোকসকলে জীৱন ধাৰণ কৰিবলৈ নিজৰ শ্ৰম বিক্ৰী কৰাৰ বাহিৰে অন্য উপায় নাছিল, কিয়নো তেওঁলোকৰ শ্ৰম অবিহনে আন একোৱেই নাছিল।

আনকি কেতিয়াবা দুয়োটা শ্ৰেণীৰ লোকসকলৰ বস্তুগত দিশত পৰস্পৰ মতবিৰোধ থাকিলেও, তেওঁলোকৰ মাজত আপোনা-আপুনি সংঘৰ্ষ হ'ব নোৱাৰে। সংঘৰ্ষ সৃষ্টি হ'বলৈ হ'লে ব্যক্তিগত দিশত নিজ শ্ৰেণীস্বাৰ্থ তথা শ্ৰেণীৰ নিজা পৰিচয়ৰ চেতনা জাগ্ৰত হোৱা বাঞ্ছনীয়। একে সময়তে বিৰোধী পক্ষৰ  স্বাৰ্থ আৰু পৰিচয়ৰ প্ৰতিও সচেতন হৈ থকা দৰকাৰ। এনেদৰে ৰাজনৈতিকভাৱে সচেতন হৈ বা ৰাজনৈতিকভাৱে একগোট হৈ 'শ্ৰেণী সচেতনতা' (Class consciousness) বিকাশ হ'লেহে শ্ৰেণী সংঘৰ্ষ সম্ভৱ হৈ উঠে। এইদৰে সৃষ্টি হোৱা সংঘৰ্ষই পূৰ্বৰে পৰা শোষিত হৈ থকা শ্ৰেণীবোৰে ক্ষমতা বা শাসক গোষ্ঠীক ক্ষমতাৰ পৰা ওফৰাই পেলাব পাৰে আৰু ইয়াকে 'বিপ্লৱ' বুলি ক'ব পাৰি। কাৰ্ল মাৰ্ক্সৰ মতবাদ অনুসৰি সমাজৰ অৰ্থনৈতিক প্ৰক্ৰিয়াবোৰে মতানৈক্যৰ সৃষ্টি কৰে। যি মতানৈক্যই অৱশেষত শ্ৰেণী সংঘাত (Class conflict) সৃষ্টি কৰে।

কিন্তু কেৱল অৰ্থনৈতিক প্ৰক্ৰিয়াবোৰে সমাজত নিজাকৈ বিপ্লৱ আনিব নোৱাৰে। সমাজৰ সম্পূৰ্ণ চৰিত্ৰগত পৰিৱৰ্তনৰ বাবে সামাজিক আৰু ৰাজনৈতিক প্ৰক্ৰিয়াবোৰৰ ভূমিকাও সমানে গুৰুত্বপূৰ্ণ।

**ক্ৰিয়া-কলাপ-২ (Activity-2)**

তুমি তথা তোমাৰ সহপাঠীসকলৰ দ্বাৰা গঠন কৰা গোটবোৰক মাৰ্ক্সীয় দৃষ্টিভংগীৰে 'শ্ৰেণী' বুলি ক'ব পাৰিবানে? উক্ত দৃষ্টিভংগীৰ সপক্ষে বা বিপক্ষে কি যুক্তি দাঙি ধৰিবা? কাৰখানাৰ শ্ৰমিক আৰু কৃষি বনুৱাসকল একে শ্ৰেণীত পৰেনে? একেটা কাৰখানাতে কাম কৰা শ্ৰমিক আৰু পৰিচালক (Manager) সকলৰ বিষয়ে কি ক'ব খোজা? এওঁলোক একোটা শ্ৰেণীৰ অন্তৰ্ভুক্ত নেকি? চহৰত বাস কৰা ধনী উদ্যোগপতি বা তেনেধৰণৰ মালিকসকল যাৰ ভূমি সম্পত্তি নাথাকে, তেওঁলোক গাঁৱত থকা দুখীয়া ভূমিহীন কৃষক শ্ৰমিকজনৰ সৈতে একে শ্ৰেণীত পৰে নেকি? এজন জমিদাৰ, যিজনৰ বহুতো মাটি-সম্পত্তি আছে আৰু এজন মাটিহীন দৰিদ্ৰ কৃষক, এওঁলোক একেটা শ্ৰেণীতে অন্তৰ্ভুক্ত হ'ব জানো? যদি তেওঁলোকে একেখন গাঁৱতে বাস কৰে আৰু ভূমিৰ অধিকাৰী হয়, তেতিয়াও একে শ্ৰেণীতে অন্তৰ্ভুক্ত হ'ব পাৰে নেকি? এই উদাহৰণবোৰৰ উত্তৰ যুগুত কৰোঁতে তোমালোকে আগবঢ়োৱা যুক্তিবোৰ সাৱধানেৰে চিন্তা কৰি চোৱা।

**দ্ৰষ্টব্য ঃ** উক্ত উদাহৰণবোৰত কোনবোৰ বিষয়ত সমূহীয়া স্বাৰ্থক প্ৰাধান্য দিয়া হৈছে? উক্ত শ্ৰেণীবোৰে বহল সমাজ ব্যৱস্থাৰ, বিশেষকৈ উৎপাদন প্ৰক্ৰিয়াৰ লগত সংগতি ৰাখি কেনেধৰণৰ স্থান অধিকাৰ কৰি থাকে তাৰ বিষয়েও ভাবাচোন।

অৰ্থনৈতিক তথা সামাজিক আৰু ৰাজনৈতিক প্ৰক্ৰিয়াবোৰ ক্ৰমান্বয়ে জটিলৰ পৰা জটিলতৰ অৱস্থালৈ যোৱাৰ মুখ্য কাৰণ হৈছে আদৰ্শগত ধাৰণাৰ প্ৰভাৱ। ইতিহাসৰ প্ৰতিটো পৰ্যায়তে শাসকগোষ্ঠীয়ে তেওঁলোকৰ দমনমূলক আদৰ্শগত ধাৰণাকহে অগ্ৰাধিকাৰ দিয়া দেখা যায়। এনেধৰণৰ দমনমূলক আদৰ্শ বা সমগ্ৰ বিশ্বক চোৱাৰ যি মনোভাৱ থাকে, তাৰ জৰিয়তে শাসকগোষ্ঠীৰ দমনমূলক নীতিক প্ৰতিপন্ন কৰিবলৈ বিচাৰে আৰু সমগ্ৰিকভাৱে সমাজ ব্যৱস্থাক (Social order) স্বীকৃতি দিয়াৰ যুক্তি অৱতাৰণা কৰে। উদাহৰণস্বৰূপে, কেতিয়াবা দমনমূলক নীতিয়ে দৰিদ্ৰ শ্ৰেণীৰ লোকৰ মনত প্ৰত্যয় জন্মায় যে তেওঁলোক শোষণৰ বাবে দৰিদ্ৰ হোৱা নাই, বৰঞ্চ ই তেওঁলোকৰ 'ভাগ্য' আৰু পূৰ্বজন্মৰ বেয়া কামৰ ফলস্বৰূপে এয়া হৈছে। যি কি নহওক, দমনমূলক ভাবাদৰ্শ সদায়েই সমাজত বৰ্তি থাকিব নোৱাৰে আৰু এইবোৰক বিপৰীতমুখী ভাবাদৰ্শ অথবা বিকল্প দৰ্শনে প্ৰত্যাহ্বান জনোৱাৰ সম্ভাৱনা থাকে। যিহেতু শ্ৰেণীবোৰৰ মাজত সচেতনতা কেতিয়াও সদায় সমান ৰূপত নাথাকে, তেনে পৰিস্থিতিত এটা সামাজিক শ্ৰেণীয়ে ইতিহাসৰ কোনো বিশেষ মুহূৰ্তত কেনেদৰে ক্ৰিয়া কৰিব এই বিষয়ে আগতীয়াকৈ অনুমান কৰিব নোৱাৰি। সেইবাবে মাৰ্ক্সৰ মতে বিশেষকৈ অৰ্থনৈতিক প্ৰক্ৰিয়াসমূহে শ্ৰেণী সংঘৰ্ষৰ জন্ম দিয়ে। যিহেতু এই সকলোবোৰ নিৰ্ভৰ কৰে ৰাজনৈতিক তথা সামাজিক অৱস্থাৰ ওপৰত। পৰিস্থিতি সাপেক্ষে এই শ্ৰেণীগত সংঘৰ্ষই 'বিপ্লৱ'লৈ পৰিণত হয়।

**ইমাইল দুৰখেইম (১৮৫৮-১৯১৭)**

**(Emile Durkheim)**



১৮৫৮ চনৰ ১৫ এপ্ৰিল তাৰিখে জাৰ্মেনীৰ সীমামূৰীয়া ফ্ৰান্সৰ Lorraine অঞ্চলৰ Epinal নামৰ ঠাইত ইমাইল দুৰখেইমৰ জন্ম হয়। তেওঁ এটা গোড়া ইহুদী পৰিয়ালৰ লোক আছিল। তেওঁৰ দেউতাক, ককাদেউতাক আৰু আজোককাক সকলো ইহুদী সমাজৰ ধৰ্মগুৰু তথা পুৰোহিত আছিল। ইমাইল দুৰখেইমকো আৰম্ভণিৰ কালছোৱাত ধৰ্মীয় স্কুলত প্ৰশিক্ষণ ল'বৰ বাবে পঠোৱা হৈছিল।

- ১৮৭৬ ঃ পেৰিচৰ Ecole Normale Superieure ত দৰ্শন শাস্ত্ৰ অধ্যয়নৰ বাবে যোগ দিয়ে।
- ১৮৮৭ ঃ Bordeaux বিশ্ববিদ্যালয়ত সমাজবিজ্ঞান আৰু শিক্ষা বিষয়ৰ প্ৰবক্তাৰূপে নিযুক্ত হয়।
- ১৮৯৩ ঃ তেওঁৰ ডক্টৰেট গৱেষণা পত্ৰ Division of Labour in Society প্ৰকাশ পায়।
- ১৮৯৫ ঃ Rules of Sociological Method প্ৰকাশ পায়।
- ১৮৯৭ ঃ ফৰাচী সমাজ বিজ্ঞানৰ প্ৰথম আলোচনী Anee Sociologique প্ৰতিষ্ঠা হয় আৰু প্ৰখ্যাত গ্ৰন্থ Suicide প্ৰকাশ কৰে।
- ১৯০২ ঃ পেৰিচ বিশ্ববিদ্যলয়ৰ শিক্ষা বিভাগৰ প্ৰধান আসন (Chair) গ্ৰহণ কৰে। পিছত ১৯১৩ চনত সেই আসনখন শিক্ষা আৰু সমাজতত্ত্বৰ মূল আসনৰূপে নামকৰণ কৰা হয়।
- ১৯১২ ঃ The Elementary Forms of the Religious Life গ্ৰন্থখন প্ৰকাশ হয়।
- ১৯১৭ ঃ প্ৰথম বিশ্বযুদ্ধত পুত্ৰ আন্দ্ৰেৰ মৃত্যুত শোকগ্ৰস্ত হৈ ৫৯ বছৰ বয়সত মৃত্যুবৰণ কৰে।

ইমাইল দুৰখেইমক সমাজতত্ত্ব বিষয়টিৰ আনুষ্ঠানিক ৰূপ দিয়াৰ বাবে সমাজতত্ত্বৰ প্ৰতিষ্ঠাপকৰূপে আখ্যা দিয়া হয়। কাৰণ ১৯১৩ চনত পেৰিচত সমাজতত্ত্বৰ অধ্যাপক হিচাপে নিযুক্তি পোৱা প্ৰথমজন ব্যক্তি আছিল ইমাইল দুৰখেইম। গোড়া ইহুদী পৰিয়ালত জন্ম গ্ৰহণ কৰা ইমাইল দুৰখেইমক জীৱনৰ আগ বয়সত ইহুদীসকলৰ ধৰ্মীয় স্কুলত শিক্ষা ল'বলৈ পঠাইছিল। ১৮৭৬ চনত Ecole Normale Supereure ত ভৰ্তি হোৱাৰ পিছৰে পৰা তেওঁ ধৰ্মীয় অনুষ্ঠানৰ সৈতে সম্বন্ধ বিচ্ছেদ কৰে আৰু নিজকে এজন নাস্তিক বা ঈশ্বৰ বিশ্বাসী নহয় বুলি ঘোষণা কৰে। যি কি নহওক, দুৰখেইমৰ নৈতিক শিক্ষাই সমাজতাত্ত্বিক চিন্তাত প্ৰভূত অৰিহণা যোগালে। ব্যক্তিৰ সামাজিক ব্যৱহাৰক প্ৰধানকৈ নীতি শিক্ষাৰ বান্ধোনে নিয়ন্ত্ৰণ কৰে। ধাৰ্মিক পৰিয়ালৰ এজন সদস্য হোৱাৰ বাবে দুৰখেইমে ধৰ্মক নিৰপেক্ষ দৃষ্টিভংগীৰে আগবঢ়াই নিয়াৰ মত পোষণ কৰিছিল। সেই ভাবাদৰ্শ তেওঁৰ অন্তিমখন গন্থ The Elementary Forms of Religious Life যোগেদি পূৰণ কৰিছিল।

দুৰখেইমৰ মতে সমাজ হৈছে এক সামাজিক সত্য (Social reality)। এই সামাজিক সত্য হৈছে ব্যক্তিবিশেষৰ উৰ্ধ্বত অৱস্থিত এক নৈতিক সম্প্ৰদায়। সমাজৰ ব্যক্তিসকলক যি বান্ধোনৰ দ্বাৰা এটি গোট বা সমূহৰূপে বান্ধি ৰখা হয়, সিয়েই এখন সমাজৰ স্থিতিৰ মূল বস্তু। এনেধৰণৰ বান্ধোন বা সামাজিক একতাই (Social solidarity) ব্যক্তিসকলৰ ওপৰত হেঁচা প্ৰয়োগ কৰে যাতে তেওঁ সামাজিক গোট বা সমূহৰ প্ৰতিমানক (Norms) ৰক্ষা কৰি চলে আৰু গোটৰ আশা-আকাংক্ষা মতে কাম কৰে। এই বান্ধোনে ব্যক্তি এজনৰ ব্যৱহাৰৰ মানদণ্ড সাধিত কৰে তথা ব্যৱহাৰৰ তাৰতম্যবোৰ ক্ষুদ্ৰ পৰিসৰৰ মাজতে সীমিত ৰাখিবলৈ চেষ্টা কৰে। ব্যৱহাৰক সীমিতকৰণ— এই গুণৰ বাবে এইটো ধাৰণা কৰিব পাৰি যে মানুহৰ ব্যৱহাৰে প্ৰয়োজন অনুসাৰে কোনো আৰ্হি ল'ব পাৰে আৰু ভৱিষৎবাণীও কৰিব পাৰে। ব্যৱহাৰৰ আৰ্হি বা গতিবিধি নিৰীক্ষণ কৰিব পৰাটোৱে এইটোকে সূচায় যে ব্যক্তিসকলক পৰিচালিত কৰা প্ৰতিমান (Norms), আচৰণ-বিধি বা নিয়মাৱলী আৰু সামাজিক একতাৰ বিষয়েও জানিব পাৰি। এইদৰে মানুহৰ ব্যৱহাৰ পদ্ধতিৰ লগত সাঙোৰ খাই থকা কিছুমান 'অদৃশ্য' (Invisible) বস্তুৰ অস্তিত্ব, যেনে— ভাৱধাৰা, প্ৰতিমান, মূল্যবোধ আদি অভিজ্ঞতা সম্বলিত তথ্যৰ সহায়ত প্ৰমাণ কৰি চাব পাৰি সমাজত কিদৰে এজন আনজনৰ সৈতে বান্ধ খাই থাকে।

দুৰখেইমৰ মতে সামূহিকভাৱে প্ৰণয়ন কৰা সামাজিক আচৰণৰবিধিবোৰ (Cod of conduct) ব্যক্তিৰ ওপৰত বলপূৰ্বকভাৱে জাপি দিয়া হৈছিল আৰু সেয়াই আছিল ব্যক্তিৰ সামাজিক জীৱন। মানুহে জীৱনত দৈনন্দিন কাৰ্য প্ৰণালীবোৰ সম্পাদন কৰোঁতে এই বিধিবোৰ মানি চলা দেখা যায়। এই নৈতিক সত্যবোৰক স্বীকৃতি দিয়েই দুৰখেইমে মানুহৰ সমাজখনক বিজ্ঞানভিত্তিক অধ্যয়নেৰে আগবঢ়াই নিবলৈ বিচাৰিছিল। তেওঁ লিখিছিল — "নৈতিক ঘটনাবোৰো সমাজৰ অন্যান্য পৰিঘটনাৰ দৰে একে, এইবোৰ কোনো বিশেষ বৈশিষ্ট্য সম্পন্ন আৰু স্বীকৃত বিধি-বিধানৰ নিয়মেৰে চলে; এইবোৰক নিৰীক্ষণ কৰিব পাৰি, বৰ্ণনা কৰিব পাৰি, শ্ৰেণীকৰণ আৰু পৰিচালিত হোৱা বিধি বা আইনৰ বৰ্ণনা দিব পাৰি।" (Durkheim 1964:32)। নৈতিক বিধি-বিধানবোৰ প্ৰকৃতাৰ্থত কোনো বিশেষ সামাজিক অৱস্থাৰেই অভিব্যক্তি মাথোন। সেইবাবে এনেধৰণৰ নৈতিক বিধিবোৰ এখন সমাজে উপযুক্ত বুলি বিবেচনা কৰিলেও অন্য এখন সমাজৰ বাবে ই গ্ৰহণযোগ্য নহ'ব পাৰে। সেইবাবে দুৰখেইমৰ মতে নৈতিক বিধিবোৰৰ জৰিয়তে প্ৰচলিত সামাজিক অৱস্থাৰ বিষয়ে জানিব পাৰি। এই ধাৰণাই সমাজতত্ত্বক প্ৰাকৃতিক বিজ্ঞানৰ ওচৰ চপাই আনিবলৈ সক্ষম হৈছে আৰু এইদৰেই সমাজতত্ত্বই এটি বৈজ্ঞানিক শাখাৰূপে প্ৰতিষ্ঠা লাভ কৰে।

**দুৰখেইমৰ দৃষ্টিত সমাজতত্ত্ব (Durkheim's Vision of Sociology)ঃ**

বিজ্ঞানসন্মত অধ্যয়নৰ এক নতুন শাখাৰূপে দুৰখেইমে সমাজতত্ত্বক দুটা বৈশিষ্ট্যৰে চাব বিচাৰে। প্ৰথমতে, এই বিষয়টি অধ্যয়নৰ প্ৰধান বিষয়বস্তু হৈছে সামাজিক ঘটনা (Social fact) আৰু সামাজিক ঘটনাক সমাজতত্ত্বই যিদৰে অধ্যয়ন কৰে, বিজ্ঞানৰ আন শাখাবোৰে তেনেকৈ নকৰে। সমাজতত্ত্বই সম্পূৰ্ণ আছুতীয়াকৈ সমাজৰ এক 'উদিত' (Emergent) স্তৰক অধ্যয়ন কৰে। এই উদিত স্তৰ হৈছে সমাজৰ জটিল সামূহিক জীৱনৰ মাজেৰে উদ্ভাসিত হোৱা এটি স্তৰ, যিটো স্তৰত সামাজিক পৰিঘটনা (Phenomena) বোৰৰ ৰূপ প্ৰকট হৈ উঠে। উদাহৰণ স্বৰূপে, ধৰ্ম বা পৰিয়াল হিচাপে সামাজিক সংস্থাবোৰ অথবা মিত্ৰতা বা স্বদেশানুৰাগৰূপে

সামাজিক মূল্যবোধ আদি। এইবোৰক জটিল সমাজ জীৱনৰ সামগ্ৰিক ৰূপত পাব পাৰি, যিবোৰ ইয়াৰ সংগঠিত উপাদানতকৈ বিশাল আৰু বেলেগ। এইবোৰ যদিও ব্যক্তিৰ দ্বাৰাই সৃষ্টি হয়, তথাপি ইয়াৰ সামূহিক ৰূপটো বেলেগ, যিদৰে এঘাৰজন খেলুৱৈক লৈ গঠিত ফুটবল বা ক্ৰিকেট দলটো সাধাৰণভাৱে গোট খোৱা এঘাৰজন ব্যক্তিতকৈ বহুত বেছি বেলেগ বা বহু অৰ্থত সুকীয়া। কিছুমান সামাজিক অস্তিত্ব, যেনে— খেলুৱৈৰ দল, ৰাজনৈতিক দল, বাট-পথত ঘূৰি ফুৰা দলবোৰ (Street gang), ধৰ্মীয় সম্প্ৰদায়, ৰাষ্ট্ৰ আদি অস্তিত্ববোৰ বিভিন্ন বাস্তৱৰ লগত জড়িত আৰু সেয়ে ব্যক্তি পৰ্যায়ৰ পৰা পৃথক। এই 'উদিত' স্তৰটোৰেই সমাজতত্ত্ব অধ্যয়ন কৰা বিষয়বস্তু।

সমাজতত্ত্বৰ বিষয়ে দৃষ্টি নিক্ষেপ কৰি দুৰখেইমে দ্বিতীয়টো বৈশিষ্ট্য উল্লেখ কৰিছে। প্ৰাকৃতিক বিজ্ঞানৰ অন্যান্য শাখাৰ দৰে সমাজতত্ত্বও এটি অভিজ্ঞতাজনিত (Empirical) বিভাগ হোৱা উচিত। এইটো বাস্তৱিকতে এটা জটিল ধৰণৰ দাবী বুলিয়েই ক'ব পাৰি; কাৰণ সামাজিক পৰিঘটনাবোৰ সদায় অমূৰ্ত (Abstract) ৰূপতহে দেখা পোৱা যায়। জৈন সম্প্ৰদায় বা বঙালী ভাষা কোৱা সম্প্ৰদায় (অথবা মাৰাঠী বা মালয়ালম সম্প্ৰদায়) নতুবা নেপালী বা ইজিপ্তৰ ৰাষ্ট্ৰীয় সম্প্ৰদায় বুলি কোনো এটা সামূহিক অস্তিত্ব বুলি দৃশ্যমান অৱস্থাত পাব নোৱাৰোঁ, যিদৰে আমি এজোপা গছ বা এটা ল'ৰা বা এচপৰা ডাৱৰ পোনপটীয়া ৰূপত দেখা পাব পাৰোঁ। আনকি যেতিয়া সমাজৰ কোনো সৰু সৰু সংস্থা, যেনে— পৰিয়াল বা নাট্যদল আদিৰ কথা কওঁ সেই দলবোৰ গঠন হ'বৰ বাবে যিসকল সদস্যৰ প্ৰয়োজন সেই সদস্যসকলক ব্যক্তিৰ ৰূপত দেখা পাব পাৰোঁ। কিন্তু দলটোৰ সামূহিক ৰূপটো আমি দেখা পাব নোৱাৰোঁ। এই ক্ষেত্ৰত দুৰখেইমৰ আটাইতকৈ উল্লেখযোগ্য সফলতাৰ দিশটো আঙুলিয়াব পাৰি। সমাজতত্ত্বই যদিও সামাজিক ঘটনাৰ দৰে এই অমূৰ্ত অৱস্থা অধ্যয়ন কৰে তথাপি ই এটি বিজ্ঞান, কাৰণ সমাজক নিৰীক্ষণ কৰিব পৰা তথা অভিজ্ঞতাসহ প্ৰমাণ কৰিব পৰা তথ্যবোৰ (Empirically verifiable evidence) সমাজতত্ত্বই অধ্যয়ন কৰে। এই ঘটনাবোৰ প্ৰত্যক্ষভাৱে নিৰীক্ষণ কৰিব নোৱাৰিব পাৰে, কিন্তু এইবোৰৰ ব্যৱহাৰ দৃশ্যমান ৰূপত পাব পাৰি। সেইবাবে পৰোক্ষভাৱে হ'লেও অধ্যয়ন কৰাৰ সুবিধা থাকে। ইয়াৰ উল্লেখযোগ্য উদাহৰণ হৈছে তেওঁৰ Suicide নামৰ গ্ৰন্থখন য'ত দুৰখেইমে অভিজ্ঞতাজনিত তথ্যৰ সহায়ত এটা নতুন অধ্যয়ন প্ৰণালী প্ৰয়োগ কৰিছে। আত্মহত্যাৰ নিচিনা ঘটনাবোৰ যদিও ব্যক্তিবিশেষৰ নিজা পৰিস্থিতি সাপেক্ষে বা কোনো ব্যক্তিগত কাৰণবশতঃ তথাপি দুৰখেইমৰ ব্যাখ্যাত দেখুৱাইছে যে আত্মহত্যাৰ শতাধিক বা সহস্ৰাধিক ঘটনাবোৰ পুঞ্জীভূত ৰূপটোৰেই সামাজিক ঘটনা (Eact) ৰূপে আখ্যা পাব পাৰে। গতিকে দেখা যায় যে, সামাজিক ঘটনাবোৰক সামাজিক ব্যৱহাৰৰ মাধ্যমেদি নিৰীক্ষণ কৰিব পৰা যায়, বিশেষকৈ সামাজিক ব্যৱহাৰৰ একত্ৰীকৰণৰ আৰ্হিত।

তেন্তে সামাজিক ঘটনা কোনবোৰ? সামাজিক ঘটনাবোৰ কোনো এটা বস্তুৰ (Things) দৰে বুজিব পাৰি। এইবোৰ ব্যক্তিৰ সীমাৰ বাহিৰত; কিন্তু এইবোৰৰ ব্যৱহাৰ সীমিত ৰূপত থাকে। আইন, শিক্ষা, ধৰ্ম আদি সংস্থাবোৰে সামাজিক ঘটনাসমূহ সৃষ্টি কৰে। সামাজিক ঘটনাসমূহে সামূহিকভাৱে প্ৰতিনিধিত্ব কৰে, যিবোৰ ব্যক্তিসকলৰ সহযোগিতাৰ দ্বাৰা সম্ভৱ হয়। এইবোৰ কোনো এজন ব্যক্তিবিশেষৰ নহয়, বৰঞ্চ ব্যক্তিবিশেষৰ ঊৰ্ধ্বত থাকি সাধাৰণ ৰূপত প্ৰকাশ পোৱা এক প্ৰবৃত্তি। সামাজিক ঘটনাৰ উদাহৰণবোৰ হৈছে— মানুহৰ বিশ্বাস পদ্ধতি, অনুভূতি অথবা সামূহিকভাৱে পালন কৰা কিছুমান ব্যৱহাৰ।

**সমাজত শ্ৰমবিভাজন (Division of Labour in Society) ঃ**

দুৰখেইমে তেওঁৰ প্ৰথমখন গ্ৰন্থ Division of Labour in Society ত আদিম অৱস্থাৰ পৰা বৰ্তমানলৈকে সামাজিক ক্ৰমবিকাশৰ বৰ্ণনাখিনি বিশেষ প্ৰণালীৰে ব্যাখ্যা কৰি দেখুৱাইছে। তেওঁৰ বৰ্ণনাত সমাজক কেইটামান শ্ৰেণীত বিভাজন কৰিছে। তেওঁৰ মতে সমাজত যি ধৰণে সামাজিক একতা (Social solidarity) বিৰাজ কৰে, সেই আধাৰতে সমাজৰ শ্ৰেণী বিভাজন কৰিব পাৰি। তেওঁ যুক্তি প্ৰদৰ্শন কৰি কৈছে যে আদিম সমাজ 'যান্ত্ৰিক একতাৰ' (Mechanical solidarity) ওপৰত আধাৰিত আছিল আৰু আনহাতে বৰ্তমান আধুনিক সমাজৰ আধাৰ হৈছে 'আংগিক একতা' (Organic solidarity)। যান্ত্ৰিক একতা নিৰ্ভৰ কৰে সামাজৰ ব্যক্তিসকলৰ সাদৃশ্যতাৰ ওপৰত আৰু এইবোৰ সমাজ কম সংখ্যক জনসংখ্যাৰ দ্বাৰা গঠিত। এইবোৰ সমাজ বিভিন্ন আত্মনিৰ্ভৰশীল গোটৰ দ্বাৰা গঠিত হয়, আৰু গোটৰ প্ৰতিজন ব্যক্তিয়ে সধাৰণতে একেধৰণৰ কাম-কাজত আবদ্ধ থাকে। সেইদৰে ব্যক্তিসকলৰ মাজৰ সামাজিক সম্বন্ধবোৰৰ আধাৰ হৈছে সকলো ব্যক্তিয়ে একেধৰণৰ কাম-কাজত লিপ্ত হৈ ইজনে সিজনৰ মাজত সাদৃশ্যতা বজাই ৰখা। এনে সমাজবোৰত ব্যক্তিসকলৰ মাজত বৈষম্য ভাব থাকিলেও সেইবোৰক কোনো ব্যক্তিয়ে যদি সাম্প্ৰদায়িক প্ৰতিমান বা মূল্য ভংগ কৰে তেওঁ কঠোৰ শাস্তিৰ সন্মুখীন হ'ব লগীয়া হয়। আন কথাত ক'বলৈ গ'লে যান্ত্ৰিক সমাজ ব্যৱস্থাত অৱদমিত আইন (Repressive laws) প্ৰয়োগ কৰা হয়, যি আইনৰ ভিত্তিত সাম্প্ৰদায়িক প্ৰতিমান উলংঘা কৰাত বাধা দিয়ে। এইটো প্ৰধানকৈ লক্ষ্য কৰা হয় যে এই সমাজ-ব্যৱস্থাত ব্যক্তি আৰু তেওঁলোকৰ সম্প্ৰদায় উভয়ে এক শক্তিশালী বান্ধোনত বান্ধ খাই থাকে। সেইবাবে বিধিসন্মত আইনবোৰ উলংঘা কৰিলে সম্প্ৰদায়টো ভাঙোনমুখী হোৱাৰ সম্ভাৱনা থাকে।

আনহাতে, বৰ্তমান আধুনিক সমাজৰ প্ৰধান বৈশিষ্ট্য হৈছে ইয়াৰ 'আংগিক একতা'। ইয়াৰ আধাৰ হৈছে সদস্যসকলৰ বিষমতা (Heterogeneity) গুণ। বৃহৎ সংখ্যক জনসাধাৰণেৰে গঠিত সমাজত আংগিক একতা দেখা যায়, য'ত ব্যক্তিৰ সামাজিক সম্বন্ধ দৰাচলতে নৈৰ্ব্যক্তিক (Impersonal) হোৱা বাঞ্ছনীয় হৈ পৰে। এই সমাজবোৰৰ আধাৰ হৈছে সামাজিক সংস্থাবোৰ আৰু সংগঠিত প্ৰতিটো গোট বা একক (Unit) দৰাচলতে আত্মনিৰ্ভৰশীল নহয়, বৰং জীৱন নিৰ্বাহৰ বাবে এটা আনটোৰ ওপৰত নিৰ্ভৰশীল হৈ থাকিব লাগে। পাৰস্পৰিক নিৰ্ভৰশীলতাই হৈছে আংগিক একতাৰ মূলমন্ত্ৰ। আংগিক একতাই ব্যক্তিক প্ৰাধান্য দিয়ে। প্ৰয়োজন সাপেক্ষে এজনৰ পৰা আনজনৰ পাৰ্থক্যক অনুমোদন জনায়। ব্যক্তিৰ বহুবিকল্প ভূমিকাক স্বীকৃতি দিয়াৰ উপৰি আংগিক সম্বন্ধক উদগনি যোগায়। আধুনিক সমাজ-ব্যৱস্থাৰ আইন 'দমনকাৰী' নহৈ ক্ষতিপূৰক (Restitutive) প্ৰবৃত্তিৰ হয়। ইয়াৰ অৰ্থ এয়ে যে আধুনিক সমাজত আইনৰ মুখ্য উদ্দেশ্য হৈছে অপৰাধী কৰ্মসমূহ সংশোধন কৰা। ইয়াৰ বিপৰীতে আদিম সমাজ-ব্যৱস্থাত প্ৰচলিত আইনৰ দ্বাৰা অপকৰ্ম কৰা লোকসকলক শাস্তি বিহা হৈছিল। যিটো অপকৰ্ম কৰাজনৰ ওপৰত সামূহিক প্ৰতিশোধৰ দৰে ব্যৱস্থা আছিল। আধুনিক সমাজ ব্যৱস্থাত ব্যক্তিক কিছু পৰিমাণে স্বায়ত্ত শাসনৰ অধিকাৰ বা ক্ষমতা দিয়া হয়। আনহাতেদি আদিম সমাজ ব্যৱস্থাত একোজন ব্যক্তি সম্পূৰ্ণভাৱে সামূহিক বান্ধোনত বান্ধ খাই থাকে।

আধুনিক সমাজ ব্যৱস্থাৰ এটা বৈশিষ্ট্য হৈছে যে একে উদ্দেশ্য বা লক্ষ্য থকা ব্যক্তিসকল স্বইচ্ছাৰে ইজনে সিজনৰ ওচৰ চাপে আৰু একো একোটা গোট বা সংগঠন তৈয়াৰ কৰে। এইদৰে সৃষ্টি হোৱা সংগঠনবোৰে

নিজৰ নিজৰ উদ্দেশ্য আৰু লক্ষ্য আগত ৰাখে , এটাই আনটোৰ পৰা পৃথক হৈ চলে আৰু সংগঠনৰ সদস্যসকলৰ সম্পূৰ্ণ জীৱন আকোঁৱালি ল'ব নোৱাৰে। এইদৰে বিভন্ন পৰিস্থিতি সাপেক্ষে ব্যক্তিসকলৰ পৰিচয়ো ভিন ভিন হয়। এইটোৱে ব্যক্তিসকলক অন্যপ্ৰকাৰে সুবিধাও দিয়ে। তেওঁলোকে সাম্প্ৰদায়িক ছত্ৰছায়াৰ পৰা আঁতৰি নতুন ভূমিকা পালনৰ জৰিয়তে নিৰ্দিষ্ট পৰিচয় দাঙি ধৰিবলৈ সুবিধা পায়। প্ৰতিজন ব্যক্তিয়ে নিজৰ বুনিয়াদী সা-সুবিধা (যেনে- অন্ন, বস্ত্ৰ, থকা ঘৰ, শিক্ষা আদি) পূৰণ কৰিবৰ বাবে আনৰ ওপৰত নিৰ্ভৰশীল হোৱাৰ বাবে ইজন সিজনৰ মাজৰ আন্তঃক্ৰিয়া বৃদ্ধি পায়। এনেদৰেই সামাজিক সম্বন্ধবোৰ নিয়মিতৰূপে চলাই নিবলৈ ব্যক্তি নিৰপেক্ষ নীতি-নিৰ্দেশনাৰো প্ৰয়োজন হৈ পৰে। কাৰণ বৃহৎ জনসংখ্যাৰে গঠিত সমাজত ব্যক্তিগত সম্বন্ধবোৰ লাহে লাহে অৱক্ষয় হ'বলৈ ধৰে।

দুৰখেইমৰ The Division of Labour in Society নামৰ গ্ৰন্থখন তেওঁৰ চিন্তাধাৰাৰ এক নিৰৱচ্ছিন্ন প্ৰচেষ্টা ৰূপে অভিহিত কৰিব পাৰি। এই গ্ৰন্থখনৰ যোগেদি তেওঁ সমাজতত্ত্ব বিষয়টিক এক নতুন বৈজ্ঞানিক বিষয়ৰূপে প্ৰতিষ্ঠা কৰিবলৈ প্ৰয়াস কৰিছিল। তেওঁৰ মতে সমাজতত্ত্ব অধ্যয়নৰ নিৰ্দিষ্ট বিষয়বস্তু আছে যিবোৰ অভিজ্ঞতাজনিত সমলেৰে ইয়াৰ বৈধতা প্ৰমাণ কৰিব পাৰি। সামাজিক একতা (social solidarity) ক দুৰখেইমে সামাজিক ঘটনাৰূপে অভিহিত কৰিছিল আৰু এনেধৰণৰ বৰ্ণনা লেখত ল'বলগীয়া। সামাজিক প্ৰকাৰবোৰৰ মাজত যিবোৰ সম্পৰ্ক থাকে সেইবোৰৰ বস্তুনিষ্ঠ আৰু নিৰপেক্ষ বিশ্লেষণ কৰি দুৰখেইমে সমাজতত্ত্বক সমাজ অধ্যয়নৰ এক নতুন বিজ্ঞানৰূপে ইয়াৰ আধাৰ প্ৰতিষ্ঠা কৰি গৈছে।

**ক্ৰিয়া-কলাপ-৩ (Activity-3)**

দুৰখেইম আৰু মাৰ্ক্সে সামাজিক শ্ৰমবিভাজনৰ বিষয়ে কি কৈছিল তুলনা কৰা। এই ক্ষেত্ৰত দুয়ো একমত যে সমাজৰ ক্ৰমবিকাশৰ লগে লগে উৎপাদনৰ সামাজিক ব্যৱস্থাও জটিল হয়, শ্ৰমবিভাজনো বিস্তৃত ৰূপত দেখা দিয়ে আৰু এইবোৰে সামাজিক গোটসমূহৰ মাজত পাৰস্পৰিক নিৰ্ভৰশীলতা অপৰিহাৰ্য কৰি তোলে। দুৰখেইমে য'ত একতাক প্ৰাধান্য দিছিল তাত মাৰ্ক্সে সংঘৰ্যকহে গুৰুত্ব দিছিল। তোমালোকে এই বিষয়ে কি ভাবা ?

আধুনিক সমাজৰ বিষয়ে কাৰ্ল মাৰ্ক্সৰ কিয় ভুল ধাৰণা আছিল তাৰ কাৰণবোৰ তোমালোকে কি বুলি ভাবা ? উদাহৰণস্বৰূপে শ্ৰেণীগত পটভূমি আৰু প্ৰতিদ্বন্দ্বিতামূলক স্বাৰ্থৰ পাৰ্থক্য থকা সত্বেও মানুহে কি পৰিস্থিতিত একেলগ হয় আৰু গোট গঠন কৰে তোমালোকে ভাবি চোৱাচোন। মাৰ্ক্সৰ চিন্তাধাৰা এতিয়াও শুদ্ধ— এই বিষয়টো বুজাবৰ বাবে তোমালোকে কেনেধৰণৰ যুক্তি দাঙি ধৰিবা ?

আধুনিক সমাজ-ব্যৱস্থাত ব্যক্তি স্বাধীনতাক অধিক গুৰুত্ব দিয়াটো দুৰখেইমৰ ভুল আছিল বুলি তোমালোকে ভাবা নেকি ? জনসম্পৰ্ক মাধ্যম (Mass media)বোৰে ক্ষিপ্ৰ গতিত (বিশেষকৈ টেলিভিছন) জনপ্ৰিয় সাজ-পোছাক, ফেশ্বন বা সংগীতক বিশেষ মানদণ্ডৰ শাৰীলৈ নিছে এই কথা সত্যনে ? বৰ্তমান যুগত দেশৰ বিভিন্ন অঞ্চল, ৰাজ্য ধৰ্ম বা বিভিন্ন গোটৰ যুৱক-যুৱতীসকলে সকলোৱে একেধৰণৰ সাজ-পোছাক পিন্ধে বা একেই সংগীত উপভোগ কৰি ভাল পায়, যিটো পূৰ্বতে সম্ভৱ নহৈছিল। এই ক্ষেত্ৰত দুৰখেইমৰ চিন্তাধাৰাক অশুদ্ধ বুলি ক'বা নেকি ? এই সন্দৰ্ভত সপক্ষে বা বিপক্ষে কেনেধৰণৰ যুক্তি অৱতাৰণা হ'ব পাৰে ?

মনত ৰাখিবা, সমাজতত্ত্ব গণিতৰ দৰে নহয়, য'ত বহুতৰ মাজৰ পৰা এটা শুদ্ধ উত্তৰ হ'ব পাৰে। সমাজ তথা ব্যক্তিৰ সম্বন্ধৰ বিষয়ে জানিবলৈ বিচাৰিলে বহু শুদ্ধ উত্তৰ পোৱা সম্ভৱ বা কোনো এটা উত্তৰ কোনো প্ৰসংগত শুদ্ধ হ'ব পাৰে, কিন্তু সেই একেটা উত্তৰ অন্য প্ৰসংগত অশুদ্ধ হ'ব পাৰে। অথবা আংশিকভাৱে সত্য বা আংশিকভাৱে অসত্যও হ'ব পাৰে। আন কথাত ক'বলৈ হ'লে সামাজিক জগতখন অতি জটিল আৰু ই সময়ে সময়ে বা ঠাইবিশেষে পৰিৱৰ্তিত হৈ থাকে। সেইবাবে কোনো বিশেষ পৰিস্থিতিত কোনো এটা বিশেষ উত্তৰ কিয় শুদ্ধ বা অশুদ্ধ সেয়া অতি সাৱধানতাৰে চিন্তা কৰাটো প্ৰয়োজন।

**মেক্স ৱেবাৰ** সেই সময়ৰ জাৰ্মেনীৰ এজন আগশাৰীৰ চিন্তাবিদ আছিল। শাৰীৰিক তথা মানসিকভাৱে বহুদিনলৈকে ৰোগাক্ৰান্ত হৈ থকা স্বত্বেও সমাজতাত্ত্বিক লিখনিৰ এক বৃহৎ ভঁৰাল তেওঁ থৈ গৈছে। বিভিন্ন বিষয় সম্পৰ্কে তেওঁৰ বিস্তৃত লিখনি আছে, প্ৰধানকৈ সামাজিক ক্ৰিয়াৰ ব্যাখ্যাত্মক সমাজতত্ত্ব (Interpretive Sociology) আগবঢ়াই নিয়া তথা ক্ষমতা আৰু দমনৰ অধিক বিশ্লেষণ কৰাত তেওঁ বেছি মনোযোগ দিছিল। ৱেবাৰৰ চিন্তাধাৰা জড়িত হৈ থকা আন এটি প্ৰধান বিষয় আছিল আধুনিক সমাজ ব্যৱস্থাত যুক্তিযুক্তকৰণ (Rationalisation) প্ৰক্ৰিয়া আৰু বিশ্বৰ বিভিন্ন ধৰ্মবোৰৰ এই প্ৰক্ৰিয়াৰ লগত সম্পৰ্ক বিচাৰ কৰা।

**মেক্স ৱেবাৰ আৰু ব্যাখ্যাত্মক সমাজতত্ত্ব (Max Weber and Interpretive Sociology) ঃ**

মেক্স ৱেবাৰে যুক্তিসহ কৈছে যে সমাজবিজ্ঞানৰ মুখ্য উদ্দেশ্য হৈছে 'সামাজিক ক্ৰিয়াসমূহৰ ব্যাখ্যাত্মক চিন্তাধাৰাৰ বিকাশ ঘটোৱা; সামাজিক বিজ্ঞানসমূহৰ সেইবাবে প্ৰাকৃতিক বিজ্ঞানৰ লগত পাৰ্থক্য আছে। ভৌতিক জগতক পৰিচালিত কৰা যিবোৰ প্ৰাকৃতিক নিয়ম (Natural Laws) সেইবোৰ অধ্যয়ন কৰা আৰু উদ্‌ঘাটন কৰাটোৱেই প্ৰাকৃতিক বিজ্ঞানৰ মুখ্য উদ্দেশ্য। যিহেতু সামাজিক বিজ্ঞানে সামাজিক ক্ৰিয়াক অধ্যয়ন কৰাটোৱেই মুখ্য বিষয়, লগতে মানুহৰ ক্ৰিয়া-কৰ্মই ব্যক্তিবিশেষৰ গূঢ়াৰ্থ (Subjective meaning) সাঙুৰি ৰাখে, সেইবাবে সামাজিক বিজ্ঞানৰ অধ্যয়ন প্ৰণালী প্ৰাকৃতিক বিজ্ঞানৰ প্ৰণালীতকৈ বেলেগ। ৱেবাৰৰ মতে সামাজিক ক্ৰিয়াই মানৱীয় সকলো অৰ্থপূৰ্ণ ব্যৱহাৰক আৱৰি ৰাখে, অৰ্থাৎ সামাজিক ক্ৰিয়া সম্পন্ন কৰাজনে বা কৰ্তাই (Actor) একো একোটা অৰ্থ (Meaning) ধৰি ৰাখে। সেইবাবে সামাজিক ক্ৰিয়া অধ্যয়ন কৰোঁতে এজন সমাজতত্ত্ববিদৰ কাম হ'ব ক্ৰিয়া সম্পন্ন কৰোঁতে কৰ্তাজনে যিবোৰ গুণ আৰোপ কৰে সেইবোৰ উপযুক্তভাৱে ৰক্ষা কৰা। এই উদ্দেশ্য সফল কৰি তুলিবলৈ সমাজতত্ত্ববিদজনে কৰ্তাজনৰ পক্ষ ল'ব লগা হয় আৰু ক্ৰিয়াবোৰত সন্নিৱিষ্ট হোৱা অৰ্থবোৰ কি হ'ব পাৰে তাক বিচাৰ কৰা হয়। সেইফালৰ পৰা বিচাৰ কৰিলে সমাজতত্ত্বই সহানুভূতিৰ বোধেৰে (Empathetic understanding) সামাজিক ক্ৰিয়াক পদ্ধতিগত অধ্যয়ন কৰে। ইয়াৰ সহজ অৰ্থ হৈছে সামাজিক ক্ৰিয়াবোৰক কেৱল অনুভূতিক আধাৰৰূপে লৈয়ে 'feeling for' (sympathy) নহয়, বৰঞ্চ অনুভূতিৰ সৈতে জড়িত 'feeling with' (empathy) কৰিহে অধ্যয়ন কৰা হয়। গতিকে সহানুভূতিৰ মনোভাৱেৰে অধ্যয়ন কৰি সমাজতত্ত্ববিদসকলে সামাজিক কৰ্তাসকলৰ (Social actors) ব্যক্তিবিশেষে অৰ্থ আৰু উদ্দেশ্যৰ সম্পৰ্কে জ্ঞান লাভ কৰিব পাৰে।

**মেক্স ৱেবাৰ (Max Weber) (১৮৬৪-১৯২০)**



১৮৬৪ চনৰ ২১ এপ্ৰিল তাৰিখে জাৰ্মেনীৰ য়াৰ্ফট (Erfurt) নামৰ ঠাইত এটি পাৰ্চিয়ান পৰিয়ালত মেক্স ৱেবাৰৰ জন্ম হৈছিল। তেওঁৰ পিতৃ আছিল এজন মেজিষ্ট্ৰেট তথা ৰাজনীতিবিদ আৰু ৰাজপৰিয়াল বিচমাৰ্কৰ (Bismarck) অনুগত আছিল। তেওঁৰ মাক হেডেলবাৰ্গ (Heidelberg) ৰ এটি বিখ্যাত উদাৰ ভাৱাপন্ন পৰিয়ালৰ মহিলা আছিল।

- ১৮৮২ ঃ আইন বিষয়ৰ শিক্ষা ল'বলৈ হেডেলবাৰ্গলৈ যায়।
- ১৮৮৪ ঃ Gottingen আৰু Berlin বিশ্ববিদ্যালয়ত অধ্যয়ন।
- ১৮৮৯ ঃ ডক্টৰেট ডিগ্ৰীৰ বাবে তেওঁৰ গৱেষণা পত্ৰ 'A Contribution to the History of Medieval Bussiness Organisation' দাখিল কৰে।
- ১৮৯১ ঃ Habilitation গৱেষণা পত্ৰ Roman Agrarian History and the Significance for Public and Private Law দাখিল কৰে (তেওঁক শিক্ষক হিচাপে স্বীকৃতি দিয়াৰ বাবে)।
- ১৮৯৩ ঃ Marianne Schnitger ৰ লগত বিবাহ।
- ১৮৯৪-৯৬ ঃ অৰ্থনীতিৰ অধ্যাপক ৰূপে প্ৰথম Freiburg ত আৰু তাৰ পিছত Heidelbergত নিযুক্ত হয়।
- ১৮৯৭-১৯০১ ঃ স্নায়ৱিক বিৱশতাত ভোগে আৰু ৰোগাক্ৰান্ত হয়। কৰ্মশক্তি হেৰুৱায় আৰু ৰোমলৈ প্ৰস্থান কৰে।
- ১৯০১ ঃ পাণ্ডিত্যপূৰ্ণ লেখা-মেলাৰ কাম পুনৰ আৰম্ভ কৰে।
- ১৯০৩ ঃ Archives for Social Science and Social Welfare আলোচনীৰ সহযোগী সম্পাদক হিচাপে যোগদান কৰে।
- ১৯০৪ ঃ যুক্তৰাষ্ট্ৰ ভ্ৰমণ; The Protestant Ethic and the Spirit of Capitalism প্ৰকাশ পায়।
- ১৯১৮ ঃ ভিয়েনাত বিশেষভাৱে প্ৰতিষ্ঠা কৰা সমাজতত্ত্ব আসন গ্ৰহণ কৰে।
- ১৯১৯ ঃ মিউনিক (Munich) বিশ্ববিদ্যালয়ত অৰ্থনীতিৰ অধ্যাপক ৰূপে নিযুক্তি লাভ।
- ১৯২০ ঃ ১৯২০ চনত তেওঁৰ মৃত্যু হয়। তেওঁৰ লেখাসমূহৰ বেছিভাগেই তেওঁৰ মৃত্যুৰ পিছতহে অনুবাদ কৰা হয় আৰু গ্ৰন্থৰূপে প্ৰকাশ পায়। তাৰ ভিতৰত— *The Protestant Ethic and the Spirit of Capitalism (1930); From Max Weber : Essays in Sociology (1946); Max Weber on the Methodology of the Social Science (1949); The Religion of India (1958) and Economy and Society (3 vols 1968).*

সমাজতত্ত্ববিদসকলৰ ভিতৰত মেক্স ৱেবাৰেই প্ৰথমজন ব্যক্তি আছিল যিজনে 'বস্তুনিষ্ঠতা'ৰ জটিল তথা বিশেষ দিশবোৰ সমাজবিজ্ঞানত কিদৰে চৰ্চা কৰিব লাগে সেই বিষয়ে বৰ্ণনা কৰিছিল। মানুহৰ সামাজিক জগতখন প্ৰধানকৈ কিছুমান ব্যক্তিনিষ্ঠ গুণৰ দ্বাৰা গঠিত হয়; যেনে— ব্যক্তিবিশেষৰ অৰ্থ, মূল্যবোধ, ভাৱ-অনুভূতি, ঈৰ্ষা, আদৰ্শ আদি। এই বিষয়বোৰ অধ্যয়ন কৰিবৰ বাবে সমাজবিজ্ঞান সদায় তৎপৰ হ'ব লাগে। এই ভাৱাৰ্থবোৰ আয়ত্ত কৰিবলৈ বা সঠিকভাৱে বৰ্ণনা কৰিবলৈ সমাজবিজ্ঞানীসকলে নিৰৱচ্ছিন্নভাৱে 'সহানুভূতিক অধ্যয়ন'ৰ যোগেদি আগবাঢ়িব লাগে। ইয়াৰ উপায় হৈছে অধ্যয়ন কৰা জনসমূহৰ সৈতে নিজৰ (অন্ততঃ কাল্পনিকভাৱে) সম্পৰ্ক ধৰি ৰখাৰ জৰিয়তে। যদিও এয়া ব্যক্তি বিষয়ক অধ্যয়ন, তথাপি অধ্যয়নবোৰ বস্তুনিষ্ঠভাৱে আগবঢ়াই নিব লাগে। এইদৰে সহানুভূতিক অধ্যয়নত (Emphatic understanding) ব্যক্তিবিশেষৰ অৰ্থ আৰু অনুভূতিবোৰ যাতে নিৰ্ভৰযোগ্যভাৱে লিপিৱদ্ধ কৰা হয় তাকো চাব লাগে। এই প্ৰক্ৰিয়াত যাতে অধ্যয়ন কৰা ব্যক্তিসকলৰ ব্যক্তিগত মতামত বা ভাৱ-ভংগীয়ে অধ্যয়নকাৰীক কোনো প্ৰকাৰে প্ৰভাৱান্বিত কৰিব নোৱাৰে তাৰ্লৈ বিশেষ সতৰ্কতা অৱলম্বন কৰিব লাগে। আন কথাত ক'বলৈ হ'লে সমাজতত্ত্ববিদসকলে ব্যক্তিবিশেষৰ ভাৱবোৰ কেৱল বৰ্ণনাহে কৰিব পাৰিব, বিচাৰ কৰিব নোৱাৰে। অধ্যয়নৰ এই বস্তুতাত্ত্বিক দিশটোক মেক্স ৱেবাৰে 'মূল্য নিৰ্লিপ্ততা' (Value neutrality) বুলি অভিহিত কৰিছে। সমাজতত্ত্ববিদজনে আনৰ ব্যক্তিনিষ্ঠ ভাৱবোৰ লিপিৱদ্ধ কৰোঁতে তেওঁৰ নিজৰ মতামত বা ভাৱাদৰ্শই যাতে প্ৰভাৱ বিস্তাৰ কৰি নোৱাৰে সেই বিষয়েও সতৰ্ক হ'ব লাগে। ৱেবাৰে স্বীকাৰ কৰিছে, এইবোৰ অত্যন্ত জটিল কাম। কাৰণ সমাজবিজ্ঞানীজনো সমাজৰ ব্যক্তি আৰু সেইবাবে ব্যক্তিবিশেষৰ ভাৱ-ভংগী তথা ঈৰ্ষা প্ৰবৃত্তি আদিৰ পৰা তেওঁৰ সম্পূৰ্ণ মুক্ত থাকিব নোৱাৰে। যি কি নহওক স্ব-অনুশাসনৰ বাবে তেওঁলোকে অধিক যত্ন কৰিব লাগে আৰু 'লৌহ-সংকল্পিত' (Iron-will) ৰ দৰে হ'বলৈ চেষ্টা কৰিব লাগে। বিশেষকৈ আন জনসমূহৰ মূল্যবোধ আৰু বিশ্ব দৃষ্টিকোণ বৰ্ণনা কৰোঁতে অধিক সচেতন হোৱা বাঞ্ছনীয়। 'সহানুভূতি বোধ' পদ্ধতিৰ উপৰি ৱেবাৰে সমাজতত্ত্বত অন্য এক প্ৰকাৰ অধ্যয়নৰ পদ্ধতিৰ বিষয়ে উল্লেখ কৰিছে। সেয়া হৈছে 'আদৰ্শ ৰূপ' (Idel type) পদ্ধতি। সামাজিক পৰিঘটনাৰ গুৰুত্বপূৰ্ণ বৈশিষ্ট্যবোৰ যুক্তিৰে একেলগ কৰা এক আৰ্হিয়েই হৈছে আদৰ্শ ৰূপ। বিশ্লেষণৰ সুবিধাৰ বাবে প্ৰস্তুত কৰা ই এক ধাৰণাত্মক আহিলাহে মাত্ৰ। সেইবাবে 'আদৰ্শ ৰূপ' পদ্ধতিৰ সহায়ত বাস্তৱৰ (Reality) ছবিখন ন-কৈ সজাই লোৱাটো নুবুজায়। 'আদৰ্শ ৰূপ' প্ৰণালীয়ে সামাজিক পৰিঘটনাৰ কিছুমান বৈশিষ্ট্যক অতিৰঞ্জিত কৰি দেখুৱাব পাৰে, যিবোৰ বিশ্লেষণৰ দিশৰ পৰা অতি গুৰুত্বপূৰ্ণ বুলি বিবেচিত হয়। কিন্তু 'আদৰ্শ ৰূপ' ধাৰণাই একে সময়তে অন্য কিছুমান বৈশিষ্ট্যৰ গুৰুত্ব নাইকিয়া কৰে। বহল অৰ্থত 'আদৰ্শ ৰূপ' বুলি যি ধাৰণা কৰা হয়, সেয়া বাস্তৱৰ প্ৰতিফলিত ৰূপেই হোৱা উচিত। কিন্তু ইয়াৰ প্ৰকৃত উদ্দেশ্য সেইটো নহয়। সামাজিক পৰিঘটনাৰ মূল বৈশিষ্ট্য আৰু সম্পৰ্কৰ বিষয়ে অধ্যয়নকাৰীক সহায় কৰাটোহে 'আদৰ্শ ৰূপ'ৰ প্ৰধান উদ্দেশ্য। গতিকে বিশ্লেষণৰ উপযোগিতাৰ আধাৰতহে 'আদৰ্শ ৰূপ' পদ্ধতিক বিচাৰ কৰা হয়; ই কিছুমান সঠিক তথা বিস্তৃত বৰ্ণনা দাঙি ধৰিব পাৰে, সেয়া আচল কথা নহয়।

ৱেবাৰে 'বিশ্বধৰ্ম'ৰ (World religion) বিভিন্ন নীতিশাস্ত্ৰবোৰ আৰু ভিন ভিন সভ্যতাৰ লগত জড়িত সামাজিক জগতৰ সম্বন্ধবোৰ বিশ্লেষণ কৰিবৰ বাবে এই 'আদৰ্শ ৰূপ' পদ্ধতি প্ৰয়োগ কৰিছিল। এই প্ৰসংগত ৱেবাৰে উল্লেখ কৰিছিল যে ইউৰোপত পুঁজিবাদৰ আগমন আৰু বিকাশ সাধনৰ বাবে কিছুমান প্ৰটেষ্টাণ্ট খ্ৰীষ্টিয়ান ধৰ্মাৱলম্বী লোকৰ মূল্যবোধে গভীৰভাৱে প্ৰভাৱান্বিত কৰিছিল।

ৱেবাৰে তিনিবিধ প্ৰধান অধিকাৰ (Authority) বৰ্ণনা কৰোঁতে ‘আদৰ্শ ৰূপ’ পদ্ধতিৰ পুনৰ প্ৰয়োগ কৰিছে; সেয়া হৈছে— পাৰম্পৰিক (Traditional), চমৎকাৰ বা ঐশ্বৰিক (Charismatic) আৰু যুক্তিসংগত-বৈধ অধিকাৰ (Rational-legal)। পাৰম্পৰিক অধিকাৰসমূহৰ মূল উৎস হৈছে সমাজৰ প্ৰচলিত প্ৰথা তথা ৰীতি-নীতি, ঐশ্বৰিক অধিকাৰসমূহ হৈছে দৈৱিক অৱদান (Gift of grace) আৰু যুক্তিসংগত বৈধানিক অধিকাৰবোৰৰ আধাৰ হৈছে প্ৰচলিত আইন ব্যৱস্থাৰে নিৰ্ণয় কৰা অধিকাৰসমূহ। আধুনিক যুগত প্ৰচলিত আমোলাতন্ত্ৰই (Bureaucracy) যুক্তিসংগত-বৈধানিক অধিকাৰবোৰ প্ৰতিপন্ন কৰে।

**আমোলাতন্ত্ৰ (Bureaucracy) ঃ**

আমোলাতন্ত্ৰ হৈছে এক সাংগঠনিক ব্যৱস্থা যি ব্যৱস্থাই পাৰিবাৰিক জগতখনক ৰাজহুৱা জগতখনৰ পৰা পৃথক কৰি ৰাখে। ইয়াৰ অৰ্থ এয়ে যে ৰাজহুৱা ক্ষেত্ৰসমূহত মানুহৰ আচাৰ ব্যৱহাৰ কিছুমান নিৰ্ধাৰিত নীতি-নিয়ম বা বিধিৰ দ্বাৰা পৰিচালিত হয়। তদুপৰি ৰাজহুৱা অনুষ্ঠান ৰূপে আমোলাতন্ত্ৰই ইয়াৰ কৰ্মচাৰীসকলৰ ক্ষমতা তেওঁলোকৰ দায়িত্ববোধৰ তুলনাত সীমিত কৰি ৰাখে, অৰ্থাৎ তেওঁলোকক সম্পূৰ্ণ ক্ষমতা প্ৰদান নকৰে। আমোলাতান্ত্ৰিক ক্ষমতাৰ বৈশিষ্ট্যবোৰ এনেধৰণৰ—

(i) বিষয়াসকলৰ কাৰ্যপ্ৰণালী,
(ii) স্থিতিৰ পদানুক্ৰমিক ব্যৱস্থা,
(iii) লিখিত নথিপত্ৰৰ ওপৰত আস্থা
(iv) কাৰ্যালয়ৰ ব্যৱস্থাপনা, আৰু
(v) কাৰ্যালয়ৰ আচৰণ-বিধি।

**(i) বিষয়াসকলৰ কাৰ্যপ্ৰণালী (Functioning of Officials) ঃ**

আমোলাতন্ত্ৰৰ অন্তৰ্গত বিষয়াসকলৰ বাবে নিৰ্দিষ্ট কৰি ৰখা ‘কাৰ্যালয় ক্ষেত্ৰিক অধিকাৰ’ থাকে। এইবোৰ বিধিসংগত নীতি, আইন আৰু প্ৰশাসনিক বিধানৰ দ্বাৰা পৰিচালনা কৰা হয়। আমোলাতান্ত্ৰিক সংগঠনৰ নিয়মিত কাম-কাজবোৰ অফিচিয়েল (Official) কাম ৰূপে নিৰ্ধাৰণ কৰা থাকে। তদুপৰি উচ্চপদস্থ বিষয়াসকলৰ দ্বাৰা অধীনস্থ নিম্নবৰ্গলৈ আদেশ জাৰি কৰা হয়; কিন্তু বিষয়াসকলৰ দায়িত্ব তেওঁলোকৰ অধিকাৰ অনুসাৰে সীমিতকৰণ কৰি ৰখা হয়। যিহেতু কৰ্তব্য নিয়মিতৰূপে পালন কৰিব লাগে, সেয়েহে উপযুক্ত যোগ্যতাসম্পন্ন ব্যক্তিকহে পদবীত নিয়োগ কৰা হয়। আমোলাতান্ত্ৰিক ব্যৱস্থাত কাৰ্যালয়ৰ পদবীসমূহ পদাধিকাৰৰ পৰা স্বতন্ত্ৰ হৈ থাকে, সেইবাবে এইবোৰ এজনৰ কাৰ্যকাল অন্ত পৰা পিছতো অব্যাহত থাকে।

**(ii) স্থিতিৰ পদানুক্ৰমিক ব্যৱস্থা (Hierarchical Ordering of Positions) ঃ**

আমোলাতন্ত্ৰ ব্যৱস্থাত বিষয়া তথা ক্ষমতাবোৰ মান অনুক্ৰমে সজোৱা হয়, য’ত উচ্চ পৰ্যায়ৰ বিষয়াসকলে তেওঁলোকৰ নিম্ন পৰ্যায়ৰ বিষয়াসকলক তদাৰক কৰিব পাৰে। নিম্ন পৰ্যায়ৰ বিষয়াসকলৰ সিদ্ধান্ত সন্তোষজনক নহ’লে সেই সন্দৰ্ভত উচ্চ পৰ্যায়ৰ বিষয়াসকলৈ আপীল (Appeal) কৰাৰ থল থাকে।

**(iii) লিখিত নথি-পত্ৰৰ ওপৰত আস্থা (Reliance on Written Document) ঃ**

আমোলাতন্ত্র ব্যৱস্থাৰ সকলো কাম-কাজ লিখিত নথি-পত্রৰ (অথবা ফাইল আদি) আধাৰত পৰিচালনা কৰা হয়, যিবোৰ নথি-পত্র বা ফাইল ৰেকৰ্ড ৰূপে সযতনে ৰখা হয়। কাৰ্যালয় অথবা 'ব্যুৰো'ত এইদৰে গ্ৰহণ কৰা সিদ্ধান্তবোৰ বা নথিবোৰ একগোট কৰি ৰখা হয়। এই সকলোবোৰ ৰাজহুৱা জীৱনৰ অংশস্বৰূপ, যিবোৰ বিষয়াসকলৰ ব্যক্তিগত জীৱনৰ পৰা পৃথক।

**(iv) কাৰ্যালয় ব্যৱস্থাপনা (Office Management) ঃ**

কাৰ্যালয় ব্যৱস্থাপনা হৈছে এটা আধুনিক আৰু বিশেষ ধৰণৰ কাম, গতিকে এইবোৰ নিয়াৰিকৈ চলাই নিবৰ বাবে বিশেষ দক্ষতাসম্পন্ন আৰু প্ৰশিক্ষণপ্ৰাপ্ত কৰ্মচাৰীৰ আৱশ্যক হয়।

**(v) কাৰ্যালয় আচৰণৰ বিধি (Conduct in Office) ঃ**

কাৰ্যালয়ৰ কাম-কাজবোৰে ইয়াৰ বিষয়াবৰ্গৰ পৰা পূৰ্ণ সহযোগ বিচাৰে। সেইবাবে কাৰ্যালয়ৰ কামৰ বাবে সময় নিৰ্দিষ্ট কৰিলেও কৰ্মচাৰীসকলে বিধি আৰু নিয়ম অনুযায়ী দায়িত্ব পালন কৰিব লাগে। এইবোৰে তেওঁলোকৰ ৰাজহুৱা জীৱনৰ আচৰণ-বিধিবোৰক ঘৰুৱা বা ব্যক্তিগত জীৱনৰ পৰা পৃথক কৰি ৰাখে। যিহেতু এই নিয়ম আৰু বিধিসমূহ আইনৰ দ্বাৰা স্বীকৃতিপ্ৰাপ্ত, সেইবাবে কৰ্মচাৰীসকল দায়বদ্ধ তথা জবাবদিহি হ'ব লগা হয়।

আমোলাতন্ত্ৰৰ বৈশিষ্ট্যবোৰ আলোচনা কৰি ৱেবাৰে কৈছে যে, ই ৰাজনৈতিক অধিকাৰ সাব্যস্ত কৰাৰ এক আধুনিক ৰূপ মাথোন। এই সন্দৰ্ভত তেওঁ কৈছে যে আমোলাতন্ত্ৰৰ প্ৰতিজন বিষয়া বা কৰ্মচাৰীয়ে নিজৰ দক্ষতা অনুযায়ী দায়িত্ব পালন কৰে আৰু দায়িত্ববোৰৰ উচিত প্ৰয়োগৰ বাবে অধিকাৰ সাব্যস্ত কৰে। ৰাজহুৱা কৰ্মক্ষেত্ৰত কামবোৰ সম্পন্ন কৰিব লগা হোৱাৰ বাবে কৰ্মচাৰীসকলক তেওঁলোকৰ সেৱা আৰু কৰ্তব্যৰ প্ৰতি দায়বদ্ধ কৰি তোলে।

**ক্ৰিয়া-কলাপ-৪ (Activity-4)**

তোমালোকৰ দৃষ্টিত কিমান দূৰ ভাবিব পাৰা যে তলত উল্লেখ কৰা গোট বা কাৰ্যবোৰত ৱেবাৰৰ দৃষ্টিভংগীৰে আমোলাতান্ত্ৰিক অধিকাৰ নিহিত হৈ আছে? (a) তোমালোকৰ শ্ৰেণী কোঠা; (b) তোমালোকৰ বিদ্যালয়খন; (c) এটা ফুটবল খেলুৱৈৰ দল; (d) এখন গাঁৱৰ পঞ্চায়ত সমিতি; (e) জনপ্ৰিয় অভিনেতাজনৰ হৈ থিয় হোৱা এটা দল; (f) বাছ বা ৰে'লত নিয়মিতভাৱে অহা-যোৱা কৰা এটা দল; (g) এটা যৌথ পৰিয়াল; (h) এখন গাঁৱৰ জনসমষ্টি; (i) জাহাজৰ কৰ্মচাৰীসকল; (j) অপৰাধ কৰ্মৰ লগত জড়িত দল; (k) ধৰ্মীয় গুৰুৰ অনুগামী আৰু চিনেমা হলত বোলছবি উপভোগ কৰি থকা দৰ্শকৰ দল।

তোমালোকৰ আলোচনাৰ ভিত্তিত উল্লিখিত কোনবোৰ গোটত 'আমোলাতান্ত্ৰিক' চৰিত্ৰ আছে বুলি ক'বা? মনত ৰাখিবা, তোমালোকৰ আলেচনাত সপক্ষে আৰু বিপক্ষে দুয়োবিধৰ যুক্তি অৱতাৰণা কৰিব লাগিব আৰু যিসকলে তোমালোকৰ আলোচনাত অসন্মতি প্ৰকাশ কৰে সেইবোৰ শুনিবলৈও চেষ্টা কৰা।

**পৰিভাষা (Glossary) ঃ**

- **অপসাৰিতা (Alienation) ঃ** পুঁজিবাদী সমাজ ব্যৱস্থাৰ এটি প্ৰক্ৰিয়া, যিটোৰ দ্বাৰা মানুহে প্ৰকৃতিৰ পৰা, অন্য মানুহৰ পৰা, শ্ৰমৰ তথা উৎপাদিত সামগ্ৰীৰ পৰা আৰু নিজৰ বা নিজৰ সত্ত্বাৰ পৰা পৃথক কৰি ৰখা বা দূৰত্বত ৰখা এক অৱস্থা।
- **জ্ঞানোদয় (Enlightenment) ঃ** ১৮ শতিকাৰ ইউৰোপৰ এটি যুগ, যেতিয়া দাৰ্শনিক পণ্ডিতসকলে ধৰ্মীয় মতবাদসমূহৰ অধিপত্য একমুখে অস্বীকাৰ কৰে। সত্য প্ৰতিষ্ঠাৰ বাবে যুক্তিকেই মুখ্য কাৰণ ৰূপে গণ্য কৰে আৰু যুক্তি প্ৰদৰ্শনৰ প্ৰধান ধ্বজাবাহক ৰূপে মানুহকেই একমাত্ৰ প্ৰাধান্য দিয়া হয়।
- **সামাজিক ঘটনা (Social Fact) ঃ** সামূহিক আচৰণ আৰু বিশ্বাস পদ্ধতিৰ লগত জড়িত থকা সামাজিক বাস্তৱৰ (Social Reality) অংশবিশেষ। এইবোৰ ব্যক্তিসকলৰ দ্বাৰা সৃষ্টি কৰা হোৱা নাই; কিন্তু তেওঁলোকক মানিবলৈ বাধ্য কৰোৱা যায় আৰু ইয়াৰ দ্বাৰা তেওঁলোকৰ আচৰণক প্ৰভাৱান্বিত কৰা হয়।
- **উৎপাদনৰ ধৰণ (Mode of Production) ঃ** সামগ্ৰীবোৰ উৎপাদন কৰা এক পদ্ধতি, যিবোৰ পদ্ধতি দীৰ্ঘদিনৰ বাবে বৰ্তি থাকে। উৎপাদনৰ প্ৰতিটো ধাৰাৰ লগত উৎপাদনৰ উপায়সমূহ (যেনে— যন্ত্ৰপাতি আৰু উৎপাদন সংগঠন প্ৰকাৰবোৰ) আৰু উৎপাদনৰ সম্পৰ্ক (যেন— দাসত্ব, গোলামি প্ৰথা, দিন হাজিৰা কৰা লোক) বোৰ ভিন্ন ভিন্ন ৰূপত জড়িত থাকে।
- **কাৰ্যালয় (Office) ঃ** আমোলাতান্ত্ৰিক দিশত ক'বলৈ হ'লে কোনো বিশেষ ক্ষমতা আৰু দায়বদ্ধতাসহ আনুষ্ঠানিকভাৱে স্বীকৃত এক সাৰ্বজনীন বা ৰাজহুৱা পদবী। ই প্ৰধানকৈ নৈৰ্ব্যক্তিক। অফিচ বা কাৰ্যালয়ৰ এক স্বতন্ত্ৰ অস্তিত্ব থাকে, যিটো পদবীত নিয়োজিত ব্যক্তিৰ বাহিৰত বুলি গণ্য কৰা হয়। (এই একেটা শব্দৰে আন কিছুমান অৰ্থৰ পৰা ই বেলেগ যদিও কিছুমান আমোলাতান্ত্ৰিক সংস্থা অথবা তেনে কোনো ভৌতিক স্থিতিসমূহৰ কথাকে কয়; উদাহৰণস্বৰূপে— পোষ্ট অফিচ, পঞ্চায়ত অফিচ, প্ৰধান মন্ত্ৰীৰ কাৰ্যালয়, মোৰ 'দেউতা' অথবা 'মা'ৰ অফিচ ইত্যাদি।

## অনুশীলনী (Exercise)

১। সমাজৰ বিকাশত জ্ঞানোদয়ৰ গুৰুত্ব কি?
Why is the Enlightenment important for the development of Sociology?

২। সমাজতত্ত্বৰ উৎপত্তিত শিল্প বিপ্লৱ কেনেদৰে জড়িত আছিল, আলোচনা কৰা।
How was the Industrial Revolution responsible for giving rise to sociology?

৩। উৎপাদনৰ ধৰণৰ বিভিন্ন উপাদানবোৰ কি কি?
What are the various components of a mode of production?

৪। মাৰ্ক্সৰ মতে শ্ৰেণীবোৰ কিয় সংঘৰ্ষলৈ আহে?
Why do classes come into conflict, according to Marx?

৫। কোনবোৰক সামাজিক ঘটনা বুলি ক'ব পাৰি? আমি সেইবোৰক কেনেকৈ চিনাক্ত কৰিম?
What are social facts? How do we recognise them?

৬। 'যান্ত্রিক' আৰু 'আংগিক' একতাৰ মাজত পাৰ্থক্য কি?
What is the difference between 'mechanical' and 'organic' solidarity?

৭। নৈতিক নিয়মাৱলীবোৰ কেনেকৈ সামাজিক একতাৰ পৰিচায়ক, উদাহৰণসহ দেখুওৱা।
Show, with examples, how moral codes are indicators of social solidarity?

৮। আমোলাতন্ত্ৰৰ মূল বৈশিষ্ট্যবোৰ কি কি?
What are the basic features of bureaucracy?

৯। সামাজিক বিজ্ঞান বস্তুনিষ্ঠতাৰ সুকীয়া বৈশিষ্ট্য কি বুলি ভাবা?
What is special or different about the kind of objectivity needed in social science?

১০। সাম্প্রতিক কালত ভাৰতত সামাজিক আন্দোলন গা কৰি উঠাৰ কোনো ধাৰণা বা সূত্ৰৰ বিষয়ে ইংগিত দিব পাৰানে?
Can you identify any ideas or theories which have led to the formation of social movements in India in recent times?

১১। ভাৰতৰ বিষয়ে মাৰ্ক্স আৰু ৱেবাৰে কি লিখিছিল বিচাৰি উলিওৱা।
Try to find out what Marx and Weber wrote about India.

১২। বহু আগতেই যিসকলৰ মৃত্যু হৈছে, সেইসকলৰ লিখিনিসমূহ আমি কিয় পঢ়িব লাগে, যুক্তি প্ৰদৰ্শন কৰিব পাৰানে? সেইসকলৰ বিষয়ে কিয় পঢ়িব নালাগে তাৰ যুক্তিবোৰ কি কি?
Can you think of reasons why we should study the work of thinkers who died long ago? What could be some reasons to not study them?

**References :**


- BENDIX, REINHARD, 1960, *Max Weber : An Intellectual Portrait,* Anchor Books, New York.
- DURKHEIM, EMILE, 1964, *The Division of Labour in Society, (trans. By George Simpon),* Macmillan, New York.
- *IGNOU, 2004, ESO13-1: Early Sociology,* IGNOU, New Delhi.

**পঞ্চম অধ্যায়**

# ভাৰতীয় সমাজতত্ত্ববিদসকল
# (Indian Sociologists)

ইতিমধ্যে তোমালোকে 'সমাজতত্ত্ব পৰিচয়' নামৰ পাঠ্যপুথিত জানিবলৈ পাইছা যে সমাজতত্ত্ব হল তুলনামূলকভাৱে নতুন বিষয়, যিটোৱে মাত্ৰ এটা শতিকাৰ পূৰ্বেহে ইউৰোপত জন্মলাভ কৰিছে। ভাৰতবৰ্ষত অৱশ্যে সমাজতাত্ত্বিক চিন্তা-চৰ্চাৰ ইতিহাস এটা শতিকাতকৈয়ো পুৰণি। তথাপিও ই আনুষ্ঠানিক বিষয় হিচাপে ১৯১৭ চনতহে বম্বে বিশ্ববিদ্যালয়ত স্বীকৃতি লাভ কৰে। পৰৱৰ্তী সময়ত অৰ্থাৎ ১৯২০ চনত কলকাতা বিশ্ববিদ্যালয় আৰু লক্ষ্ণৌ বিশ্ববিদ্যালয়েও সমাজতত্ত্বৰ পাঠ্যক্ৰম তথা গৱেষণাৰ আৰম্ভণি কৰে। অৱশ্যে বৰ্তমান সময়ত সমাজতত্ত্ব, সামাজিক নৃতত্ত্বৰ দৰে বিষয়সমূহ প্ৰায় সকলো বিশ্ববিদ্যালয়ৰ শৈক্ষিক বিভাগসমূহৰ এক অবিচ্ছেদ্য অংগস্বৰূপ।

সাম্প্ৰতিক সময়ত অন্যান্য বিষয়ৰ দৰে সমাজতত্ত্বক ভাৰতত এক সাধাৰণ তথা গুৰুত্বপূৰ্ণ বিষয় হিচাপে গণ্য কৰা হয়। কিন্তু এই পথ মুঠেই সহজ নাছিল। কিয়নো সমাজতত্ত্বৰ আৰম্ভণিৰ সময়ছোৱাত বিষয়টোৱে সমাজৰ কোনবোৰ দিশ অধ্যয়ন কৰিব সেয়া পৰিষ্কাৰ নাছিল বা ভাৰতৰ প্ৰেক্ষাপটত ইয়াৰ অধ্যয়নৰ বিষয়বস্তু কি হ'ব সেইক্ষেত্ৰত সমাজবিজ্ঞানীসকলৰ মাজত এক বিতৰ্কৰ সৃষ্টি হৈছিল। সেয়েহে বিংশ শতিকাৰ প্ৰথম কালছোৱাত যিসকল লোকে বিষয়টোৰ অধ্যয়নৰ ক্ষেত্ৰত আগ্ৰহী আছিল তেওঁলোকে ইয়াৰ ভূমিকাৰ কথা নিৰ্ণয় কৰিবলগীয়া হৈছিল। তোমালোকে এই অধ্যায়ত ভাৰতবৰ্ষত সমাজতত্ত্বৰ গুৰি ধৰোঁতাসকলৰ বিষয়ে এটি চমু আভাস পাবা। এইসকল গৱেষকে সমাজতত্ত্বক এক পাঠ্যক্ৰমিক ৰূপ দিয়াৰ লগতে ইয়াক আমাৰ ঐতিহাসিক আৰু সামাজিক প্ৰেক্ষাপটৰ লগত খাপ খুৱাই লোৱাত বিশেষ ভূমিকা পালন কৰিছিল।

ইতিমধ্যে তোমালোকে জ্ঞাত যে ভাৰতবৰ্ষত সমাজতত্ত্বৰ অধ্যয়নৰ বিষয়ত যথেষ্ট প্ৰশ্নৰ উদয় হৈছিল। যিহেতু বিষয়টোৱে ইউৰোপত জন্ম লাভ কৰিছিল আৰু আধুনিকতাৰ সম্পৰ্কে অধ্যয়ন তথা গৱেষণাত মনোনিৱেশ কৰিছিল, গতিকে ভাৰতবৰ্ষৰ দৰে দেশত ইয়াৰ ভূমিকা কি হ'ব সেই লৈ প্ৰশ্নৰ অৱতাৰণা হৈছিল। কাৰণ যদিও ভাৰতবৰ্ষত আধুনিকতাই যথেষ্ট প্ৰভাৱ বিস্তাৰ কৰিছিল তথাপি এইয়া আছিল ঔপনিৱেশিক সময়ৰ দেশ। সেই দিশৰপৰা আধুনিকতাৰ লগত ঔপনিৱেশিকতাৰ এক বিশেষ সম্পৰ্ক

আছে। দ্বিতীয়তে সামাজিক নৃতত্ত্ববিজ্ঞানে ইউৰোপৰ প্ৰাচীন কৃষ্টি-সংস্কৃতিৰ বিষয়ে অধ্যয়নত ব্ৰতী হৈছিল। গতিকে ভাৰতবৰ্ষ, য'ত প্ৰাচীন সমাজ তথা উন্নত সভ্যতা আছে তাত ইয়াৰ ভূমিকা কি হ'ব। শেষত বৰ্তমান সময়ৰ স্বাধীন সাৰ্বভৌম ৰাষ্ট্ৰখনৰ পৰিকল্পিত উন্নয়নত সমাজতত্ত্বৰ কি ভূমিকা হ'ব তাক লৈয়ো বিশেষজ্ঞসকলৰ মাজত প্ৰশ্নৰ উদ্ৰেক ঘটিছিল। গতিকে ভাৰতীয় সমাজতত্ত্বৰ অগ্ৰণী পণ্ডিতসকলে উপৰোক্ত প্ৰশ্নসমূহৰ উত্তৰ বিচাৰি উলিওৱাৰ উপৰি অন্য কিছুমান দিশো পৰ্যৱেক্ষণ কৰিব লগা হৈছিল। এই ক্ষেত্ৰত সমাজতত্ত্বৰ চৰ্চাৰ জৰিয়তেহে উপৰোক্ত প্ৰশ্নসমূহৰ উত্তৰ পোৱা সম্ভৱ আছিল।

ভাৰতবৰ্ষত সমাজতত্ত্ববিদসকলৰ সৰহ সংখ্যকেই ঘটনাক্ৰমেহে বিষয়টোৰ লগত জড়িত হৈ পৰে। উদাহৰণস্বৰূপে নৃতত্ত্ববিদ এল, কে, অনন্থকৃষ্ণ আয়াৰে (L.K. Ananthakrishna Iyer) (১৮৬১-১৯৩৭) নিজৰ কেৰিয়াৰ কেৰাণী তথা স্কুলৰ শিক্ষক হিচাবে আৰম্ভ কৰে আৰু পৰৱৰ্তীসময়ত মহাবিদ্যালয়ৰ এজন শিক্ষক হিচাবে যোগদান কৰে। ১৯০২ চনত বৰ্তমান কেৰালাৰ কোচিৰ এজন দিৱানে তেওঁক ৰাজ্যৰ নৃতাত্ত্বিক জৰীপত কাম কৰিবৰ বাবে অনুৰোধ কৰে। একেসময়তে তদানীন্তন ব্ৰিটিছ চৰকাৰেও ৰাজশাসিত ৰাজ্যসমূহত একেধৰণৰ জৰীপ কৰাৰ কথা চিন্তা কৰে। অনন্থকৃষ্ণ আয়াৰে বিট্ৰিছ চৰকাৰৰ বাবে ইচ্ছাকৃত ভাবে এজন অবৈতিক অধীক্ষক হিচাপে কাম কৰি এই কাৰ্যৰ সমাধান কৰে। যাৰ বাবে ব্ৰিটিছ নৃতত্ত্ববিদসকলে ইয়াৰ ভূয়সী প্ৰশংসা কৰে আৰু মহীশূৰলৈ একে ধৰণৰ প্ৰকল্পৰ কামৰ বাবে নিয়ন্ত্ৰণ জনোৱা হয়। সেয়েহে তেৰেঁই সম্ভবপৰ ইতিহাসৰ প্ৰথমজন স্ব-শিক্ষিত নৃতত্ত্ববিদ যিয়ে ৰাষ্ট্ৰীয় তথা আন্তঃৰাষ্ট্ৰীয় ক্ষেত্ৰ গৱেষক তথা শিক্ষাবিদ হিচাবে স্বীকৃত লাভ কৰিছে। পৰৱৰ্তীকালত তেওঁক মাদ্ৰাজ বিশ্ববিদ্যালয় তথা কলকাতা বিশ্ববিদ্যালয়ত বক্তৃতা প্ৰদানৰ বাবে নিমন্ত্ৰণ জনোৱাৰ লগতে এজন অধ্যাপক ৰূপে কলকাতা বিশ্ববিদ্যালয়তে নিযুক্ত কৰা হয় আৰু ইয়াতেই তেওঁ স্নাতকোত্তৰ পৰ্যায়ত নৃতত্ত্ব বিভাগ স্থাপনত সহায় কৰিছিল। তেওঁ ১৯১৭ চনৰ পৰা ১৯৩৭ চনলৈ তাতেই কাৰ্যৰত আছিল। নৃতত্ত্ববিজ্ঞানত কোনোধৰণৰ আনুষ্ঠানিক ডিগ্ৰী নোহোৱা স্বত্বেও ভাৰতীয় বিজ্ঞান অধিৱেশনৰ (Indian Science Congress) নৃজাতীয় বিজ্ঞান শাখাৰ (Ethnology Section Congress) সভাপতি ৰূপে নিৰ্বাচিত হৈছিল। ইউৰোপৰ বিভিন্ন বিশ্ববিদ্যালয়ত বক্তৃতা প্ৰদান কৰা সময়ছোৱাত তেখেতক জাৰ্মান বিশ্ববিদ্যালয়ে সন্মানীয় ডক্টৰেট (Honourary Doctorate) ডিগ্ৰী প্ৰদান কৰে। কোচিন ৰাজ্যইয়ো তেখেতক ৰাও বাহাদুৰ (Rao Bahadur) আৰু দেৱান বাহাদুৰ (Dewan Bahadur) উপাধিৰে সন্মানিত কৰে।

ভাৰতৰ অন্য এজন অপৰিকল্পিত (Accidental anthropologist) তথা অগ্ৰণী নৃতত্ত্ববিদ আছিল অধিবক্তা শৰৎ চন্দ্ৰ ৰয় (Sarat Chandra Roy) (১৮৭১-১৯৪২)। আইনৰ ডিগ্ৰী গ্ৰহণ কৰাৰ উপৰি তেওঁ ইংৰাজী বিষয়ত স্নাতক আৰু স্নাতকোত্তৰ ডিগ্ৰীৰো অধিকাৰী। পৰৱৰ্তী সময়ত তেওঁ ইংৰাজী বিষয়ত শিক্ষকতাৰ উদ্দেশ্যে ৰাঁচীলৈ ঢাপলি মেলে। ৰাঁচীৰ এখন খ্ৰীষ্টিয়ান মিছনেৰী বিদ্যালয়ত শিক্ষকৰূপে যোগদান কৰে আৰু যিয়ে তেওঁৰ জীৱনৰ পট পৰিৱৰ্তন কৰে। পৰৱৰ্তী জীৱনৰ ৪৪ বছৰ ঝাৰখণ্ডৰ চোটানাগপুৰ জনজাতীয় সংস্কৃতি আৰু সমাজ অধ্যয়ন বিভাগৰ মুখ্য বিষয়ববীয়া ৰূপে অৱদান আগবঢ়ায়। অন্য কথাত শৰৎ চন্দ্ৰ ৰয়ৰ নৃতাত্ত্বিক অধ্যয়নৰ প্ৰতি আগ্ৰহ বৃদ্ধি পাবলৈ ধৰে

যেতিয়া তেওঁ শিক্ষকতাৰ চাকৰি ত্যাগ কৰি ৰাঁচী কোৰ্টৰ এজন অনুবাদক হিচাবে যোগদান কৰে। স্মৰ্তব্য যে তেওঁ সেইক্ষেত্ৰত জনজাতীয় সমাজৰ নীতি প্ৰথা তথা আচাৰ-ব্যৱহাৰৰ বিষয়ে সূক্ষ্মভাৱে অধ্যয়ন কৰিবলগীয়া হৈছিল। তেওঁ প্ৰায়েই জনজাতীয় লোকসকলৰ মাজলৈ গৈ ক্ষেত্ৰকৰ্ম সমাপন কৰিবলগীয়া হৈছিল। উপৰোক্ত কৰ্মসমূহ গৱেষণামূলক প্ৰবন্ধৰূপে বিভিন্ন মূল্যৱান আলোচনীত প্ৰকাশ পাইছিল।

তেওঁৰ নিজৰ জীৱনত এইসমূহ কৰ্মৰ ওপৰত ভিত্তি কৰি এশতকৈয়ো অধিক গৱেষণামূলক প্ৰৱন্ধ ব্ৰিটিছ শৈক্ষিক পত্ৰিকাত প্ৰকাশ পায়। এইসমূহ ৰচনা উৰাং, মুণ্ডা তথা খাৰিয়া জনজাতীয় সমাজৰ সংস্কৃতি আধাৰিত আছিল। সেইসময়ত তেওঁ এজন নৃতত্ত্ববিদ হিচাপে ভাৰত তথা ব্ৰিটেইনত বহুলভাবে জনাজাত আৰু চোটানাগপুৰৰ এজন অধিকাৰী হিচাপে স্বীকৃত হৈছিল। Man in India নামৰ পত্ৰিকাখনি ১৯২২ চনত তেৱেঁই আৰম্ভণি কৰে যি আজিও প্ৰকাশ পাই আছে।

ভাৰতৰ নৃতাত্ত্বিক অধ্যয়নৰ ক্ষেত্ৰখনত অনন্থকৃষ্ণ আয়াৰ তথা শৰৎ চন্দ্ৰ ৰয় দুয়োজনকেই সচা অৰ্থত একো একোজন অগ্ৰণী পুৰুষ হিচাবে গণ্য কৰিব পাৰি। বিংশ শতিকাৰ প্ৰথম ছোৱা নৃতত্ত্ববিজ্ঞানৰ আনুষ্ঠানিক স্বীকৃতি নথকা স্বত্বেও শৈক্ষিক পাঠ্যক্ৰম হিচাবে ইয়াক প্ৰতিষ্ঠা কৰাৰ প্ৰয়াস কৰিছিল। দুয়োজন নৃতত্ত্ববিদেই ইংৰাজ শাসিত ভাৰতত জন্ম গ্ৰহণ তথা মৃত্যু হৈছিল। আয়াৰ তথা ৰয়ৰ উপৰি অন্য চাৰিজন নৃতত্ত্ববিদৰ বিষয়ে এই পাঠত আলোচনা কৰাটো প্ৰয়োজনীয় যাৰ কৰ্মকাল পৰাধীন আৰু স্বাধীনোত্তৰ দুয়ো সময়ছোৱাত দেখিবলৈ পোৱা যায়। এইসকলৰ ভিতৰত জি, এছ, ঘূৰী, ডি, পি, মুখাৰ্জী অন্যতম যিয়ে সমাজতত্ত্বক ভাৰতবৰ্ষত আনুষ্ঠানিক বিষয় হিচাবে প্ৰতিষ্ঠা কৰে। এওঁলোকৰ উপৰি এ.আৰ.দেশাই তথা এম.এন শ্ৰীনিবাসৰ ভূমিকাও এইক্ষেত্ৰত লেখত লবলগীয়া। উপৰোক্ত সকলো সমাজতত্ত্ববিদেই পশ্চিমীয়া সমাজতাত্ত্বিক চিন্তাধাৰাৰ দ্বাৰা অনুপ্ৰাণিত হৈ ভাৰতত ইয়াৰ অধ্যয়নৰ গুৰুত্বৰ কথা বিবেচনা কৰিছিল। এনেধৰণৰ সক্ৰিয় শৈক্ষিক কাৰ্য-কলাপ তথা গৱেষণামূলক কাৰ্যই সমাজতত্ত্ব আৰু সামাজিক নৃতত্ত্ববিজ্ঞানক একত্ৰিত কৰি এক সামগ্ৰিক পাঠ্যক্ৰম হিচাপে স্বীকৃতি প্ৰদান কৰিছিল।

১৮৩৯ চনত ফ্ৰান্সৰ বিখ্যাত সমাজতত্ত্ববিদ আগষ্ট ক'ট (Auguste Comte) ৰ প্ৰচেষ্টাত সমাজতত্ত্ব (Sociology) নামৰ বিষয়টোৱে প্ৰতিষ্ঠা লাভ কৰে। সমাজতত্ত্বৰ ক্ষেত্ৰখনলৈ আগষ্ট ক'ট'ৰ এই অৱদানৰ বাবেই তেওঁক সমাজতত্ত্বৰ পিতৃ (Father of Sociology) বুলি অভিহিত কৰা হয়। আগষ্ট ক'ট'ৰ প্ৰচেষ্টাত প্ৰতিষ্ঠা লাভ কৰা সমাজতত্ত্ব নামৰ এই বিষয়টো সময় বাগৰাৰ লগে লগে কেৱল ফ্ৰান্স দেশতে আৱদ্ধ নাথাকি বিশ্বৰ বিভিন্ন দেশত বিয়পি পৰিল। বিশ্বৰ আন আন দেশৰ লগতে ভাৰতবৰ্ষটো এই বিষয়টোৰ প্ৰভাৱ পৰিল। প্ৰথমাৱস্থাত এই বিষয়টোৰ প্ৰতি ভাৰতীয়সকলৰ সম্যক ধাৰণা নাছিল। কিন্তু লাহে লাহে এক শ্ৰেণীৰ শিক্ষাবিদ তথা চিন্তাবিদৰ মাজত এই বিষয়টোক লৈ চৰ্চা আৰম্ভ হ'ল। এই চিন্তাগোষ্ঠীৰ অন্যান্যসকলৰ ভিতৰত অগ্ৰণী আছিল জি. এচ. ঘূৰী (G. S. Ghurye)। জি. এছ. ঘূৰী আৰু তেওঁৰ আন আন সহযোগীসকলে সেই সময়ত উপলব্ধি কৰিছিল যে সমাজতত্ত্ব নামৰ বিষয়টো প্ৰতিষ্ঠা লাভ কৰিছে পাশ্চাত্য পৰম্পৰা আৰু দৰ্শনেৰে। সেইবাবে তেওঁলোকৰ মনত প্ৰশ্নৰ অৱতাৰণা হৈছিল যে এই বিষয়টো ভাৰতবৰ্ষত প্ৰতিষ্ঠা কৰাৰ বেলিকা কোনবোৰ দিশত মনোনিৱেশ কৰিব। তেওঁলোকৰ মাজত পুনৰ প্ৰশ্নৰ

অৱতাৰণা হৈছিল যে এই বিষয়টোৰ থলুৱাকৰণৰ প্ৰয়োজনীয়তা আছে নেকি? এই সকলোখিনি কথাৰ চৰ্চা চলিছিল ব'ম্বে বিশ্ববিদ্যালয়ত। এই ক্ষেত্ৰত অগ্ৰণী ভূমিকা গ্ৰহণ কৰিছিল জি. এচ. ঘূৰীয়ে। ঘূৰী আছিল ভাৰতীয় সমাজতত্ত্ব (Indian Sociology) আৰু ভাৰতৰ সমাজতাত্ত্বিক পৰম্পৰাৰ প্ৰথম প্ৰজন্মৰ সমাজতত্ত্ববিদ (First Generation Sociologist)। এওঁৰ প্ৰচেষ্টাতেই ভাৰতবৰ্ষত এই বিষয়টোৰ আনুষ্ঠানিক আৰু পেচাগত ৰূপ (Institutionalisation and Professsionalisation) প্ৰদান কৰাটো সম্ভৱ হৈ উঠিছিল।

উল্লেখযোগ্য যে ভাৰতত সমাজতত্ত্বৰ জন্ম আৰু বিকাশত অৱিহণা আগবঢ়োৱা ভাৰতীয় সমাজতত্ত্ববিদসকলৰ তালিকাত কেৱল ঘূৰীৰ নামেই অন্তৰ্ভুক্ত হৈ থকা নাই। এই তালিকাত এম, এন, শ্ৰীনিবাস (M. N. Srinivas), এ, আৰ, দেশাই (A. R. Desai), ডি, পি, মুখাৰ্জী (D. P. Mukherjee), কে, এম, কাপাডিয়া (K. M. Kapadia), আই, পি, দেশাই (I. P. Desai), ইৰাৱতী কাৰ্বে (Irawati Karve), ওৱাই, বি, ডাম্লে (Y. B. Damle), এম, এচ, এ, ৰাও (M. S. A. Rao), ৰাধাকমল মুখাৰ্জী (R. K. Mukherjee) আদিৰ নামো অন্তৰ্ভুক্ত হৈ আছে। অৱশ্যে আমাৰ এই আলোচনাত মাত্ৰ চাৰিগৰাকী ভাৰতীয় সমাজতত্ত্বদিকহে অন্তৰ্ভুক্ত কৰা হৈছে। সেয়েহে জি, এচ, ঘূৰী (G. S. Ghurye), ডি, পি, মুখাৰ্জী (D. P. Mukherjee), এ, আৰ, দেশাই (A. R. Desai) আৰু এম, এন, শ্ৰীনিবাস (M. N. Srinivas) ৰ জীৱন আৰু তেওঁলোকে ভাৰতীয় সমাজতত্ত্বলৈ আগবঢ়োৱা অৱদান সম্পৰ্কে আলোচনা আগবঢ়োৱা হ'ল।

**গোবিন্দ সদাশিৱ ঘূৰী ১৮৯৩-১৯৮৩ (Govinda Sadashiv Ghurye 1839-1983) ঃ**



১৮৯৩ চনৰ ১২ ডিচেম্বৰত পশ্চিম ভাৰতৰ কংকন উপকূলীয় অঞ্চলৰ মেলভান্ (Malvan) নামৰ চহৰত গোবিন্দ সদাশিৱ ঘূৰীৰ জন্ম হৈছিল। ঘূৰীৰ পৰিয়ালৰ প্ৰধান বৃত্তি আছিল ব্যৱসায়-বাণিজ্য। প্ৰথমাৱস্থাত তেওঁলোকৰ ব্যৱসায়-বাণিজ্য ভাল আছিল যদিও পিছলৈ এনে ব্যৱসায়-বাণিজ্য ক্ৰমাৎ নিম্নগামী হ'বলৈ ধৰে।

**১৯১৩ চন ঃ** ব'ম্বেৰ বিখ্যাত এল্‌ফিনষ্টন কলেজত (Elphinstone College) সংস্কৃতত অনাৰ্চসহ স্নাতক ডিগ্ৰীৰ বাবে নামভৰ্ত্তি কৰে আৰু ইয়াৰ পৰাই ১৯১৬ চনত কলা শাখাত স্নাতক ডিগ্ৰী লাভ কৰে। পুনৰ ১৯১৮ চনত একেখন কলেজৰ পৰাই সংস্কৃত আৰু ইংৰাজী বিষয়ত স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰে।

**১৯১৯ চন ঃ** বিদেশত সমাজতত্ত্ব বিষয়ত অধ্যয়ন কৰিবৰ বাবে ব'ম্বে বিশ্ববিদ্যালয়ে আগবঢ়োৱা বৃত্তি (Scholarship) ৰ বাবে নিৰ্বাচিত হয়। প্ৰথমে London School of Economics ৰ প্ৰখ্যাত সমাজতত্ত্ববিদ এল. টি হব্‌হাউচ (L. T. Hobhouse) ৰ লগত শিক্ষা গ্ৰহণ কৰিবলৈ লয়। ইয়াৰ পিছত তেওঁ ডব্লিউ এইচ আৰ ৰিভাৰ্চ (W.H.R. Rivers) ৰ সৈতে

অধ্যয়ন কৰিবৰ বাবে কেমব্ৰিজ বিশ্ববিদ্যালয়লৈ (Cambridge University) যায় আৰু তাতেই বিকিৰণবাদী (Diffusionist) দৃষ্টিভংগীৰ দ্বাৰা গভীৰভাৱে প্ৰভাৱিত হয়।

**১৯২৩ চন ঃ** ১৯২২ চনত ডব্লিউ এইচ আৰ ৰিভাৰ্চ (W.H.R. Rivers) ৰ আকস্মিক বিয়োগ হোৱাত এ.চি. হেডন (A.C. Haddon) ৰ তত্ত্বাৱধানত পি.এইচ.ডি. (Ph.D.) ডিগ্ৰীৰ বাবে গৱেষণা পত্ৰ দাখিল কৰে। এই ডিগ্ৰীৰ বাবে প্ৰস্তুত কৰা তেওঁৰ 'Caste and Race in India' নামৰ গ্ৰন্থখনক কেমব্ৰিজৰ বিখ্যাত গ্ৰন্থ প্ৰকাশন গোষ্ঠীয়ে প্ৰকাশৰ দায়িত্ব বহন কৰে।

**১৯২৪ চন ঃ** কিছুদিন কলিকতাত অতিবাহিত কৰাৰ পিছত সেই বছৰৰ জুন মাহত তেওঁক ব'ম্বে বিশ্ববিদ্যালয়ৰ সমাজতত্ত্ব বিভাগৰ সহকাৰী অধ্যাপক তথা মুৰব্বী হিচাপে নিযুক্তি দিয়া হয়। তেওঁ পিছলৈ সুদীৰ্ঘ ৩৫ বছৰ কাল সেই পদতে থাকে।

**১৯৩৬ চন ঃ** এই সময়ছোৱাত ব'ম্বে বিশ্ববিদ্যালয়ত ডক্টৰেট ডিগ্ৰীৰ পাঠ্যক্ৰম আৰম্ভ কৰা হয়। ঘূৰীৰ তত্ত্বাৱধানতে প্ৰথমবাৰলৈ ভাৰতীয় বিশ্ববিদ্যালয়ৰ পৰা সমাজতত্ত্ব বিষয়ত জি. আৰ. প্ৰধান (G.R. Pradhan) ক ডক্টৰেট ডিগ্ৰী প্ৰদান কৰা হয়।

**১৯৫১ চন ঃ** ঘূৰীয়ে ভাৰতীয় সমাজতাত্ত্বিক সমাজ (Indian Sociological Society) প্ৰতিষ্ঠা কৰে আৰু এই সংস্থাৰ সভাপতিৰ দায়িত্ব বহন কৰে। ১৯৫২ চনত ঘূৰীয়ে Indian Sociological Society ৰ মুখপত্ৰ 'Sociological Bulletin' ৰ প্ৰকাশৰ শুভাৰম্ভ কৰে।

**১৯৫৯ চন ঃ** বিশ্ববিদ্যালয়ৰ পৰা ঘূৰীৰ অৱসৰ গ্ৰহণ। কিন্তু ইয়াৰ পিছতো বিদ্যায়তনিক ক্ষেত্ৰখনত সক্ৰিয়ভাৱে জড়িত হৈ থাকে। তেওঁৰ মুঠ ৩০ খন গ্ৰন্থৰ ভিতৰত ১৭ খনেই অৱসৰৰ পিছত লিখি উলিয়াইছিল। তেওঁৰ মৃত্যু হৈছিল ৯০ বছৰ বয়সত ১৯৮৩ চনত।

ভাৰতবৰ্ষত সমাজতত্ত্ব বিষয়টি আনুষ্ঠানিক ৰূপত প্ৰতিষ্ঠা কৰাত জি, এছ, ঘূৰীয়েই মূল ব্যক্তি বুলি অভিহিত কৰিব পাৰি। সমাজতত্ত্ব বিষয়ৰ স্নাতকোত্তৰ পাঠ্যক্ৰম পোন প্ৰথম আৰম্ভ হৈছিল বম্বে বিশ্ববিদ্যালয়ত। ঘূৰীয়ে সুদীৰ্ঘ ৩৫ বছৰ কাল বিভাগৰ মুৰব্বীৰূপে কাৰ্যনিৰ্বাহ কৰিছিল। ঘূৰীৰ তত্ত্বাৱধানত বহু গৱেষক ছাত্ৰই গৱেষণা কৰিছিল আৰু ইয়াৰে বহুতেই সমাজতত্ত্ব বিষয়ৰ মহত্ত্বপূৰ্ণ স্থানত অধিষ্ঠিত হৈছিল। তেওঁ 'ভাৰতীয় সমাজতাত্ত্বিক সমাজ' (Indian Sociological Society) ৰ প্ৰতিষ্ঠাপক আছিল। তেওঁ ইয়াৰ মুখপত্ৰ আলোচনী Sociological Bulletin খনো উলিয়ায়। তেওঁৰ বিদ্যায়তনিক লিখনিসমূহ কেৱল সৃজনীমূলকেই নাছিল, বৰঞ্চ এই লিখনিসমূহে বিস্তৃত অধ্যয়নৰ পৰিসৰ সাঙুৰি লৈছিল। যি সময়ত বিশ্ববিদ্যালয়ত অৰ্থনৈতিক তথা আনুষ্ঠানিক সহযোগ অতি সীমিত আছিল, ঘূৰীয়ে সেই কঠিনতাৰ মাজতো সমাজতত্ত্ব বিষয়টিক ক্ৰমাগতভাৱে আগবঢ়াই নিবলৈ অহৰহ চেষ্টা কৰিছিল। ঘূৰীৰ তত্ত্বাৱধানত বম্বে বিশ্ববিদ্যালয়ৰ সমাজতত্ত্ব বিভাগটিয়ে দুটা প্ৰধান বৈশিষ্ট্য সুখ্যাতিৰে আগবঢ়াই নিছিল, যিকেইটা সমাজতত্ত্বৰ উত্তৰপুৰুষে (Successor) অতি উৎসাহেৰে আদৰি লৈছিল। ইয়াৰে প্ৰথমটো হ'ল সমাজতত্ত্বৰ পাঠদান আৰু গৱেষণাক একীভূত কৰা আৰু দ্বিতীয়তে, সমাজিক নৃতত্ত্ব আৰু সমাজতত্ত্ব দুয়োটাকে যুগ্ম বিষয় ৰূপে স্থাপন কৰা।

জি, এছ, ঘূৰীৰ উল্লেখযোগ্য লিখনিসমূহ বিশেষকৈ জাতি (Caste) আৰু প্ৰজাতি (Race) বিষয়ৰ লিখনিসমূহ। ঘূৰীয়ে আন ভালেমান বিস্তৃত বিষয় সম্পৰ্কে অধ্যয়ন কৰিছিল। যেনে — স্বজনীয়তা (Kinship), পৰিয়াল আৰু বিবাহ, সংস্কৃতি, সভ্যতা আৰু ইতিহাসৰ বিভিন্ন স্তৰত নগৰৰ ভূমিকা, ধৰ্ম আৰু সংঘৰ্ষ তথা সংহতিৰ সমাজতাত্ত্বিক অধ্যয়ন আদি। এই বিষয়ত ঘূৰীক বৌদ্ধিক আৰু প্ৰাসংগিক দিশত সম্ভৱতঃ আটাইতকৈ বেছি প্ৰেৰণা যোগাইছিল বিকিৰণবাদ (Diffusion) আদৰ্শই; ইয়াৰ উপৰি প্ৰাচ্যৰ হিন্দুধৰ্ম আৰু ইয়াৰ ভাৱাদৰ্শৰ সম্পৰ্কে পাণ্ডিত্য, জাতীয়তাবাদৰ ভাৰধাৰা আৰু হিন্দুমূলৰ সাংস্কৃতিক দিশ আদিয়ে।

ঘূৰীয়ে সম্পাদন কৰা মুখ্য কৰ্মৰাজিৰ ভিতৰত 'জনজাতি' তথা 'আদিবাসী'সকলৰ সংস্কৃতি আছিল অন্যতম। আচলতে তেওঁৰ লেখনিসমূহৰ যোগেদি ভেৰিয়াৰ এলউইন(Verrier Elwin) ৰ লগত যিবোৰ মতানৈক্য ফুটি উঠিছিল, সেইবোৰে ঘূৰীক সমাজতত্ত্ব তথা বিদ্যায়তনিক জগতৰ বাহিৰলৈ বিশেষভাৱে জনাজাত কৰি তুলিছিল।

১৯৩০-৪০ ৰ সময়ছোৱাত ভাৰতৰ জনজাতিসকলৰ স্থিতি তথা ৰাষ্ট্ৰৰ প্ৰতিক্ৰিয়াৰ সন্দৰ্ভত যথেষ্ট বাক-বিতণ্ডা হৈছিল। ভালেসংখ্যক ব্ৰিটিছ শাসক তথা নৃতত্ত্ববিদে ভাৰতৰ জনজাতিসকলৰ ওপৰত দৃষ্টি ৰাখিছিল আৰু বিশ্বাস কৰিছিল যে জনজাতিসকল মূলতে আদিবাসী বা আদিম (Primitive) লোক। এইসকল লোক নিজা সাংস্কৃতিক বৈশিষ্ট্যৰে হিন্দু ধৰ্মৰ মূল সুঁতিৰ পৰা বহু নিলগত। এইসকলে এইটোও বিশ্বাস কৰিছিল যে নিৰপৰাধী আৰু সৰল প্ৰকৃতিৰ জনজাতিসকলে হিন্দু সমাজ আৰু সংস্কৃতিৰ সংস্পৰ্শলৈ আহি শোষিত হৈছে আৰু নিজা সংস্কৃতিৰ অৱনতি ঘটিছে। এনেবোৰ কাৰণতেই তেওঁলোকে ভাবিছিল যে জনজাতিসকলক হিন্দু ধৰ্মৰ মূল সুঁতিৰ লগত চামিল হ'বলৈ হেচা প্ৰয়োগ কৰা হৈছে আৰু এনেক্ষেত্ৰত ৰাষ্ট্ৰই জনজাতিসকলৰ জীৱন প্ৰণালী আৰু সংস্কৃতিক উপযুক্ত সুৰক্ষা দিয়াটো উচিত। জাতীয় চেতনাৰ দ্বাৰা প্ৰভাৱিত দেশৰ জাতীয়তবাদীসকল নিজৰ ভাবধাৰাৰ প্ৰতি একান্ত অনুগত আছিল আৰু ভাৰতৰ সমাজত আৰু সংস্কৃতিৰ আধুনিকীকৰণ তথা দেশৰ ঐক্য প্ৰতিষ্ঠা কৰাত সম্পূৰ্ণ বিশ্বাসী আছিল। প্ৰাচীন নৃতত্ত্ববিদসকলে জনজাতীয় সংস্কৃতিক ৰক্ষণাবেক্ষণ দিয়াৰ নামত ভুল পথে পৰিচালিত কৰি জনজাতীয় সংস্কৃতিৰ যাদুঘৰ নিৰ্মাণৰ দিহা কৰিছিল। ভাৰতীয় জাতীয়তাবাদীসকলৰ মতে হিন্দু ধৰ্মৰো ভালেমান বৈশিষ্ট্য পিছপৰা সংস্কৃতিৰেই অন্তৰ্গত আছিল আৰু সেইবোৰৰ সংস্কাৰ অতি জৰুৰী আছিল। জনজাতিসকলকো একে গণ্ডীৰ ভিতৰত ৰাখি তেওঁলোকক উন্নতিৰ পথলৈ আগবঢ়াই নিয়াৰ চেষ্টা অতি প্ৰয়োজন। ঘূৰী আছিল ভাৰতীয় জাতীয়তাবাদৰ নেতৃস্থানীয় ব্যক্তি। সেইবাবে তেওঁ জনজাতিসকলক কোনো সুকীয়া সাংস্কৃতিক গোট বুলি ভবাতকৈ 'পিছপৰা হিন্দু' (Backward Hindu) বুলিহে পৰিচিত কৰিব বিচাৰিছিল। বিভিন্ন জনজাতীয় লোকসকলৰ বিস্তৃত সংস্কৃতিৰ ৰূপৰেখা দাঙি ধৰি তেওঁ কৈছিল যে আৱহমান কালৰে পৰা জনজাতীয় লোকসকল আৰু হিন্দু ধৰ্মৰ মাজত অবিৰতভাৱে ভাব বিনিময় তথা আন্তঃক্ৰিয়া চলি আহিছে; সেয়েহে দেখা যায় যে সম্প্ৰদায়বোৰে যিদৰে সমন্বয়ৰ গতিৰে আগবাঢ়িছে, জনজাতিসকল এইক্ষেত্ৰত কিছু পিছপৰি আছে। প্ৰাচীন নৃতাত্ত্বিক বৰ্ণনাসমূহত এই বিশেষ দিশটো উত্থাপিত হৈছিল যে জনজাতিসকল আছিল দূৰৱৰ্তী আদিবাসী লোক। ৰক্ষণাবেক্ষণকাৰী সকলে ভাবিছিল যে চামিলকৰণৰ যোগেদি জনজাতিসকল অধিক শোষিত হ'ব আৰু তেওঁলোকৰ সংস্কৃতি লুপ্তপ্ৰায় হ'ব। অৱশ্যে ঘূৰী আৰু অন্যান্য জাতীয়তাবাদীসকলে যুক্তি প্ৰদৰ্শন কৰিছিল

যে এনেধৰণৰ প্ৰতিকূল ফলাফল কেৱল জনজাতীয় সমাজতে পৰা নাছিল, বৰঞ্চ সকলো পিছপৰা তথা নিপীড়িত ভাৰতীয় জনগণৰ ক্ষেত্ৰত সমানে প্ৰযোজ্য আছিল। সামাজিক প্ৰগতিৰ বাটত এইবোৰ বাধা অৱশ্যম্ভাৱী ৰূপে থিয় দিছিল।

**ক্ৰিয়া-কলাপ-১ (Activity-1)**

জনজাতি সম্পৰ্কীয় আজিকালি এনেবোৰ বিতৰ্কৰ মাজত প্ৰায়ে সোমাই পৰিবলগা হয়। উদাহৰণস্বৰূপে জনজাতি সম্বন্ধীয় বহুতো আন্দোলনে তেওঁলোকৰ নিজা সাংস্কৃতিক আৰু ৰাজনৈতিক পৰিচয় আদায় কৰিবলৈ সময়ে সময়ে হেচা প্ৰয়োগ কৰে। ক'বলৈ গ'লে ঝাৰখণ্ড আৰু ছত্তিশগড় ৰাজ্য দুখন এনে ধৰণৰ আন্দোলনৰ ফলশ্ৰুতিতে সৃষ্টি হ'ল। অৱশ্যে বিভিন্ন ধৰণৰ উন্নয়নমূলক প্ৰকল্প যেনে— ডাঙৰ নদী বান্ধ, খনি আৰু কাৰখানা প্ৰতিষ্ঠা আদি কামৰ বাবে বহু জনজাতি সম্প্ৰদায়ে কষ্ট স্বীকাৰ কৰিবলগা বিষয়বোৰৰ বিতৰ্কও হৈছে। এনেধৰণৰ আন কোনো সংঘৰ্ষৰ বিষয়ে তোমালোকে জানানে? এনেধৰণৰ সংঘৰ্ষবোৰৰ লগত জড়িত বিষয়বোৰ বাচি উলিওৱা। তুমি আৰু তোমাৰ শ্ৰেণীৰ বন্ধু-বান্ধৱীসকলে এই সমস্যাবোৰৰ বিষয়ে কি ভাবা?

**জাতি আৰু প্ৰজাতি সম্পৰ্কে ঘূৰীৰ আলোচনা (Ghurye on Caste and Race) ঃ**

জি, এচ, ঘূৰীৰ সমাজতত্ত্বীয় অৱদানসমূহৰ ভিতৰত জাতি আৰু প্ৰজাতি সম্বন্ধীয় আলোচনা অতি গুৰুত্বপূৰ্ণ। ঘূৰীৰ এই আলোচনা এক নৃতাত্ত্বিক আৰু সমাজতাত্ত্বিক আলোচনা। জাতি আৰু প্ৰজাতি সম্বন্ধীয় ঘূৰীৰ আলোচনা এক বিস্তৃত আলোচনা। কিয়নো তেওঁ এই বিষয়ত গৱেষণা কৰি ডক্টৰেট ডিগ্ৰী লাভ কৰিবলৈ সক্ষম হৈছিল। কেমব্ৰিজ বিশ্ববিদ্যালয়ত এই বিষয়তে ডক্টৰেট ডিগ্ৰী লাভ কৰাৰ পাছত ১৯৩২ চনত এই বিষয়তে 'Caste and Race in India' নামেৰে এখন গ্ৰন্থ প্ৰকাশ পায়। ঘূৰীৰ এই গ্ৰন্থখন আছিল এখন বিশেষ গ্ৰন্থ যিখন গ্ৰন্থই সেই সময়ৰ ভাৰতীয় সমাজৰ কেতবোৰ নৃতাত্ত্বিক (Anthropological) দিশ আলোকপাত কৰিছে।

জি, এচ, ঘূৰীয়ে 'Caste and Race in India' নামৰ গ্ৰন্থত সেই সময়ত প্ৰচলিত জাতি আৰু প্ৰজাতি সম্বন্ধে কেতবোৰ উল্লেখযোগ্য দিশ আলোকপাত কৰিছে। ঘূৰীয়ে আলোকপাত কৰা এনে দিশ বা সিদ্ধান্ত সমূহৰ এজন উল্লেখযোগ্য চিন্তাবিদ আছিল হাবাৰ্ট ৰিজলী (Herbert Risley)। ঘূৰী আছিল এজন নৃতত্ত্ববিদ (Anthropologist) আৰু সেইবাবেই তেওঁ নৃতাত্ত্বিক দিশৰ অধ্যয়নৰ ওপৰত গুৰুত্ব প্ৰদান কৰিছিল। ৰিজলীয়ে উল্লেখ কৰিছে যে মানৱ জাতিক প্ৰধানকৈ কেইটামান শাৰীৰিক বৈশিষ্ট্য অনুযায়ী ভাগ কৰিব পাৰি। তেওঁ উল্লেখ কৰা এই শাৰীৰিক বিশেষত্ববোৰ হৈছে মানুহৰ মূৰৰ আকাৰ, মূৰ আৰু মগজুৰ সংলগ্নকাৰী অংশ সমূহৰ গঠন বা আকাৰ, নাকৰ দৈৰ্ঘ ইত্যাদি।

ঘূৰীয়ে তেওঁৰ জাতি আৰু প্ৰজাতি সম্বন্ধীয় আলোচনাত হাবাৰ্ট ৰিজলীৰ প্ৰসংগ সঘনাই আলোকপাত কৰিছে। কিয়নো ৰিজলীয়ে ভাৰতীয় জাতি আৰু প্ৰজাতি সম্বন্ধে গভীৰ অধ্যয়ন চলাইছিল। হাবাৰ্ট ৰিজলীয়ে উপলব্ধি আৰু বিশ্বাস কৰিছিল যে বিভিন্ন প্ৰজাতিৰ জন্ম তথা উৎপত্তি সম্বন্ধে অধ্যয়ন কৰিবৰ বাবে সমগ্ৰ

ভাৰতবৰ্ষই হ'ল এক উপযুক্ত স্থল বা গৱেষণাগাৰ। ৰিজলীয়ে উল্লেখ কৰিছিল যে জাতি ব্যৱস্থাই ইয়াৰ ভিন্ন ভিন্ন গোটৰ মাজত আন্তঃবিবাহৰ প্ৰচলনত বহু যুগ ধৰি বাধাস্বৰূপ হৈ আহিছে। ৰিজলীৰ মতে প্ৰজাতিয়েহে জাতিৰ উৎপত্তিত সহায় কৰে। কিয়নো বেলেগ বেলেগ জাতিৰ মাজত প্ৰজাতিৰ কেতবোৰ গুণ উপলব্ধ হয়। সাধাৰণতে উচ্চ জাতি সমূহক ইন্দো-আৰ্য প্ৰজাতিৰ সমাৰ্থকৰূপে ধৰা হয়। ইয়াৰ বিপৰীতে নিম্ন জাতিবোৰক অনাৰ্য, মঙ্গোলীয় নাইবা অন্যান্য প্ৰজাতিৰ গোটত ধৰা হয়। ৰিজলী আৰু আন বহুজন নৃতত্ত্ববিদে ক'ব বিচাৰে যে সমাজৰ নিম্ন জাতিৰ লোক সকলেই ভাৰতৰ আদিম বাসিন্দা।

ভাৰতৰ জাতি আৰু প্ৰজাতি সম্বন্ধে হাবাৰ্ট ৰিজলীয়ে যিখিনি মতামত আগবঢ়াইছে সেইখিনি মতামতক ঘূৰীয়ে সম্পূৰ্ণৰূপে গ্ৰহণ কৰিব পৰা নাই। ঘূৰীৰ মতে আৰ্য প্ৰজাতিৰ পৰা উৎপত্তি হোৱা উচ্চ জাতি আৰু অনাৰ্য প্ৰজাতিৰ পৰা উৎপত্তি হোৱা নিম্নজাতিৰ ভাৰধাৰাটো কেৱল উত্তৰ ভাৰতৰ ক্ষেত্ৰতহে প্ৰযোজ্য। ভাৰতৰ আন আন অঞ্চলবোৰত এনে ধৰণৰ নিৰিখেৰে গোটবোৰৰ মাজৰ ব্যৱধান বিস্তৃত বা-পদ্ধতিগতভাৱে পাব নোৱাৰি। এই কথাই ইয়াকে স্পষ্ট কৰে যে ইন্দো-গংগা-সমভূমিৰ বাদে ভাৰতৰ প্ৰায়বোৰ অঞ্চলতে থকা বিভিন্ন প্ৰজাতিবোৰে বহু আগৰে পৰা পৰস্পৰে সমিলমিল ৰূপত বসবাস কৰি আহিছিল। সেইবাবেই আন্তঃবিবাহৰ নীতিক বাধা আৰোপ কৰি 'প্ৰজাতীয় বিশুদ্ধতা' (Racial Purity) ক মানি চলা ব্যৱস্থাটো কেৱল 'প্ৰকৃত হিন্দুস্থান' অৰ্থাৎ উত্তৰ ভাৰততহে দেখা গৈছিল।

সাম্প্ৰতিক কালত জাতি ব্যৱস্থাৰ ধাৰণাটো প্ৰজাতীয় সিদ্ধান্তৰ আধাৰত একাকাৰ কৰিব নোৱাৰি। কিন্তু বহুতেই কুৰি শতিকাৰ প্ৰথমাৰ্ধত এই ধাৰণাক সত্য বুলি মানি লৈছিল। এই উপমহাদেশখনলৈ আৰ্যসকলৰ আগমন সন্দৰ্ভত বুৰঞ্জীবিদসকলৰ মাজতো মতবিৰোধ আছে। যি সময়ত ঘূৰীয়ে এই সম্বন্ধে লেখনি আগবঢ়াইছিল, সেই সময়ত সেইবোৰ সমাজতাত্ত্বিক দিশত প্ৰধান বিচাৰ্য বিষয় হৈ পৰিছিল, যিবোৰ কাৰণত তেওঁৰ লিখনি সমূহে মনোযোগ আকৰ্ষণ কৰিছিল।

প্ৰজাতি (Race) সম্বন্ধে ঘূৰীয়ে আলোচনা আগবঢ়োৱাৰ দৰে জাতি (Caste) সম্বন্ধেও আলোচনা আগবঢ়াইছিল। জাতি সম্বন্ধে ঘূৰীয়ে সংজ্ঞা আগবঢ়াইছে। ঘূৰীৰ এই সংজ্ঞাৰ পৰা জাতিৰ মুঠ ছয়টা বৈশিষ্ট্য নিৰ্ণয় কৰিব পাৰি। এই বৈশিষ্ট্যকেইটা হৈছে—

**(1) সমাজৰ খণ্ড বিভাজন (Segmental Division of Society) ঃ** জি, এচ, ঘূৰীৰ মতে জাতি ব্যৱস্থাই সমগ্ৰ ভাৰতীয় সমাজখনক বিভিন্ন খণ্ড-উপখণ্ডত বিভক্ত কৰিছে। প্ৰতিটো খণ্ডৰে নিজৰ প্ৰস্থিতি আৰু ভূমিকা সুনিশ্চিত হৈ থাকে। এই জাতি সমূহে নিজৰ জাতিৰ পালনীয় কৰ্তব্যসমূহ পালন নকৰিলে অৰ্থদণ্ড, উধাৰণি ভোজ, শাৰীৰিক শাস্তি, প্ৰায়শ্চিত্ত জাত্যান্তৰকৰণ আদিৰ সন্মুখীন হ'বলগীয়া হয়।

**(2) সংস্তৰণ (Hierarachy) ঃ** জাতি হৈছে এক সংস্তৰণাত্মক ব্যৱস্থা। বিভিন্ন জাতিৰ মাজত উচ্চ-নিম্ন হিচাপে সামাজিক স্থান বা প্ৰস্থিতিৰ পাৰ্থক্যকৰণেই হৈছে সংস্তৰণ। জাতি সংস্তৰণত উৰ্দ্ধতম জাতি হৈছে—ব্ৰাহ্মণ আৰু ইয়াৰ পিছত ক্ৰমান্বয়ে ক্ষত্ৰিয়, বৈশ্য আৰু শুদ্ৰ। শুদ্ৰসকলক বহুতে অস্পৃশ্য বুলিও কয়। জাতি সংৰচনাত উৰ্দ্ধতম ব্ৰাহ্মণ আৰু নিম্নতম অস্পৃশ্যসকলৰ স্থান প্ৰায়ে অপৰিৱৰ্তিত যদিও এই দুই সীমাৰ মাজৰ জাতিবোৰৰ সামাজিক স্থান বা প্ৰস্থিতি গতিশীল। কিয়নো এই জাতিবোৰৰ প্ৰত্যেক

ভাগেই নিজক আনতকৈ উচ্চ বুলি দাবী কৰে। এনে দাবী প্ৰতিষ্ঠা কৰিবলৈ বহুতো মধ্যম জাতিয়ে সুপ্ৰতিষ্ঠিত, সামাজিক মৰ্যাদাসম্পন্ন উচ্চ জাতিৰে সৈতে নিজৰ সম্বন্ধ প্ৰতিষ্ঠা কৰিবলৈ প্ৰয়াস কৰে। এই প্ৰযত্ন সফল হ'লে সেই জাতিৰ সামাজিক স্থিতিও উচ্চ স্তৰত হয়।

**(3) খোৱা-লোৱা আৰু সামাজিক চাল-চলনৰ ওপৰত নিষেধ (Restriction on feeding and social Intercourse)** ঃ ঘূৰীয়ে উল্লেখ কৰিছে যে জাতি ব্যৱস্থাত সকলো জাতিৰ আন আন জাতিৰ লগত খোৱা-বোৱা আৰু সামাজিক চাল-চলনৰ ক্ষেত্ৰত কেতবোৰ বাধা-নিষেধ আছে। এনে নিয়ম অনুসৰি ব্ৰাহ্মণৰ দৰে উচ্চ জাতি সমূহে নিম্ন বা অন্যান্য অস্পৃশ্য জাতি সমূহৰ লগত খোৱা-লোৱা কৰিব নোৱাৰে। নিম্ন জাতি বা অস্পৃশ্যসকলে স্পৰ্শ কৰা কোনো খাদ্য উচ্চ জাতি সমূহে গ্ৰহণ কৰিব নোৱাৰে। এনে খাদ্য গ্ৰহণ কৰিলে উচ্চ জাতি সমূহ অপবিত্ৰ হয় বুলি ধৰা হয়। খাদ্য গ্ৰহণৰ ক্ষেত্ৰত থকা এনে জাতিগত বিচাৰ বা বাধা-নিষেধক কেন্দ্ৰ কৰি সময়ে সময়ে বিভিন্ন লেখক চিন্তাবিদে প্ৰশ্ন উত্থাপন কৰি আহিছে। ইয়াৰ কাৰণ হ'ল ব্ৰাহ্মণসকলে তৈয়াৰ কৰা যিকোনো খাদ্য আন সকলো জাতিয়ে গ্ৰহণ কৰিব পাৰে, কিন্তু আন জাতিয়ে তৈয়াৰ কৰা বা স্পৰ্শ কৰা যিকোনো আহাৰ ব্ৰাহ্মণ সকলে গ্ৰহণ কৰিব নোৱাৰে। ভাৰতবৰ্ষৰ সমাজত যুগ যুগ ধৰি চলি অহা এই পৰম্পৰাই উচ্চ আৰু নিম্ন জাতিসমূহৰ মাজত সামাজিক ব্যৱধান বৃদ্ধি কৰিছে। অপ্ৰিয় সত্য যে পৰম্পৰাই এখন সমাজৰ পৰিচয় অটুট ৰাখে আৰু সমাজখনৰ ভেঁটি কটকটীয়া কৰি ৰাখে। কিন্তু সমাজৰ কেতবোৰ পৰম্পৰাই মানুহৰ মাজত সামাজিক ব্যৱধান বৃদ্ধি কৰি সামাজিক বিশৃংখলতাৰ সৃষ্টিৰ লগতে সামাজিক ঐক্য সংহতি বিনষ্ট কৰে। গতিকে আজিৰ দিনতো জাতি ব্যৱস্থাৰ দৰে গুৰুত্বপূৰ্ণ সংস্থাক কেতিয়াও অৱহেলা কৰিব নোৱাৰি যদিও এই ব্যৱস্থাৰ অন্তৰালত সোমাই থকা সামাজিক আঘাত হানিব পৰা বিধৰ কেতবোৰ নীতি নিয়মৰ সাল-সলনি কৰা নাইবা নমনীয় কৰাটো এখন সুস্থ সবল সমাজ প্ৰতিষ্ঠাৰ বাবে খুবেই প্ৰয়োজন।

জাতি ব্যৱস্থাত কেৱল খাদ্য গ্ৰহণৰ ক্ষেত্ৰতেই নহয় অন্যান্য সামাজিক চাল-চলনৰ ক্ষেত্ৰতো বিভিন্ন জাতি সমূহৰ মাজত বাধা-নিষেধ আছে। জাতি ব্যৱস্থাৰ এই নীতিয়ে জাতি সমূহৰ মাজত পবিত্ৰ-অপবিত্ৰ ধাৰণা অধিক কটকটীয়া কৰিছে। জাতি ব্যৱস্থাত নিম্ন জাতি বা অস্পৃশ্যসকলে যদি উচ্চ জাতি সমূহক স্পৰ্শ কৰে তেতিয়া তেওঁলোক অপবিত্ৰ বা অশুচি হোৱা বুলি কোৱা হয়। এই ক্ষেত্ৰত সমাজতত্ত্ববিদসকলে এনেদৰে মন্তব্য দিছে— "... a touch of a lower caste man (Particularly of an untouchable/dalit/ Harijan) would pollute or defile a man of higher caste." জাতি ব্যৱস্থাৰ এই নীতি অনুসৰি কেৰেলা ৰাজ্যৰ 'নায়াৰ' (Nayar) সকলে 'নাম্বোদৰী (Nambudari) ব্ৰাহ্মণসকলৰ কাষ চাপিব পাৰিছিল যদিও তেওঁলোকক কোনো কাৰণতেই স্পৰ্শ কৰিব নোৱাৰিছিল। গতিকে জাতি ব্যৱস্থাৰ এই নীতি বৰ্তি আছে বাবে ভাৰতবৰ্ষত যুগ যুগ ধৰি অস্পৃশ্যতাৰ ধাৰণাও বৰ্তি আছে।

**(4) সামাজিক আৰু ধৰ্মীয় নিৰ্যোগ্যতা আৰু বিশেষাধিকাৰ (Civil and Religious Disabilities and Privileges of Different Sections)** ঃ ভাৰতবৰ্ষৰ জাতি ব্যৱস্থাত বৰ্তি থকা স্পৃশ্য আৰু অস্পৃশ্যতাৰ ধাৰণাই বিভিন্ন জাতি সমূহৰ মাজত ধৰ্মীয় দিশত সামাজিক ব্যৱধান সৃষ্টি কৰি আহিছে। এই অনুসৰি সকলো

জাতিৰ লোকেই কোনো মঠ-মন্দিৰত জধে-মধে প্ৰবেশ কৰিব নোৱাৰে। বিদ্যালয়ত পঢ়া উচ্চ জাতিবিলাকে ব্যৱহাৰ কৰা কুঁৱা বা পুখুৰীৰ পৰা পানী তোলা অস্পৃশ্যসকলৰ বাবে নিষেধ কৰা হৈছিল। দক্ষিণ ভাৰতৰ কেতবোৰ গাঁও নাইবা নগৰ অঞ্চলত অস্পৃশ্য সকলৰ যেতিয়াই তেতিয়াই বা জধে-মধে চলন ফুৰণত বাধা আছিল। মহাৰাষ্ট্ৰত 'মাহাৰ' (Mahars) আৰু 'মাংগ' (Mangs) নামৰ অস্পৃশ্য জাতি দুটাৰ ৰাজহুৱা স্থানত পুৱা ৯ বজাৰ আগত আৰু আবেলি তিনি বজাৰ পিছত চলন-ফুৰণত বাধা-নিষেধ আছিল। দক্ষিণ ভাৰতৰ কেতবোৰ অস্পৃশ্য জাতিৰ যিকোনো আৰ্হিৰ ঘৰ সজা আৰু যিকোনো ধৰণৰ গহনা ব্যৱহাৰ কৰাত বাধা আছিল। ঠিক একেদৰে মালাবাৰৰ কেতবোৰ অস্পৃশ্য জাতিৰ ৰাজহুৱা স্থানত ছাতি লোৱা, জোতা পিন্ধা আৰু গহনা ব্যৱহাৰ কৰাত বাধা আছিল। কিন্তু ইয়াৰ বিপৰীতে উচ্চ জাতি সমূহে সামাজিক, ৰাজনৈতিক, ধৰ্মীয় আৰু আইনগত অধিকাৰ ভোগ কৰিছিল।

**(5) বৃত্তি অৱলম্বনৰ ক্ষেত্ৰত নিষেধ (Restrictions on Occupational Choice) ঃ** ঘূৰীয়ে উল্লেখ কৰা মতে ভাৰতবৰ্ষৰ জাতি ব্যৱস্থাত বৃত্তি অৱলম্বন বা বৃত্তি গ্ৰহণৰ ক্ষেত্ৰতো কেতবোৰ বাধা-নিষেধ আছে। অৰ্থাৎ যিকোনো জাতিয়ে যিকোনো বৃত্তি গ্ৰহণ কৰিব নোৱাৰে। জাতি ব্যৱস্থাৰ নীতি অনুসৰি এজন ব্যক্তি যিটো জাতিত জন্ম গ্ৰহণ কৰে সেইটো জাতিৰ নিৰ্ধাৰিত বৃত্তিটোহে তেওঁ গ্ৰহণ কৰিব পাৰে। উদাহৰণস্বৰূপে ব্ৰাহ্মণ সকলে পুৰোহিতৰ কাম আৰু চমাৰ সকলে চামৰা বা জোতা তৈয়াৰ বা মেৰামতিৰ কাম কৰিব পাৰে। অৱশ্যে বৃত্তিৰ ভিতৰতো পৱিত্ৰ বৃত্তি আৰু অপবিত্ৰ বৃত্তিৰ ভাগ আছে। অপবিত্ৰ বৃত্তিৰ মাজতো অপবিত্ৰতাৰ মাত্ৰা আছে, যেনে— মল-মূত্ৰ পৰিষ্কাৰ কৰা কামটো সবাতোকৈ অপবিত্ৰ, তাৰ পিছত চামৰাৰ কাম কৰা, কাপোৰ-কানি ধোৱা আদি কামক ক্ৰমান্বয়ে কম অপবিত্ৰ বুলি গণ্য কৰা হয়। এই কামবোৰ অন্যান্য নিম্ন জাতিৰ মানুহে কৰে। ধৰ্ম সম্বন্ধীয় যিকোনো ধৰণৰ কামেই পৱিত্ৰ। সেইফালৰ পৰা পুৰোহিতৰ সামাজিক প্ৰস্থিতি বহু ওপৰত।

**(6) বিবাহ সম্বন্ধীয় নিষেধ (Restriction on Marriage) ঃ** জাতি হৈছে এক অন্তঃবিবাহ সম্বন্ধ। অৰ্থাৎ এটা জাতিয়ে নিজৰ জাতিৰ লগতহে বৈবাহিক সম্পৰ্ক স্থাপন কৰিব পাৰে। ইয়াৰ উপৰি প্ৰত্যেক জাতি বহুতো উপজাতিত বিভক্ত আৰু এওঁলোকৰ মাজত অন্তঃবিবাহ হয় অৰ্থাৎ এটা উপজাতিৰ মানুহে নিজৰ উপজাতিৰ বাহিৰত বিবাহ কৰিব নোৱাৰে। উদাহৰণস্বৰূপে মহাৰাষ্ট্ৰৰ সংকলদ্ধ ব্ৰাহ্মণ দৰাই সংকলদ্ধ কন্যা, কৰহাজ ব্ৰাহ্মণে কৰহাজ ব্ৰাহ্মণৰ মাজতহে বিয়া কৰাব পাৰে। পঞ্জাৱৰ কোনো কোনো জাতিৰ মাজত ৰাজপুত সকলৰ কোনো কোনো গোত্ৰৰ মাজত আৰু নাম্বুদিৰী নায়াৰৰ সম্পৰ্কত অনুলোম (Hypergamy) বিবাহ পদ্ধতি প্ৰচলিত। অনুলোম বিবাহত উচ্চ জাতি বা গোত্ৰৰ মানুহ এজনে নিজৰ জাতি কুলতকৈ তলৰ জাতি বা কুলৰ ছোৱালী বিবাহ কৰায়।

এনেদৰেই জি. এচ. ঘূৰীয়ে জাতি আৰু প্ৰজাতি সম্বন্ধে বৰ্ণনা কৰিছে। জাতি সম্বন্ধে ঘূৰীয়ে যি বিশ্লেষণ আগবঢ়াইছে, সেই বিশ্লেষণৰ দ্বাৰা জাতি যে এক বন্ধ সামাজিক ব্যৱস্থা সেৱা স্পষ্টকৈ ফুটি উঠিছে।

**ধূৰ্জতি প্ৰসাদ মুখাৰ্জী ১৮৯৪-১৯৬১ (Dhurjati Prasad Mukerji-1894-1961) ঃ**



১৮৯৪ চনৰ ৫ অক্টোবৰত ধূৰ্জতি প্ৰসাদ মুখাৰ্জীৰ জন্ম হৈছিল এটি মধ্যবিত্ত ব্ৰাহ্মণ পৰিয়ালত। মুখাৰ্জীয়ে জন্মগ্ৰহণ কৰা পৰিয়ালটো সুদীৰ্ঘ কাল উচ্চ শিক্ষাৰ লগত জড়িত আছিল। বিজ্ঞানত স্নাতক ডিগ্ৰী লোৱাৰ পিছত কলিকতা বিশ্ববিদ্যালয়ৰ পৰা বুৰঞ্জী আৰু অৰ্থনীতি বিষয়ত স্নাতকোত্তৰ ডিগ্ৰী গ্ৰহণ কৰে।

**১৯২৪ চন ঃ** সমাজতত্ত্ব আৰু অৰ্থনীতি বিভাগত লক্ষ্ণৌ বিশ্ববিদ্যালয়ত প্ৰবক্তা হিচাপে যোগদান কৰে।

**১৯৩৮-৪১ চন ঃ** United Provinces of British India (বৰ্তমানৰ উত্তৰ প্ৰদেশ) চৰকাৰৰ অধীনস্থ তথ্য বিভাগৰ সঞ্চালক হিচাপে সেৱা আগবঢ়ায়।

**১৯৪৭ চন ঃ** উত্তৰ প্ৰদেশৰ Labour Inquiry Committee ৰ সদস্য হিচাপে সেৱা আগবঢ়ায়।

**১৯৪৯ চন ঃ** লক্ষ্ণৌ বিশ্ববিদ্যালয়ৰ উপাচাৰ্যৰ বিশেষ অনুমতি সাপেক্ষে সেই বিশ্ববিদ্যালয়ৰ অধ্যাপকৰূপে নিযুক্তি লাভ কৰে।

**১৯৫৩ চন ঃ** Aligarh Muslim University ত অৰ্থনীতি বিভাগৰ অধ্যাপক ৰূপে যোগদান কৰে।

**১৯৫৫ চন ঃ** নতুনকৈ গঠন হোৱা Indian Sociological Society ৰ সভাপতিৰ অভিভাষণ পাঠ কৰে।

**১৯৫৬ চন ঃ** ছুইজাৰলেণ্ডত ডিঙিৰ কৰ্কট ৰোগৰ বাবে জটিল অস্ত্ৰোপচাৰ আৰু ১৯৬১ চনৰ ৫ ডিচেম্বৰত মৃত্যু।

ধূৰ্জতি প্ৰসাদ মুখাৰ্জী ভাৰতীয় সমাজতত্ত্বৰ বাটকটীয়া সমাজতত্ত্ববিদ সকলৰ ভিতৰত এজন। ভাৰতীয় সমাজতত্ত্ববিদ আৰু শিক্ষাবিদ সকলৰ মাজত চমুকৈ তেওঁৰ জনপ্ৰিয় নামটো ডি, পি, (D. P)। তেওঁৰ জন্ম হৈছিল ১৮৯৪ চনৰ ৫ অক্টোবৰত পশ্চিমবংগৰ এটা মধ্যবিত্ত পৰিয়ালত। সত্যেন বসুৰ (Satyen Bose) মতে যেতিয়া ডি, পি, মুখাৰ্জীয়ে কলিকতা বিশ্ববিদ্যালয়ত প্ৰাৰম্ভিক পৰীক্ষাত উত্তীৰ্ণ হৈছিল তেতিয়া তেওঁ প্ৰথমে বিজ্ঞানত অধ্যয়ন কৰিব খুজিছিল যদিও পিছত এই সিদ্ধান্তৰ সলনি কৰি অৰ্থনীতি, বুৰঞ্জী আৰু ৰাজনীতি বিজ্ঞানতহে অধ্যয়নৰ সিদ্ধান্ত লৈছিল। মুখাৰ্জীয়ে শিক্ষা জীৱন আৰম্ভ কৰিছিল কলিকতাৰ বংগবাচী কলেজত (Bankagasi College)। ১৯২২ চনত তেওঁ লক্ষ্ণৌ বিশ্ববিদ্যালয়ত সমাজতত্ত্ব আৰু অৰ্থনীতি বিষয়ত অধ্যাপক হিচাপে কাম কৰিছিল। এই বিশ্ববিদ্যালয়ত প্ৰায় বত্ৰিশ বছৰ কাল অধ্যাপনা কৰিছিল। ৰাধাকমল মুখাৰ্জী (R. K. Mukerji) ৰ বাবেই ডি, পি, মুখাৰ্জীয়ে এই বিশ্ববিদ্যালয়ত অধ্যাপনা কৰিবলগা হৈছিল। মুখাৰ্জী আছিল Indian Sociological Conference ৰ প্ৰথমবাৰ সভাপতি আৰু International Sociological Association ৰ উপসভাপতি।

**মুখাৰ্জীৰ উল্লেখযোগ্য গ্ৰন্থসমূহ (Important Books of Mukerji) ঃ**

মুখাৰ্জীয়ে তেওঁৰ জীৱন কালছোৱাত কেতবোৰ মূল্যৱান গ্ৰন্থ ৰচনা কৰি থৈ গৈছে। তেওঁ ৰচনা কৰা গ্ৰন্থসমূহ হৈছে—

(i) Diversities (1958)
(ii) Basic concept in Sociology (1932)
(iii) Personality and the Social Science (1924)
(iv) Modern Indian culture (1942)
(v) Problems of Indian Youth (1942)
(vi) Views and Countervies (1946)
(vii) Tagore : A Study (1943)
(viii) On Indian History : A Study in Method (1943)
(ix) Introduction to Music (1945)

ধূৰ্জতি প্ৰসাদ মুখাৰ্জী কেৱল এজন সমাজতত্ত্ববিদেই নাছিল, তেওঁৰ অৱদান একে ধৰণে অৰ্থনীতি, সাহিত্য, সংগীত, কলা ইত্যাদিত দেখা গৈছিল। অৱশ্যে তেওঁৰ বিভিন্ন দিশৰ অৱদানবিলাকৰ ভিতৰত সমাজতত্ত্বীয় অৱদানেই আটাইতকৈ বেছি। ব্যক্তি হিচাপে তেওঁ আছিল গুণী-জ্ঞানী আৰু আনৰ প্ৰতি সহৃদয়তা থকা এজন ব্যক্তি। তেওঁৰ ব্যক্তিত্বই যুৱক-যুৱতীক আকৰ্ষণ কৰিব পাৰিছিল। তেওঁ আছিল মাৰ্ক্সৰ দৰ্শনক সমৰ্থন কৰা এজন ব্যক্তি। তেওঁ মাৰ্ক্সৰ দ্বান্দ্বিক বস্তুবাদৰ (Dialectical materialism) দৃষ্টিকোণৰ পৰা ভাৰতীয় সমাজৰ বিভিন্ন দিশ বিশ্লেষণ কৰিছে। মুখাৰ্জীয়ে তেঁওৰ Indian History : A Study in method (1943) নামৰ গ্ৰন্থত ভাৰতীয় সমাজৰ ইতিহাস সম্বন্ধে বুজিবলৈ মাৰ্ক্সীয় চিন্তাৰ প্ৰাসংগিকতা সম্পৰ্কে আলোচনা কৰিছে। মুখাৰ্জীৰ মতে যিকোনো সমাজৰ বিষয়ে অধ্যয়ন কৰিবৰ বাবে দৰ্শন আৰু ইতিহাসৰ প্ৰয়োজন আছে।

ভাৰতৰ বাটকটীয়া সমাজতত্ত্ববিদ সকলৰ ভিতৰত মুখাৰ্জী আছিল অন্যতম। তেওঁ ভাৰতীয় সমাজৰ পৰম্পৰাৰ লগত নিহিত থকা সামাজিক বাস্তৱতাক অধ্যয়ন কৰাত অত্যন্ত আগ্ৰহী আছিল। তদুপৰি তেওঁ এই পৰম্পৰাৰ কেতবোৰ দিশ আধুনিকতাৰ দ্বাৰা পৰিৱৰ্তন কৰি সামাজিক কল্যাণ সাধন কৰাৰ পক্ষপাতি আছিল। সেইবাবেই তেওঁ নিজকে মাৰ্ক্সৰ চিন্তাৰ সুঁতিত মিলাই দিছিল।

**পৰম্পৰা আৰু পৰিৱৰ্তন সন্দৰ্ভত ডি, পি, মুখাৰ্জী (D. P. Mukerji on Tradition and Change) ঃ**

ডি, পি, মুখাৰ্জীয়ে ভাৰতৰ সমাজৰ পৰম্পৰা আৰু পৰিৱৰ্তনৰ সম্বন্ধে এক সুন্দৰ সমাজতত্ত্বীয় ব্যাখ্যা আগবঢ়াইছে। তেওঁ এই ব্যাখ্যাত আধুনিকতাৰ জৰিয়তে ভাৰতীয় সমাজ আৰু সংস্কৃতিত হোৱা পৰিৱৰ্তনৰ কথা উল্লেখ কৰিছে। মুখাৰ্জীৰ মতে পৰম্পৰা আৰু আধুনিকতাৰ এক সম্বন্ধ আছে আৰু ইয়াৰ দ্বাৰা সমাজৰ পৰিৱৰ্তন হয়।

মুখাৰ্জীৰ মতে পৰম্পৰা হৈছে সমাজত পুৰুষানুক্ৰমে বাগৰি অহা কেতবোৰ ৰীতি-নীতি। অন্যহাতে আধুনিকতা হৈছে পৰম্পৰা সমূহক নতুন ৰূপ দি শক্তিশালী কৰি তোলা এক প্ৰক্ৰিয়া। মুখাৰ্জীৰ মতে পৰম্পৰা ৰক্ষণশীল নহয়। ই নিঃসন্দেহে গতিশীল। সেইবাবে তেওঁ ভাৰতীয় সমাজৰ পৰম্পৰা পৰিৱৰ্তনৰ তিনিটা নীতি দেখিবলৈ পাইছে। তেওঁ দেখা এই নীতি কেইটা হৈছে শ্ৰুতি (Shruti), স্মৃতি (Smriti) আৰু

অনুভৱ (Anubhava) বা ব্যক্তিগত অভিজ্ঞতা। তেওঁৰ মতে অনুভৱ বা ব্যক্তিগত অভিজ্ঞতা এক বৈপ্লৱিক নীতি। পৰম্পৰাৰ পৰিৱৰ্তনৰ ক্ষেত্ৰত অনুভৱ এক শক্তিশালী কাৰক।

ডি, পি, মুখাৰ্জীৰ মতে ভাৰতীয় সমাজৰ পৰম্পৰা হৈছে কেতবোৰ ঐতিহাসিক প্ৰক্ৰিয়াৰ ফলশ্ৰুতি। এই পৰম্পৰা সমূহেই ভাৰতীয় সাংস্কৃতিক সংৰচনা গঢ়ি তুলিছে। বৌদ্ধ ধৰ্ম, ইছলাম ধৰ্ম, খ্ৰীষ্টান ধৰ্ম, জনজাতীয় জীৱন-প্ৰণালী পাশ্চাত্যৰ আধুনিকতা ইত্যাদি কেতবোৰ আদৰ্শবোধৰ লগত ভাৰতীয় সমাজৰ পৰম্পৰা অন্তৰ্ভুক্ত হৈ আছে। মুখাৰ্জীৰ মতে এই পৰম্পৰা সমূহেই ভাৰতীয় সমাজৰ সংহতিৰ সংৰক্ষণ কৰিছে। হিন্দু পৰম্পৰা সমূহে অন্যান্য জনগোষ্ঠীয় মানুহবোৰৰ পৰম্পৰাক একগোট কৰিছে।

মুখাৰ্জীয়ে ভাৰতীয় পৰম্পৰাক প্ৰাথমিক (Primary), দ্বিতীয়ক (Secondary), আৰু তৃতীয়ক (Tertiary) এই তিনিটা শ্ৰেণীত ভাগ কৰিছে। প্ৰাথমিক পৰম্পৰা সমূহ হৈছে অতীতৰে পৰা প্ৰচলিত হৈ অহা প্ৰকৃত বা বা নিভাজ পৰম্পৰা। ভাৰতবৰ্ষত মুছলমান সকলৰ আগমনৰ সময়ছোৱাত দ্বিতীয় শ্ৰেণীৰ পৰম্পৰাক তেওঁলোকে দ্বিতীয় স্থানত নিৰূপণ কৰিছে। হ'লেও এতিয়ালৈকে হিন্দু আৰু মুছলমান সকলৰ পৰম্পৰাৰ মাজত এক পাৰ্থক্য থাকি গ'ল বুলি মুখাৰ্জীয়ে উল্লেখ কৰিছে।

ভাৰতৰ বিভিন্ন সমাজতত্ত্ববিদসকলে পৰম্পৰা সম্বন্ধে আলোচনা কৰিছে সঁচা কিন্তু তেওঁলোকে এই পৰম্পৰাসমূহৰ উৎস কি বা কেনে ধৰণৰ এই সম্পৰ্কে স্পষ্ট কৰি দিয়া নাই। ভাৰতৰ অন্যান্য সমাজতত্ত্ববিদ সকলৰ দৰে মুখাৰ্জীৰ ক্ষেত্ৰতো কথা একেটাই। মুখাৰ্জীয়ে পৰম্পৰা সম্বন্ধে আলোচনা কৰিছে যদিও এই পৰম্পৰাৰ উৎসসমূহ নিৰ্দিষ্ট কৰি দিয়া নাই। কিন্তু পৰম্পৰা অধ্যয়নৰ ক্ষেত্ৰত এই উৎস সমূহৰ উল্লেখৰ খুবেই প্ৰয়োজন আছে। যিহেতু ভাৰতীয় সমাজৰ যিকোনো পৰম্পৰা আৰু আধুনিকতাৰ অধ্যয়নত পৰম্পৰাই বিশেষ গুৰুত্ব লাভ কৰিছে। ভাৰতীয় সমাজৰ পৰম্পৰাৰ মূল উৎস হিন্দধৰ্ম, বৌদ্ধধৰ্ম, ইছলামধৰ্ম, আৰু পাশ্চাত্য সংস্কৃতি। উল্লিখিত এইকেইটা উৎসৰ ভিতৰত কোনটো উৎসই বৃহত্তৰ ভাৰতীয় পৰম্পৰা গঠনত শক্তিশালী ভূমিকা গ্ৰহণ কৰিছে, সেই সম্বন্ধে মুখাৰ্জীয়ে স্পষ্টকৈ উল্লেখ কৰা নাই। মুখাৰ্জীৰ ভাৰতীয় পৰম্পৰা সম্বন্ধীয় অধ্যয়নৰ এই দুৰ্বলতাক টি, এন, মদনে (T. N. Modan) আঙুলিয়াই দিছে। মদনৰ মতে মুখাৰ্জীৰ ভাৰতীয় সমাজৰ পৰম্পৰাৰ ধাৰণা পশ্চিমীয়া উদাৰ নীতি আৰু মাৰ্ক্সবাদৰ সমন্বয়ৰ ওপৰত প্ৰতিষ্ঠিত হ'ব লাগিছিল। সেইবাবেই মদনে কৈছে যে কিয় মুখাৰ্জীয়ে ইছলামধৰ্ম নাইবা বৌদ্ধধৰ্মৰ সমন্বয়ৰ ওপৰত গুৰুত্ব দিছে। মুঠতে অন্যান্য গুৰুত্বপূৰ্ণ পৰম্পৰাসমূহৰ সমন্বয়ত মুখাৰ্জী ব্যৰ্থ হোৱা কথা মদনে উল্লেখ কৰিছে।

**পৰম্পৰা আৰু আধুনিকতাৰ দ্বন্দ্ব (Dialecties of Tradition and Modernity) ঃ**

ভাৰতৰ অতীত সমাজৰ কেতবোৰ ঘটনা, মূল্যবোধ, আচাৰ-আচৰণ, অভ্যাস আদিয়ে ভাৰতীয় সমাজৰ পৰম্পৰা শক্তিশালী কৰি তুলিছে। ভাৰতীয় সমাজৰ এনেবিলাক পৰম্পৰাৰ কেতবোৰ দিশ আছিল ইতিবাচক আৰু আনবোৰ নেতিবাচক। মুখাৰ্জীয়ে তেওঁৰ Tradition and Modernity নামৰ গ্ৰন্থত পৰম্পৰা আৰু আধুনিকতা দ্বন্দ্বমূলক বা বিপৰীতমুখী বুলি উল্লেখ কৰিছে। তেওঁৰ মতে পৰম্পৰা আৰু আধুনিকতা দুটা বেলেগ অৱধাৰণা আৰু এই দুটাৰ মাজত বিৰোধ বা দ্বন্দ্ব অৱশ্যম্ভাৱী। মুখাৰ্জীৰ মতে কেৱল পৰম্পৰা আৰু আধুনিকতাৰ মাজতেই যে বিৰোধ বা দ্বন্দ্ব আৱশ্যম্ভাৱী এনে নহয়, এনে বিৰোধ সাম্ৰাজ্যবাদ

(Colonialism) আৰু জাতীয়তাবাদ (Nationalism), ব্যক্তিবাদ (Individualism) আৰু সামূহিকতা-আদিতো দেখিবলৈ পোৱা যায়। ব্ৰিটিছসকলৰ শাসন কালত প্ৰতিষ্ঠা হোৱা পৰম্পৰা আৰু আধুনিকতাৰ মাজৰ দ্বন্দ্ব একেবাৰে স্পষ্ট। পৰম্পৰা আৰু আধুনিকতাৰ বিৰোধে কেতবোৰ সাংস্কৃতিক সংঘাতৰো সৃষ্টি কৰে। মুখাৰ্জীয়ে ভাৰতীয় সমাজৰ বিভিন্ন প্ৰক্ৰিয়া সম্পৰ্কে আলোচনা কৰোঁতে এই কথা স্পষ্ট হৈছে যে ভাৰতীয় পৰম্পৰাৰ লগত পাশ্চাত্যৰ মূল্যবোধৰ সংঘাতে এটা নতুন মধ্যবিত্ত শ্ৰেণীৰ সৃষ্টি কৰিছে।

মুখাৰ্জীৰ মতে পৰম্পৰা আৰু আধুনিকতাৰ মাজত যি বিৰোধ সৃষ্টি হয় সেই বিৰোধৰ এটা পৰিণাম বা ফলাফল আছে। তেওঁৰ মতে এনে বিৰোধৰ পৰিণতি ঘটে—(ক) সংঘৰ্ষ আৰু (খ) সমন্বয়ৰ যোগেদি। অৰ্থাৎ পৰম্পৰা আৰু আধুনিকতাৰ মাজৰ বিৰোধে সংঘৰ্ষৰ সূত্ৰপাত ঘটায় আৰু তাৰ পাছত সমন্বয়ৰ সূচনা হয়। এই সমন্বয়েই হৈছে এক পৰিৱৰ্তন।

**ক্ৰিয়া-কলাপ-২ (Activity-2)**

জীৱন্ত পৰম্পৰা (Living tradition) মানে কি? আলোচনা আগবঢ়োৱা। ডি পি মুখাৰ্জীৰ মতে জীৱন্ত পৰম্পৰা মানে হৈছে এনে এক পৰম্পৰা যি পৰম্পৰাই অতীতৰ লগত যোগসূত্ৰ ৰক্ষা কৰি অতীতৰ পৰা কিছু গ্ৰহণ কৰে আৰু একে সময়তে নতুনত্বকো আদৰি লৈ নতুনৰ পৰাও কিছু গ্ৰহণ কৰে। সেয়েহে ক'ব পাৰি জীৱন্ত পৰম্পৰা হৈছে নতুন আৰু পুৰণিৰ সংমিশ্ৰণত গঢ়ি উঠা পৰম্পৰা। এইক্ষেত্ৰত তোমালোকে বাস্তৱসন্মত কিছু জ্ঞান ভালকৈ ল'ব পাৰা। তোমালোকৰ চুবুৰীয়া পৰিৱেশৰ বা পৰিয়ালৰ কোনবোৰ লোকে কোনবোৰ দিশত পৰিৱৰ্তন আনিছে নাইবা কোনবোৰ কাম বা কোনবোৰ দিশত খামোচ মাৰি ধৰি আছে সেই বিষয়ে জানিবলৈ চেষ্টা কৰা। তলত এনে ধৰণৰ কেইটামান বিষয় উল্লেখ কৰা হৈছে।

- তোমালোকৰ সমবয়সৰ ল'ৰা-ছোৱালীবোৰে খেলা খেলবোৰ।
- দৈনন্দিন উদ্‌যাপন কৰি অহা পূজা-পাৰ্বনৰ নিয়মসমূহ।
- পুৰুষ আৰু মহিলাসকলে পৰিধান কৰা বিশেষ ধৰণৰ সাজ-পোচাকবোৰ।
- তোমালোকৰ পচন্দৰ অন্যান্য বিষয়বোৰ।

ওপৰোক্ত প্ৰতিটো ক্ষেত্ৰতে তোমালোকে বিচাৰিবলৈ যত্ন কৰা যে কোন কোন বিষয়ত পৰিৱৰ্তন এতিয়াও হোৱা নাই আৰু কোন কোন বিষয়ত কিদৰে পৰিৱৰ্তন হৈছে—

(১) দহ বছৰৰ আগতে

(২) বিশ বছৰৰ আগতে

(৩) ছল্লিশ বছৰৰ আগতে

(৪) ষাঠি বছৰৰ আৰু তাতোকৈ আগতে বেলেগ আছিল নে একেই আছিল?

এই বিষয়বোৰ সম্পৰ্কে তোমালোকৰ শ্ৰেণীত আলোচনা কৰা।

**অক্ষয় ৰমনলাল দেশাই ১৯১৫-১৯৯৪ (Akshay Ramanlal Desai 1915-1994) ঃ**



এ. আৰ. দেশাইৰ জন্ম হৈছিল ১৯১৫ চনত। জীৱনৰ প্ৰাৰম্ভিক কালছোৱাত বৰোদাত আৰু ইয়াৰ পিছৰ সময়ছোৱাত চুৰাট আৰু বোম্বেত শিক্ষা গ্ৰহণ কৰে।

**১৯৩৪-৩৯ চন ঃ** এই সময়ছোৱাত ভাৰতীয় কমিউনিষ্ট দলৰ সদস্য পদ গ্ৰহণ আৰুট্ৰতস্কাইট (Trotskyite) দলৰ সৈতে জড়িত হৈ পৰে।

**১৯৪৬ চন ঃ** জি.এচ ঘূৰীৰ তত্ত্বাৱধানত বোম্বেত পি.এইচ. ডি. ডিগ্ৰীৰ বাবে গৱেষণা পত্ৰ দাখিল কৰে।

**১৯৪৮ চন ঃ** দেশাইৰ Social Background of Indian Nationalism নামৰ পি.এইচ.ডি.ৰ গৱেষণা পত্ৰ গ্ৰন্থৰূপত প্ৰকাশ পায়।

**১৯৫১ চন ঃ** বোম্বে বিশ্ববিদ্যালয়ত সমাজতত্ত্ব বিভাগৰ অধ্যাপক হিচাপে যোগদান কৰে।

**১৯৫৩-৮১ চন ঃ** Revolutionary Socialist Party ৰ সদস্য পদ গ্ৰহণ।

**১৯৬১ চন ঃ** দেশাইৰ Rural Transition in India নামৰ গ্ৰন্থ প্ৰকাশ পায়।

**১৯৬৭ চন ঃ** বোম্বে বিশ্ববিদ্যালয়ত সমাজতত্ত্ব বিভাগৰ অধ্যাপক আৰু বিভাগীয় মুৰব্বী হিচাপে নিযুক্তি।

**১৯৭৫ চন ঃ** এই বছৰত তেওঁ আন এখন গ্ৰন্থ State and Society in India : Essays and Dissent প্ৰকাশ পায়।

**১৯৭৬ চন ঃ** সমাজতত্ত্ব বিভাগৰ পৰা অৱসৰ গ্ৰহণ।

**১৯৭৯ চন ঃ** দেশাইৰ আন এখন গ্ৰন্থ Peasant Struggles in India প্ৰকাশ পায়।

**১৯৮৬ চন ঃ** তেওঁৰ Agrarian Struggles in India after Independence প্ৰকাশ পায়।

১৯৯৪ চনৰ ১২ নৱেম্বৰত দেশাইৰ মৃত্যু হয়।

১৯১৫ চনৰ ১৬ এপ্ৰিলত অক্ষয় ৰমনলাল দেশাই (Akshay Ramanlal Desai) ৰ জন্ম হৈছিল গুজৰাটৰ নদিয়াদ (Nadiad) নামৰ ঠাইত আৰু মৃত্যু হৈছিল ১৯৯৪ চনৰ ১২ নৱেম্বৰত গুজৰাটৰ বৰোদাত। তেওঁৰ জীৱনৰ প্ৰথম কালছোৱাত যশস্বী সাহিত্যিক ৰমনলাল বসন্তকাল দেশাই (R. V. Desai) ৰ দ্বাৰা প্ৰভাৱিত হৈছিল। দেশায়ে বৰোদা, চুৰাট আৰু বোম্বাইত ছাত্ৰ আন্দোলনতো ভাগ লৈছিল। তেওঁ বম্বে বিশ্ববিদ্যালয়ৰ পৰা স্নাতক ডিগ্ৰী লোৱাৰ উপৰিও সেই একেই বিশ্ববিদ্যালয়ৰ পৰাই আইন বিষয়ত স্নাতক ডিগ্ৰী লোৱাৰ লগতে অধ্যাপক, জি. এচ. ঘূৰীৰ তত্ত্বাৱধানত গৱেষণা কৰি ‘Social Background of Indian Nationalism’ নামৰ গৱেষণা গ্ৰন্থত সন্মানীয় পি. এইচ. ডি ডিগ্ৰী লাভ কৰে। ইয়াৰ পিছত তেওঁ বম্বে বিশ্ববিদ্যালয়ৰ সমাজতত্ত্ব বিভাগৰ শিক্ষক হিচাপে নিয়োজিত হয়। দেশাই যে এজন মাৰ্ক্সবাদী (Marxist)

আছিল তাৰ উমান নথকা নহয়। কিয়নো তেওঁ সৰ্বহাৰা শ্ৰেণীটোৰ প্ৰতি সদায় সচেতন আছিল আৰু সেইবাবে শ্ৰমিক সংঘৰ উপদেষ্টাও আছিল। শ্ৰমিক সংঘৰ কৰ্মীসকলে সকলো সময়তে তেওঁৰ বাসগৃহ ভিৰ কৰিছিল। দেশাইৰ মতে ৰাষ্ট্ৰ পুঁজিপতিসকলৰ অংগ আছিল। সেইবাবে দেশায়ে উল্লেখ কৰিছে যে ৰাষ্ট্ৰ ব্যৱস্থাই জনসাধাৰণক উপৰ্যুপৰি শোষণ কৰি থাকে আৰু ইয়াৰ লগে লগে জনসাধাৰণে বিভিন্ন দিশত প্ৰগতি লাভ কৰিব নোৱাৰে।

দেশায়ে ভাৰতীয় সমাজৰ বাস্তৱতা প্ৰতিপন্ন কৰিবৰ বাবে মাৰ্ক্সীয় দৃষ্টিভংগী প্ৰয়োগ কৰিছে। এই কথা দেশাইৰ 'Social Background of Indian Nationalism' নামৰ গ্ৰন্থত প্ৰকাশ পাইছে। এই ব্যাখ্যাত তেওঁ ভাৰতীয় সমাজৰ পৰিৱৰ্তনৰ বিষয়ে আলোচনা কৰিবলৈ ঐতিহাসিক বস্তুবাদী (Historical materialism) ধাৰণাৰ প্ৰয়োগ কৰিছে। ভাৰতীয় সমাজৰ পৰিৱৰ্তনৰ আঁৰত বস্তুবাদী দিশটো যে লুকাই আছে সেই কথা এই গ্ৰন্থৰ আলোচনাত দেশায়ে আলোকপাত কৰিছে। কেৱল এই গ্ৰন্থতে নহয় তেওঁৰ প্ৰায়বোৰ লেখনিতে মাৰ্ক্সৰ দৰ্শনৰ প্ৰভাৱ দেখা গৈছে।

সমাজতত্ত্বীয় অধ্যয়নত দ্বান্দ্বিক আৰু ঐতিহাসিক পদ্ধতি (Dialectical and Historical method) প্ৰয়োগ কৰি অধ্যয়ন কৰা ভাৰতীয় সমাজতত্ত্ববিদ সকলৰ ভিতৰত দেশাই একমাত্ৰ বুলিয়েই ক'ব পাৰি। দেশায়ে মাৰ্ক্স, এঞ্জেলচ্ আৰু লিউন ট্ৰট্‌চকিৰ (Leon Trosky) গ্ৰন্থসমূহ অধ্যয়ন কৰিছিল। এ, আৰ, দেশাই আধুনিক মাৰ্ক্সবাদী দৃষ্টিভংগী প্ৰতিষ্ঠা কৰা এজন বাটকটীয়া বুলি ক'ব পৰা যায়। সেইবাবে তেওঁ ভাৰতীয় সমাজৰ বিভিন্ন অধ্যয়নত মাৰ্ক্সৰ দৃষ্টিভংগীৰ প্ৰভাৱ পৰিছে।

এ, আৰ, দেশাই হাড়ে-হিমজুৱে এজন মাৰ্ক্সবাদী আৰু সেইবাবে মাৰ্ক্সীয় চিন্তাক প্ৰাধান্য দিবলৈ গৈ দেশায়ে ধৰ্ম বা ধৰ্ম বিষয়ক যিকোনো পৌৰাণিক ব্যাখ্যাক প্ৰত্যাখ্যান কৰিছে। জাতীয়তাবাদ, গ্ৰামোন্নয়নৰ বাবে সমুদায় উন্নয়ন আঁচনি, সমাজ আৰু ৰাষ্ট্ৰ, কৃষক আন্দোলন ইত্যাদি ঘূৰীৰ বিভিন্ন অধ্যয়ন সমূহ মাৰ্ক্সৰ দ্বান্দ্বিক আৰু ঐতিহাসিক পদ্ধতিৰ ওপৰতে প্ৰতিষ্ঠিত।

**এ, আৰ, দেশাইৰ ৰাষ্ট্ৰ সম্পৰ্কীয় ধাৰণা (A. R. Desai on the State) ঃ**

এ, আৰ, দেশায়ে তেওঁৰ 'The myth of the Welfare State' শীৰ্ষক এক আলোচনাত আধুনিক পুঁজিবাদী ৰাষ্ট্ৰ সম্বন্ধে ব্যাখ্যা কৰিছে। দেশাইৰ মতে পুঁজিবাদৰ জৰিয়তে ৰাষ্ট্ৰই দমনমূলক নীতি প্ৰয়োগ কৰে। তেওঁৰ মতে ৰাষ্ট্ৰ এক পুঁজিবাদী ব্যৱস্থা আৰু সেইবাবে সৰ্বসাধাৰণ লোকক ই দমন কৰি থাকে। সেয়েহে দেশায়ে ৰাষ্ট্ৰ বোলোতে কোনো কল্যাণকামী ৰাষ্ট্ৰৰ কথা কোৱা নাই। তেওঁৰ মতে ৰাষ্ট্ৰ হৈছে ৰাইজক শোষণ কৰা অনুষ্ঠান। ইয়াৰ দ্বাৰা সৰ্বসাধাৰণ লোকৰ কল্যাণ কেতিয়াও আশা কৰিব নোৱাৰি। গতিকে দেখা যায় যে দেশাইৰ ৰাষ্ট্ৰ সম্পৰ্কীয় ধাৰণা আন সমাজ দাৰ্শনিক সকলৰ পৰা যথেষ্ট পৃথক। কিয়নো বহুতো সমাজ দাৰ্শনিকে ৰাষ্ট্ৰক কল্যাণকামী অনুষ্ঠান বুলি বিবেচনা কৰিছে যদিও সেই একে মতত তেওঁ একমত হ'ব পৰা নাই। সেইবাবে প্ৰকৃততে কল্যাণকামী ৰাষ্ট্ৰ কি এই সম্বন্ধে দেশায়ে কেতবোৰ বিশেষত্ব দাঙি ধৰিছে—

(ক) দেশাইৰ মতে কল্যাণকামী ৰাষ্ট্ৰ হৈছে এক ইতিবাচক ধাৰণাৰে গঢ়ি উঠা এক ব্যৱস্থা য'ত জনসাধাৰণৰ সৰ্বাঙ্গীণ কল্যাণ সম্ভৱ হৈ উঠে। এনে ৰাষ্ট্ৰৰ এক মধ্যস্থতাৰ আদৰ্শৰে (Interventionist State)

গঠিত ৰাষ্ট্ৰ। এনে ৰাষ্ট্ৰই সমাজৰ উন্নতিৰ বাবে নাইবা বিভিন্ন সামাজিক নীতি সমূহৰ ৰূপায়ণৰ বাবে বিবেচিত শক্তি সক্ৰিয়ভাৱে প্ৰয়োগ কৰে।

(খ) কল্যাণকামী ৰাষ্ট্ৰ হৈছে এক গণতান্ত্ৰিক ৰাষ্ট্ৰ। এনে ৰাষ্ট্ৰত বহুদলীয় নিৰ্বাচন ব্যৱস্থাৰ প্ৰচলন হয়। ৰাষ্ট্ৰৰ বিভিন্ন দলসমূহে এনে নিৰ্বাচন সমূহত প্ৰতিদ্বন্দ্বিতা কৰিব পাৰে।

(গ) দেশায়ে উল্লেখ কৰা কল্যাণকামী ৰাষ্ট্ৰৰ আন এটা বিশেষত্ব হৈছে এনে ৰাষ্ট্ৰ এক মিশ্ৰ অৰ্থনীতি (Mixed economy) ৰ জড়িত। মিশ্ৰ অৰ্থনীতি মানে চৰকাৰী আৰু বেচৰকাৰী পুঁজিপতি উদ্যোগ প্ৰতিষ্ঠানৰ সমাহাৰত গঠিত এক অৰ্থনৈতিক ব্যৱস্থা।

এ, আৰ, দেশায়ে এই বিশেষত্ব সমূহ উল্লেখ কৰাৰ উপৰিও কল্যাণকামী ৰাষ্ট্ৰৰ কাৰ্যকলাপৰ মান নিৰ্ণয়ৰ বাবে গুণ নিৰ্ণয়কাৰী কেইটামান প্ৰশ্নসহ পৰামৰ্শ আগবঢ়াইছে। সেইবোৰ এনেধৰণৰ—

(১) কল্যাণকামী ৰাষ্ট্ৰই দৰিদ্ৰতা মুক্ত, সামাজিক বিভাজন মুক্ত আৰু সকলো ধৰণৰ নাগৰিকক সুৰক্ষা নিশ্চিত কৰিব পাৰেনে?

(২) কল্যাণকামী ৰাষ্ট্ৰই ধনী আৰু দুখীয়াৰ মাজত উপাৰ্জনৰ পুনৰ বিতৰণ তথা ক্ষমতাৰ ওপৰত গুৰুত্ব প্ৰদান কৰি উপাৰ্জনৰ অসমতা দূৰ কৰিব পাৰেনে?

(৩) কল্যাণকামী ৰাষ্ট্ৰসমূহে পুঁজিপতি সকলৰ লাভালাভৰ ধাৰণাক জনসাধাৰণৰ প্ৰকৃত প্ৰয়োজনৰ ক্ষেত্ৰত সাহাৰ্য প্ৰদান কৰি অৰ্থনৈতিক অৱস্থাৰ ৰূপান্তৰ কৰিব পাৰেনে?

(৪) কল্যাণকামী ৰাষ্ট্ৰই অৰ্থনৈতিক মূল্যবৃদ্ধি আৰু হতাশাগ্ৰস্তসকলৰ চক্ৰৰ পৰা স্বতন্ত্ৰতা প্ৰদান কৰি স্থায়ী বিকাশ সাধন কৰাটো সম্ভৱনে?

(৫) কল্যাণকামী ৰাষ্ট্ৰই দেশৰ সকলো নাগৰিককে নিযুক্তি প্ৰদান কৰিব পাৰেনে?

ওপৰোক্ত নিৰ্ণায়ক কাৰক সমূহৰ জৰিয়তে দেশায়ে ইংলেণ্ড, আমেৰিকা আৰু ইউৰোপৰ আন কেতবোৰ কল্যাণকামী ৰাষ্ট্ৰৰ কল্যাণকামী আদৰ্শ পৰীক্ষাৰ বাবে চেষ্টা চলাইছে। এই দেশসমূহৰ কল্যাণকামী আদৰ্শৰ পৰীক্ষাৰ দ্বাৰা তেওঁ সিদ্ধান্তত উপনীত হৈছে যে এই দেশ সমূহৰ কল্যাণকামী আদৰ্শ সমূহ প্ৰকৃততে অতিৰঞ্জিত কৰা হৈছে। সঁচা অৰ্থত এই দেশ সমূহত কল্যাণকামী আদৰ্শৰ প্ৰয়োগ সফল হোৱা নাই। এই দেশ সমূহত নাগৰিক সকলক অৰ্থনৈতিক আৰু সামাজিক সুৰক্ষা প্ৰদানত সফল হোৱা নাই। অসমতা দূৰ কৰাৰ বিপৰীতে অসমতাৰ মাত্ৰা বৃদ্ধিহে হৈছে। নিযুক্তিহীনতা এই ৰাষ্ট্ৰসমূহৰ ডাঙৰ বিফলতা। সেয়েহে দেশায়ে উল্লেখ কৰিছে যে কল্যাণকামী ৰাষ্ট্ৰৰ ধাৰণা কেৱল এক কাল্পনিক ধাৰণাহে; প্ৰকৃততে ই সত্য নহয়।

**ক্ৰিয়াকলাপ-৩ (Activity-3)**

এ, আৰ, দেশায়ে তেওঁৰ আলোচনাত সমাজতত্ত্ববাদী আৰু মাৰ্ক্সীয় দৃষ্টিভংগীৰে কল্যাণকামী ৰাষ্ট্ৰক সমালোচনা কৰিছে। আজিকালি এটা প্ৰৱল বিৰোধী মত হৈছে যে ৰাষ্ট্ৰবোৰে ইয়াৰ ভূমিকা কমকৈ পালন কৰা উচিত আৰু প্ৰায়বোৰ কামকে মুক্ত বজাৰলৈ এৰি দিয়া উচিত। এনেধৰণৰ দৃষ্টিভংগীবোৰ তোমালোকে শ্ৰেণীকোঠাত আলোচনা কৰা। এইটো সুনিশ্চিত কৰিবা যাতে উভয়পক্ষতে গ্ৰহণযোগ্য শুনানি দিয়া হয়।


ৰাষ্ট্ৰ তথা চৰকাৰে তোমালোকৰ ওচৰ-চুবুৰীয়াৰ বাবে যিবোৰ কাম কৰিছে তাৰ এখন তালিকা প্ৰস্তুত কৰা। এনেধৰণৰ কামৰ আৰম্ভণি তোমালোকৰ বিদ্যালয়সমূহৰ পৰাই আৰম্ভ কৰিবলৈ যত্ন কৰিবা। জনসাধাৰণক সুধিবা যে এই তালিকাখন বৰ্তমান কালত চুটি নে দীঘল তথা ৰাষ্ট্ৰই পূৰ্বৰ সময়ছোৱাতকৈ বৰ্তমানে বেছিকৈ কাম কৰিছে নে কমকৈ কৰিছে? তোমালোকে কি ধৰণে ভাবা যদি ৰাষ্ট্ৰই এই কামবোৰ কৰিবলৈ বন্ধ কৰি দিয়ে? তোমালোকে নাইবা তোমালোকৰ ওচৰ-চুবুৰীয়াই বা তোমালোকৰ বিদ্যালয়ে ইয়াৰ পৰা সুফল লাভ কৰিব নে কুফল লাভ কৰিব? নতুবা এনে কৰ্মৰ প্ৰভাৱ কেতিয়াও নপৰিব। ধনী, মধ্যবিত্ত আৰু দুখীয়াৰ মতামত এই বিষয়ত একেনে?

ৰাষ্ট্ৰই তোমালোকৰ ওচৰ-চুবুৰীয়াৰ বাবে কেনে ধৰণৰ সেৱা তথা সুবিধা প্ৰদান কৰিছে তাৰ এখন তালিকা প্ৰস্তুত কৰা আৰু চোৱা এই সেৱা তথা সুবিধাসমূহ যদি বন্ধ কৰি দিয়া হয় তেনেহ'লে শ্ৰেণীসমূহৰ মাজত কেনে মতামত পৰিলক্ষিত হয়। এনে সুবিধাসমূহ যেনে— ৰাস্তা-ঘাট, বিদ্যুৎ যোগান, পানী যোগান, বিদ্যালয়, ষ্ট্ৰীট লাইট, চিকিৎসালয়, বাছ সেৱা, বিমান সেৱা ইত্যাদি। এনেধৰণৰ আন আন বিষয় সম্পৰ্কে চিন্তা কৰা যিবোৰ তোমালোকৰ বাবে প্ৰয়োজন হয়।

মহীশূৰ নৰসিংহশ্বৰ শ্ৰীনিবাস (Mysore Narasimhachar Srinivas) ৰ জন্ম হৈছিল ১৯১৬ চনৰ ১৬ নৱেম্বৰত মহীশূৰৰ এটা ব্ৰাহ্মণ পৰিয়ালত আৰু মৃত্যু হৈছিল ১৯৯৯ চনৰ ৩০ নৱেম্বৰত। তেওঁ বম্বে বিশ্ববিদ্যালয়ত এম. এ. (M. A.), এল. এল. বি (L.L.B), পি. এইচ. ডি. (Ph.D) আৰু ডি. ফিল (D. Phil) ডিগ্ৰী সম্পূৰ্ণ কৰে। শ্ৰীনিবাসে বৰোদাৰ Maharaja Sayaji Rao University আৰু Delhi University ত অধ্যাপনা কৰিছিল। তেওঁ G. S. Ghurye ৰ এজন উল্লেখযোগ্য ছাত্ৰ আছিল। শ্ৰীনিবাসে ৰচনা কৰা মূল্যৱান গ্ৰন্থসমূহ হৈছে—

(i) Marriage and Family in Mysore (1942)
(ii) Religion and Society Among the Coorgs of South India (1952)
(iii) Indian Villages (1955)
(iv) Caste in Modern India and other Essays (1962)
(v) The Remembered Village (1976)
(vi) Social Change in Modern India (1966)
(vii) India : Social Structure (1980)
(viii) The Dominant caste and other Essays (1987)
(ix) The cohesive Rola of Sanskritization (1989)
(x) On Living in a Revolution and other Essays (1992)
(xi) Village Caste, Gender and Method (1996)
(xii) Indian Society Through Personal Writing (1996)

**এম, এন, শ্ৰীনিবাস ১৯১৬-১৯৯৯ (M. N. Srinivas 1916-1999) ঃ**



১৯১৬ চনৰ ১৬ নৱেম্বৰত এম, এন, শ্ৰীনিবাসৰ জন্ম হৈছিল মহীশূৰৰ এটি আয়েংগাৰ ব্ৰাহ্মণ পৰিয়ালত। শ্ৰীনিবাসৰ দেউতাক আছিল এগৰাকী মাটিৰ মালিক। তেওঁৰ দেউতাকে মহীশূৰৰ শক্তি আৰু পোহৰ বিভাগতো কাম কৰিছিল। জীৱনৰ প্ৰাৰম্ভিক কালছোৱাত শ্ৰীনিবাসে মহীশূৰ বিশ্ববিদ্যালয় (Mysore University) ত শিক্ষা লাভ কৰিছিল। ইয়াৰ পিছত তেওঁ বোম্বে বিশ্ববিদ্যালয় (Bombay University) ত জি. এচ. ঘূৰীৰ তত্ত্বাৱধানত এম.এ. ডিগ্ৰী ল'বলৈ যায়।

**১৯৪২ চন ঃ** Marriage and Family Among the Coorgs নামৰ এম.এ. ডিগ্ৰীৰ গৱেষণা পত্ৰ গ্ৰন্থ ৰূপত প্ৰকাশ পায়।

**১৯৪৪ চন ঃ** জি.এচ. ঘূৰীৰ তত্ত্বাৱধানত ডক্টৰেট ডিগ্ৰীৰ বাবে প্ৰস্তুত কৰা গৱেষণা পত্ৰ (দুটা খণ্ডত) বম্বে বিশ্ববিদ্যালয়ত জমা দিয়ে।

**১৯৪৫ চন ঃ** অক্সফ'ৰ্ড বিশ্ববিদ্যালয় (Oxford University)লৈ যাত্ৰা। প্ৰথমতে ৰেডক্লিফ ব্ৰাউন (Radcliffe Brown) আৰু পিছত ইভান্চ প্ৰিটচাৰ্ড (Evans Pritchard) ৰ ওচৰত শিক্ষা গ্ৰহণ।

**১৯৪৭ চন ঃ** অক্সফ'ৰ্ড বিশ্ববিদ্যালয় (Oxford University)এ সামাজিক নৃতত্ত্ব বিভাগৰ পৰা ডি. ফিল (D. Phil) ডিগ্ৰী প্ৰদান কৰে আৰু ইয়াৰ পিছত ভাৰতলৈ প্ৰত্যাৱৰ্তন কৰে।

**১৯৪৮ চন ঃ** অক্সফ'ৰ্ড বিশ্ববিদ্যালয় (Oxford University)ত ভাৰতীয় সমাজতত্ত্বৰ প্ৰৱক্তাৰূপে নিয়োগ আৰু ৰামপুৰত ক্ষেত্ৰ অধ্যয়নৰ কাম আৰম্ভ কৰে।

**১৯৫১ চন ঃ** অক্সফ'ৰ্ড বিশ্ববিদ্যালয় (Oxford University)ৰ পৰা পদত্যাগ আৰু বৰোদাৰ মহাৰাজা চায়াজী ৰাও বিশ্ববিদ্যালয় (Maharaja Sayaji Rao University) ত অধ্যাপক হিচাপে যোগদান কৰি সমাজতত্ত্ব বিভাগ স্থাপন কৰে।

**১৯৫৯ চন ঃ** দিল্লীৰ স্কুল অৱ ইকনমিক্স (School of Economics)ত অধ্যাপক হিচাপে যোগদান কৰি সমাজতত্ত্ব বিভাগ প্ৰতিষ্ঠা কৰে।

**১৯৭১ চন ঃ** বাঙ্গালোৰত Institute of Social Change and Development স্থাপন কৰিবৰ বাবে দিল্লী বিশ্ববিদ্যালয়ৰ পৰা প্ৰত্যাৱৰ্তন।

১৯৯৯ চনৰ ৩০ নৱেম্বৰত তেওঁৰ মৃত্যু হয়।

**গাঁও সম্বন্ধে এম, এন, শ্ৰীনিবাসৰ আলোচনা (M. N. Srinivas Discussion on the Village) ঃ**

এম, এন, শ্ৰীনিবাসৰ সমাজতত্ত্বীয় অন্যান্য অৱদানবিলাকৰ ভিতৰত গাঁও সম্বন্ধীয় অধ্যয়ন অতি গুৰুত্বপূৰ্ণ। শ্ৰীনিবাসে ভাৰতীয় সমাজৰ গাঁও সম্বন্ধে অধ্যয়নৰ বাবে কেতবোৰ অতি গুৰুত্বপূৰ্ণ অঞ্চল ভ্ৰমণ কৰিছিল আৰু সেই অঞ্চল সমূহৰ জনসংখ্যাৰ পৰা সাক্ষাৎকাৰৰ ভিত্তিত বিভিন্ন তথ্য সংগ্ৰহ কৰিছিল। গাঁওসমূহ ভ্ৰমণ কৰি সেই গাঁও সমূহৰ পৰা ক্ষেত্ৰভিত্তিক অধ্যয়নৰ দ্বাৰা তথ্য সংগ্ৰহ কৰি লাভ কৰা জ্ঞান আৰু অভিজ্ঞতাবোৰ তেওঁৰ বৌদ্ধিক জীৱনৰ বাবে গুৰুত্বপূৰ্ণ হিচাপে বিবেচিত হৈছিল। তেওঁ মহীশূৰ (Mysore) ৰ এখন গাঁৱত এবছৰতকৈ অধিক কাল ক্ষেত্ৰ অধ্যয়ন কৰিছিল আৰু গ্ৰাম্য সমাজ সম্পৰ্কে যথেষ্ট জ্ঞান অৰ্জন কৰিবলৈ সক্ষম হৈছিল। আচলতে সেই সময়ছোৱাত শ্ৰীনিবাসে যিবোৰ অধ্যয়ন চলাইছিল সেইবোৰ আছিল নৃজাতীয় (Ethnographic) অধ্যয়ন আৰু এনে অধ্যয়নৰ এক বিশেষ সমাজতত্ত্বীয় তাৎপৰ্য আছিল। শ্ৰীনিবাসৰ দৰে সেই সময়ত এচ, চি, ডুবে (S. C. Dube), ডি, এন, মজুমদাৰ (D. N. Majumdar) আদি লোকসকলেও বিভিন্ন নৃজাতীয় অধ্যয়ন সমাপন কৰিছিল।

শ্ৰীনিবাসে গাঁও সম্বন্ধে যিবোৰ অধ্যয়ন কৰিছিল সেইবোৰ আছিল দুই ধৰণৰবৈশিষ্ট্য সম্পন্ন। প্ৰথম বিশেষত্বত পৰে তেওঁ ক্ষেত্ৰ অধ্যয়নৰ ভিত্তিত প্ৰস্তুত কৰা গাঁৱৰ নৃগোষ্ঠীয় (Ethnographic) বিৱৰণ তথা আলোচনা সমূহ। দ্বিতীয় প্ৰকাৰৰ বিশেষত্বত পৰে তেওঁ লিখা ভাৰতীয় গাঁৱৰ ঐতিহাসিক তথা অৱধাৰণিক আলোচনা, যিবোৰৰ যোগেদি গাৱঁক সামাজিক বিশ্লেষণৰ এটা গোট হিচাপে ধৰা হৈছিল। অৱশ্যে শ্ৰীনিবাসৰ গাঁও অধ্যয়নক সামাজিক বিশ্লেষণৰ এটা গোট হিচাপে মানি ল'বলৈ ভালেসংখ্যক নৃতত্ত্ববিদে অস্বীকাৰ কৰিছিল। এই ক্ষেত্ৰত লুইছ ডুমেণ্ট (Louis Dumont) এ কৈছিল যে সামাজিক সংস্থাৰূপে জাতি অধ্যয়নৰ তাৎপৰ্য গাঁও অধ্যয়নতকৈ অধিক বিবেচনাধীন হোৱা উচিত। কিয়নো গাঁও হৈছে কোনো বিশেষ অঞ্চলত একেলগে বসবাস কৰা জনসংখ্যাহে মাথোন। গাঁও সৃষ্টিও হ'ব পাৰে, জীয়াই থাকিবও পাৰে আৰু কেতিয়াবা নিশ্চিহ্নও হৈ যাব পাৰে। ইয়াৰ উপৰিও এখন গাঁৱৰ মানুহ আন গাঁৱলৈও যাব পাৰে। এনেবোৰ যুক্তিৰ আধাৰতে লুইছ ডুমণ্টে (Louis Dumont) বিশ্বাস কৰিছিল যে 'গাঁৱ'ক এটি অধ্যয়নৰ গোট হিচাপে অধিক গুৰুত্ব দিয়াতো বিপথে পৰিচালনা কৰাৰ দৰেই হ'ব। এনে দৃষ্টিভংগীৰ বিৰুদ্ধে গৈ শ্ৰীনিবাসে উপলব্ধি কৰিছিল যে 'গাঁৱ'ক এটি সামাজিক 'সত্তা' (Entity) হিচাপে বিবেচনা কৰিব পৰা যায়।

শ্ৰীনিবাসে উল্লেখ কৰিছে যে ইতিহাসৰ বিভিন্ন সময়ত গাঁওসমূহক সামাজিক ঐক্য সাধনৰ মুখ্য বাহকৰূপে দেখা গৈছিল। গাঁও সমূহৰ মাজেদি প্ৰকাশ পোৱা এনে সংহতিয়েই আছিল গ্ৰাম্য জীৱনৰ প্ৰধান দিশ। অৱশ্যে গ্ৰাম্য সামাজিক জীৱনত থকা এনে গুণৰ সমাহাৰৰ স্বত্বেও বৃটিছ প্ৰশাসক তথা নৃতত্ত্ববিদসকলে ভাৰতীয় গাঁও সম্বন্ধে কৰা কেতবোৰ মন্তব্যক সমালোচনা কৰিছে। বৃটিছ নৃতত্ত্ববিদসকলে ভাৰতীয় গাঁও সমূহক 'অপৰিৱৰ্তনীয়' আৰু এক 'ক্ষুদ্ৰ গণতান্ত্ৰিক গোট' বোলা কথাষাৰ শ্ৰীনিবাসে মানি ল'ব বিচৰা নাই। সেইবাবে ঐতিহাসিক আৰু সমাজতাত্ত্বিক সাক্ষ্যবোৰৰ আধাৰত শ্ৰীনিবাসে দেখুৱাইছিল যে দৰাচলতে গাঁওবোৰে লেখত ল'বলগীয়া পৰিৱৰ্তনৰ অভিজ্ঞতা লাভ কৰি আহিছে।

ভাৰতীয় সমাজতত্বত গাঁও অধ্যয়নে বিশেষ গুৰুত্ব লাভ কৰি আহিছে। বিভিন্ন নৃজাতীয় অধ্যয়ন সমূহে গাঁও সম্বন্ধীয় অধ্যয়ন তথা গৱেষণাৰ তাৎপৰ্য বৃদ্ধি কৰিছে। ভাৰতীয় গাঁও সমূহত কৰা অধ্যয়ন তথা গৱেষণাবোৰৰ ফলত গাঁও সমূহৰ পৰিৱৰ্তন সম্ভৱ হৈ উঠিছে। গ্ৰাম্য অধ্যয়নৰ জৰিয়তে একো একোখন গাঁৰৰ যি বিস্তৃত বিৱৰণ দাঙি ধৰা হয়, সেই বিৱৰণৰ দ্বাৰা গাঁও সম্বন্ধে বহুতো জ্ঞান আহৰণ কৰিব পৰা যায়। সেয়েহে গাঁও সম্বন্ধীয় এনে বিৱৰণৰ দ্বাৰা দেশৰ নীতি নিৰ্ধাৰক সকলেও জ্ঞান লাভ কৰি গাঁও সমূহৰ উন্নয়ন আৰু পৰিৱৰ্তনৰ ক্ষেত্ৰত পদক্ষেপ গ্ৰহণ কৰাত সুবিধা হৈ পৰে।

**ক্ৰিয়া-কলাপ-৪ (Activity-4)**

ধৰি লোৱা যাওঁক অন্য কোনো গ্ৰহ বা অন্য কোনো সভ্যতাৰ পৰা তোমালোকৰ কেইজনমান বন্ধুৱে প্ৰথমবাৰৰ বাবে পৃথিৱী দৰ্শনৰ কাৰণে আহিছিল। এই বন্ধুকেইজনে কোনো দিনেই ‘গাঁও’ শব্দটো শুনাই নাছিল অথবা কোনো ধৰণৰ জ্ঞান নাছিল। তেতিয়াহ’লে তুমি তোমাৰ বন্ধুকেইজনক ‘গাঁও’ চিনাক্ত কৰিবৰ বাবে কি পাঁচটা উপায় দিবা?

প্ৰথমেই কিছুমান সৰু সৰু গোট কৰিবলৈ প্ৰয়াস কৰা। তাৰ পিছত গোটবোৰৰ মাজত এইবোৰ তুলনা কৰি চোৱা কোনবোৰ বৈশিষ্ট্য প্ৰায় সকলোৰে মাজত দেখা গৈছে। বিভিন্ন গোটৰ দ্বাৰা চিনাক্ত কৰা কোনবোৰ বৈশিষ্ট্য প্ৰায় একে যেন লাগিছে। এনেবোৰৰ সহায়ত ‘গাঁৰ’ৰ কিবা সংজ্ঞা বিচাৰি পাইছা নেকি?

**ক্ৰিয়া-কলাপ-৫ (Activity-5)**

দেখা গৈছিল, ১৯৫০ চনত নগৰবাসী বহুসংখ্যক ভাৰতীয়ই ‘গাঁও’ অধ্যয়নৰ বাবে আকৰ্ষিত হৈছিল। নগৰত বসবাস কৰা লোকসকল আজিকালি গাঁৰৰ প্ৰতি আকৃষ্ট হৈছে বুলি ভাবানে? বাতৰিকাকত, চলচ্চিত্ৰ, দূৰদৰ্শন আদিত গাঁৰৰ বিষয়ে কিমান প্ৰচাৰ হয়? তুমি যদি প্ৰকৃততে নগৰৰ বাসিন্দা তেনেহ’লে লক্ষ্য কৰাচোন তোমালোকৰ পৰিয়ালৰ লোকসকলে গাঁৱত বসবাস কৰা আত্মীয় লোকসকলৰ লগত সম্পৰ্ক ৰাখেনে? তোমাৰ ককাদেউতা নাইবা তোমাৰ দেউতাৰ দিনত এনে যোগাযোগ কেনেধৰণৰ আছিল? নগৰ ত্যাগ কৰি গাঁওলৈ ঘূৰি যোৱা কোনো ব্যক্তিক তুমি চিনি পোৱানে? যদি তুমি এনে প্ৰকৃতিৰ লোক লগ পোৱা নাই তেনেহ’লে মানুহে গাঁৱত থাকিবলৈ নাইবা বসবাস কৰিব নিবিচৰাৰ কাৰণবোৰ তুমি কি বুলি ভাবা? গাঁৰৰ পৰা নগৰলৈ আহিব বিচৰা কোনোবা লোকৰ বিষয়ে যদি তুমি জানা, তেনেহ’লে তেওঁলোকে গাঁও এৰিবলৈ বিচৰা কাৰণবোৰ কি বুলি ক’ব বিচাৰে?

**সামৰণি (Conclusion)ঃ**

উল্লিখিত চাৰিওজন সমাজতত্ত্ববিদে আধুনিক ভাৰতত সমাজতত্ত্বক এক স্বকীয়তা প্ৰদান কৰাত অভূতপূৰ্ব বৰঙণি আগবঢ়াইছে। তেওঁলোকে সমাজতত্ত্বক বিভিন্ন দিশৰ পৰা এক ভাৰতীয় অনুভৱেৰে সমৃদ্ধ কৰিছে। জি, এচ, ঘূৰীয়ে পাশ্চাত্য নৃতত্ত্ববিদসকলে আগবঢ়োৱা জ্ঞানসমূহৰ ভিত্তিত ভাৰতবৰ্ষত সমাজতত্ত্বক এক স্বকীয় ৰূপ দিছিল আৰু এনে কৰোঁতে তেওঁ ভাৰতীয় পৌৰাণিক গ্ৰন্থসমূহৰ আৰু জ্ঞানৰ ভাণ্ডাৰসমূহৰ সহায় লৈছিল।

ডি, পি, মুখাৰ্জীয়ে এক সম্পূৰ্ণ বিপৰীত দিশৰ বিষয়বস্তুৰ ওপৰত দখল থকাৰ পিছতো, ভাৰতীয় সমাজতত্ত্বক পুনৰুদ্ধাৰ কৰাৰ বাট মুকলি কৰিছিল। তেওঁৰ দৰেই এ.আৰ. দেশায়ে পাশ্চাত্য সমাজতত্ত্ববিদ কাৰ্ল মাৰ্ক্সৰ দ্বাৰা প্ৰভাৱিত হৈ ৰাষ্ট্ৰৰ সম্পৰ্কে যি সমালোচনাত্মক চিন্তা-চৰ্চা আগবঢ়াইছিল, সেই সময়ত ই এক নতুনত্বৰ সূচনা কৰিছিল। এম.এন. শ্ৰীনিবাসেও পাশ্চাত্য নৃতত্ত্ববিদসকলৰ চিন্তা-চৰ্চাৰে পৰিচিত হৈ পৰৱৰ্তী সময়ছোৱাত ভাৰতীয় সমাজতত্ত্বত গৱেষণাৰ ক্ষেত্ৰত প্ৰয়োগ কৰিব পৰা যি সমূহ দিশ দেখুৱাই থৈ গ'ল, সিয়ে বিংশ শতিকাৰ শেষৰ ফাললৈ ভাৰতীয় সমাজতত্ত্বক যথেষ্ট চহকী কৰে।

এই আটাইকেইজন ব্যক্তিয়ে দেখুৱাই থৈ যোৱা বাটেৰে আগবাঢ়ি আহি আজি ভাৰতত সমাজতত্ত্বই এইখিনি অৱস্থা পাইছেহি। তেওঁলোকৰ পৰৱৰ্তী সমাজতত্ত্ববিদসকলে তেওঁলোকে আগবঢ়োৱা অৱদানৰ আধাৰতে ভাৰতবৰ্ষত সমাজতত্ত্বক আগুৱাই নিয়ে। বৰ্তমানৰ সমাজতত্ত্ববিদসকলে আগবঢ়োৱা বিভিন্ন দৃষ্টিকোণৰ সমালোচনাত্মক লিখনিসমূহো বিভিন্ন প্ৰকাৰে তেওঁলোকৰ লিখনিৰ দ্বাৰা প্ৰভাৱিত হৈছে। এই সমালোচনাত্মক লিখনিসমূহে বৰ্তমান ভাৰতবৰ্ষত সমাজতত্ত্বৰ বিকাশত যথেষ্ট অৰিহণা যোগাইছে।

**পৰিভাষা (Glossary)ঃ**

- **প্ৰশাসক নৃতত্ত্ববিদ (Administrator-Anthropologist)ঃ** ব্ৰিটিছ নৃতত্ত্ববিদ প্ৰশাসকসকল, যিসকলে ১৯ শতিকা আৰু বিংশ শতিকাৰ আগভাগত ভাৰতত ব্ৰিটিছ চৰকাৰৰ অংশবিশেষ ৰূপত আছিল, তেওঁলোকে নৃতাত্ত্বিক গৱেষণাত বিশেষকৈ জৰীপ আৰু লোকপিয়ল কাৰ্যত অধিক মনোনিবেশ কৰিছিল। অৱসৰৰ পাছত তেওঁলোকৰ কিছুসংখ্যক প্ৰখ্যাত নৃতত্ত্ববিদৰূপে জনাজাত হৈ পৰিছিল। উল্লেখনীয় তেনে কেইজনমান ব্যক্তি হৈছে — Edgar Thurston, William Crooke, Herbert Risley আৰু J.H. Hutton .
- **নৃদেহমাপতত্ত্ব (Anthropometry)ঃ** নৃতত্ত্বৰ এটি শাখা, যি বিভাগে মানৱ প্ৰজাতিৰ বিভিন্ন প্ৰকাৰবোৰ অধ্যয়ন কৰে। মানুহৰ দেহ বা শৰীৰ, বিশেষকৈ লাওখোলাৰ আয়তন, মূৰৰ পৰিধি আৰু নাকৰ দৈৰ্ঘ্যৰ সম্পৰ্কে অধ্যয়ন কৰাটো এই শাখাৰ প্ৰধান কাম।
- **সাদৃশ্যীকৰণ (Assimilation)ঃ** ই এনে এক সামাজিক প্ৰক্ৰিয়া যাৰ যোগেদি এটা সংস্কৃতিয়ে (বিশেষকৈ বৃহৎ অথবা প্ৰভাৱশালী) আন এটা সংস্কৃতিক ক্ৰমাগতভাৱে গ্ৰাস কৰি ল'ব পাৰে। সাদৃশ্যীকৰণত মিলি যোৱা ক্ষুদ্ৰ সংস্কৃতিবোৰ, বৃহৎ সংস্কৃতিৰ লগত মিলি যাবলৈ ধৰে আৰু এই প্ৰক্ৰিয়াৰ অন্তত সৰু সংস্কৃতিবোৰৰ অস্তিত্ব অৱশেষত নাইকিয়া হৈ পৰে।
- **আন্তঃবিবাহ (Endogamy)ঃ** ই এটা সামাজিক সংস্থা, যাৰ সীমা নিৰ্ধাৰণ কৰা হয় কোনো সামাজিক

বা বংশ গোটৰ ভিত্তিত হোৱা বিবাহৰ জৰিয়তে। এনেদৰে নিৰ্ধাৰিত সীমাৰ বাহিৰত বিবাহৰ অনুমতি দিয়া নহয়। এটা সাধাৰণ উদাহৰণ হৈছে জাতি আন্তঃবিবাহ, য'ত কেৱল একেটা জাতিৰ সদস্যসকলৰ ভিতৰতহে বিয়া-বাৰুৰ প্ৰচলন থাকে।

- **বহিঃবিবাহ (Exogamy) ঃ** ই এটা সামাজিক সংস্থা, য'ত বৈবাহিক সম্বন্ধৰ অনমুতি প্ৰদান কৰা হয় কোনো সামাজিক গোট বা বংশ সীমাৰ বাহিৰত। বিবাহ সম্বন্ধ উক্ত সামাজিক গোট বা বংশৰ বাহিৰত হ'ব লাগিব। ইয়াৰ উদাহৰণ হৈছে স্বপিণ্ড বিবাহ (Sapinda exogamy); গোত্ৰৰ বাহিৰত বিবাহ (Sagotra exogamy); অথবা একে গাঁও বা একে অঞ্চলৰ বাহিৰত সম্পন্ন হোৱা বিবাহ (village/ region exogamy)।
- **লেইছেজ ফেয়াৰ (Laissez faire) ঃ** ই এটা ফৰাচী ভাষাৰ বাক্যাংশ। ভাষাগত অৰ্থ হ'ল অকলে বা মুক্তভাৱে এৰি দিয়া ('Let be' or 'Leave alone')। ৰাজনৈতিক আৰু অৰ্থনৈতিক মতবাদক বুজায়; য'ত অৰ্থনীতি আৰু অৰ্থনৈতিক সম্বন্ধ নিৰ্ণয় কৰাত ৰাষ্ট্ৰৰ হস্তক্ষেপ একেবাৰে নগণ্য। এই ক্ষেত্ৰত ৰাষ্ট্ৰই বিশ্বাস কৰে যে এই ব্যৱস্থাৰ জৰিয়তে মুক্ত বজাৰ ব্যৱস্থা নিয়ন্ত্ৰিত শক্তি আৰু সামৰ্থ অনুযায়ী আগবাঢ়িব পাৰে।

## অনুশীলনী (Exercise)

১। অনন্থকৃষ্ণ আয়াৰ আৰু শৰৎ চন্দ্ৰ ৰয়ে কেনেকৈ সামাজিক নৃতত্ত্ব অধ্যয়ন কৰিবলৈ আগবাঢ়ি আহিছিল আলোচনা কৰা।

How did Ananthakrishna Iyer and Sarat Chandra Roy come to practice social anthropology?

২। জনজাতীয় সম্প্ৰদায়সমূহৰ মাজত সম্পৰ্কৰ ক্ষেত্ৰত থকা যুক্তিসমূহ আলোচনা কৰা।

What were the main arguments on either side of the debate about how to relate to tribal communities?

৩। ভাৰতবৰ্ষৰ জাতি আৰু প্ৰজাতিসমূহৰ মাজত থকা সম্পৰ্কৰ বিষয়ে হাৰ্বাট ৰিজলী আৰু জি. এছ. ঘূৰীয়ে কেনেদৰে বক্তব্য আগবঢ়াইছে, আলোচনা কৰা।

Outline the positions of Herbert Risley and G.S. Ghurye on the relationship between race and caste in India.

৪। জাতি সম্পৰ্কে থকা সামাজিক নৃতাত্ত্বিক সংজ্ঞাসমূহ চমুকৈ আলোচনা কৰা।

Summarise the social anthropological definition of caste.

৫। ডি. পি. মুখাৰ্জীয়ে 'জীৱন্ত পৰম্পৰা' মানে কি পৰম্পৰাক বুজাব বিচাৰিছে? তেওঁৰ মতে কিয় ভাৰতীয় সমাজতত্ত্ববিদসকল এইধৰণৰ পৰম্পৰাৰ সৈতে একাত্ম হ'ব লাগে?

What does D.P. Mukherji mean by 'living tradition'? Why did insist that Indian sociologists be rooted in this tradition?

৬। ভাৰতীয় সমাজ আৰু সংস্কৃতিৰ বিশেষত্বসমূহ কি কি? সেইবোৰে কেনেকৈ পৰিৱৰ্তনৰ আৰ্হিত প্ৰভাৱ পেলায়?

What are the specificities of Indian culture and society, and how do they affect the pattern of change?

৭। কল্যাণকামী ৰাষ্ট্ৰ মানে কি? এ, আৰ, দেশায়ে কল্যাণকামী ৰাষ্ট্ৰৰ বিপক্ষে কিয় প্ৰতিবাদ সাব্যস্ত কৰিছে?

What is a welfare state? Why is A.R. Desai critical of the claims made on its behalf?

৮। এম, এন, শ্ৰীনিবাস আৰু লুইচ ডুমন্তে গাঁৱক সমাজতাত্ত্বিক গৱেষণাৰ বিষয়বস্তু হিচাপে লোৱাৰ সপক্ষে আৰু বিপক্ষে কেনেধৰণৰ মত প্ৰকাশ কৰিছে?

What arguments were given for and against the village as a subject of sociological research by M.N. Srinivas and Louis Dumont?

৯। ভাৰতীয় সমাজতত্ত্বৰ ইতিহাসত গাঁও অধ্যয়নৰ তাৎপৰ্য ব্যাখ্যা কৰা। এইক্ষেত্ৰত এম, এন, শ্ৰীনিবাসে কেনে ভূমিকা পালন কৰিছিল উল্লেখ কৰা।

What is the significance of village studies in the history of Indian sociology? What role did M.N. Srinivas play in promoting village studies?

**References :**


- Desai, A.R. 1975. State and Society in India : Essays in Dissent. Popular Prakashan, Bombay.
- Deshpande, Satish, 2007. 'Fashioning a Postcolonial Discipline : M.N. Srinivas and Indian Sociology' in Uberoi, Sundar and Deshpande (eds) (in press).
- Ghurye, G.S. 1969. Caste and Race in Idia, Fifth Edition, Popular Prakashan, Bombay.
- Pramanick, S.K. 1994, Sociology of G.S. Ghurye, Rawat Publications, Jaipur, and New Delhi.
- Mukerji, D.P. 1946. Views and Counterviews. The Universal Publishers, Lucknow.
- Mukerji, D.P.1955. 'Indian Tradition and Social Change', Presidential Address to the All India Sociological Conference at Dehradun.
- Reproduced in T.K.Oommen and Partha N. Mukherji (eds) 1986, Indian Sociology : Reflections and Introspections, Popular Prakashan, Bombay.
- Madan, T.N. 1994. Pathways : Approaches to the Study of Society in India. Oxford University Press, New Delhi.
- Patel, Sujata. 'Towards a Proxiological Understanding of Indian Society : The Sociologyof

A.R. Desai', in Uberoi, Sundar and Deshpande (eds) (in press)

- Srinivas, M.N. 1955. India's Villages. Development Department, Government of West Bengal, West Bengal Government Press, Calcutta.
- Srinivas, M.N. 1987. 'The Indian Village : Myth and Reality' in the Dominant Caste and other Essays. Oxford University Press, New Delhi.
- Uberoi, Patricia, Nandini Sundar and Satish Deshpande (eds) (in press). Disciplinary Biographies : Essays in the History of Indian Sociology and Social Anthropology. Permanent Black, New York.
- Upadhya, Carol. 'The Idea of Indian Society : G.S. Ghurye and the Making of Indian Sociology', in Uberoi, Sundar and Deshpande (eds) (in press).